● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন



সকলোতকৈ শক্তিশালী দুই যোদ্ধা হৈছে সময় আৰু ধৈৰ্য।

লিঅ' টলষ্টয়
*ৰুছ সাহিত্যিক*

www.dainikagradoot.in

৭ যিকোনো মুহূৰ্তত চীনে টাইৱান আক্ৰমণ কৰিব পাৰে চীনে
১৫ দ্বিতীয় মেচতো পৰাস্ত নৰ্থ-ইষ্ট ইউনাইটেড
৪ ৭৫ বছৰীয়া স্বাধীন ভাৰতৰ পটভূমিত অসমৰ অৰ্থনৈতিক অৱস্থা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩১২তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৫ ভাদ ১৪২৯ ভাস্কৰাব্দ ২২ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 22 August 2022 মূল্য ঃ ৯.০০ টকা

## বিলকিছ বানোক সান্ত্বনা দিও কোন সতে!

■ প্ৰাঞ্জলসেন ডেকা

**স্বাধীনতাৰ** ৭৫ বছৰ পূৰ্তি উপলক্ষে অভূতপূৰ্ব জাকজমকতা আৰু আবেগেৰে 'অমৃত মহোৎসৱ' উদ্‌যাপনৰ সময়ত এনে এক নিষ্ঠুৰ খবৰ হয়তো কোনো সংবেদনশীল ভাৰতীয়ই আশা কৰা নাছিল। কিন্তু তেনে এটি অভাৱনীয় ঘটনাই সংঘটিত হ'ল, যিয়ে আমাৰ বহুতকে বিবেক দংশনত ভুগিবলৈ বাধ্য কৰিছে। ২০০২ৰ গুজৰাটৰ সাম্প্ৰদায়িক সংঘৰ্ষত পৰিয়ালৰ সাতজনকৈ সদস্যক হেৰুওৱাৰ *১০ পৃষ্ঠাত চাওক*

■ চূড়ান্ত মিথ্যাচাৰত লিপ্ত ৰাজ্যৰ সৰ্বশিক্ষা অভিযান ■ ৮০খন 'শূন্য' শিক্ষকৰ বিদ্যালয়, ৪৭০২ এজনীয়া শিক্ষকৰ বিদ্যালয়ত নিশাৰ ভিতৰতে পৰ্যাপ্ত শিক্ষক প্ৰদৰ্শন কৰিবলৈ জৰুৰী নিৰ্দেশ প্ৰেৰণ

# বাস্তৱত শূন্য, কাগজতহে আছে শিক্ষক

### কেন্দ্ৰীয় চৰকাৰক দাখিল কৰিলে ভুৱা তথ্য ঃ প্ৰাথমিক বিদ্যালয়ৰ দুৰ্দশা ঢাকিবলৈ তৎপৰতা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ আগষ্ট ঃ** বিদ্যালয়ৰ লাওলোৱা অৱস্থা ঢাকিবলৈ মিথ্যাচাৰৰ আশ্ৰয় ল'লে ৰাজ্যৰ সৰ্বশিক্ষা অভিযানে। বিগত কেইবা বছৰ ধৰি ৰাজ্যত কমেও ৮০ খন প্ৰাথমিক বিদ্যালয়ত এজনো শিক্ষক নোহোৱাকৈ চলি থকাৰ পাছতো গা নলৰা সৰ্বশিক্ষা অভিযানে এইবাৰ কেন্দ্ৰীয় চৰকাৰক ৰাজ্যৰ শিক্ষাখণ্ডৰ এখন উন্নত প্ৰতিচ্ছবি দাঙি ধৰাৰ উদ্দেশ্যে কাগজে-কলমে সকলো বিদ্যালয়তে পৰ্যাপ্ত শিক্ষক থকা বুলি ইউডাইছ ২০২১-২২ত ভুৱা তথ্য সন্নিৱিষ্ট কৰাৰ অভিযোগ উঠিছে। যি সময়ত ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহৰ শিক্ষাৰ মান ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ স'তে ফেৰ মাৰিব পৰাকৈ ইংৰাজী মাধ্যমত পাঠদানৰ বাবে চৰকাৰে সিদ্ধান্ত

ইউডাইছ-২০২১-২২ত ভুৱা তথ্যৰে জিলিকিব অসমৰ শিক্ষাখণ্ড ঃ ঠিকাভিত্তিত-ষ্টেট পুল শিক্ষকক সংলগ্নকৰণৰে প্ৰতিখন বিদ্যালয়তে শিক্ষাৰ্থী অনুপাতে শিক্ষকৰ সংখ্যা প্ৰদৰ্শনৰ পৰামৰ্শ

গ্ৰহণ কৰিছে সেই সময়তে উন্মোচিত হৈছে ৰাজ্যত এতিয়াও ৮০খনকৈ বিদ্যালয়ত এজনো শিক্ষক নথকাৰ তথ্য। এই বিদ্যালয়কেইখনত মাধ্যম সলনি কৰিলে কোনে ছাত্ৰ-ছাত্ৰীক ইংৰাজীত পাঠদান কৰিব তাক লৈ এবাৰো ভবাৰ অৱকাশ নোপোৱা ৰাজ্যৰ শিক্ষা বিভাগে কাগজে-কলমে এতিয়া এই বিদ্যালয়কেইখনত শিক্ষক সংলগ্ন কৰি পৰ্যাপ্ত শিক্ষক থকা বুলি নথিপত্ৰ প্ৰস্তুত কৰিছে। কেৱল সেয়াই *১০ পৃষ্ঠাত চাওক*



*ৰাষ্ট্ৰীয় পত্ৰকাৰিতা কল্যাণ ন্যাসে কনকসেন ডেকালৈ আগবঢ়োৱা সাংবাদিকতাৰ জীৱনজোৰা সাধনাৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰিছে মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ভগৎ সিং কোছিয়াৰীয়ে, মুম্বাইৰ ৰাজভৱনত দেওবাৰে।*

### কনকসেন ডেকালৈ সাংবাদিকতাৰ জীৱনজোৰা সাধনাৰ ৰাষ্ট্ৰীয় বঁটা

সাংবাদিকতা কেৱল এক বৃত্তি নহয়, এক সংকল্প ঃ ৰাজ্যপাল কোছিয়াৰী

## বহু ভাষা-ধৰ্ম-সম্প্ৰদায়ক লৈও জাতিৰ ধাৰণা সলাই দিলে ভাৰতে

■ নিউজ ব্যুৰ'

**মুম্বাই, ২১ আগষ্ট ঃ** 'স্বাধীনতাৰ ৭৫ বৰ্ষপূৰ্তিৰ সমান্তৰালভাৱে ভাৰতে জাতিৰ ধাৰণা সলাই দিবলৈ সক্ষম হৈছে। স্বাধীনতাৰ সময়ত ইমানবোৰ জাতি, ধৰ্ম, সম্প্ৰদায়ক লৈ ভাৰত এক জাতি হিচাপে সফল নহ'ব আৰু এই দেশ টিকি নাথাকিব বুলি বহু ৰাষ্ট্ৰনেতা আৰু পণ্ডিতে আশংকা প্ৰকাশ কৰিছিল যদিও দেশে সেই আশংকা ভুল বুলি প্ৰমাণ কৰি দিলে। বহু জাতি, ধৰ্ম, সম্প্ৰদায়ৰ সমাবেশেৰেও যে এক জাতি হিচাপে সফল হোৱাটো সম্ভৱ ভাৰতবৰ্ষই তাৰ উদাহৰণ।' আজি মুম্বাইৰ ৰাজভৱনত ৰাষ্ট্ৰীয় পত্ৰকাৰিতা কল্যাণ ন্যাসে আগবঢ়োৱা সাংবাদিকতাৰ জীৱনজোৰা সাধনাৰ ৰাষ্ট্ৰীয় বঁটা গ্ৰহণ কৰি এইদৰে কয় বিশিষ্ট সাংবাদিক-সাহিত্যিক তথা 'দৈনিক অগ্ৰদূত'ৰ মুখ্য সম্পাদক কনকসেন ডেকাই। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ভগত সিং কোছিয়াৰীয়ে প্ৰদান কৰা বঁটা গ্ৰহণ কৰি ডেকাই আৰু কয়, 'হেৰল্ড লাস্কিৰ দৰে ৰাজনীতি বিজ্ঞানৰ পণ্ডিতেও কৈছিল যে এক জাতি হিচাপে ভাৰত টিকি নাথাকিব; কিয়নো এক ভাষা, এক ধৰ্ম আৰু এক ভূখণ্ডৰ জৰিয়তেহে এক জাতি গঢ়ি উঠে। *দুই পৃষ্ঠাত চাওক*

## ইণ্টাৰনেট বন্ধ, ওৱেটো দিন স্তব্ধ 'ডিজিটেল' অসম

কেব-এটিএম সেৱাত ব্যাঘাত ঃ ঘৰতে বহি থাকিল ছুইগী-জমেট'ৰ যোগনিয়াৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ আগষ্ট ঃ** সমগ্ৰ ৰাজ্যজুৰি আজি অনুষ্ঠিত হোৱা ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ খালী পদৰ নিযুক্তি পৰীক্ষা উপলক্ষে পৰীক্ষা হলৰ এশ মিটাৰ ব্যাসাৰ্ধত ম'বাইল-ইণ্টাৰনেট সেৱা বন্ধ কৰাৰ নিৰ্দেশৰ পৰিৱৰ্তে আজি ম'বাইল ইণ্টাৰনেট সেৱা কোম্পানীসমূহে পুৱাৰে পৰা বিকল কৰি ৰখাৰ অভিযোগ উঠিছে। ইণ্টাৰনেট সেৱা *দুই পৃষ্ঠাত চাওক*

■ মৰিগাঁৱৰ কুশতলীত মন্ত্ৰী হাজৰিকা-পাটোৱাৰীয়ে আগবঢ়ালে সাহায্যৰ চেক ■ আহতক ২৫ হেজাৰ টকাৰ চেক ■ প্ৰতিটো পৰিয়ালক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্তৰ নিৰ্দেশ পীযুষৰ

## ভূমিস্খলনত নিহতৰ নিকটাত্মীয়লৈ দুই লাখকৈ

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট/ভূৰাগাঁও, ২১ আগষ্ট ঃ** মণিপুৰৰ টুপুলত ভূমিস্খলনত কৰুণ মৃত্যুক সাবটি লোৱা মৰিগাঁৱৰ ১৬ জন লোকৰ নিকটাত্মীয় আৰু আহতসকলক আজি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা আৰ্থিক অনুদান আগবঢ়োৱা হয়। মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কুশতলী অঞ্চলৰ এই দুৰ্ভগীয়া শ্ৰমিকসকলৰ নিকটাত্মীয়ক ৰাজ্য চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অৰ্থ সাহায্যৰ চেক আগবঢ়ায়। এই উপলক্ষে আয়োজিত এক অনুষ্ঠানত ১৬ জন মৃত লোকৰ নিকটাত্মীয়ক দুই লাখকৈ টকাৰ চেক আৰু পাঁচজন আহত লোকক ২৫ হেজাৰকৈ টকাৰ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ৰাজ্য চৰকাৰৰ মন্ত্ৰীদ্বয়ে আজি মৰিগাঁৱলৈ গৈ মণিপুৰৰ ভূমিস্খলনত নিহত শ্ৰমিক *১০ পৃষ্ঠাত চাওক*



■ দুই ৰাজ্যৰ কেবিনেট মন্ত্ৰীৰ নেতৃত্বত তিনিখন আঞ্চলিক সমিতি গঠনৰ সিদ্ধান্ত ■ ১৫ দিনৰ ভিতৰত জাৰি কৰা হ'ব জাননী ■ ৰাইজৰ আস্থা নিৰ্মাণ-সমাধানৰ বাবে ক্ষেত্ৰভিত্তিক অধ্যয়ন

## বাকী থকা বিবাদ নিষ্পত্তিৰ দিশে অসম-মেঘালয়



### আজি মন্ত্ৰী পৰ্যায়ৰ অসম-অৰুণাচল সীমান্ত ভ্ৰমণ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ আগষ্ট ঃ** দীৰ্ঘদিনীয়া সীমা বিবাদৰ সমস্যা সমাধানৰ দিশে অগ্ৰসৰ হোৱা অসম আৰু মেঘালয়ৰ দুই মুখ্যমন্ত্ৰীৰ মাজত আজি সম্পন্ন হোৱা বৈঠক মৰ্মে গঠন কৰা হ'ব তিনিখন আঞ্চলিক কমিটী। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ কনৰাড চাংমাৰ মাজত সম্পন্ন হোৱা বৈঠকৰ অন্তত টুইটাৰযোগে ড° শৰ্মাই সদৰী কৰে যে বাকী থকা ছটা বিবদমান অঞ্চলত সীমান্ত সমস্যা সমাধানৰ বাবে কেবিনেট মন্ত্ৰীৰ নেতৃত্বত অসম আৰু মেঘালয়ে তিনিখন আঞ্চলিক কমিটী গঠনৰ সিদ্ধান্তত উপনীত হৈছে। তেওঁ কয় যে আজিৰ এই বৈঠক আছিল মেঘালয়ৰ মুখ্যমন্ত্ৰী চাংমাৰ স'তে তেওঁৰ তৃতীয় বৈঠক। এই কমিটীয়ে বিবদমান অঞ্চলকেইটাত বিস্তৃতভাৱে পৰিভ্ৰমণ কৰিব, অঞ্চলবাসীৰ স'তে বাৰ্তালাপ কৰিব, মত পাৰ্থক্য দূৰ কৰাৰ বাবে ৰাইজৰ আস্থা নিৰ্মাণ কৰিব আৰু দুয়োপক্ষ সন্মত হ'ব পৰা সমাধান বিচাৰি উলিয়াব। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে পাঁচ দশক পুৰণি সীমান্ত বিবাদৰ সমাধানৰ বাবে মেঘালয়ৰ মুখ্যমন্ত্ৰী *১০ পৃষ্ঠাত চাওক*

## ঢকুৱাখনাৰ প্ৰবীণ ৰাজনীতিক পৰমানন্দ দলেৰ বিয়োগ

পিতৃহাৰা হ'ল বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী নৱ কুমাৰ দলে



**গুৱাহাটী, ২১ আগষ্ট ঃ** ঢকুৱাখনাৰ ৰাজনৈতিক, সামাজিক ক্ষেত্ৰখনৰ এক নামজ্বলা ব্যক্তিত্ব, ঢকুৱাখনা বিধানসভা সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী নৱ কুমাৰ দলেৰ পিতৃ পৰমানন্দ দলে *১০ পৃষ্ঠাত চাওক*

### কেলেংকাৰিত অপচয় হোৱা ধন ঘূৰাই অনাৰ বাবে হেঁচা কেন্দ্ৰৰ

## ৰাজ্যত ১৮২ কোটি টকা সৰকাই সন্ধান নাই ন লক্ষাধিক ভুৱা কৃষকৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ আগষ্ট ঃ** অসমত প্ৰধানমন্ত্ৰী কৃষি সন্মান নিধি (পিএমকেএছএল) আঁচনিৰ ধন আত্মসাৎ কৰা ন লক্ষাধিক হিতাধিকাৰী কৃষক আজি পৰ্যন্ত সন্ধানহীন হৈ আছে। ৰাজ্যৰ কৃষি বিভাগৰ তথ্য অনুসৰি এই বৃহৎ সংখ্যক কৃষকৰ কোনো ঠিকনাই এই পৰ্যন্ত উদ্ধাৰ হোৱা নাই। সেয়েহে এই সকলক ভুৱা কৃষক বুলি চিহ্নিত কৰা হৈছে। আনহাতে, এইসকল তথাকথিত কৃষকৰ নামত ৰাজকোষৰ পৰা ওলাই যোৱা ধনৰ পৰিমাণ ১৮২ কোটি টকাৰো অধিক। উল্লেখ্য যে দেশৰ ক্ষতিগ্ৰস্ত কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা আঁচনিখনৰ অধীনত অসমৰো ২৩.৩৩ লাখ কৃষকৰ নাম সাহায্য লাভৰ তালিকাভুক্ত হয়। ইয়াৰ ফলত কৃষকসকলে এবাৰত দুহেজাৰ টকাকৈ বছৰি তিনিটা কিস্তিত মুঠ ছহেজাৰ টকা লাভ কৰে; কিন্তু প্ৰথম কিস্তিৰ ধন মোকলাই দিয়াৰ পাছতে অসমত আঁচনিখনৰ নামত অভাৱনীয় *১০ পৃষ্ঠাত চাওক*

## ৰাষ্ট্ৰীয় শিক্ষা নীতিক অৱমাননা কৰিছে চৰকাৰে

সিদ্ধান্ত পুনৰ বিবেচনাৰ দাবী বিদ্যাৰ্থী পৰিষদৰ

ষ্টাৰ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ আগষ্ট ঃ** ৰাজ্যৰ বিদ্যালয়সমূহত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় ইংৰাজী মাধ্যমত পাঠদান কৰোৱা বিজেপি নেতৃত্বাধীন ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ পৰিপন্থী বুলি অভিহিত কৰিছে দেশৰ সৰ্ববৃহৎ ছাত্ৰ সংগঠন তথা ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ ছাত্ৰ সংগঠন অখিল *১০ পৃষ্ঠাত চাওক*

### আঠ বজালৈ খোলা নাছিল পৰীক্ষা কেন্দ্ৰ গাফিলতি কৰা অধ্যাপকক ধমক উপায়ুক্তৰ

## চতুৰ্থ বৰ্গৰ পৰীক্ষাৰ নীতি-নিয়ম ভংগৰ অভিযোগত গ্ৰেপ্তাৰ কলেজৰ অধ্যক্ষক


**শিলচৰ, ২১ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পৰীক্ষাৰ নীতি-নিয়ম ভংগৰ লগতে হেমাহিৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল শিলচৰৰ এখন মহাবিদ্যালয়ৰ অধ্যক্ষ। কাছাৰ জিলাৰ উপায়ুক্ত ৰোহন কুমাৰ ঝাৰে তৰা গোচৰৰ ভিত্তিত আজি গ্ৰেপ্তাৰ হয় শিলচৰৰ ঐতিহ্যবাহী কাছাৰ কলেজৰ অধ্যক্ষ সিদ্ধাৰ্থ শংকৰ নাথ। জিলা প্ৰশাসনৰ সূত্ৰই জনোৱা মতে, ৰাজ্যখনৰ যোগ্য যুৱক-যুৱতীক স্বচ্ছভাৱে চৰকাৰী চাকৰিত নিযুক্তি দিয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে চেষ্টা চলোৱাৰ প্ৰথম দিনাই শিলচৰৰ কাছাৰ কলেজ পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত তথা অধ্যক্ষ নাথে চৰম গাফিলতি প্ৰদৰ্শন কৰে। দূৰ-দূৰণিৰ পৰা পৰীক্ষাৰ্থী আজি কেন্দ্ৰটোত উপস্থিত হৈছিল যদিও পুৱা আঠ বজালৈ কাছাৰ কলেজৰ পৰীক্ষা কেন্দ্ৰ খোলা নাছিল। তদুপৰি অধ্যক্ষজনে কোনো কৰ্মচাৰীৰ লগত যোগাযোগ কৰা নাছিল। ইপিনে, বেলা বাঢ়িবলৈ ধৰিলেও বাহিৰত অপেক্ষাৰত অৱস্থাত আছিল পৰীক্ষাৰ্থীসকল। পাছত এই কথা জানিব পাৰি মহাবিদ্যালয়খনত উপস্থিত হয় জিলা উপায়ুক্ত ঝা। তেতিয়াও অধ্যক্ষ নাথ *১০ পৃষ্ঠাত চাওক*

## ৰাজ্যত এমভিআই লাগে ৬০জন, আছে মাথোঁ ২৭জন

পৰিস্থিতিৰ সুযোগ লৈ ধন চপাইছে একাংশ দুৰ্নীতিগ্ৰস্তই

বিশেষ সংবাদদাতা

**নগাঁও, ২১ আগষ্ট ঃ** ৰাজ্যত পৰিবহণ বিভাগৰ বাহন পৰীক্ষক (এমভিআই)ৰ মুঠ ৬০টা·পদৰ ভিতৰত ৩৩টাই খালী হৈ আছে। বৰ্তমান বিভিন্ন জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত কাৰ্যনিৰ্বাহ কৰি আছে মাত্ৰ ২৭জন এমভিআয়ে। বছৰ বছৰ ধৰি খালী হৈ আছে ৩৩টা এমভিআই পদ। এই এমভিআইৰ পদসমূহ খালী হৈ থকাৰ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৭° |
| ডিব্ৰুগড় | ৩৪° | ২৭° |
| দিল্লী | ৩৬° | ২৭° |
| কলকাতা | ৩২° | ২৭° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৬° | ২৬° |
| বাংগালুৰু | ২৬° | ২০° |
| শ্বিলং | ২৪° | ১৯° |

*২১ আগষ্ট, ২০২২*

### গোৱালপাৰাৰ শ্বেৰ খানে জালিয়াতিৰে প্ৰস্তুত কৰি দিয়ে ভুৱা নথি

## আৰক্ষী বিষয়াক ধনেৰে বশ কৰি সুতৰ বেহা চলাইছে কাবুলিৱালাই




জেহাদীক লৈ তৎপৰতাৰ বিপৰীতে অবৈধভাৱে বাস কৰা আফগান নাগৰিকলৈ অহেতুক দৰদ কিয়?

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ আগষ্ট ঃ** শীৰ্ষ আৰক্ষীক 'মেনেজ' কৰিয়েই অসমত অবৈধভাৱে থাকি সুতৰ ৰমৰমীয়া ব্যৱসায় চলাই আছে একাংশ কাবুলিৱালাই। যাৰ বাবেই নানা জালিয়াতিৰ আশ্ৰয় লৈ এই সকল কাবুলিৱালাই কোটি কোটি টকাৰ ব্যৱসায় অব্যাহত ৰাখিছে অসমত। অথচ এই ব্যৱসায়ৰ পৰা ৰাজ্য চৰকাৰে এটকাও ৰাজহ লাভ কৰা নাই। ইতিমধ্যে নানা জালিয়াতিৰ আশ্ৰয় লৈ বহু আফগান নাগৰিক, শৰণাৰ্থী, পৰ্যটকৰূপী কাবুলিৱালাই *১০ পৃষ্ঠাত চাওক*

### চেঙা তেল



*মূৰটো পাতি দিছো... কিমানে মাৰ... মাৰ ঐ! ক'ৰ পানী ক'লৈ যায় চাই লম ঐ....*

■ একিউআইএছ-এবিটিত যোগদান কৰি অসমত বাংলাদেশী মৌলবাদীক আশ্ৰয় দিছিল ■ আৰক্ষীয়ে ধৃত ইমামদ্বয়ৰ পৰা জব্দ কৰিলে জেহাদ সম্পৰ্কীয় নথিপত্ৰ ■ সাতদিনৰ জিম্মাত

## ধৃত ইমামে ধৰ্মসভালৈ আনিছিল জেহাদীক

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২১ আগষ্ট ঃ** গোৱালপাৰা আৰক্ষীয়ে কালি গ্ৰেপ্তাৰ কৰা দুজন ইমাম জেহাদী সংগঠনৰ স'তে পোনপটীয়াকৈ জড়িত থকা বুলি সদৰী কৰিছে আৰক্ষীয়ে। জেহাদীৰে সম্পৰ্ক থকাৰ অভিযোগত গোৱালপাৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোক দুজন হৈছে মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত তিনকোণীয়া পাৰা





শান্তিপুৰ মছজিদৰ ইমাম আব্দুছ ছোবাহান (৪৩) আৰু মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত গোপালপুৰ টিলাপাৰা নতুন মছজিদৰ ইমাম জালালউদ্দিন শ্বেইখ (৪৯)। তেওঁলোকৰ জিম্মাৰ পৰা বহু সংখ্যক জেহাদী সম্পৰ্কীয় কিতাপৰ লগতে বিভিন্ন আপত্তিজনক নথি-পত্ৰও জব্দ কৰা হৈছে। যোৱা নিশা এক সংবাদমেলত এই কথা সদৰী কৰে গোৱালপাৰাৰ *দুই পৃষ্ঠাত চাওক*

### হৃদয়বিদাৰক ঘটনা ঃ উদ্ধাৰ কণমানি পুত্ৰ-কন্যাসহ মাতৃৰ মৃতদেহ

## ম'বাইলৰ বাবে স্বামীৰে কাজিয়া কৰি সন্তানসহ পুখুৰীত জাঁপ পত্নীৰ



বিশেষ সংবাদদাতা

**নগাঁও, ২১ আগষ্ট ঃ** নগাঁও জিলাৰ ৰহাত আজি সংঘটিত হয় এক হৃদয় বিদাৰক ঘটনা। ঘৰৰ পাছফালৰ পুখুৰীত উদ্ধাৰ হ'ল দুই কণমানি সন্তানৰ স'তে মাতৃৰ মৃতদেহ। ৰহাৰ মধ্য টোপাকুছিত সংঘটিত হৈছে এই কৰুণ ঘটনা। মধ্য টোপাকুছিৰ পণ্ডিত বৰদলৈ নামৰ লোকজনৰ পত্নী নিৰু বৰদলৈ (৩২), আঠ বছৰীয়া পুত্ৰ নীলোৎপল বৰদলৈ আৰু দুবছৰীয়া কন্যা সন্তান ৰিধি বৰদলৈৰ এনে অস্বাভাৱিক মৃত্যুৰে আজি সমগ্ৰ ৰহাতে শোকাকুল পৰিৱেশৰ *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২২ আগষ্ট, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

## বহলপুৰত বিলাতী সুৰাৰ বিপণী স্থাপনৰ বিৰুদ্ধে ঘাইপথ অৱৰোধেৰ সংকল্প ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**বহলপুৰ, ২১ আগষ্ট ঃ** ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ বহলপুৰ বৰপাৰাত বিলাতী সুৰাৰ বিপণী খোলাক কেন্দ্ৰ কৰি ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, অসম চৰকাৰৰ আবকাৰী বিভাগে ধুবুৰী জিলাৰ চাপৰকে ধৰি কেইখনমান ঠাইত চৰকাৰী অনুজ্ঞাপত্ৰ থকা বিলাতী সুৰাৰ বিপণী খোলাৰ বাবে জাননী জাৰি কৰে আৰু সেইমৰ্মে চাপৰত সুৰাৰ বিপণীখন স্থাপনৰ যো-জা চলোৱা হয়; কিন্তু চাপৰবাসী ৰাইজৰ তীব্ৰ ছয় পৃষ্ঠাত চাওক

### ভাৰত-বাংলাদেশ সীমান্ত পৰিদৰ্শন আছু নেতৃত্বৰ

## সীমান্ত ছীল কৰাৰ নামত চৰকাৰৰ প্ৰহসন ঃ শংকৰজ্যোতি

**ধুবুৰী, ২১ আগষ্ট ঃ** ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্ত পৰিভ্ৰমণ কৰি আজি সীমাৰ সিপাৰৰ পৰা অব্যাহত থকা অনুপ্ৰৱেশৰ বুজ ল'লে সদৌ অসম ছাত্ৰ সন্থাই। আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাৰ নেতৃত্বত যোৱা এই দলটোৱে ধুবুৰী জিলাৰ গোলকগঞ্জ ছয় পৃষ্ঠাত চাওক

### একমাত্ৰ কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ পদ কুক্ষিগত কৰিবলৈ দিছপুৰত ৰচিছিল একত্ৰীকৰণৰ নাটক

# সাঁথৰ হৈ পৰিল আক্ৰাছুৰ একত্ৰীকৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ২১ আগষ্ট ঃ** একমাত্ৰ কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ পদ কুক্ষিগত কৰাৰ উদ্দেশ্যে বহুধাবিভক্ত কোচ ৰাজবংশী ছাত্ৰ সন্থা একগোট হোৱা বুলি দিছপুৰত এখন নাটক ৰচনা হৈছিল। অহা ২৯ আগষ্টত চাৰিটা ভাগত বিভক্ত আক্ৰাছুৰ একত্ৰীকৰণৰ উদ্দেশ্যে কোকৰাঝাৰত অনুষ্ঠিত হ'ব লগা সন্মিলনত কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন আৰু মুখ্য কাৰ্যবাহী সদস্য গকুল বৰ্মন নেতৃত্বাধীন আক্ৰাছু গোটে অংশগ্ৰহণ নকৰাৰ দিশটো স্পষ্ট হৈ পৰাৰ পাছতে একমাত্ৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবেই যে পৰিষদ গঠনৰ প্ৰাক্‌ক্ষণত আক্ৰাছু একগোট হোৱাৰ এখন নাটক ৰচনা হৈছিল সেয়া স্পষ্ট হৈ পৰিছে। উল্লেখ্য যে বিগত বৰ্ষৰ সাত জানুৱাৰীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ছহিদ দিৱসত অংশগ্ৰহণ কৰি বিভক্ত হৈ থকা জনগোষ্ঠীটোৰ সকলো সংগঠনক একেখন মঞ্চৰ তললৈ আহিবলৈ আহ্বান জনাইছিল আৰু সকলো সংগঠন একগোট হৈ গঠন হ'বলগীয়া স্বায়ত্ত শাসিত পৰিষদৰ তালিকা দাখিল কৰিবলৈ আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীৰ এই আহ্বানৰ সুবিধা গ্ৰহণ কৰি আক্ৰাছুকে ধৰি জনগোষ্ঠীটোৰ সকলো সংগঠনক একগোট কৰিবলৈ নেতৃত্ব লৈছিল সেই সময়ৰ আক্ৰাছুৰ এটা গোটৰ সম্পাদক গকুল বৰ্মনে। ছয় পৃষ্ঠাত চাওক



আৰক্ষীৰ নিশ্চিদ্ৰ তালাচীৰ মাজতে তেজপুৰত চতুৰ্থ বৰ্গৰ লিখিত পৰীক্ষাৰ বাবে প্ৰাৰ্থীৰ শাৰী, দেওবাৰে।

### বিভাগীয় কমিটীৰ ভূমিকাও সন্দেহজনক

## সমাজ কল্যাণ বিভাগৰ সামগ্ৰী যোগানত অনিয়ম



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২১ আগষ্ট ঃ** ৰাজ্যৰ সমাজ কল্যাণ বিভাগৰ অধীনত অংগনৱাড়ী কেন্দ্ৰসমূহলৈ সামগ্ৰী যোগানৰ নামত ২০১৯-২১ পৰ্যন্ত ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ বিষয়ে ইতিমধ্যে গুৰুতৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে সমাজ কল্যাণ বিভাগে গুৱাহাটীৰ এইছআৰ ছয় পৃষ্ঠাত চাওক

### কথমপি ৰক্ষা চালকসহ তিনিজন লোকৰ

## ৰাজপথত চলন্ত অৱস্থাতে ডাম্পাৰ ভস্মীভূত



**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২১ আগষ্ট ঃ** আজি পুৱাৰ ভাগত হোজাই জিলাৰ ডবকাৰ ৩৬ নম্বৰ ৰাষ্ট্ৰীয় পথত চলন্ত অৱস্থাতে এখন বাহনত জুই লাগি ভস্মীভূত হয়। ডিফুৰ পৰা ডবকা অভিমুখে আহি থকা অৱস্থাত ডবকাৰ ৰাষ্ট্ৰীয় পথ শালবাগানত ঘটনাটো সংঘটিত হয়। এ-এছ-০৯এ-চি ৮৯৮১ নম্বৰৰ ৰহিম উদ্দিন নামৰ লোকজনৰ নতুন ছয় পৃষ্ঠাত চাওক

## বগুৱানত চোৰাং সাৰভৰ্তি দুখনকৈ পিকআপ ভান জব্দ ঃ গ্ৰেপ্তাৰ পাঁচ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ আগষ্ট ঃ** কৃষক ৰাইজক বঞ্চিত কৰি গোৱালপাৰা জিলাৰ একাংশ অনুজ্ঞাপত্ৰধাৰী সাৰৰ দোকানীয়ে চোৰাংকৈ মেঘালয়লৈ সাৰ প্ৰেৰণ কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। উক্ত অভিযোগৰ সত্যতা প্ৰমাণিত কৰি কালি আৰক্ষীয়ে ধুমবান্ধাৰ পৰা দুখনকৈ পিক্‌আপ ভান ভৰ্তি সাৰ জব্দ কৰাৰ লগতে ছয় পৃষ্ঠাত চাওক

### পাৰিবাৰিক কন্দলৰ পৰিণতিত খাৰুপেটীয়াত হত্যাকাণ্ড

## অন্তঃসত্ত্বা পত্নীক হত্যা কৰি থানাত আত্মসমৰ্পণ স্বামীৰ

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২১ আগষ্ট ঃ** পাৰিবাৰিক কন্দলৰ পৰিণতিত দৰং জিলাৰ খাৰুপেটীয়াত সংঘটিত হৈছে এক হত্যাকাণ্ড। আজি পুৱা খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত মোৱামাৰী গাঁৱৰ নিবাসী ফুল মামুদে তেওঁৰ অন্তঃসত্ত্বা পত্নীক দাৰে ঘপিয়াই হত্যা কৰে। ছয় পৃষ্ঠাত চাওক


### নলবাৰীত বিশ্ব হিন্দু পৰিষদ, বজৰংগ দলৰ সংবাদমেল

## হিন্দু দেৱ-দেৱীক নাটকৰ জৰিয়তে অপমান সহ্য কৰা নহ'ব

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২১ আগষ্ট ঃ** অসমীয়া থিয়েটাৰ, অসমীয়া চিনেমা, ছিৰিয়েল চিনেমা জগতে বিভিন্ন সময়ত হিন্দু দেৱ-দেৱীক অপমান কৰি আহিছে। বিগত কিছু বৰ্ষৰ পৰা কেইখনমান আগশাৰীৰ থিয়েটাৰৰ লগতে নতুনকৈ আৰম্ভ হোৱা কেইখনমান থিয়েটাৰ তথা নাট্যগোষ্ঠীত পৰম পূজনীয় ভগৱানৰ বিভিন্ন ৰূপৰ নাম ব্যংগাত্মক বা বিকৃতকৰণেৰে নাট ৰচনা কৰি এচাম প্ৰযোজক, পৰিচালকে সস্তীয়া জনপ্ৰিয়তাৰ পাছত দৌৰি বৃহত্তৰ সনাতনী সমাজৰ ধৰ্মীয় অনুভূতিত আঘাতহনা আমাৰ দৃষ্টিগোচৰ হৈছে। আজি নলবাৰীৰ নন্দেশ্বৰ শইকীয়া প্ৰেক্ষাগৃহত বিশ্ব হিন্দু পৰিষদ, বজৰংগ দল নলবাৰী জিলা সমিতিয়ে এক সংবাদমেলত এই ছয় পৃষ্ঠাত চাওক

### নগাঁৱৰ জামুগুৰিত কেন্দ্ৰীয় ছহিদ দিৱস-'৪২ৰ ছহিদ মনবৰ নাথৰ প্ৰতিমূৰ্তি উন্মোচনৰ প্ৰস্তুতি



## স্বাধীনতাৰ ৭৬ বছৰৰ পাছতো আজিও উপেক্ষিত অসমৰ নাথ-যোগী জাতি

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ আগষ্ট ঃ** ১৯৪২ৰ ২০ ছেপ্টেম্বৰত ঢেকিয়াজুলি থানাত ইংৰাজৰ গুলিত দেশমাতৃৰ হকে প্ৰাণ আহুতি দি '৪২ৰ গণ আন্দোলনৰ ছহিদ হৈছিল মনবৰ নাথ। পৰিতাপৰ বিষয় এই যে স্বাধীনতাৰ ৭৬ বছৰৰ পাছতো এইগৰাকী বীৰ ছহিদে যিভাৱে এক ৰাষ্ট্ৰীয় মৰ্যাদা পাব লাগিছিল সেই মৰ্যাদা লাভ কৰা পৰিলক্ষিত বৰ্তমানলৈ হোৱা নাই। কিন্তু বৰ্তমান বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয় ক্ষেত্ৰ বৰ অসমৰ প্ৰাচীন জনগোষ্ঠী নাথ-যোগী সমাজৰ নব প্ৰজন্মৰ সামগ্ৰিক বিকাশ আৰু উত্তৰণৰ অন্যতম সংগঠন সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থাৰ বিশেষ উদ্যোগত বৰ্তমানৰ ছয় পৃষ্ঠাত চাওক

### পৰিচালকৰ বাসগৃহ ঘেৰাও কৰিছে সহস্ৰাধিক শ্ৰমিক-ৰাইজে ঃ চিকিৎসাৰ ক্ষেত্ৰত বাগিচা কৰ্তৃপক্ষৰ অৱহেলা

## টিউলিপ চাহ বাগিচাত শিশুৰ মৃত্যুৰ ঘটনাক কেন্দ্ৰ কৰি উত্তেজনা

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২১ আগষ্ট ঃ** এটি শিশুৰ চিকিৎসাৰ ক্ষেত্ৰত বাগিচা কৰ্তৃপক্ষই অবহেলা কৰাৰ অভিযোগ তুলি আজি সন্ধিয়া ঢেকিয়াজুলিৰ টিউলিপ চাহ বাগিচাখনৰ সহস্ৰাধিক লোকে টিউলিপ চাহ বাগিচাৰ পৰিচালকৰ বাসগৃহ ঘেৰাও কৰে। উল্লেখ্য যে টিউলিপ চাহ বাগিচাৰ মাঝি লাইনৰ বাসিন্দা তথা বাগিচাখনৰ শ্ৰমিক অনিল মাঝিৰ কন্যা পূজা মাঝি (ছয়) যোৱা কেইদিন ধৰি জ্বৰ, কাঁহ আদি ৰোগত ভুগি থকাত পৰিয়ালৰ লোকে যোৱা ১৯ আগষ্টত টিউলিপ চাহ বাগিচা চিকিৎসালয়লৈ নিয়াত চিকিৎসকে শিশুটিৰ স্বাস্থ্য পৰীক্ষা কৰি ঔষধ পাতি দি ঘৰলৈ পঠিয়াই দিয়ে। যোৱা দুদিনত শিশুটি আৰোগ্য লাভ নকৰাত পৰিয়ালটো অধিক চিন্তিত হৈ পৰে। শিশুটিৰ অৱস্থা ক্ৰমাৎ সংকটজনক হৈ অহাত আজি দুপৰীয়া পৰিয়ালৰ লোকে চাহ বাগিচা চিকিৎসালয়লৈ নিয়ে যদিও সেই সময়ত চিকিৎসালয় বন্ধ থকাত চিকিৎসালয়ৰ কৰ্মচাৰীক অৱগত কৰে। পাছত শিশুটিক ঢেকিয়াজুলিৰ মনবৰ নাথ সামূহিক চিকিৎসালয়লৈ নিয়া হয় যদিও শিশুটিৰ মৃত্যু হয়। ইয়াৰ পাছত শিশুটিৰ মৃতদেহ লৈ পৰিয়ালৰ লোক বাগিচাখনত উপস্থিত হয়। ইয়াৰ লগে লগে বাগিচাখনত উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। স্থানীয় শ্ৰমিক ৰাইজে শিশুটিৰ মৃতদেহ লৈ বাগিচাৰ পৰিচালকৰ কোৱাটাৰৰ সন্মুখত সমবেত হয় আৰু পৰিচালকৰ কোৱাটাৰ ঘেৰাও কৰে। চাহ বাগিচা মজদুৰ ইউনিয়ন আৰু আটছাৰ বিষয়ববীয়াসকল ইয়াত উপস্থিত হয়। ইপিনে, এই খবৰ লাভ কৰি আৰক্ষীৰ দল ইয়াত উপস্থিত হয় পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰে। বাগিচা ছয় পৃষ্ঠাত চাওক




দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ৫ ভাদ ১৪২৯ ভাস্কৰাব্দ ২২ আগষ্ট ২০২২

# বিনামূলীয়া সামগ্ৰী


**ভোটদাতাসকলক** অযুক্তিকৰভাৱে বিনামূলীয়া সামগ্ৰী অথবা সেৱা আগবঢ়োৱা ৰাজনৈতিক দলসমূহৰ পঞ্জীয়ন নাকচ কৰাৰ বাবে উচ্চতম ন্যায়ালয়ত তৰা এক গোচৰৰ শুনানিত উচ্চতম ন্যায়ালয়ে এই মত পোষণ কৰিছে যে বিনামূলীয়া সামগ্ৰী অথবা সেৱা আগবঢ়োৱাটো বন্ধ কৰাটো সমীচীন নহ’ব, কিন্তু জনকল্যাণমূলক কাম আৰু চৰকাৰৰ ৰাজহৰ অপচয়ৰ মাজত এক ভাৰসাম্যৰ সৃষ্টি হোৱা উচিত।

সম্প্ৰতি বিনামূলীয়া সেৱা আৰু সামগ্ৰী বিতৰণক লৈ আম আদমী পাৰ্টী আৰু ভাৰতীয় জনতা পাৰ্টীৰ মাজত চলা তৰ্ক-বিতৰ্কৰ পৰিপ্ৰেক্ষিতত এই বিষয়টোক লৈ বিভিন্ন মহলত চৰ্চা চলিছে। চৰকাৰে অথবা ৰাজনৈতিক দলসমূহে জনসাধাৰণক অথবা ভোটদাতাসকলক বিনামূলীয়া সামগ্ৰী বা সেৱা দিয়া উচিত নে অনুচিত তাকে লৈ বহুতেই ৰাজহুৱা বিতৰ্ক হোৱাটো বিচাৰিছে। পিছে জনকল্যাণ আৰু বিনামূলীয়া সামগ্ৰী প্ৰদান দুয়োটাৰে মাজত পাৰ্থক্য আছে; কিন্তু এই পাৰ্থক্য সাধাৰণতে নিৰ্ধাৰণ কৰাটো সহজ নহয়। দেশৰ সংবিধানৰ ৰাষ্ট্ৰ নিৰ্দেশনা নীতিত জনকল্যাণৰ কথা কোৱা হৈছে; কিন্তু যেতিয়া জনকল্যাণৰ নামত বিনামূলীয়া সামগ্ৰী বা সেৱা বিতৰণ কৰি ভোটদাতাসকলক কোনো বিশেষ দললৈ আকৰ্ষণ কৰা হয় অথবা জনসাধাৰণৰ ভোট বিচৰা হয়, তেতিয়া তেনে জনকল্যাণমূলক কাম একপ্ৰকাৰ উৎকোচত পৰিণত হয়। বিনামূলীয়া সামগ্ৰী, ধন অথবা সেৱা আগবঢ়াই যদিহে ভোটদাতাসকলক এটা বিশেষ দলক ভোট দিবলৈ প্ৰকাৰান্তৰে কোৱা হয়, বিশেষকৈ যদিহে সেয়া শাসক দলে কৰে, তেনেহ’লে ৰাজহুৱা ধনেৰে ৰাইজক উৎকোচ দি বিশেষ ৰাজনৈতিক শক্তিক ক্ষমতাত বহুওৱাৰ ব্যৱস্থা কৰা হয়। নিশ্চিতভাৱে দেশৰ সংবিধানৰ ৰাষ্ট্ৰ নিৰ্দেশনা নীতিত উল্লিখিত জনকল্যাণমূলক কাম-কাজক এই উদ্দেশ্যে ব্যৱহাৰ কৰিবলৈ কোৱা হোৱা নাছিল।

উল্লেখনীয় যে পশ্চিমীয়া দেশৰ তুলনাত ভাৰতত চৰকাৰে অতি কম জনকল্যাণমূলক আঁচনি গ্ৰহণ কৰে। উদাহৰণ স্বৰূপে ক’ব পাৰি যে শিক্ষা আৰু স্বাস্থ্য শিতানত কেন্দ্ৰীয় চৰকাৰে ৪.৭ শতাংশ ধন ব্যয় কৰে। অথচ যদি আফ্ৰিকালৈ চাওঁ দেখা পাম যে সেই দেশত এই দুই শিতানত মুঠ ঘৰুৱা উৎপাদনৰ সাত শতাংশ ধন ব্যয় কৰা হয়। জনকল্যাণমূলক কাম আমাৰ চৰকাৰে যথাযথ শিতানত কৰিব নোৱাৰিলেও দুটকীয়া চাউল, বিনামূলীয়া স্কুটাৰ, চাইকেল, ঋণ ৰেহাই আদি দিয়ে। স্কুলঘৰত খোৱাপানী, ফেন, শৌচাগাৰ কিন্তু চৰকাৰে সম্যকভাৱে দিব পৰা নাই। আনহাতে, চৰকাৰে যথাযথভাৱে ৰাজহো সংগ্ৰহ কৰিব পৰা নাই। কৰ্প’ৰেটক বিভিন্ন ধৰণৰ ৰেহাই অনুদান আদি দিয়া তেওঁলোকৰ ওপৰত সম্পত্তি কৰ আৰোপ নকৰা আদি ব্যৱস্থাৰ বিপৰীতে জনসাধাৰণৰ দৈনন্দিন ব্যৱহৃত অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত, দৰৱৰ ওপৰত মাত্ৰাধিক কৰ আৰোপ কৰা হয়। যদিহে এবাৰৰ বাবে দেশৰ ধনিক শ্ৰেণীটোৰ সম্পত্তিৰ ওপৰত চাৰি শতাংশ সম্পত্তি কৰ চৰকাৰে আৰোপ কৰে, তেনেহ’লে মুঠ ঘৰুৱা উৎপাদনৰ এক শতাংশ কম ৰাজহ চৰকাৰে সংগ্ৰহ কৰিবলৈ সক্ষম হ’ব; কিন্তু চৰকাৰে তাকে নকৰি ধনিক শ্ৰেণীৰ স্বাৰ্থৰক্ষাৰ বাবে ৰাইজৰ ধনেৰে ৰাইজৰ ভোট ক্ৰয় কৰি দেশৰ গণতন্ত্ৰক এক প্ৰহসনত পৰিণত কৰিছে বুলি অসন্তোষৰ সৃষ্টি হোৱা স্বাভাৱিক।

## খোলা মঞ্চ

# অৰ্ধশতাব্দী অতিক্ৰম কৰা ‘অগ্ৰদূত’ সম্পৰ্কে মোৰ ধাৰণা



**‘অগ্ৰদূত’** সম্পৰ্কে ধাৰণা কি বুলি কোৱাৰ লগে লগে মনৰ গহনতম কোণত অলেখ কথা আৰু কাহিনীয়ে দোলা দি থাকে যদিও এটা কথা স্পষ্টকৈ ক’ব পাৰো যে ‘অগ্ৰদূত’ হ’ল সংবাদ মাধ্যমৰ এক মাইলৰ খুঁটি। যি খুঁটি আৰম্ভণিতে মজবুতকৈ পুতি আজিও দৃঢ়ভাৱে টান কৰি ৰাখিবলৈ সক্ষম হৈছে। ছাত্ৰাৱস্থাৰে পৰা ‘অগ্ৰদূত’ পঢ়ি এনে এক ভাৱ হৈছে যে কাকতখন নপঢ়িলে দিনটো অথলে যায়। ডাঁৰৰ বাতৰি ডাঁৰে ডাঁৰে কোনো আঁৰ-বেৰ নোহোৱাকৈ দি পঢ়ুৱৈৰ অন্তৰত আঁচ বহুওৱাৰ লগতে মোৰো জ্ঞান-বুদ্ধিৰ বিবেকক গতিশীলতা প্ৰদান কৰিবলৈ সক্ষম হৈছে। অসমৰ সমাজ জীৱনৰ প্ৰতিটো খবৰৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক, অৰ্থনৈতিক, শিক্ষা, সাংস্কৃতিকে ধৰি দেশ-বিদেশৰ বা বাতৰিলৈ সকলো দিশ সামৰি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ মান-মৰ্যাদা অটুট ৰাখিবলৈ সক্ষম হোৱাটোৱে কাকতখনৰ বৈশিষ্ট্য। লক্ষ্য আৰু উদ্দেশ্যৰ পৰা একবিন্দুও বিচলিত নোহোৱা বাবেই হয়তো ‘অগ্ৰদূত’ৰ জয়যাত্ৰা অব্যাহত আছে আজি পৰ্যন্ত। অনাগত দিনবোৰতো ইয়াৰ হীন ডেঢ়ি নহয় বুলি ক’ব পাৰি।

অসমীয়া সংবাদ জগতত ‘অগ্ৰদূত’-এ অৰ্ধ-শতিকা অতিক্ৰম কৰা খবৰে মোৰ দৰে বহুতকে আনন্দিত কৰিছে। কাকতখনৰ সম্পাদক কনকসেন ডেকা, সংবাদকৰ্মী, কৰ্মচাৰী, লেখক-লেখিকা আৰু পঢ়ুৱৈৰ সদিচ্ছাৰ বাবেই আজিৰ দিনতো সগৌৰৱেৰে জিলিকি আছে। আধুনিক বিজ্ঞানৰ চমকপ্ৰদ উন্নতিৰ দিনতো কাকতখনে নিজৰ অস্তিত্বত অকণো চেকা নপৰাকৈ দিনে দিনে উচ্চতাৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হৈছে। উচ্চ মানৰ লেখা আৰু প্ৰতিটো বিভাগে পঢ়ুৱৈৰ মন-মগজুত ক্ষন্তেকৰ বাবে হ’লেও ক্ৰিয়া কৰে।

অজিত বৰ্মন, প্ৰযোজক

চৰকাৰী পক্ষৰ ৰোষত পৰিও নানা ঘাত-প্ৰতিঘাত বুদ্ধিমত্তাৰে অতিক্ৰম কৰি ‘অগ্ৰদূত’ উন্নতিৰ জখলাৰে বগাই আছে। সত্য-নিৰপেক্ষ বাতৰি পৰিৱেশন কৰি কৰ্তব্য আৰু দায়িত্ব পালন কৰাৰ লগতে সামাজিক দায়বদ্ধতাৰ নিদৰ্শন দেখুৱাইছে কাকতখনে। সকলো শ্ৰেণীৰ পঢ়ুৱৈৰ মনত চিন্তাৰ খোৰাক যোগোৱা কাকতখনে সৃষ্টি কৰিছে অলেখ সাহিত্যিক, সাংবাদিক। নবীন চামক অগ্ৰাধিকাৰ দিয়া কাকতখনৰ জৰিয়তে সম্প্ৰতি বহুজনে সাহিত্যৰ স্ব-প্ৰতিভাৰে উজ্বলি উঠিছে। বাধাৰ প্ৰাচীৰ নেওচি ‘অগ্ৰদূত’-এ গতি কৰক আগলৈ মাথোঁ আগলৈ— তাৰেই প্ৰত্যাশাৰে।

ফোন ঃ ৯১০১৬৯৫০১৬

## ৭৫ বছৰীয়া স্বাধীন ভাৰতৰ পটভূমিত

# অসমৰ অৰ্থনৈতিক অৱস্থা



দৃষ্টিপাত
অনন্ত কলিতা



**ভাৰতে** স্বাধীনতা অৰ্জন কৰাৰ ৭৫ বছৰ পূৰ্ণ হোৱাৰ পটভূমিত অসমৰ কেনেধৰণৰ উন্নতি হ’ল সেইটো পৰ্যালোচনা কৰিবলৈ হ’লে আমি ব্ৰিটিছৰ দিনৰ অসমৰ অৰ্থনীতিতো চকু ফুৰাব লাগিব। ভাৰতত ব্ৰিটিছৰাজ আৰম্ভ হৈছিল ১৬০৮ত। সেই সময়ত অসম ভাৰতৰ ব্ৰিটিছ কল’নিৰ অন্তৰ্ভুক্ত হোৱা নাছিল। আহোম ৰজাৰ শাসনত অসম এখন স্বাধীন দেশ আছিল। আহোম ৰাজত্বত অসমৰ অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল আছিল। জনসাধাৰণৰ জীৱন-নিৰ্বাহৰ প্ৰায়খিনি সামগ্ৰীয়ে আহোম ৰজাই সুপৰিকল্পিতভাৱে উৎপাদন কৰাৰ পৰিকল্পনা কৰিছিল। অনেক সামগ্ৰী ৰপ্তানি কৰিছিল। লোণৰ নিচিনা দুই-এপদ সামগ্ৰীহে আমদানি কৰিছিল। যদিও ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰত দখলৰ কাম আৰম্ভ ১৬০৮ তে কৰিছিল অসম দখল কৰা কাম আৰম্ভ কৰিছিল ১৮২৬তহে। ব্ৰিটিছে অসম দখল কৰি অসমৰ অৰ্থনৈতিক উন্নয়নৰ কোনোধৰণৰ আন্তঃগাঁথনিৰ সৃষ্টি নকৰি মাত্ৰ কেঁচামাল সংগ্ৰহ তথা উৎপাদনতহে মনোযোগ দিছিল। অসমৰ বনজ সম্পদ, তৈল সম্পদ, কয়লা, চাহ আদি উৎপাদন কৰি ইংলেণ্ডলৈ লৈ যোৱাৰ ব্যৱস্থাহে কৰিছিল। ব্ৰিটিছে অসমৰ আন্তঃগাঁথনি, যেনে— জনসাধাৰণৰ যাতায়াত আৰু পৰিবহন ব্যৱস্থাৰ চিন্তা নকৰি মাত্ৰ অসমৰ পৰা কেঁচামাল ইংলেণ্ডলৈ লৈ যাবলৈ ৰে’লৰে লাইন নিৰ্মাণ কৰিছিল অসমৰ চহৰবোৰ স্পৰ্শ নকৰাকৈ ডিগবৈ, মাৰ্ঘেৰিটা, ডুমডুমা আদিৰ পৰা চিধা-চিধিকৈ লামডিং হৈ চট্টগ্ৰাম বন্দৰলৈ। অসমৰ কেঁচামালৰ ভিত্তিত উদ্যোগীকৰণৰ অকণো কাম নকৰিলে ব্ৰিটিছে।

১৯৪৭ত ভাৰত স্বাধীন হ’ল। অসমৰ জনসাধাৰণে আশা কৰিছিল জাতীয় চৰকাৰখনে অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে অৰ্থনীতিৰ সকলো দিশৰে উন্নতি ঘটাব। পৰিতাপৰ কথা যে ভাৰত স্বাধীন হোৱাৰ পাছত অসমৰ কোনো জাতীয় নেতাই তথা অসমৰ চৰকাৰবোৰে অসমৰ অৰ্থনৈতিক উন্নতিৰ দিশটো বুজি নাপালে তথা অসমৰ অৰ্থনীতিৰ স্থানীয় সম্ভাৱনাবোৰৰ ভিত্তিত এক আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ বুনিয়াদ গঢ়ি তোলাৰ কোনো চেষ্টাই নকৰিলে। কেন্দ্ৰীয় চৰকাৰখনেও ব্ৰিটিছ চৰকাৰৰ নিচিনা অসমকে কেঁচামাল সংগ্ৰহৰ কেন্দ্ৰত পৰিণত কৰিলে আৰু আন্তঃগাঁথনিৰ দিশটোৰ অকণো উন্নতি নঘটালে। অসমৰ আন্তঃগাঁথনি উন্নয়নত ভাৰতৰ জাতীয় চৰকাৰখনে কেনেধৰণে মাহীআইৰ স্থিতি লৈছিল সেইটো এটা উদাহৰণতেই প্ৰতিফলিত হয়। আমি উল্লেখ কৰিছোঁ যে ব্ৰিটিছে অসমৰ কেঁচামাল পৰিবহনৰ বাবে ৰে’লৰে লাইন নিৰ্মাণ কৰিছিল। কিন্তু জাতীয় চৰকাৰখনে সেই ৰে’লৰে লাইনটোৰ বাহিৰে অসমৰ চহৰবোৰ পোনপটীয়াকৈ স্পৰ্শ কৰাই কোনো ৰে’লৰে লাইন নিৰ্মাণ নকৰিলে। দেশৰ সকলো ৰাজ্যতে ৰে’লেৰে যোগাযোগৰ বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিলে; কিন্তু পৰিতাপৰ কথা যে অসমত সেই ব্ৰিটিছে নিৰ্মাণ কৰা ৰে’লৰে লাইনটোৰ দ্বৈত লাইনো নিৰ্মাণ নকৰিলে। আজিৰ ইলেক্ট্ৰ’নিক যুগত ৰে’লৰেৰ দ্বৈত লাইন অবহিনে ৰে’লগাড়ী চলাচলৰ কথা কল্পনাই কৰিব নোৱাৰি। দেশৰ সমস্ত ৰাজ্যৰ ৰে’লৰে লাইন দ্বৈত লাইনৰ; কিন্তু অসমে ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰীয়া উৎসৱ পালন কৰিবলৈ গৈ আছে এক লাইনৰ শামুকীয়া গতিৰ ৰে’লৰে তথা পৰিবহন ব্যৱস্থাৰে। অসমৰ চৰকাৰবোৰেও অসমৰ জাতীয় নেতাবোৰেও অসমৰ অৰ্থনীতিৰ ব্যাপক সম্ভাৱনাবোৰৰ সুসংহত অধ্যয়ন নকৰিলে আৰু অসমখনক ভাৰতৰ আন ৰাজ্যৰ উৎপাদিত পণ্যৰ বজাৰত পৰিণত কৰিহে ৰাখিলে। আনকি যিবোৰ সামগ্ৰীৰ ক্ষেত্ৰত অসম আহোম ৰজাৰ দিনতে আত্মনিৰ্ভৰশীল আছিল সেইবোৰৰ কোনো ধৰণৰ উন্নতি নঘটাই পৰিকল্পিতভাৱে ধ্বংস কৰি পেলাইছিল ফলত অসম এইবোৰ পণ্যৰ বাবে আন ৰাজ্যবোৰৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে আৰু দেশৰ আন ৰাজ্যবোৰৰ উৎপাদিত পণ্যৰ অসম এখন বৃহৎ বজাৰত পৰিণত হয়। যেনে অসমৰ তাঁত উদ্যোগ। অসমৰ তাঁত উদ্যোগৰ আধুনিকৰণৰে উন্নতি নঘটাই আন ৰাজ্যত উৎপাদিত কাপোৰৰ ওপৰত নিৰ্ভৰশীল কৰিলে অসমক।

বৰ্তমান ভাৰতবৰ্ষৰ অৰ্থনৈতিকভাৱে পশ্চাদপদ ৰাজ্য হ’ল অসম। দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা লোকৰ সংখ্যা ভাৰতৰ বিভিন্ন ৰাজ্যৰ ভিতৰতে অসমত সৰ্বাধিক। অসমতে অধিক কৰ্মসংস্থানহীন লোক আছে। অসমৰ জনমূৰি ঘৰুৱা উৎপাদনৰ পৰিমাণ ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত ন্যূনতম। সেই বাবেই মানৱ উন্নয়নৰ বিভিন্ন সূচক, যেনে শিশুৰ মৃত্যুৰ হাৰ, পুষ্টিহীন নাগৰিকৰ সংখ্যা, প্ৰাপ্তবয়স্কৰ শিক্ষাৰ হাৰ, জনসাধাৰণৰ গড় আয়ুস আদিৰ ক্ষেত্ৰত অসম পিছপৰা। অসমৰ আন্তঃগাঁথনি ইমান অনুন্নত যে ভাৰতৰ ৰাজ্যবোৰৰ ভিতৰত স্থান ১৭ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন ৬খন ৰাজ্যৰ স্থানো ভাৰতৰ অন্যান্য সৰু সৰু ৰাজ্যসমূহৰ একেবাৰে তলত। জনমূৰি মুঠ ঘৰুৱা উৎপাদনৰ ৰেংকত ৰাজ্যবোৰৰ ভিতৰত অসমৰ স্থান ২৮।

কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যক ‘Special Category State’ (বৰ্তমান ছিকিমকে ধৰি ৮খন) হিচাপে শ্ৰেণীভুক্ত কৰিছিল। এই সাতখন ৰাজ্যৰ উন্নয়নৰ প্ৰকল্পসমূহ ৰূপায়ণৰ বাবে সমস্ত ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰিছিল— ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ ঋণ। পৰিতাপৰ কথা যে এনেহেন বিশেষ আৰ্থিক সুবিধা থকা সত্ত্বেও ৰাজ্যকেইখনৰ আন্তঃগাঁথনিৰ উন্নতি নহ’ল। ভাৰত স্বাধীন হোৱাৰ পিছৰে পৰা কোনো এখন চৰকাৰেই আন্তঃগাঁথনি উন্নয়নকে ধৰি আন সমস্ত ধৰণৰ উন্নয়নতে অগ্ৰাধিকাৰ দিয়া নাই। এই কাৰ্য্যৰ পৰাই প্ৰমাণিত হয় যে ভাৰত স্বাধীন হোৱা দিনৰে পৰা অসমৰ নেতৃত্বৰ দূৰদৰ্শিতাৰ অভাৱ। উল্লেখযোগ্য যে ২০১৪ত কেন্দ্ৰত বিজেপি চৰকাৰ শাসন ক্ষমতাত আহি অসমৰ ‘Special Category State’ মৰ্যাদা বাতিল কৰি দিছে।

ভিন্নধৰণৰ মূল্যৱান প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰত অসম অন্যতম ধনী ৰাজ্য। মাটি সাৰুৱা, পানীৰ অভাৱ নাই, ৰাজ্যখন নদ-নদীৰে পৰিপূৰ্ণ, বৰষুণ নিয়মিতৰূপে হয়। গতিকে অসম তথা উত্তৰ-পূৰ্বাঞ্চল শস্য উৎপাদন বা কৃষিৰ বাবে অতি উপযুক্ত ঠাই। প্ৰাক্‌স্বাধীন কালত, যি সময়ত আন্তঃগাঁথনি বুলিবলৈ একো নাছিল, সেই সময়তে অসমৰ পৰা বহু সামগ্ৰী ৰপ্তানি হৈছিল। ১৮২৬ৰ পাছত ব্ৰিটিছ চৰকাৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিপুল প্ৰাকৃতিক সম্পদৰ মালিক হৈ পৰিছিল আৰু অসম কেঁচামাল সংগ্ৰহৰ কেন্দ্ৰত পৰিণত হৈছিল। অবিভক্ত অসমত ১৮৭০ত ৪,৫৬৫ বৰ্গমাইল বনাঞ্চল আছিল আৰু এই বনাঞ্চলত মূল্যৱান কাঠ, যেনে— শাল, চেগুণ, গমাৰী আদি প্ৰচুৰ পৰিমাণে উপলব্ধ আছিল। কাঠৰ বাহিৰেও আন আন মূল্যৱান সামগ্ৰীও আছিল। ১৮৫০ত ১,৮৭৬ একৰ মাটিৰ এখন চাহ বাগিচা খুলি ইংৰাজসকলে অসমত চাহ উৎপাদন আৰম্ভ কৰিছিল। ২০ বছৰৰ ভিতৰত অৰ্থাৎ ১৮৭১ত ব্ৰিটিছসকলে ২৯৫খন চাহ বাগিচাৰ সৃষ্টি কৰিছিল। উনৈশ শতিকাৰ পৰা অসমত ৰবৰৰো উৎপাদন আৰম্ভ হৈছিল।

১৮৬৭ৰ ২৬ মাৰ্চৰ দিনাখন মাৰ্ঘেৰিটাৰ ওচৰত তেল আৱিষ্কৃত হয় আৰু ব্ৰিটিছ কোম্পানীয়ে তেল খননকাৰ্য্য আৰম্ভ কৰে। ১৯০১ত ডিগবৈ শোধনাগাৰে পেট্ৰ’লিয়াম উৎপাদন কৰে। বিশ্বত প্ৰথম পেনছিলভেনিয়াত তৈল আৱিষ্কাৰ হোৱাৰ ছবছৰৰ ভিতৰতে অসমত তেল আৱিষ্কাৰ হৈছিল। ১৮৪৭ৰ পৰা অসমত ইংৰাজে কয়লাৰ উৎপাদন আৰম্ভ কৰিছিল। ১৮৪৯-৫০ত ১,১৪,০০০ টনৰ পৰা ১৮৯৯-১৯৯০ত কয়লা উৎপাদন ২,৪২,০০০ টনলৈ বৃদ্ধি হৈছিল।

অসমৰ গাঁওসমূহ ব্ৰিটিছ যুগত বা প্ৰাক্-ব্ৰিটিছ যুগতো আত্মনিৰ্ভৰশীল আছিল। অপৰ্যাপ্ত খেতিৰ মাটি, প্ৰাকৃতিক সম্পদ, তদুপৰি হস্তশিল্প, কুটীৰ শিল্পৰ দ্বাৰা প্ৰায়বোৰ জীৱন-ধাৰণৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰী তৈয়াৰ কৰিব পাৰিছিল। প্ৰাক্-ঔপনিৱেশিক কালতে অসমে উৎপাদিত সামগ্ৰী ৰপ্তানি কৰিছিল আৰু অসমত উৎপাদন কৰিব নোৱাৰা সামগ্ৰী আমদানি কৰিছিল। ১৮০৮ত অসমে বংগদেশৰ পৰা এক লাখ মোন লোণ আমদানি কৰিছিল। সেই সময়ত ৰাজ্যখনে পাট, মুগা, কাঁহ-পিতলৰ বাচন, কপাহ, হাতীদাঁতৰ অলংকাৰ, সৰিয়হ আদি সামগ্ৰী ৰপ্তানি কৰিছিল। আহোম ৰজাসকলে পাট-মুগা, এৰী উৎপাদনকাৰীসকলক ৰজাৰ ঘৰত শ্ৰমদানৰ পৰা ৰেহাই দিছিল।

মূল্যৱান প্ৰাকৃতিক সম্পদেৰে অসম চহকী হোৱা সত্ত্বেও উদ্যোগৰ ক্ষেত্ৰত আটাইতকৈ পিছপৰা ৰাজ্য আছিল। চাহ, কয়লা, তেলক বাদ দি কোনো উদ্যোগ গঢ়ি উঠা নাছিল, ১৮৯৯ত ব্ৰহ্মপুত্ৰ উপত্যকাত মাত্ৰ ১১টা কাৰখানা আছিল। সিও কেৱল কাঠৰ মিল। অসমৰ মুঠ বাণিজ্যৰ ৬০ শতাংশ আছিল কেঁচামাল ৰপ্তানি। ১৯০১ৰ লোকগণনা মতে দুই শতাংশ লোকে মাত্ৰ নগৰত বাস কৰিছিল। সম্পদৰ ভিত্তিত উদ্যোগ গঢ়ি তোলাৰ যথেষ্ট সুযোগ থকা সত্ত্বেও ব্ৰিটিছ চৰকাৰে ৰাজ্যৰ ভিতৰত কোনো উদ্যোগ গঢ়ি তোলা নাছিল। প্ৰকৃততে অসমত চাহ, কয়লা, তেল উদ্যোগ স্থাপন হোৱাৰ পাছতো এই উদ্যোগসমূহে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশ তথা উদ্যোগীকৰণত কোনোধৰণৰ অৰিহণা যোগাব পৰা নাছিল। উক্ত উদ্যোগসমূহত নিযুক্ত কৰ্মচাৰীসকলক দৰমহা দিয়াৰ বাহিৰে কোনো পুঁজিয়েই ইয়াত বিনিয়োগ কৰা হোৱা নাছিল। ৰাজ্যখনৰ স্থানীয় লোকেও পুঁজি বিনিয়োগৰ ক্ষমতা অৰ্জন কৰা নাছিল। ব্ৰিটিছসকলেও নিবিচাৰিছিল স্থানীয় লোকে পুঁজি বিনিয়োগ কৰক। পুঁজি বিনিয়োগ কৰিবলৈ গৈ অৰ্থাৎ চাহ বাগান খুলিবলৈ গৈ মণিৰাম দেৱানে ব্ৰিটিছ ষড়যন্ত্ৰৰ বলি হৈ ফাঁচীকাঠত ওলমিবলগীয়া হৈছিল। ৰাজ্যৰ আন্তঃগাঁথনিৰ উন্নয়ন, যেনে— বাট-পথ, ৰে’লৰে, বিদ্যুৎ আদিৰ উন্নতিত চাহ, কয়লা আৰু তেলৰ প্ৰয়োজনত যি ঠাইলৈ দৰকাৰ সেইখিনিহে উন্নত কৰিছিল।

এই পটভূমিত ১৯৪৭ত ভাৰত স্বাধীন হৈছিল আৰু সাৰ্বভৌম ভাৰতৰ অসম এখন ৰাজ্য। ভাৰত স্বাধীন হোৱা দিনৰে পৰা যোৱা ৭৫ বছৰে ভাৰত তথা অসম চৰকাৰে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি উন্নয়নত কোনো গুৰুত্বই নিদিলে। গুৰুত্ব নিদিলে অসমৰ মূল সমস্যা বানপানী নিয়ন্ত্ৰণত, নদী নিয়ন্ত্ৰণত।

বৰ্তমানৰ অৰ্থনীতিত মুঠ ঘৰুৱা উৎপাদন (জি-ডি-পি) বিকাশৰ হাৰৰে প্ৰতিফলিত হয় কোনো এখন দেশৰ বা ঠাইৰ অৰ্থনৈতিক উন্নয়ন বা অৱনতিৰ। এই ক্ষেত্ৰত অসমে মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ জাতীয় গড়ৰ হাৰতকৈ ১৯৫০ৰ পৰৱৰ্তী কালছোৱাত বহু পিছপৰি আছে— সৰ্বভাৰতীয় হাৰৰ ওচৰ চাপিব পৰা নাই।

ঠিক সেইদৰে অসমৰ লোকৰ জনমূৰি আয় ১৯৫০ত চলিত মূল্যত আছিল ১,১৭৩ টকা, জনমূৰি আয়ৰ জাতীয় গড় আছিল ১,১২৭ টকা। ১৯৫০ৰ মূল্যত অসমৰ জনমূৰি আয় আছিল ৩৩৪.৬০ টকা; জাতীয় জনমূৰি আয় আছিল ২৩৮.৮০ টকা। সেই সময়ত জনমূৰি আয়ৰ ক্ষেত্ৰত অসমৰ স্থান আছিল পঞ্চম। বৰ্তমান (২০১৮-১৯) ভাৰতৰ জনমূৰি ১,২৬,৪০৬ টকাৰ বিপৰীতে অসমৰ ৭৪,২০৪ টকা।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতি মুখ্যতঃ কৃষিভিত্তিক। ফলস্বৰূপে ৮৬ শতাংশ লোক গাঁৱত থাকে। সেই কাৰণে ভাৰত স্বাধীন হোৱাৰ পাছত অসমৰ মানুহৰ মূল জীৱিকাৰ আহিলা কৃষিখণ্ডৰ উন্নয়ন সাধন কৰাৰ প্ৰয়োজন আছিল। অঞ্চলটোৰ ৬৯ শতাংশ লোক কৰ্মসংস্থান তথা জীৱিকাৰ বাবে কৃষিৰ লগত জড়িত হৈ থকা সত্ত্বেও খাদ্যৰ ক্ষেত্ৰত অসম পৰনিৰ্ভৰশীল। বছৰি প্ৰায় ৩০ হেজাৰ কোটি টকাৰ খাদ্যপণ্য আমদানি কৰে অসমে। ১৪ হেজাৰ কোটি টকাৰ মাছ, ১০ হেজাৰ কোটি টকাৰ কণী আৰু ছয় হেজাৰ কোটি টকাৰ গাহৰিও আমদানি কৰে। কৃষিৰ উন্নয়ন কৰিবলৈ বৰ্তমান যুগত জলসিঞ্চন হ’ল কৃষিৰ বাবে মুখ্য আন্তঃগাঁথনি। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত কৃষি প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। অসমত বৰষুণ বেছি হ’লে বানপানী হয় আৰু বৰষুণ কম হ’লে খৰাং বতৰ হয়। সেইবাবেই ভাৰত স্বাধীন হোৱাৰ ৭৫ বছৰ পাছতো অসমৰ মাটি ভাৰতৰ ভিতৰতে সাৰুৱা হোৱা সত্ত্বেও কৃষি উৎপাদনৰ ক্ষেত্ৰত অসম পিছপৰি আছে। অসমৰ জলসিঞ্চন ব্যৱস্থাত নিম্নতম বিনিয়োগৰ কাৰণ দেখুৱাই অসমত যথেষ্ট পৰিমাণে বৰষুণ হয়, জলসিঞ্চনৰ প্ৰয়োজন নাই। কিন্তু বৃষ্টিপাত হোৱাৰ ধৰণ (Pattern)ৰ পৰা বিশেষজ্ঞসকলে কয় যে অসমত মুঠ খেতিৰ মাটিৰ ১.৫৭ নিযুত হেক্টৰ মাটি খৰাংপ্ৰৱণ। ১৯৬৭ৰ পৰা বৰ্তমানলৈ বতৰৰ পৰ্যালোচনাৰ পৰা বতৰবিজ্ঞান কেন্দ্ৰৰ মতে অসমৰ অধিকাংশ ঠাইত বৰষুণৰ ঘাটি পৰিলক্ষিত হৈছে।

> ●●●●
>
> অসমৰ জনমূৰি ঘৰুৱা উৎপাদনৰ পৰিমাণ ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত ন্যূনতম। সেই বাবেই মানৱ উন্নয়নৰ বিভিন্ন সূচক, যেনে শিশুৰ মৃত্যুৰ হাৰ, পুষ্টিহীন নাগৰিকৰ সংখ্যা, প্ৰাপ্তবয়স্কৰ শিক্ষাৰ হাৰ, জনসাধাৰণৰ গড় আয়ুস আদিৰ ক্ষেত্ৰত অসম পিছপৰা।
>
> ●●●●

পৃথিৱীৰ সাম্প্ৰতিক ইতিহাস বিশেষকৈ দ্বিতীয় মহাসমৰৰ পিছত বিভিন্ন দেশ আৰু অঞ্চলৰ অৰ্থনীতিত Integrated Water Resource Developmentৰ দ্বাৰা অভূতপূৰ্ব পৰিৱৰ্তন ঘটাব পৰা হৈছে। আমি সকলোৱে শুনিছিলো হোৱাংহো নদী চীন দেশৰ অভিশাপ। কিন্তু বৰ্তমান হোৱাংহো নদীক চীন দেশে আশীৰ্বাদত পৰিণত কৰিছে। পূৰ্বৰ ছোভিয়েট ইউনিয়নে অনগ্ৰসৰ ছাইবেৰীয়া অঞ্চলত জলসিঞ্চনৰ



দ্বাৰা অৰ্থনীতিৰ অভূতপূৰ্ব পৰিৱৰ্তন ঘটাইছিল। ভাৰততো ভাক্ৰানাংগল প্ৰকল্পৰ দ্বাৰা পঞ্জাৱ আৰু হাৰিয়ানাত সেউজ বিপ্লৱ সম্পন্ন কৰিছে।

অসমত প্ৰচুৰ পৰিমাণে পানী আছে। কেন্দ্ৰীয় জল আয়োগ (Central Water Commission)ৰ মতে উত্তৰ-পূৰ্বাঞ্চল ১,০৮৩.৪ কিঃমিঃ পানীৰে সমৃদ্ধ। ইয়াৰ মাটিৰ ওপৰৰ পানী ১,০৬৪.৭৯ বৰ্গ কিঃমিঃ আৰু ভূতলৰ পানী ১৪.৬১ বৰ্গ কিঃমিঃ। ইমান প্ৰচুৰ জলসম্পদ অসমত থকা সত্ত্বেও আজিলৈকে ভাক্ৰানাংগল প্ৰকল্পৰ লেখীয়া বৃহৎ জলসিঞ্চন প্ৰকল্পৰ সৃষ্টি নহ’ল। বৰ্তমান চৰকাৰী হিচাপ মতে ভাৰতবৰ্ষৰ ৰাজ্যবোৰত গড়ে জলসিঞ্চনৰ ব্যৱস্থা থকা ৭৩.৫ শতাংশ মাটিৰ বিপৰীতে অসমত এই হাৰ ১৯.৭৮ শতাংশ। অসমৰ অৰ্থনৈতিক জৰীপ (২০১১-১২) মতে অসমৰ জলসিঞ্চনৰ সুবিধাৰ ২২.৮৪ শতাংশহে ব্যৱহাৰৰ কাৰণে উপযোগী। তাৰ মানে মাত্ৰ ৩.৭৭ শতাংশ মাটিতহে জলসিঞ্চন ব্যৱস্থা আছে বিপৰীতে দেশত আছে ৪৫.০২ শতাংশ খেতিৰ মাটিত। অৰ্থাৎ জলসিঞ্চনৰ প্ৰকল্পসমূহ সম্পূৰ্ণ হোৱা নাই বা বেছিভাগেই বিকল হৈ পৰি আছে; কোনোধৰণৰ ব্যৱস্থা লোৱা নাই পুনৰুজ্জীৱিত কৰিবলৈ।

অসমে চাহপাতক লৈ গৌৰৱ কৰিব পাৰে। বৰ্তমান দেশৰ মুঠ চাহ উৎপাদনৰ ৫২ শতাংশ চাহ অসমত উৎপাদন হয়। ডাঙৰ-সৰু বাগিচা মিলি অসমত ৮৩,৫৬৬খন বাগিচা আছে। ইয়াৰ ৭৮০খন ডাঙৰ চাহ বাগিচাই ২,৭১,১৩৫ হেক্টৰ মাটিকালি আগুৰি আছে (Statistical Hand Book, Assam, 2005)। ২০০৩ত চাহৰ উৎপাদনত স্থায়ী আৰু অস্থায়ী শ্ৰমিক মিলি ১২,১০,০৬৯ জন শ্ৰমিক জড়িত হৈ আছে। ভাৰত স্বাধীন হোৱাৰ আগতে ব্ৰিটিছে চাহক কেঁচামাল হিচাপেহে ব্যৱহাৰ কৰিছিল। চাহৰ পৰা হোৱা লাভ অসমত পুনৰ বিনিয়োগ কৰা নাছিল। স্বাধীন ভাৰততো একেই অৱস্থা। উপযুক্ত মজুৰিৰ পৰা বঞ্চিত বা শোষিত উক্ত শ্ৰমিকসকল। কৰ্মসংস্থাপনৰ বাহিৰে চাহে অসমৰ অৰ্থনীতিত বিশেষ অকণো অৰিহণা যোগাব পৰা নাই। বিভিন্ন ৰাজসাহায্য তথা ৰেহাই আদিৰ কাৰণে ৰাজভঁৰাললৈ চাহৰ ৰাজহৰ অৰিহণা তেনেই কম। চৰকাৰে চাহ বাগানৰ মালিকসকলক সহায় কৰাৰ বাবে বহু হাজাৰ কোটি টকাৰ সাহায্যৰ পেকেজ বছৰি ঘোষণা কৰি থাকে। তৎসত্ত্বেও চাহৰ মূল্য বজাৰত বৃদ্ধি হৈ থাকে আৰু চাহ শ্ৰমিকসকলৰ মজুৰি তথা আন আন সুবিধা বৃদ্ধি কৰাৰ পৰিৱৰ্তে কৰ্তন কৰি থাকে। অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে অৰ্থনীতিৰ বিভিন্ন দিশৰ উন্নয়ন তথা কৰ্মসংস্থান সৃষ্টিৰ বাবে বাস্তৱ পৰিকল্পনা আজিলৈ কোনো এখন চৰকাৰে কৰিব পৰা নাই। চাহক ভিত্তি কৰি আনুষংগিক উদ্যোগো গঢ়ি তোলা দৰকাৰ। চাহৰ উপৰিও কফি আৰু ৰবৰ উৎপাদন হয় অসমত। যোৱা বছৰবোৰত বছৰি কফি ৩৩ মেট্ৰিক টন আৰু ৰবৰ ১৫,৩৪২ মেট্ৰিক টন উৎপাদন হৈ আছে। ৰবৰ ভিত্তিক উদ্যোগ অসমত সৃষ্টি হোৱা নাই। বিষ্ণুৰাম মেধিয়ে বিত্তমন্ত্ৰী হিচাপে ১৯৫০-৫১ৰ বাজেট উত্থাপনত উল্লেখ কৰিছিল যে ব্ৰিটিছ চাহ পুঁজিপতিসকলক বিভিন্ন ৰেহাই ব্যৱস্থাৰে সংস্থাপিত কৰিবলৈ গৈ অসমে ঊনবিংশ শতিকাত পঁচিশ কোটিৰো অধিক ৰাজহ হেৰুৱাব লগা হৈছিল। বৰ্তমানে অসম চৰকাৰে চাহ বাগানৰ মালিকসকলক বিভিন্ন ৰেহাই আৰু বিত্তীয় সাহায্য দিয়ে।

কেন্দ্ৰীয় জল আৰু শক্তি আয়োগৰ হিচাপ মতে উত্তৰ-পূৰ্বাঞ্চলত ৯০,০০০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত ৩০,৭৩০ মেগাৱাট উৎপাদন কৰিবৰ বাবে জলবিদ্যুৎ প্ৰকল্পৰ পৰীক্ষা আৰু অনুসন্ধান সম্পূৰ্ণ হৈছে। এই জলবিদ্যুৎ উৎস বেছিভাগ ব্ৰহ্মপুত্ৰ অৱবাহিকাত। ইয়াৰ বাহিৰেও যোৱা ২৭ জুলাইত (২০২২) ৰাজ্যসভাত প্ৰকাশ কৰা তথ্যত কৈছে, অসমৰ ভূগৰ্ভত ১৪,৪৩০ কোটি কিউবিক লিটাৰ গেছ (বৰ্তমান বজাৰমূল্য ৩.৫ লাখ কোটি টকা) জমা হৈ আছে; ৯২৮ নিযুত টন কয়লাৰ উৎপাদনৰ সম্ভাৱনা অসমত আছে। পৰিতাপৰ কথা যে কেন্দ্ৰীয় চৰকাৰে অসমৰ বান নিয়ন্ত্ৰণকে ধৰি বিদ্যুৎ উৎপাদনৰ বাবে বহুমুখী প্ৰকল্প নিৰ্মাণ কৰাৰ পৰিৱৰ্তে অবৈজ্ঞানিকভাৱে অকল বিদ্যুৎ উৎপাদনৰ বাবে বৃহৎ প্ৰকল্প নিৰ্মাণ কৰিব ধৰিছে, যিয়ে নামনিৰ অৰ্থাৎ অসম উপত্যকাত ভয়ংকৰ দুৰ্যোগৰ সৃষ্টি কৰিব। এই বছৰৰ বানপানীৰ মহাপ্ৰলয় এইবাবেই হৈছে।

বিদ্যুৎ উৎপাদনৰ ইমান সম্ভাৱনা থকা সত্ত্বেও অসমত ভাৰতক মুঠ বিদ্যুৎ উৎপাদনৰ ০.১৬ শতাংশহে উৎপাদন হয় আৰু জনে প্ৰতি বিদ্যুৎ খৰচ হয় ভাৰতৰ গড়ে জনমূৰি ১,০৭৫ ইউনিটৰ বিপৰীতে অসমত ২০৪.৮০ ইউনিট। হাৰিয়ানাত জনমূৰি ১,২২১.২১, পাঞ্জাৱত ১,৫২৬.৮৬ আৰু গুজৰাটত ১,৬১৬ ইউনিট।

পৰ্যটন উদ্যোগৰ ক্ষেত্ৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চল আটাইতকৈ সম্ভাৱনাপূৰ্ণ অঞ্চল। পৰিতাপৰ কথা যে অসমলৈ ভাৰতৰ মুঠ পৰ্যটনৰ মাত্ৰ ০.২২ শতাংশহে আহে। ড° জয়ন্ত মাধৱৰ প্ৰতিবেদন মতে এজন দেশীয় পৰ্যটকৰ পৰা তিনিজন লোকৰ কৰ্মসংস্থাপনৰ পথ উলিয়াব পৰা যায় আৰু আন এটি অধ্যয়নৰ মতে প্ৰতি লাখ টকা পৰ্যটনত বিনিয়োগৰ পৰা বহু পৰোক্ষ কৰ্মসংস্থানৰ সৃষ্টিৰ বাহিৰেও ৪৭.৯জনৰ প্ৰত্যক্ষ কৰ্মসংস্থান সৃষ্টি হয়। অসমত পৰ্যটনে মনুফেক্‌চাৰিং উদ্যোগৰ আৰু কুটীৰ উদ্যোগৰ পাঁচৰ পৰা ছয় গুণ কৰ্মসংস্থান সৃষ্টি কৰিব পাৰে।

অসমত চৰকাৰী হিচাপ মতে ২৬,৮৩২ বৰ্গ কিলোমিটাৰ মাটি অৰণ্যৰে আবৃত। ইয়াৰে ১৭,৮৬৪ বৰ্গকিলোমিটাৰ মাটি সংৰক্ষিত। ৮,৯৬৮ বৰ্গকিলোমিটাৰ অসংৰক্ষিত। বনাঞ্চলৰ পৰা ৰাজহ সংগ্ৰহ কৰা হৈছে ১৯১.৬৮ কোটি টকা (Economic Survey, 2015-16)। অসমৰ বনাঞ্চল দিনে দিনে হ্ৰাস পাই আহিব ধৰিছে। বনাঞ্চলৰ কাঠ অপৰিকল্পিতভাৱে কটাৰ বাবে অসমৰ প্লাইউড বা হাৰ্ডবোৰ্ড উদ্যোগসমূহ বন্ধ হৈ গৈছে। বৰ্তমানে মোদী চৰকাৰে EIA আইন বলবৎ কৰি অসমৰ বনাঞ্চল নিৰ্বিবাদে ধ্বংস কৰাৰ পৰিকল্পনা কৰিছে।

অসমত বাঁহ উভৈনদী। পৃথিৱীৰ ভিতৰতে উত্তৰ-পূৰ্বাঞ্চলত সৰ্বাধিক বাঁহ আছে। বৰ্তমান পৃথিৱীত বাঁহৰ বিভিন্ন সামগ্ৰীৰ চাহিদা বৃদ্ধি পাইছে। চীন দেশ আটাইতকৈ লাভৱান হৈছে বাঁহৰ সামগ্ৰী ৰপ্তানিৰ দ্বাৰা। অসমৰ বাঁহ উদ্যোগ উন্নয়নৰ বাবে একো নকৰিলে যোৱা ৭৫ বছৰে।

ইয়াৰ বাহিৰেও অসমৰ বিভিন্ন কুটীৰ শিল্প পৰিকল্পিতভাৱে বিকশিত কৰি সেইসমূহৰ বজাৰৰ ব্যৱস্থা পৰিকল্পিতভাৱে সংগঠিত কৰিলে ভালেসংখ্যক লোকৰ কৰ্মসংস্থান হ’লহেঁতেন। বজাৰৰ ব্যৱস্থা পৰিকল্পিতভাৱে সংগঠিত কৰিলে পৃথিৱীজুৰি বজাৰ পোৱা গ’লহেঁতেন। বৰ্তমান বিশ্বায়নৰ যুগত প্ৰতিযোগিতাৰে বজাৰ দখল কৰিবলৈ গৱেষণা আৰু ইন্নোভেচনৰ দ্বাৰা বজাৰৰ চাহিদা পূৰণ কৰিব পৰা উপযুক্ততা লাভ কৰিব পৰা গ’লহেঁতেন মুগা আৰু পাটৰ সাজ পোছাকেৰে। অসমৰ পাট, মুগা আৰু এৰী উদ্যোগ বিশ্ব বিখ্যাত আৰু ঐতিহাসিক। ঐতিহাসিক যুগৰে পৰা অসমীয়া মানুহে পাট, মুগা আৰু এৰী উৎপাদন কৰিছিল। বৰ্তমান অসমত পাট উৎপাদনৰ পৰিৱৰ্তে আমদানি কৰা পাটৰ সূতাৰে কাপোৰ তৈয়াৰ কৰে। শুৱালকুছি মুখ্য কেন্দ্ৰ পাট, মুগাৰ উদ্যোগৰ বাবে। অসমত পাট উৎপাদন কৰা সংস্কৃতি ঘূৰাই আনিব লাগিব তদুপৰি মুগা আৰু এৰী উৎপাদন বৃদ্ধি কৰাৰ বাবে আন্তঃগাঁথনি তৈয়াৰ কৰিব লাগিছিল।

বৰ্তমান পৰিস্থিতিত নব্য-উদাৰবাদী অৰ্থনীতিৰ পৰিৱেশত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনগণৰ দাৰিদ্ৰ্য মোচনৰ বাবে কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰসমূহে বৰ্তমানে লোৱা ব্যৱস্থাসমূহ যথেষ্ট নহয়। অসমৰ বাবে আই-আই-টি বা এ-আই-আই-এমৰ নিশ্চয় অতি দৰকাৰ। কিন্তু কেৱল আই-আই-টি বা আই-আই-এমেই ৬০-৭০ লাখ নিবনুৱা যুৱকৰ সংস্থাপনৰ সমস্যাৰ সমাধান কৰিব নোৱাৰে। ভাৰতবৰ্ষই গৌৰৱ কৰা ভাৰত চিলিকণ ভেলী বাংগালোৰে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মানুহৰ দাৰিদ্ৰ্যৰ অৱসান ঘটাব নোৱাৰে। উত্তৰ-পূব পৰিষদৰ ভূতপূৰ্ব সঞ্চালক (মূল্য নিৰ্ধাৰণ নিৰীক্ষক) আনন্দ কুমাৰ যোগীয়ে Development of the NE Reigon (Problem & Prospect) নামৰ কিতাপখনত উত্তৰ-পূৰ্বাঞ্চল সম্বন্ধে এইদৰে মন্তব্য কৰিছিল— “স্বচ্ছলতাৰ মাজত দাৰিদ্ৰ্যৰ দৰে যোজনা উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষেত্ৰত যিদৰে প্ৰযোজ্য, ভাৰতবৰ্ষৰ কোনো অঞ্চলৰ ক্ষেত্ৰত তেনেদৰে প্ৰযোজ্য নহয়।” তৈল সম্পদ আৰু দুষ্প্ৰাপ্য জীৱ-জন্তুৰে সমৃদ্ধ উত্তৰ-পূৰ্বাঞ্চলৰ ২.৫৫ লাখ বৰ্গকিলোমিটাৰ স্থলভাগ দেশৰ মুঠ স্থলভাগৰ ৭.৮ শতাংশ। জলবিদ্যুৎ উৎপাদনৰ সম্ভাৱনীয়তাৰ উপৰি ব্ৰহ্মপুত্ৰকে ধৰি আধা ডজনৰো অধিক নদ-নদী আৰু এইবিলাকৰ উপনদীয়ে এই অঞ্চলৰ স্থলভাগ উৰ্বৰ কৰি ৰাখিছে।”

উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ গতি ত্বৰান্বিত কৰা আৰু ইতিমধ্যে হেৰুওৱা সময়ৰ ক্ষতিপূৰণাৰ্থে এক বিৰাট পৰিসৰৰ উন্নয়নৰ কাৰ্য্যপন্থাৰ প্ৰয়োজন। এই অঞ্চলৰ জৈৱ-বৈচিত্ৰ্য আৰু জলসম্পদৰ মাজত বিশাল প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰ বিদ্যমান। প্ৰকৃতি আৰু সামাজিক-সাংস্কৃতিক পৰিৱেশৰ পতন ৰোধ কৰাৰ বাবে যথাযোগ্য সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰি এই অঞ্চলৰ প্ৰাকৃতিক সম্পদৰাজি সকলো মানুহৰ জীৱন-জীৱিকাৰ মান উন্নত কৰাৰ উদ্দেশ্যে ব্যৱহৃত হ’ব লাগে।

বৰ্তমান চৰকাৰৰ অৰ্থনৈতিক নীতিৰ পটভূমিত অসমত চৰকাৰী ধনেৰে বৃহৎ গধুৰ উদ্যোগ মুকলি হোৱাৰ সম্ভাৱনা নাই। বৃহৎ পুঁজিপতিসকলেও অসমত বিনিয়োগ নকৰে বৃহৎ উদ্যোগ গঢ়িবলৈ। ক্ষুদ্ৰ উদ্যোগ, মজলীয়া উদ্যোগ, কুটীৰ উদ্যোগ হ’ল কৰ্মসংস্থান সৃষ্টিকাৰী উদ্যোগ। চীন দেশৰ ফালে আমি লক্ষ্য কৰিলে দেখিবলৈ পাওঁ যে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উৎপাদিত সামগ্ৰীয়ে বিশ্বৰ বজাৰ দখল কৰিবলৈ সমৰ্থ হৈছে। চীন দেশৰ গাঁৱে গাঁৱে ক্ষুদ্ৰ উদ্যোগ স্থাপিত হৈছে। চীন দেশে দেশৰ যুৱশক্তিক সকলো দিশত দক্ষ কৰিবলৈ পাঁচ লাখ উদ্যোগীয়ে প্ৰশিক্ষণ কেন্দ্ৰ (আই-টি-আই) তথা ভোকেচনেল কেন্দ্ৰ মুকলি কৰিছে আৰু প্ৰতি বছৰে ছয় কোটি যুৱক-যুৱতীক বিভিন্ন বিষয়ত দক্ষ কৰি তোলে ক্ষুদ্ৰ উদ্যোগত কাম কৰিবলৈ বা নিজে উদ্যোগ মুকলি কৰিবলৈ। পৰিতাপৰ কথা যে যোৱা ৭৫ বছৰত অসমত মাত্ৰ ২৮খন উদ্যোগীয় প্ৰশিক্ষণ কেন্দ্ৰৰহে (আই-টি-আই) সৃষ্টি হ’ল। ৰাজ্যখনৰ যুৱশক্তিৰ দক্ষতা বৃদ্ধি কৰিবলৈ আৰু বহুসংখ্যক উদ্যোগীয়ে প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰা অতি জৰুৰী।

এই অঞ্চলৰ প্ৰতি প্ৰকৃতি ইমান উদাৰ যদিও অনগ্ৰসৰতাৰ পৰা অঞ্চলটো মুক্ত হ’ব পৰা নাই। প্ৰাকৃতিক সম্পদত প্ৰাচুৰ্য্য এই অঞ্চলবোৰত বিকাশৰ বাবে এতিয়ালৈকে সবল জনমত গঢ়ি উঠা নাই। বৃহৎ ৰাজনৈতিক শক্তিবোৰে আনকি জাতীয়তাবাদী শক্তিবোৰে আৰু আঞ্চলিক ৰাজনৈতিক শক্তিবোৰে তেওঁলোকৰ ন্যস্তস্বাৰ্থ পূৰণৰ লক্ষ্যৰ বাবে অঞ্চলটোৰ বিকাশৰ দিশত বিশেষ ব্যৱস্থা নল’লে। প্ৰাচুৰ্য্য থকা সত্ত্বেও অঞ্চলটোৱে প্ৰকৃত ৰাজনৈতিক শক্তিৰ অভাৱত অৰ্থনৈতিকভাৱে আটাইতকৈ অনগ্ৰসৰ হৈয়ে ৰ’ল। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণে প্ৰকৃত আৰু সবল দেশপ্ৰেমী ভিচনাৰী (Visionary) অনিসন্ধিৎসু ৰাজনৈতিক শক্তি শাসন ক্ষমতাত অধিষ্ঠিত কৰিব পাৰিলে এই অঞ্চলটোৰ বিকাশ কৰাৰ ক্ষেত্ৰত নিশ্চিতভাৱে আগবাঢ়ি আহিলহেঁতেন আৰু উল্লেখ্য এখন উন্নত ৰাজ্যত পৰিণত হ’লহেঁতেন। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদী সমস্যা নিৰাময়ৰ একমাত্ৰ পথেই হ’ল অৰ্থনৈতিক উন্নয়ন। কিন্তু পৰিতাপৰ কথা যে কেন্দ্ৰ তথা ৰাজ্য চৰকাৰসমূহে এই দিশত যোৱা ৭৫ বছৰে নিৰ্জীৱ শিল হৈ থাকিল। সম্পদ থাকিলে বা অপৰ্যাপ্ত ধন পালেও উন্নয়নৰ দিশত সৰ্বতোপ্ৰকাৰে আগবাঢ়িব নোৱাৰিব যদিহে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ভাগ্যত এখন দক্ষ, দুৰ্নীতিমুক্ত, নিষ্ঠাৱান, অসমৰ অৰ্থনীতি বুজি পোৱা, ভিছন থকা জনসাধাৰণৰ প্ৰতি দায়বদ্ধ, অনিসন্ধিৎসু চৰকাৰ নিমিলে। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ স্বাৰ্থত এই অঞ্চলৰ প্ৰগতিকামী জাতিপ্ৰেমী আৰু গণতান্ত্ৰিক অংশই সংঘবদ্ধভাৱে আগবাঢ়ি অহাৰ সময় সমাগত।

ফোন ঃ ৯৪৩৫০৪১২০৩

# আৰ্ণল্ডৰ সমালোচনা তত্ত্ব



ড° আনন্দ বৰমুদৈ

**আৰ্ণল্ডে জীৱনৰ পৰা আঁতৰাই কবিতাৰ কথা ভবা নাছিল। কলা কলাৰ বাবে নহয়। ই কেৱল সৃষ্টি কৰাজনকে আনন্দ দান নকৰে। জীৱনৰ লগত কলাৰ গভীৰ সম্পৰ্ক আছে।**

**মেথ্যু** আৰ্ণল্ডৰ মতে সকলো কলাই আনন্দ দানৰ বাবে উৎসৰ্গিত। আন নালাগে ট্ৰেজেডিৰো উদ্দেশ্য একেই। যন্ত্ৰণা ইয়াৰ বিষয় হ'লেও, ইয়ো মানুহক আনন্দই দান কৰে। তেওঁৰ মতে সৰ্বোচ্চ আনন্দ দিব পৰা কবিতাই মহৎ কবিতা। গ্ৰীকসকলে ট্ৰেজেডিক শ্ৰেষ্ঠ কবিতা বুলি গণ্য কৰিছিল। তেওঁলোকে নিৰ্বাচন কৰা কাৰ্যই সকলোকে সকলো সময়তে আনন্দ দান কৰিব পাৰে। সময়ৰ ওপৰত নিৰ্ভৰ নকৰা প্ৰাথমিক স্তৰৰ অনুভূতিৰ প্ৰতি ট্ৰেজেডিয়ে আবেদন কৰে। কবিতাৰ বাবে সিয়েই আটাইতকৈ উপযুক্ত বিষয়। আৰ্ণল্ডে কৈছিল যে গ্ৰীকসকলৰ বাবে কাৰ্যৰ প্ৰকাশতকৈ কাৰ্য অধিক গুৰুত্বপূৰ্ণ আছিল, কিন্তু আৰ্নল্ডৰ সময়ত প্ৰকাশহে অধিক গুৰুত্বপূৰ্ণ হ'ল। সৌন্দৰ্যৰ ক্ষেত্ৰত আৰ্ণল্ডে আংশিকতকৈ সামগ্ৰিকতাৰ ওপৰত অধিক গুৰুত্ব দিছিল। আৰ্ণল্ডৰ বাবে মহৎ কবিতা বিচাৰৰ মাপকাঠি হ'ল আনন্দদান। পৰিস্থিতি যন্ত্ৰণাদায়ক হ'লেও ই আনন্দ দান কৰে। চিন্তাতকৈ কাৰ্যৰ ওপৰত ই অধিক গুৰুত্ব দিছে। কবিতাই কোনো বিশেষ অংশৰে নহয়, সামগ্ৰিকতাৰে আনন্দ দান কৰে। ধ্ৰুপদী কবিসকলেই এই ক্ষেত্ৰত শ্ৰেষ্ঠ আদৰ্শ।

১৮৫৩ত প্ৰকাশিত কবিতা সংকলনৰ পাতনিত ইংৰাজসকলৰ ৰীতিতকৈ গ্ৰীকসকলৰ ৰীতিৰ শ্ৰেষ্ঠত্বৰ কথা উল্লেখ কৰিছিল। অন ট্ৰেন্‌স্লেটিং হোমাৰ শীৰ্ষক বক্তৃতা লানিত ইংৰাজসকলৰ জীৱন আৰু কবিতালৈ সোমাই অহা অমংগলক ৰোধ কৰিবলৈও ইয়াক ব্যৱহাৰ কৰাৰ কথা কৈছিল। সত্তাৰ নীচতাক তেওঁ অমংগল বুলি জ্ঞান কৰিছিল। গণতন্ত্ৰৰ প্ৰতি মানুহৰ বাঢ়ি অহা আগ্ৰহ আৰু মাৰ্কিন প্ৰভাৱক তেওঁ সমৰ্থন কৰা নাছিল। এম্‌পিডক্লিজ কবিতাত আৰ্ণল্ডে লিখিছিল Great qualities are trodden down/ And littleness united/Is become invincible. (মহৎ গুণৰাশি পদদলিত/ক্ষুদ্ৰত্ব ঐক্যবদ্ধ/ হৈছে অপৰাজেয়।) জীৱন যেতিয়া মহত্ত্বৰ পৰা বঞ্চিত হয়, সাহিত্যই পতাকাখন ওপৰলৈ তুলি ধৰিব পাৰে। আৰ্ণল্ডৰ দৃষ্টিত হোমাৰে এই কাম কৰিছিল। হোমাৰৰ লেখা আছিল সেই যুগৰ এটা প্ৰয়োজন। সৰ্বোচ্চ ৰীতিৰ তেওঁ আছিল সৰ্বোচ্চ গৰাকী। হোমাৰ পঢ়োতে আৰ্ণল্ডৰ তেনে অভিজ্ঞতাই হৈছিল। তেওঁ অনুভৱ কৰিছিল। তেওঁৰ সত্তাৰ সম্প্ৰসাৰণৰ লগে লগে পৃথিৱীৰ ক্ষুদ্ৰ বস্তুবোৰ নিষ্প্ৰভ হৈ পৰিছিল। সৰ্বোচ্চ ৰীতিৰ প্ৰভাৱ তেনেকুৱাই। ই কবিতাকো মহৎ কৰে, জীৱনকো মহৎ কৰে। এতিয়া প্ৰশ্ন হ'ল বোমাৰে সেই কাম কেনেকৈ সমাধা কৰিছিল? তাৰ উত্তৰত আৰ্ণল্ডে কৈছিল যে হোমাৰৰ ৰীতিত আছিল গতিৰ দ্ৰুততা, ভাষাৰ পোনপটীয়া সৰলতা, প্ৰকৃতিৰ মহত্ত্ব আৰু সৰল মনৰ দীপ্তিময়তা। মহৎ প্ৰকৃতিৰ কাব্য প্ৰতিভা থকা লোক এজনে গহীন বিষয় এটাত সৰলতা অথবা কঠোৰতাৰে কাৰ্যকৰী কৰাৰ পৰা সৰ্বোচ্চ ৰীতিৰ সৃষ্টি হয়। এইটো সৰ্বোচ্চ ৰীতিৰ ঠিক সংজ্ঞা নহয়, কিন্তু কবিতাত মহত্ত্বৰ কেতবোৰ বিশিষ্টতাক ই ইংগিত কৰে। মহত্ত্ব তত্ত্বৰ কথা কোৱা লন্‌জাইনাছেও কৈছিল যে আত্মাৰ মহত্ত্বৰ অবিহনে উক্তিত মহত্ত্ব থাকিব নোৱাৰে। মহৎ শব্দ মহৎ হৃদয়ৰ পৰাই উচ্চাৰিত হয়। বিষয়বস্তু মহৎ হ'লেহে তাক মহৎ ৰূপত কাৰ্যকৰী কৰিব পাৰি। হোমাৰ, মিল্টন আৰু ডাণ্টেৰ ৰচনাত আৰ্ণল্ডে সৰ্বোচ্চ ৰীতিৰ প্ৰয়োগ দেখা পাইছিল।

আৰ্ণল্ডে জীৱনৰ পৰা আঁতৰাই কবিতাৰ কথা ভবা নাছিল। কলা কলাৰ বাবে নহয়। ই কেৱল সৃষ্টি কৰাজনকে আনন্দ দান নকৰে। জীৱনৰ লগত কলাৰ গভীৰ সম্পৰ্ক আছে। কোৱাৰ ধৰণৰ লগত কি কোৱা হৈছে তাৰ সম্পৰ্ক আছে। তেওঁৰ দৃষ্টিত ইংৰাজী কবিতাত বিষয়বস্তুতকৈ কোৱাৰ ধৰণে অধিক গুৰুত্ব লাভ কৰিছিল। বিষয়তকৈ গঢ়টোৰে বেছি গুৰুত্ব পাইছিল। তেওঁৰ মতে শ্বেক্সপীয়েৰো সেই প্ৰলোভনৰ পৰা মুক্ত নাছিল। ৱৰ্ডছৱৰ্থৰ বাদে আন ৰোমাণ্টিক কবিসকলো এই প্ৰলোভনত পৰিছিল। আৰ্ণল্ডৰ মতে কবিতা বিষয়বস্তুৰ জোৰতহে বৰ্তি থাকিব পাৰে। কবিতাই প্ৰাচীন কবিসকলৰ দৰে জীৱনৰ গতি নিৰ্দেশ কৰিব লাগিব। প্ৰাচীন কবিসকলৰ কবিতাৰ দৰে কবিতাই ধৰ্মকো সামৰি ল'ব লাগিব। ধৰ্মীয় অভাৱক খ্ৰীষ্টান ধৰ্মই পূৰণ কৰিব। আৰ্ণল্ডে দেখিছিল যে বিজ্ঞানে ধৰ্মলৈ ভাঙোন আনিছিল আৰু তাৰ ফলত মানুহৰ ওপৰত ধৰ্মৰ প্ৰভাৱ কমি আহিছিল। ৱৰ্ডছৱৰ্থ আৰু বাইৰণৰ বিষয়ে লিখা ৰচনাত তেওঁ এই বুলি কবিতাৰ সংজ্ঞা দাঙি ধৰিলে, 'ই কাব্যিক সৌন্দৰ্য আৰু কাব্যিক সত্যই নিৰ্দিষ্ট কৰা চৰ্তৰ পৰিসৰৰ ভিতৰত জীৱনৰ সমালোচনা।' এই কবিতাৰ মাজতে জাতিটোৰ সত্তাই আন সহায় হেৰুৱালেও সান্ত্বনা বিচাৰি পাব। জীৱনৰ সমালোচনা মানে আৰ্ণল্ডৰ মতে চিন্তা-ধাৰণাক গভীৰ আৰু মহৎভাৱে জীৱনৰ ওপৰত প্ৰয়োগ কৰা। তেওঁৰ কাব্যিক সত্য আৰু সৌন্দৰ্যৰ অৰ্থ হ'ল বিষয়বস্তুৰ সত্য আৰু গভীৰতা। এৰিষ্টটলৰ দৰে আৰ্ণল্ডে বিশ্বাস কৰিছিল যে জীৱনক হুবহু ৰূপত অনুকৰণ কৰাটো কবিতাৰ কাম নহয়। তেনে কৰা মানে কলৰিজে ক'বৰ দৰে প্ৰকৃতিৰ লগত অৰ্থহীন প্ৰতিদ্বন্দ্বিতা। কবিয়ে নিজৰ ফালৰ পৰা কিবা সংযোজন কৰিব লাগিব। তেওঁ কি ভাবে তাক উল্লেখ কৰিব লাগিব। কবিয়ে এই যোগ দিয়া কথাই জীৱন আৰু কবিতাৰ মাজৰ পাৰ্থক্য। কবিয়ে কৰা সেয়াই জীৱনৰ সমালোচনা। বিজ্ঞান আৰু নৈতিকতাৰ শিক্ষাৰ পৰাই পৃথক। বিজ্ঞানে মানুহৰ যুক্তি আৰু নৈতিকতাই সজ গুণৰ প্ৰতি আবেদন জনায়। কিন্তু কবিতাৰ আবেদন সামগ্ৰিকভাৱে সকলো শক্তি আৰু আত্মাৰ প্ৰতি। কাব্যিক সত্য আৰু সুন্দৰৰ নীতি মানি কবিতাই এই কামটো কৰে। কবিয়ে তেওঁৰ সমগ্ৰ সত্তাৰে আৰু ইমান সুন্দৰকৈ কথাটো কয় যে চিৰদিনৰ বাবেই আনন্দৰ উৎস হৈ পৰে। কবিতাৰ কাম জীৱনক সমৃদ্ধ আৰু পৰিপূৰ্ণ কৰা। ঠেক উপদেশমূলক নহ'লেও কবিতা মূলতে নৈতিক। বহল অৰ্থত কবিতা সত্য, সুন্দৰ আৰু মংগলৰ শ্ৰেষ্ঠ আদৰ্শৰ লগত মিলি থাকে।

আৰ্ণল্ডে সৃজনী শক্তিক সমালোচনাত্মক শক্তিতকৈ ওপৰত স্থান দিছে। সাহিত্যতে হওক বা আন ক্ষেত্ৰতে হওক, সৃজনী শক্তিৰ প্ৰয়োগ মানুহৰ শ্ৰেষ্ঠ কাৰ্য। এই কাৰ্যতে মানুহে আটাইতকৈ বেছি আনন্দ লাভ কৰে। সাহিত্যিকে নতুন চিন্তা ধাৰণা আৱিষ্কাৰ কৰিবৰ দৰকাৰ নাই। সেই কাম দাৰ্শনিকলৈ এৰিব পাৰি। সাহিত্যিকে জনসাধাৰণৰ চিনাকি প্ৰচলিত ধ্যান ধাৰণাক লৈ সাহিত্য সৃষ্টি কৰিব লাগিব। লেখক এজনৰ সৃষ্টিয়েই একমাত্ৰ কথা নহয়। সি প্ৰস্ফুটিত হোৱাৰ পৰিৱেশো পাব লাগিব। সেই পৰিৱেশ পাবলৈ কবিয়ে যি বিষয়বস্তু লৈ সৃষ্টি কৰিছে সেই বিষয়বস্তু পাঠকৰ পৰিচিত হ'ব লাগিব।

আৰ্ণল্ডৰ মতে সমালোচনাৰ দায়িত্ব কেৱল সাহিত্যৰ মূল বিচাৰ কৰাই নহয়। সমাজত সত্য আৰু সতেজ চিন্তাৰ সোঁত বোৱাই ৰাখিবৰ বাবে পৃথিৱীৰ শ্ৰেষ্ঠ চিন্তাৰ লগত নিজে পৰিচিত হৈ সেইবোৰ সমাজত প্ৰচাৰ কৰিব লাগিব। সেই ফালৰ পৰা চাবলৈ গ'লে সমালোচনাৰ কাম তিনি ধৰণৰ। প্ৰথমতে ই ব্যক্তিগত পৰ্যায়ৰ সংস্কৃতি। ব্যক্তিয়ে নিজকে পৃথিৱীৰ শ্ৰেষ্ঠ চিন্তাৰ লগত পৰিচিত কৰাব লাগিব। তেওঁৰ দ্বিতীয় কাম সমাজৰ সেৱা। সমাজকো সেই চিন্তাৰ লগত পৰিচয় কৰাই দিব লাগিব। তৃতীয় কথা, তেওঁ সাহিত্যৰ সেৱা কৰিব লাগিব। সতেজ আৰু সত্য চিন্তা ধাৰাৰ এছাটি বতাহ তেওঁ সমাজত বোৱাব লাগিব। সমালোচকে প্ৰথম দুটা দায়িত্ব পালন কৰিবলৈ সমালোচকে নিজৰ বাবে সতেজ জ্ঞানৰ অন্বেষণ কৰিব লাগিব। এই জ্ঞানৰ যোগাযোগ কৰি আৰু লগতে নিজৰ বিচাৰ পাঠকক জানিবলৈ দি সমালোচকে পাঠকৰ মংগল সাধন কৰিব পাৰে। কিন্তু এককভাৱে কোনো সাহিত্যই এই জ্ঞান যিহেতু ধৰি ৰাখিব নোৱাৰে, সমালোচকে নিজৰ ভাষাৰ সাহিত্যৰ লগতে আন এক মহৎ সাহিত্যৰ জ্ঞান আয়ত্ত্ব কৰিব লাগিব। এই সাহিত্য তেওঁৰ নিজৰ সাহিত্যৰ পৰা যিমানে পৃথক হয়, সিমানে ভাল।

আৰ্ণল্ডৰ কাৰণে সমালোচনা সংস্কৃতিৰ হাতধৰী লিগিৰী। ই হ'ল মনৰ মুক্ত বিচৰণ। যি বস্তু সঁচাই সুন্দৰ, তাৰ ওপৰত মনোযোগ আবদ্ধ হয়। বস্তু এটাক আচল ৰূপত সমালোচকে দেখা পাব পাৰিব লাগিব। আৰ্ণল্ডে সমালোচনাই সাহিত্য মূল্যায়ন অথবা বিচাৰ কৰাৰ কথাও কৈছে। সুস্থ সাহিত্য ৰুচি কিদৰে গঠন কৰিব পাৰি সেই বিষয়ে জোছেফ এডিছনে কৈছিল যে মানুহ এজনে নিজৰ ৰুচিৰ কথা জানিবলৈ হ'লে প্ৰাচীন লেখকসকলৰ বিখ্যাত কিতাপবিলাক পঢ়িব লাগিব। সেই কিতাপবিলাক বিভিন্ন দেশ আৰু কালৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে। আধুনিক কিতাপৰ ক্ষেত্ৰত তেনে কিতাপ হ'ব সমসাময়িক পাঠক শ্ৰেণীৰ ৰুচিপূৰ্ণ অংশটোৰ অনুমোদন লাভ কৰা কিতাপ। এনে ধৰণৰ কিতাপ পঢ়ি পাঠক এজনে একো আনন্দ নাপায় আৰু প্ৰশংসিত গুণবোৰ যদি তেওঁ বিচাৰি নাপায়, তেওঁ এই বুলি সিদ্ধান্ত কৰা উচিত নহ'ব যে কিতাপখনত আচলতে সেই গুণবোৰ নাই। তেওঁ এই বুলিহে সিদ্ধান্ত কৰা ভাল যে গুণবোৰ তেওঁহে বিচাৰি উলিওৱাত ব্যৰ্থ হৈছে। লন্‌জাইনাছে সাহিত্যৰ সৰ্বোচ্চ গুণ নিৰ্ণয় কৰিবলৈ এই পদ্ধতি প্ৰয়োগ কৰিছিল। যিবোৰ গুণে সকলোকে আৰু সদায় আনন্দ দান কৰে সেই বাবেই সৰ্বোচ্চ গুণ। সাহিত্য কৰ্ম এটাৰ মূল্যমান নিৰ্ণয় কৰিবলৈ আৰ্নলেণ্ড এই ধৰণৰ পৰীক্ষা এটাৰ কথাই উল্লেখ কৰিছিল। তেওঁ কৈছিল যে কবিতাৰ সত্য উৎকৃষ্টতা বিচাৰৰ বাবে মহৎ কবিৰ কবিতাৰ কেতবোৰ বিখ্যাত শাৰীৰ কাষত বিচাৰ কৰিবলৈ লোৱা কবিতা এটাক লৈ তুলনা কৰিব পাৰি। বিচাৰৰ বাবে নিৰ্বাচন কৰা কবিতাটোত বিখ্যাত কবিৰ কবিতাত থকা গুণৰ উপস্থিতি উৎকৃষ্টতাৰ মাপকাঠী হ'ব পাৰে। হোমাৰ, ডাণ্টে, শ্বেক্সপীয়েৰ আৰু মিল্টনৰ পৰা স্তৱক একোটালৈ সিবিলাকত উপস্থিত থকা উৎকৃষ্ট গুণক তেওঁ আঙুলিয়াই দেখুৱাইছে। কবিতাত থকা উৎকৃষ্ট গুণ আৱিষ্কাৰৰ কাৰণে সমালোচকে কঠোৰ পৰিশ্ৰম কৰিব লগা হয়। দক্ষতা আৰু ৰুচিক আৰ্ণল্ডে নিশ্চিত পথ প্ৰদৰ্শক হিচাপে গণ্য কৰে। এটা কথাত তেওঁৰ কোনো সন্দেহ নাই যে সৰ্বোচ্চ কবিতাত বিষয়বস্তু আৰু ৰীতি অথবা নিৰ্মাণ দুয়োটাই উচ্চ গুণ সম্পন্ন হ'ব লাগিব। এৰিষ্টটলেও এই কথা কৈ গৈছিল যেতিয়া তেওঁ কৈছিল যে ইতিহাসতকৈ কবিতাই অধিক গাম্ভীৰ্যৰে গভীৰতৰ সত্য প্ৰকাশ কৰিব পাৰে।



আৰ্ণল্ডে কষটি শিল পদ্ধতিক যিদৰে নিৰ্ভুল বুলি ভাবিছিল, সেইদৰেই ব্যক্তিগত আৰু ঐতিহাসিক পদ্ধতিৰ মূল্যায়নক ত্ৰুটিপূৰ্ণ বুলি ভাবিছিল। ব্যক্তিগত মূল্যায়নত সমালোচকে নিজৰ ভাল লগা বেয়া লগাক সাহিত্য মূল্য নিৰ্ণয়ৰ মাপকাঠী কৰি লয়। কবিতা এটাত আচলতে কি আছে তাতকৈ আন কথাই গুৰুত্ব পায়। তেওঁ ৰবাৰ্ট বাৰ্ণছৰ কবিতাৰ উদাহৰণ দাঙি ধৰিছে। স্কটলেণ্ডৰ মানুহে বাৰ্ণচৰ কবিতা ভাল পায় কাৰণ তাত স্কটিছসকলৰ ধৰ্ম, আচাৰ-ব্যৱহাৰ আৰু মদৰ কথা আছে। কবিতাৰ আচল মূল্য বিচাৰ এই ধৰণৰ ব্যক্তিগত ভাল লগা বেয়া লগাৰ ঊৰ্দ্ধত। ঐতিহাসিক সমালোচনাই লেখক এজনে কেনে ঐতিহাসিক পৰিস্থিতিত সাহিত্য সৃষ্টি কৰিছিল তাৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। সেই সময়ৰ সাহিত্য কেনে আছিল আৰু সাহিত্য সৃষ্টিত লেখক এজনে কেনেকুৱা সুবিধা বা অসুবিধা পাইছিল সেই কথাইহে সাহিত্য কৃতিৰ গুণাগুণতকৈ অধিক গুৰুত্ব পায়। সাহিত্য সৃষ্টিত সাহিত্যিকজনৰ দুখ- কষ্টৰ ফালে অধিক মনোযোগ দিলে সমালোচকে সাহিত্য কৃতিৰ ওপৰত অযথা অধিক মূল্য আৰোপ কৰাৰ সম্ভাৱনা থাকে।

সমালোচক হিচাপে মেথ্যু আৰ্ণল্ডক বোধহয় অধিক প্ৰশংসা কৰা হয়। এলিয়টৰ মতে আৰ্ণল্ডে কোনবোৰ সমালোচনা হোৱা নাই তাৰ প্ৰতি অধিক মনোযোগ নিদিয়া হ'লে ভাল সমালোচক হ'ব পাৰিলেহেঁতেন। তেওঁৰ সমালোচনা তত্ত্ব আচলতে এৰিষ্টটল আৰু লন্‌জাইনাছৰ তত্ত্বৰ দ্বাৰা প্ৰভাৱিত। কবিতাক জীৱনৰ সমালোচনা বুলি কোৱাটো তেওঁৰ এটা বিখ্যাত উক্তি। কিন্তু সেই উক্তিও এফালৰ পৰা এৰিষ্টটলৰ পুনৰকথন। সৃষ্টিৰ যুগটোক সৃষ্টি কৰ্মৰ কাৰণে অপৰিহাৰ্য বুলি কোৱাৰ পাছত ঐতিহাসিক পদ্ধতিৰ সমালোচনাৰ ওপৰত তেওঁৰ অনাস্থা সমস্যাৰ পৰা মুক্ত নহয়। কিন্তু এইটো কথা ঠিক যে সাহিত্য মূল্যায়নত তেওঁ তুলনামূলক সমীক্ষাৰ কথা কৈছিল। সাহিত্য কৃতিৰ বিচাৰত তেওঁ ব্যক্তিগত, ধৰ্মীয়, ৰাজনৈতিক আদি বিবেচনাক প্ৰতিৰোধ কৰিছিল।

*ফোন ঃ ৯৮৬৪২৩২০৮৬*

## লৌহ কঠিন পৃথিৱীত

ড° নিৰূপা ৰয় বৰুৱা



এদিন আহিছিল এজাক
উতলা বতাহ
মোৰ যৌৱনৰ
মোৰ সপোনৰ
আশাৰ লালিত্যসনা
নিঃসংগ পঁজাত

যন্ত্ৰণাকাতৰ মাতৃৰ
হিয়াৰ ব্যাকুল উৎকণ্ঠা
লৌহ কঠিন পৃথিৱীত

যৌৱনৰ অপচয় ঘটা
এচমকা ডাৱৰ নামি আহে

মেঘৰ আঁৰত খুপি খুপি
খোজ কাঢ়ি বিচাৰে
যৌৱনৰ চেকুৰা

চকুৰ আঁৰতেই ছায়াহীন হাফলু
চপৰা চপৰে খহি পৰে
ছিৰাছিৰ হয় মাংসল জীৱন

বিস্ফোৰিত হয়
কুমাৰী পৃথিৱীৰ ক্ৰন্দন
বুকুৰ স্পন্দনত
নিশ্বাসৰ মৰ্মৰিত ছাঁ
দুৱাৰ ডলিত ফুলি উঠে
পাৰিজাত ফুল হৈ...।

## কবিতাৰ নাম নিৰজা শৰ্মা

চামচুল বাৰিক



খোলা আকাশৰ দৰে হিয়া
জেওৱা জপনা নমনা
পখিলাৰ দৰে খৰখেদা
পুৰণা চাইকেলখনেৰে
কঢ়িয়াই লৈ ফুৰে
নৃত্য-নাটৰ ৰহণ চৰোৱা ৰহঘৰা
পাহৰিব নোৱাৰিযে
নাট্যমন্দিৰৰ নাট্যসমাজৰ সন্ধিয়াৰ আলোক সজ্জা
আমোলাপট্টি নামঘৰৰ মঞ্চৰ পোহৰ সজ্জা
মচিব নোৱাৰিযে
মইনামেলৰ সন্ধিয়াৰ নৃত্য-নাটিকাৰ কাৰিকৰী ভাষা
প্ৰাণত সোমাই আছিলে তেওঁৰ যে
কেৱল সমাজ সংগঠনৰ ভাষা
তেওঁ যে
শিৱসাগৰৰ আকাশৰ এটি তৰা।

## দৰঙী লোক-সাহিত্যৰ এক অনুপম সম্পদ

### চেৰাঢেক

বিপ্লৱ ডেকা

**অসম** উত্তৰ-পূব ভাৰতৰ এনে এখন ৰাজ্য য'ত বিভিন্ন জাতি-জনজাতিৰে সমন্বয়ৰ এক নিদৰ্শন বহন কৰি আহিছে আৰু এই সমন্বয়ৰ অন্যতম উৎস হৈছে ইয়াৰ লোক-সাংস্কৃতিক চেতনা। অসমৰ লোক-সংস্কৃতিৰ বিশাল পথাৰখনত দৰঙৰ লোক-সংস্কৃতিৰ এক উল্লেখযোগ্য অৱদান আছে। দৰঙী লোক-সংস্কৃতিৰ এক অন্যতম সংস্কৃতি 'চেৰাঢেক'। দৰং জিলাৰ মুছলমান সম্প্ৰদায়ৰ মাজত প্ৰচলিত 'চেৰাঢেক'বোৰ চহা কবিৰ অন্যতম ৰচনা। এই চহা কবিসকলৰ আৱেগ-অনুভূতি, কল্পনামিশ্ৰিত পৰশত প্ৰাণ পাই উঠা লোকপদ 'ঢেক'বোৰ দৰঙৰ বিখ্যাত পৰিৱেশ্য কলা 'ব্যাস সংগীত'ৰ ওচৰ চপা। দৰং জিলাত এই 'চেৰাঢেক'বোৰক 'ৰাইচা মাৰা' বুলিও কোৱা হয়। 'চেৰা' আৰু 'ঢেক' দুটা সুকীয়া শব্দ। 'চেৰা' শব্দৰ অৰ্থ হৈছে 'লঘু' বা পাতল। আকৌ 'ঢেক' শব্দটো ৰাগ-ৰাগিণীযুক্ত গীতৰ স'তে সংপৃক্ত। সেয়ে একেবাৰে পাতল লঘু বিষয়ক কথাবস্তুৰ ৰীতি গীতখিনিক ঢেকৰ জৰিয়তে সুৰ লগাই গোৱা কাৰণেই গীতখিনি অধিক সুৰীয়া হৈ পৰৱৰ্তী সময়ত 'চেৰাঢেক' নামেৰে খ্যাতি লাভ কৰে।

'চেৰাঢেক' এক প্ৰকাৰৰ গীত বুলি ক'ব পাৰি। অতীতত দৰং জিলাৰ মুছলমান সমাজৰ প্ৰত্যেকখন গাঁৱতেই এই 'চেৰাঢেক' মৰাৰ পৰম্পৰা আছিল। মূলতঃ বিবাহ অনুষ্ঠানবিলাকত এই 'চেৰাঢেক' মাৰিছিল যদিও বিশেষকৈ ধান কটা, মৰণা মৰা, কুঁহিয়াৰ কটা আদি সময়ত গ্ৰাম্যজীৱী লোকসকলে এই 'চেৰাঢেক' মৰাটো এটা পৰম্পৰা আছিল। উল্লেখ্য যে হিন্দু সম্প্ৰদায়ৰ বিবাহ অনুষ্ঠানবোৰত যিদৰে বিয়ানাম, যোৰানাম, নিন্দা পদ দি নামতীসকলে হাঁহি-ধেমালি কৰিছিল অনুৰূপধৰণে মুছলমান সম্প্ৰদায়তো 'চেৰাঢেক' মৰা প্ৰতিযোগিতা চলিছিল আৰু আনন্দ-স্ফূৰ্তি কৰিছিল। এই চেৰাঢেকবোৰত দৰঙৰ সমসাময়িক গ্ৰাম্য জীৱনৰ জীৱন্ত ছবি সুন্দৰ ৰূপত প্ৰকাশ পাইছে। দৰা আহি কইনা ঘৰৰ চোতালত প্ৰৱেশ কৰাৰ পাছতেই 'চেৰাঢেক' মৰা আৰম্ভ হয়।

**কইনাপক্ষই গাব—**

'বিয়া চাবা আইছা বেটা
বিয়াত খাবি চিৰা
ঢেক মাৰবা নৰা যদি
মূৰত মাৰিম পীৰা।
হাতী আহেই গিৰিপ গাৰাপ
ঘোঁৰা আহেই চুটি
শিঙিমেৰীয়া আইভা লাগছি
পুৰাবেলা ৰাতি।।

**দৰাপক্ষই গাব ঃ-**

কি বুলি লাগেলি মাত ঐ বপুৰা
কি বুলি লাগেলি মাত
ৰভাৰ তলত বহি আছো
নাহৰ ফুটুকী বাঘ।
আলি আলি যাবা কালি
বালিৰ ভাঙাঘৰ
ফেঁচামুৰা কইনা দেখি
বৰৰ উঠেই জ্বৰ!!

**কইনা পক্ষই গাব ঃ-**

নলোৰ মাকৰ বটা চৰেই
ঢেকেৰ ঢেকেৰ কৰেই।
নষ্ট যোৱা মোল্লাই আহি
তিৰী চোৰ কৰেই।

**দৰাপক্ষই লগে লগে গাব ঃ (প্ৰত্যুত্তৰ দিব)**

বৰোৰ আগত মমবাতি
কইনাৰ আগত জপা
পুৰাৰাতি মোল্লা আইছি
পাৰ হোৱা হাপা।
ধানখোৱা মৈৰা চৰেই
কুঁহিয়াৰ খোৱা তিঁয়া
ঝীয়া বেচা মাৰৈ গেঞা
হেণ্ডনোট লিখি দিয়া
হাৰে হাৰে দাদা দাদা
ঝীয়া পালো ভাল
ঝীয়াক লাগেই একশ টকা
আৰু অলংকাৰ।

এই 'চেৰাঢেক'বোৰত সম্পূৰ্ণ দৰং জিলাৰ কথিত ভাষা ব্যৱহাৰ হৈ আহিছে। অকল যে বিবাহ অনুষ্ঠানবোৰতেই এই ঢেকবোৰ মৰা হয় তেনেকুৱা নহয় পথাৰত ধান কাটি থকা অৱস্থাত, গৰু-ম'হ ৰখি থকাৰ সময়তো এই 'ঢেক'বোৰ মাৰিছিল। এই 'ঢেক'বোৰৰ মাজেদি আনন্দৰ বহিঃপ্ৰকাশ ঘটিছে। 'চেৰাঢেক'বোৰত প্ৰতিফলিত হৈছে দৰঙৰ মুছলমান সম্প্ৰদায়ৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি তথা মাত-কথা। অতীত দৰঙত মুছলমান সম্প্ৰদায় আৰু হিন্দু সম্প্ৰদায়ৰ মাজত কোনো প্ৰভেদ নাছিল। মুছলমান সম্প্ৰদায়ৰ লোকেও সুকনান্নী ওজাপালিৰ পদ, বেউলা-লখিন্দাৰৰ পদ গাইছিল। দৰং জিলাৰ মাৰৈৰ পৰশু সেখৰ ঘৰত এতিয়াও পূজাৰ সামগ্ৰী, গণেশ মূৰ্তি, খুটি তাল বিদ্যমান। অতীতত এই 'চেৰাঢেক' চৰ্চাৰ প্ৰাণ কেন্দ্ৰ আছিল ছিপাঝাৰৰ পথৰুঘাট অঞ্চল। এই পথৰুঘাট অঞ্চলৰ বৰ কুমাৰ পাৰাৰ প্ৰখ্যাত কলা চেখ, চাঁদ আলি, প্ৰয়াত নমাই মেধি, মহম্মদ আজমল হুছেইন, মঃ আৰৱ আলি, নাউমান ৰহমান, ৰৌচান আলি, মানিক আলি, মাহি চেখ, সঞ্চাৰ আলি, জমাত আলি আৰু দয়া চেখ। বৰ্তমান মুকুট আলি, মুকিবৰ ৰহমান, ফজিল আলি, জুমাৰুদ্দিন আলি, মুছলিম ঘোপাৰ চিৰাজউদ্দিন আহমেদ (প্ৰথমগৰাকী 'চেৰাঢেক' শিল্পী পেঞ্চনাৰ), চাবেদ আলি (দুবাৰকৈ এককালীন সাহায্যপ্ৰাপক চেৰাঢেকৰ শিল্পী), মাৰৈৰ কুটুবুদ্দিন আহমেদ, মঃ হাফিজ আলি, মঙলদৈ নগৰবাহীৰ হাচমত আলি, নিদাৰুদ্দিন আহমেদ, হাফিজুদ্দিন আহমেদ, ফাইজুদ্দিন আহমেদ আদি শিল্পীসকলে এই 'চেৰাঢেক'বোৰৰ চৰ্চা কৰি আহিছে। এই আপুৰুগীয়া 'চেৰাঢেক'বোৰে যিদৰে চৰ্চা, প্ৰচাৰ তথা প্ৰসাৰ লাভ কৰিব লাগিছিল সেইখিনি আজিকোপতি হৈ উঠা নাই। দৰঙৰ এই লোকগীত সাহিত্য চেৰাঢেকসমূহৰ বৈজ্ঞানিক গৱেষণা হোৱা উচিত। সমাজৰ শিপাস্বৰূপ এই লোক-কৃষ্টি নৱপ্ৰজন্মৰ আদৰৰ বস্তু হৈ পৰক। এই কৃষ্টিসমূহৰ প্ৰচাৰ তথা প্ৰসাৰৰ বাবে কৰ্মশালা, অনুষ্ঠিত কৰি ইয়াৰ মূল তত্ত্বসমূহ উঠি অহা প্ৰজন্মক শিকাব পাৰিলেহে সম্প্ৰীতিৰ এনাজৰী এই 'চেৰাঢেক'বোৰ পুনৰ প্ৰাণ পাই উঠিব।

## ডেনিচ লেখক হেন্‌ৰিক পণ্ট'পিদানৰ গল্প

# এ ফিছাৰ নে'ষ্ট




**১৯১৭**ৰ সাহিত্যৰ ন'বেল বঁটাটোৰ যৌথ প্ৰাপকৰ এগৰাকী আছিল ডেনিছ সাহিত্যিক হেন্‌ৰিক পণ্ট'পিদান। ডেনমাৰ্কৰ প্ৰাত্যাহিক জীৱনৰ এখন হুবহু বাস্তৱানুৰাগ চিত্ৰণৰ বাবে তেওঁক এই বিশিষ্ট বঁটা প্ৰদান কৰা হৈছিল। এটা অৱস্থাপন্ন যাজক পৰিয়ালত ১৮৫৭ৰ ২৪ জুলাইত জন্মগ্ৰহণ কৰা হেন্‌ৰিক পণ্ট'পিদানে অহৰহ নিজৰ চলিত পাৰিপাৰ্শ্বিক অৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল আৰু নিজে বিচৰা ধৰণেৰে নিজৰ জীৱনটো গঢ় দিবলৈ চেষ্টা কৰিছিল। তেওঁ পৰিয়ালৰ পৰম্পৰাগত বৃত্তিটো গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি ক'পেনহেগেনত অভিযন্তা বিদ্যাৰ শিক্ষা গ্ৰহণ কৰিছিল। তেওঁ পোনতে প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল যদিও পৰৱৰ্তী সময়ত সাংবাদিকতা বৃত্তি গ্ৰহণ কৰিছিল আৰু ক্ৰমশঃ সৃষ্টিশীল ৰচনাৰ মাধ্যমেদি নিজৰ স্বকীয় প্ৰতিভাৰ পৰিচয় দিছিল। তেওঁৰ তীক্ষ্ণদৃষ্টিৰ পৰা ডেনমাৰ্কৰ সামাজিক জীৱন, ৰাজনৈতিক জীৱন একো বাদ পৰা নাছিল। প্ৰবন্ধৰ লগতে তেওঁ উপন্যাস আৰু গল্প ৰচনা কৰিছিল। ১৮৯০ৰ পৰা ১৯২০ৰ ভিতৰত তেওঁৰ সৰ্বোৎকৃষ্ট উপন্যাস কেইখন প্ৰকাশিত হৈছিল। সেইকেইখন হৈছে ক্ৰমে The Promised Land (১৮৯১-১৮৯৫), Hucky Pater (১৮৯৮-১৯০৪), আৰু The Kingdom of the Dead (১৯১২-১৯১৫)। তেওঁৰ এই উপন্যাসৰ সৃষ্টিসমূহে ডেনমাৰ্কৰ ইতিহাসৰ এনে এটা সময়ৰ কথা লিপিবদ্ধ কৰিছে যেতিয়া ডেনমাৰ্ক ৰক্ষণশীলপন্থী আৰু উদাৰপন্থীসকলৰ সংঘাতৰ ঘাৰে জৰ্জৰিত হৈ আছিল, নৱ উত্থিত ঔদ্যোগিকীকৰণ আৰু বিপ্লৱী আন্দোলনেৰে দেশ ভাৰাক্ৰান্ত হৈ আছিল। তেওঁৰ শেহতীয়া উপন্যাসখন আছিল Man's Heaven। প্ৰকাশৰ চন ১৯২৭।

বৃহত্তৰ স্কেণ্ডিনেভীয় সাহিত্যৰ প্ৰেক্ষাপট বিচাৰ কৰিলে হেনৰিক পণ্ট'পিদানেই হৈছে - সবাতোকৈ প্ৰভাৱশালী অথচ সৰ্বকনিষ্ঠ Modern Break-Through গোটৰ সদস্য। লেখক হিচাপে নিজে জন্মলাভ কৰা ৰক্ষণশীল পৰিৱেশৰ পৰা নিজকে আঁতৰাই ৰখা, আনকি নিজৰ সমকালীন সমাজবাদী লেখক-লেখিকা আৰু বন্ধুবৰ্গৰ পৰাও নিজকে নিলগাই ৰখা হেনৰিক পণ্ট'পিদানক এক ব্যতিক্ৰমী লেখক বুলি ক'লেও হয়তো ভুল কোৱা নহ'ব।

### সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন



Modern Break-Through অভিধাটো আমাৰ বেছি ভাগৰ বাবে নতুন। এই অভিধাটোৰ লগত এটা বিশেষ 'সাহিত্য আন্দোলন' জড়িত। সেই 'সাহিত্য আন্দোলন'টোৰ কেন্দ্ৰীয় বিন্দু হৈছে স্কেণ্ডিনেভীয় গোটৰ দেশসমূহৰ সাহিত্যিকসকলৰ চিন্তাৰ বীজৰ পৰা অংকুৰিত হোৱা এটা বিশেষ সাহিত্য জাগৰণ। স্কেণ্ডিনেভিয়াৰ সাহিত্যত ১৮৭০ পৰা ১৯৮০লৈকে 'The Modern Break Through' অভিধাটো ব্যৱহৃত হৈছিল। সেই সময়ছোৱাত স্কেণ্ডিনেভিয়াৰ সাহিত্যই ইউৰোপীয় সাহিত্যৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ পৰা মুক্ত হৈ নিজস্ব শৈলীৰ সাহিত্য সৃষ্টিত মনোনিবেশ কৰিছিল। Modern Break Throughৰ লগত জড়িত লেখক-লেখিকাসকলে পৰম্পৰাগত সাংস্কৃতিক বিষয়বস্তুসমূহৰ প্ৰতি বিদ্ৰোহ কৰি এটা নতুন ধাৰা সৃষ্টিত মনোনিবেশ কৰিছিল। সেই ধাৰণাটো প্ৰচলিত ৰোমাণ্টিক ধাৰাৰ পৰা পৃথক। সহজ ভাষাত ক'বলৈ গ'লে সেইটো বাস্তৱবাদী ধাৰা আছিল যি ধাৰা লেখক-লেখিকাসকলে যৌনতা, ধৰ্মৰ প্ৰতি তেওঁলোকৰ পূৰ্বসূৰীসকলৰ তুলনাত অধিক নমনীয় মনোভাৱ পোষণ কৰিছিল আৰু ডাৰ্‌ৱিনৰ জীৱ উৎপত্তিৰ তত্ত্বৰ প্ৰতি মুকলিকৈ তেওঁলোকৰ আগ্ৰহ আৰু সমৰ্থন ব্যক্ত কৰিছিল। সেই সময়ছোৱাত লেখিকাসকলেও নিজৰ সৃষ্টিৰ মাজেদি প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল।

স্কেণ্ডিনেভীয় সাহিত্যলৈ অহা এই বিশেষ জাগৰণৰ মূল হোতা স্বৰূপ আছিল জৰ্জ ব্ৰাণ্ডেচ যি গৰাকীয়ে ১৮৬৯তেই সেই সময়ৰ এক বিতৰ্কিত তথা বহুল আলোচিত প্ৰবন্ধ জন ষ্টুৱাৰ্ট মিলৰ The Swubjection of Women ডেনিচ ভাষালৈ অনুবাদ কৰিছিল। ইয়াৰ পৰৱৰ্তী বৰ্ষসমূহত তেওঁ ক'পেনহেগেন বিশ্ববিদ্যালয়কে প্ৰমুখ্য কৰি ইউৰোপৰ ভালেমান ঠাইত ৰোমাণ্টিছিজমৰ সমালোচনাযুক্ত বক্তৃতা প্ৰদান কৰিছিল। এই বিষয়ক তেওঁৰ বহুতো সমালোচনাপূৰ্ণ লেখা সেই সময়ৰ বিভিন্ন পত্ৰ-আলোচনীৰ প্ৰকাশিত হৈছিল। এই ভাবধাৰাপুষ্ট ভালেসংখ্যক স্কেণ্ডিনেভীয় লেখক-শিল্পীৰ গোট ইউৰোপৰ কেইখনমান উল্লেখযোগ্য নগৰ যেনে পেৰী, বাৰ্লিন, ৰোম আদিত বাস কৰিছিল। এইসকল প্ৰবাসী লেখক-শিল্পীয়ে বিদেশী ভাষালৈ স্কেণ্ডিনেভীয় সাহিত্য অনুবাদ কৰাৰ পূৰ্ণ সুযোগ লাভ কৰিছিল। ফলত মূল স্কেণ্ডিনেভীয় সাহিত্যত সৃষ্টি হোৱা সেই জাগৰণৰ শিপা ইউৰোপলৈকো প্ৰসাৰিত হৈছিল। আলোচ্য লেখক হেনৰিক পণ্ট'পিদান সেই সময়ৰ স্কেণ্ডিনেভীয় সাহিত্যৰ এগৰাকী কনিষ্ঠ লেখক হিচাপে তেওঁৰ পূৰ্বসূৰীসকলৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল। তেওঁৰ উপন্যাস তথা গল্প সৃষ্টিসমূহত Modern Break Through আন্দোলনৰ প্ৰভাৱ বিদ্যমান। বিশেষকৈ তেওঁ তেওঁৰ চুটিগল্পসমূহত, য'ত কৃষক জীৱনৰ চিত্ৰণ কৰিছে, সেইসমূহত পাঠকে গতানুগতিক আদৰ্শ কৃষক জীৱনৰ চিত্ৰণ বিচাৰি নাপায়। বৰঞ্চ কৃষক জীৱনৰ নিৰ্মোহ, মুকলি চিত্ৰণ আছে য'ত কৃষকসকলে পদে পদে ভোগ কৰি অহা লাঞ্চনা, পীড়ণ আৰু বঞ্চনাৰ মৰ্মস্পৰ্শী চিত্ৰণ আছে। প্ৰকৃতিবাদ প্ৰভাৱপুষ্ট তেওঁৰ সেই সৃষ্টিৰাজি ডেনিচ সাহিত্যৰ বিশিষ্ট সমল। A Fisher Nest গল্পটোত কৃষক জীৱনৰ চিত্ৰণ নাই; কিন্তু তাত এটা সৰু দ্বীপত বাস কৰা মাছমৰীয়া সমাজ এখনৰ যি চিত্ৰণ কৰিছে তাৰ মাজেদি প্ৰকৃতিবাদ আৰু প্ৰতীকবাদৰ সুগম প্ৰকাশ ঘটিছে।

এটা সাধুকথাৰ দৰে A Fisher Nest-ৰ কাহিনীভাগ আৰম্ভ হৈছে য'ত গল্পকাৰে তৃতীয় পুৰুষত বৰ্ণনা কৰিছে সাগৰৰ পাৰত অৱস্থিত এখন ক্ষুদ্ৰ মাছমৰীয়া গাঁৱৰ অৱস্থিতিৰ কথা। সাগৰীয় ধুমুহা, ৰুক্ষ জলবায়ুৰ লগত সেই ক্ষুদ্ৰ গাঁওখনৰ আবাসীসকলে সহাৱস্থান কৰে। তেওঁলোকৰ দৈনন্দিন কাৰ্যক্ৰমণিকাৰ বিশেষ বিৱৰণ গল্পকাৰে দিয়া নাই। পিছে কম কথা কোৱা, জীৱন ধাৰণৰ নিম্নতম প্ৰয়োজনীয়তাখিনি পূৰণ হ'লেই সন্তুষ্ট হোৱা যেন লগা সেই মানুহবোৰ পৃথিৱী নামৰ গ্ৰহটোৰ এমুঠি ক্ষুদ্ৰ জনসংখ্যা মাত্ৰ। পিছে গল্পৰ কাহিনীভাগ আগবাঢ়ি যোৱাৰ লগে লগে পাঠকৰ মনৰ অনুসন্ধিৎসা বৃদ্ধি পায়।

সাগৰৰ সংহাৰী ৰূপ, প্ৰতিকূল বতৰ শীত প্ৰবাহে সেই গাঁওখনৰ বাসিন্দাসকলক যেন শীত নিদ্ৰাত নিস্পন্দন কৰিছিল। কিন্তু তাৰ মাজতে প্ৰচণ্ড ধুমুহা আৰু শীত প্ৰবাহৰ মাজতো নিঃচ্ছল হৈ থকা ঘৰ এটাৰ দুৱাৰখন খোল খাইছিল আৰু জাপ খাইছিল। এজন মানুহে সাগৰৰ ফালে লক্ষ্য কৰি ভূমিত শায়িত হৈ কাণ পাতি কিবা এটা শব্দৰ উমান ল'বলৈ চেষ্টা কৰিছিল। সাগৰৰ উত্তাল ঢৌৰ শব্দৰ বাহিৰে আন কোনো ধৰণৰ বিশেষ শব্দ শুনা পোৱা নগৈছিল। কিন্তু সেই ব্যক্তিজনে কিছু সময়ৰ পাছত অন্য এজন সঙ্গী লগ পালে। দ্বিতীয় ব্যক্তিয়েও একে ৰূপত কাণ পাতি কিবা এটা শুনিবলৈ চেষ্টা কৰিলে। তাৰ পাছত কেই ঘণ্টামানৰ নীৰৱতা। তেওঁলোকে অকস্মাৎ সজাগ হ'ল আৰু প্ৰতিটো ঘৰৰ দুৱাৰত টোকৰ মাৰি প্ৰতিটো ঘৰৰ গিৰিহঁতক একেটা শব্দকে কৈ যাব ধৰিলে। ক্ৰমশঃ অন্ধকাৰ ভেদ কৰি উঠি ডাঠ হলৌ চোলা পিন্ধা কেইটামান সবল পুৰুষ মূৰ্তিৰ আৱিৰ্ভাৱ ঘটিল। তেওঁলোকে অতি ব্যস্তভাৱে মোটা ৰচী, জখলা, নাওবন্ধা যতন লৈ সাগৰ অভিমুখে আগবাঢ়ে। তেওঁলোকৰ লগত থকা সৰু লন্থন (Lamp)টোৰে অন্ধকাৰৰ ডাঠ কুঁৱলী চিৰাচিৰ কৰি আগবাঢ়ি যাবলৈ যেন আপ্ৰাণ চেষ্টা চলাইছিল।

(আগলৈ)

*ইমেইল neevarani11@gmail.com*

## সাধুচৰণ দাস আতা ঃ এজন সফল ব্যক্তিৰ জীৱন গাথা


গুণেশ্বৰ কৈৱৰ্ত

**বৰপেটাৰ** সমাজ জীৱনৰ এজন অন্যতম সফল ব্যক্তি আছিল সাধুচৰণ দাস। এগৰাকী আৰক্ষী বিষয়া হৈয়ো তেওঁ শংকৰী আদৰ্শ আৰু বৈষ্ণৱ ধৰ্মৰ এজন প্ৰধান প্ৰবক্তা আৰু তাত্ত্বিক হ'ব পাৰিছিল। নামত যেনেকৈ তেওঁ 'সাধু' আছিল তেনেকৈ কামতো সাধুৱেই আছিল। শ্ৰীশংকৰদেৱৰ একশৰণ নাম ধৰ্মৰ এজন প্ৰধান ভক্তৰূপে ধৰ্মীয় দৰ্শন আৰু সাধুতাৰে সমাজখন নিকা কৰিবলৈ চেষ্টা কৰিছিল। বিচিত্ৰ অভিজ্ঞতা আৰু কৰ্মময় জীৱনৰ অধিকাৰী দাসৰ ৰচনাৰাজিত ফুটি উঠিছে তেওঁৰ জ্ঞান আৰু তাত্ত্বিক দৰ্শন। নাম ধৰ্ম আৰু শংকৰদেৱৰ দৰ্শন সম্পৰ্কত তেওঁ কে'বাখনো কিতাপ লিখিছে। নানান আলোচনী আৰু মুখপত্ৰতো এই বিষয়ত ভালেমান প্ৰবন্ধ লিখিছে। অত্যন্ত অধ্যয়নশীল আৰু পৰিপাটি জীৱনৰ অধিকাৰী সাধুচৰণ দাস ব্যক্তিগত জীৱনতো পূৰ্ণ সফল হৈছে। তেওঁৰ পাঁচটা পুত্ৰসন্তানেই নিজ নিজ ক্ষেত্ৰত সফল কাম আৰু প্ৰতিষ্ঠিত হৈছে।

এইজন গুণী-জ্ঞানী আৰু আদৰ্শবান ব্যক্তিৰ জীৱনৰ নানা দিশ সামৰি বিভিন্নজনে লিখা প্ৰবন্ধৰ সমষ্টিয়েই হ'ল এই কিতাপখনৰ বিষয় বস্তু। কিতাপখনত সাধুচৰণ দাসৰ একাংশ ৰচনাৱলীও সন্নিৱিষ্ট কৰা হৈছে। এইবোৰে তেওঁৰ সাহিত্য প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। আনহাতে নানাজন লেখকৰ দৃষ্টিত সাধুচৰণ দাসৰ নানা দিশ ফুটি উঠিছে। ড° ৰবীন ডেকা, অক্ষয় কুমাৰ মিশ্ৰ, ড° বাবুল চন্দ্ৰ, জীৱন দাস শোভাৰাণী দাস, প্ৰমুখ্যে লেখকসকলে সাধুচৰণ সম্পৰ্কে তেওঁলোকৰ দৃষ্টিভংগী আৰু অভিজ্ঞতা বৰ্ণনা কৰিছে। পিতৃৰ স্মৰণত পুত্ৰসকলে গ্ৰহণ কৰা এই পদক্ষেপ নিঃসন্দেহে আদৰণীয়। এই কিতাপখনে বৈষ্ণৱ পণ্ডিত, শংকৰী ভক্ত আৰু তাত্ত্বিক সাধুচৰণক অমৰ কৰি ৰাখিব। বৰপেটাৰ অন্যতম সফল ব্যক্তিজনৰ জীৱন পৰিক্ৰমা পঢ়ি আমি মুগ্ধ হৈছো। তেওঁৰ আদৰ্শ আৰু কৰ্মৰাজি নিশ্চয় পাথেয় হৈ ৰ'ব। পকাবন্ধা সুন্দৰ কিতাপখন সকলোৰে কাৰণেই আকৰ্ষণীয় আৰু মোহনীয়।

*ফোন ঃ ৭৮৯৬৯২৫৩৮৮*

## দেশৰ তিনি ৰাজ্যত 'ট'মেটো ফ্লু'ৰ সংক্ৰমণ, ওড়িছাত ২৬ শিশু আক্ৰান্ত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ আগষ্ট ঃ** ভাৰতত 'ট'মেটো ফ্লু' নামৰ এক নতুন ৰোগৰ সংক্ৰমণ ধৰা পৰিছে। এবছৰৰ পৰা পাঁচ বছৰীয়া শিশুৰ শৰীৰত 'ট'মেটো ফ্লু'ৰ উপসৰ্গই দেখা দিছে। এই ৰোগ হাত, ভৰি আৰু মুখত হ'ব পাৰে। উল্লেখ্য যে দুমাহ পূৰ্বে ছয় মে'ত কেৰালাত দেশৰ প্ৰথমজন ট'মেটো ফ্লু'ত আক্ৰান্তক চিনাক্ত কৰা হৈছিল। কেৰালাৰ পাছত ওড়িছাতো এই ৰোগত আক্ৰান্তক ধৰা পেলোৱা হৈছিল। তথ্য অনুসৰি, ভুবনেশ্বৰত ২৬ শিশু ট'মেটো ফ্লু'ত সংক্ৰমিত হৈছে। বৰ্তমানলৈকে তিনি ৰাজ্যত এশৰো অধিক লোক এই ৰোগত আক্ৰান্ত হৈছে। কেৱল কেৰালাতে ৮২ জন ট'মেটো ফ্লু'ৰ আক্ৰান্তক চিনাক্ত কৰা হৈছে। চিকিৎসক গৱেষকৰ মতে, এই ভাইৰেল জ্বৰ সাধাৰণতে শিশুৰ মাজত অধিক হয়। এই ভাইৰাছত সংক্ৰমিত হ'লে ছালত জ্বলন অনুভৱ কৰাৰ লগতে মুখৰ ভিতৰভাগ শুষ্ক হয় আৰু পিয়াহ অনুভৱ নহয়।

## দ্বিতীয়বাৰলৈ বিবাহ সম্পন্ন বেন এফ্লেক-জেনিফাৰ ল'পেজৰ



**নিউজ ব্যুৰ', হলিউড, ২১ আগষ্ট ঃ** সংগীতশিল্পী-অভিনেত্ৰী জেনিফাৰ ল'পেজ আৰু হলিউডৰ অভিনেতা বেন এফ্লেকৰ পুনৰ বিবাহ সম্পন্ন হ'ল। যোৱা মাহত বেন আৰু জেনিফাৰে লাছ ভেগাছত দ্বিতীয়বাৰৰ বাবে আনুষ্ঠানিকভাৱে বিবাহ সম্পন্ন কৰিলে। ইয়াৰ পাছতে জৰ্জিয়াত তাৰকা দম্পতীয়ে বন্ধুবৰ্গ আৰু আত্মীয়ক বিবাহৰ পাৰ্টি দিলে। এই বিবাহত বেন আৰু জেনিফাৰৰ সন্তানেও অংশ লৈছিল। উল্লেখ্য যে বেন আৰু জেনিফাৰৰ ৰোমাণ্টিক সম্পৰ্ক ২০ বছৰ পুৰণি। কিন্তু মাজতে দুয়োৰে সম্পৰ্কৰ অৱসান ঘটিছিল। বিবাহ বিচ্ছেদৰ পাছত উভয়ে নতুন জীৱনসংগী বাছি লৈছিল। কিন্তু যোৱা বছৰত পুনৰ জেনিফাৰ আৰু বেনৰ মিলন ঘটিছিল। যোৱা এপ্ৰিলত বেনে পুনৰ জেনিফাৰক আঙঠি পিন্ধাইছিল। প্ৰকাশিত বাতৰি অনুসৰি বেনে জেনিফাৰক উপহাৰ দিয়া উক্ত আঙঠিৰ মূল্য আছিল পাঁচ নিযুত ডলাৰ অৰ্থাৎ ভাৰতীয় মূল্যত প্ৰায় ৩৭ কোটি টকা।

## কাশ্মীৰত পুনৰ নজৰবন্দী হ'ল মেহবুবা মুফটি



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২১ আগষ্ট ঃ** জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা পি ডি পিৰ নেত্ৰী মেহবুবা মুফটিয়ে আজি তেওঁক চৰকাৰে পুনৰ নজৰবন্দী কৰিলে বুলি অভিযোগ কৰিছে। টুইটাৰত এই অভিযোগ উত্থাপন কৰি প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ঘৰৰ বাহিৰত নিয়োজিত চি আৰ পি এফ আৰু মুখ্য প্ৰৱেশদ্বাৰত লগাই দিয়া তলাৰ ফটো শ্বেয়াৰ কৰিলে। টুইট কৰি মেহবুবাই কয়, 'জম্মু-কাশ্মীৰ প্ৰশাসনে মোক নিৰাপত্তাৰ অজুহাতত নজৰবন্দী কৰিলে, কিন্তু সেইসকল লোকে নিজে কাশ্মীৰ উপত্যকাৰ প্ৰতিটো চুকে-কোণে ঘূৰি ফুৰিছে।' কেন্দ্ৰীয় চৰকাৰে তেওঁক সকলোৰে সন্মুখত কাশ্মিৰী পণ্ডিতৰ 'শত্ৰু' হিচাপে উপস্থাপন কৰিব বিচাৰিছে বুলিও মেহবুবাই টুইটাৰত অভিযোগ কৰে। উল্লেখ্য যে যোৱা ১৩ মে'তো মেহবুবাক প্ৰশাসনে গৃহবন্দী কৰিছিল।

## ছিৰিয়াত দুটা বোমা আক্ৰমণৰ ঘটনাত চাৰি শিশুসহ নিহত ১৯ জন



**নিউজ ব্যুৰ', ডামাস্কছ, ২১ আগষ্ট ঃ** গুলীয়াগুলি, বোমাবৰ্ষণৰ ঘটনাত পুনৰ ৰক্তাক্ত হ'ল ছিৰিয়া। ছিৰিয়াৰ উত্তৰাঞ্চলত সংঘটিত হোৱা দুটা পৃথক সংঘৰ্ষৰ ঘটনাত শিশুসহ কমেও ১৯ জন লোকে প্ৰাণ হেৰুৱালে। এই ঘটনাত আন কে'বাজনো লোক গুৰুতৰভাৱে আহত হৈছে। প্ৰতিবেশী তুৰস্কৰ সীমান্তৱৰ্তী অঞ্চলত সংঘৰ্ষৰ এই ঘটনা সংঘটিত হৈছিল। তুৰস্কৰ সীমান্তৱৰ্তী অঞ্চলত কুৰ্ড নেতৃত্বাধীন ছিৰিয়ান ডেম'ক্ৰেটিক বাহিনীৰ স'তে ছিৰিয়াৰ সেনা বাহিনীৰ সংঘাতৰ ফলতে এই আক্ৰমণৰ ঘটনা সংঘটিত হোৱা বুলি সংশ্লিষ্ট মহলৰ ধাৰণা। আন এক ঘটনাত ছিৰিয়াৰ উত্তৰাঞ্চলৰ হাছাকেহ চহৰত থকা এটা ছোৱালীৰ পুনৰ্বাসন কেন্দ্ৰত তুৰস্কৰ বিদ্ৰোহীয়ে আক্ৰমণ সংঘটিত কৰিছিল। এই আক্ৰমণত চাৰি শিশু নিহত হোৱাৰ লগতে ১১ জন লোক আহত হৈছে।

## দেশত দৈনিক আক্ৰান্তৰ সংখ্যা ১১,৫৩৯, মৃত্যু ৪৩ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ আগষ্ট ঃ** বিগত তিনিদিন ধৰি ভাৰতত ক'ভিডৰ দৈনিক আক্ৰান্তৰ ৰেখাচিত্ৰ নিম্নমুখী হ'লেও ১০ হেজাৰৰ উৰ্ধ্বত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত দৈনিক আক্ৰান্তৰ সংখ্যা ১১,৫৩৯ জনলৈ হ্ৰাস পালে। শনিবাৰে আক্ৰান্তৰ সংখ্যা আছিল ১৩,২৭২ জন। মহাৰাষ্ট্ৰত ১৮৫৫, কৰ্ণাটকত ১৭১৩, দিল্লীত ১১০৯, কেৰালাত ১০৭৫ আৰু হাৰিয়ানাত ৭১৯ জন লোক বিগত এদিনত ক'ভিড সংক্ৰমিত হ'ল। আনহাতে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত দেশৰ বিভিন্ন ৰাজ্যত যোৱা ২৪ ঘণ্টাত ৪৩ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। শনিবাৰৰ তুলনাত দেশত ক'ভিডত মৃতকৰ সংখ্যা বৃদ্ধি পালে।

**আমেৰিকাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বিমানবাহী ৰণতৰী ইউ এছ এছ ৰ'ণাল্ড ৰিগান টাইৱানৰ পৰা জাপানলৈ উভতিল**

# উত্তেজনা বৃদ্ধি ঃ যিকোনো মুহূৰ্ততে টাইৱান আক্ৰমণ কৰিব পাৰে চীনে

**নিউজ ব্যুৰ' টাইপে, ২১ আগষ্ট ঃ** টাইৱানৰ বিৰুদ্ধে আগ্ৰাসন অব্যাহত ৰাখিছে চীনে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আগন্তুক কেইটামান দিন উভয় দেশৰ বাবে অতি গুৰুত্বপূৰ্ণ বিবেচিত হ'ব পাৰে বুলি বিশেষজ্ঞই মত পোষণ কৰিছে। চীনে যিকোনো মুহূৰ্ততে টাইৱানত আক্ৰমণ সংঘটিত কৰাৰ শংকা প্ৰকট হৈছে। কিছুদিন পূৰ্বে আমেৰিকাৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বিমানবাহী ৰণতৰী ইউ এছ এছ ৰ'ণাল্ড ৰিগান টাইৱান প্ৰণালীৰ পৰা জাপানলৈ উভতি আহিল। চীনৰ বাবে সবাতোকৈ ডাঙৰ ভীতি



আছিল আমেৰিকাৰ সপ্তম নৌবহৰ। সোমবাৰে জাপানৰ এক প্ৰতিনিধি দল টাইৱানলৈ যোৱাৰ কথা। এনে পৰিস্থিতিত চীনে যদি উত্তেজিত হৈ টাইৱানক আক্ৰমণ কৰে তেন্তে আমেৰিকাৰ সাহায্য লাভ কৰিবলৈ দেশখনক অধিক সময়ৰ প্ৰয়োজন হ'ব পাৰে বুলি বিশেষজ্ঞই ধাৰণা কৰিছে।

উল্লেখ্য যে আমেৰিকাৰ কংগ্ৰেছৰ অধ্যক্ষা নেন্সি পেল'চিয়ে টাইৱান ভ্ৰমণ কৰাৰ পাছৰে পৰা টাইৱান প্ৰণালীত উত্তেজনা অব্যাহত আছে। টাইৱানক আগুৰি ৰাখি সামৰিক অনুশীলন এতিয়াও অব্যাহত ৰাখিছে চীনে। তদুপৰি টাইৱানৰ ভূখণ্ডটো অনুপ্ৰৱেশ কৰিছে চীনৰ সেনাই। কিন্তু টাইৱানৰ প্ৰস্তুতি আৰু টাইৱানৰ কাষতে মাৰ্কিন সপ্তম নৌবহৰৰ উপস্থিতিৰ কাৰণত চীনৰ সেনাই চূড়ান্ত পদক্ষেপ গ্ৰহণৰ পৰা ইমানদিনে আঁতৰি আছিল। আমেৰিকাৰ এই সপ্তম নৌবহৰত অত্যন্ত প্ৰাণঘাতী আৰু পাৰমাণৱিক ক্ষমতাসম্পন্ন যুদ্ধাস্ত্ৰ আছে। কিন্তু হঠাতে মাৰ্কিন ৰণতৰীখন জাপানলৈ উভতি যোৱাত টাইৱানক যিকোনো মুহূৰ্ততে চীনে আক্ৰমণ কৰিব পাৰে বুলি শংকাই দেখা দিছে। অৱশ্যে আমেৰিকাই পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি টাইৱানক চীনে আক্ৰমণ কৰিলে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিবলৈ আমেৰিকা সাজু আছে।

## চীনত উত্তাপ বৃদ্ধিৰ পৰিণতিত শুকালে ৬৬ খন নদীৰ পানী



**নিউজ ব্যুৰ', বেইজিং, ২১ আগষ্ট ঃ** ইউৰোপৰ পাছত চীনতো উত্তাপ বৃদ্ধিয়ে ভয়াৱহৰ ৰূপ ধাৰণ কৰিছে। তাপমাত্ৰা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি চীনৰ একাধিক চহৰত ইতিমধ্যে প্ৰশাসনে সতৰ্কতা জাৰি কৰিছে। দ্ৰুতগতিত তাপমাত্ৰা বৃদ্ধিৰ কাৰণত চীনত বছৰটোৰ প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় শুষ্ক সতৰ্কতা জাৰি কৰা হ'ল। অতিমাত্ৰা উত্তাপৰ ফলত দেশখনৰ বহু নদীৰ পানী শুকাবলৈ ধৰিছে। চীন চৰকাৰে কিছুদিন পূৰ্বে ইয়ংগটজি ডেল্টা নদী সন্দৰ্ভত হালধীয়া সতৰ্কতা জাৰি কৰিছিল। মধ্য চীনৰ জিয়াংগিচি প্ৰদেশত থকা পয়াংগ হ্ৰদৰ পানী এক চতুৰ্থাংশ হ্ৰাস পালে। ইফালে, ইয়াংগটজি নদীৰ জলস্তৰো যথেষ্ট হ্ৰাস পাইছে। জলবায়ু পৰিৱৰ্তন আৰু উষ্ণতা বৃদ্ধিৰ পৰিণতিত চীনৰ ৩৪ খন প্ৰদেশত থকা ৬৬ খন নদীৰ পানী যথেষ্ট হ্ৰাস পাইছে। একাধিক নদী পানী শুকাই সম্পূৰ্ণ শুষ্ক ৰূপ ধাৰণ কৰিলে। নদীৰ পানী হ্ৰাস ফলত একাধিক জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন সম্প্ৰতি বন্ধ হৈ আছে।

## এবছৰত ৪৪৯ পি এইচ ডি ডিগ্ৰী প্ৰদানৰে অভিলেখ আই আই টি বোম্বেৰ

**নিউজ ব্যুৰ', মুম্বাই, ২১ আগষ্ট ঃ** ইণ্ডিয়ান ইনষ্টিটিউট অৱ্ টেকনলজি (আই আই টি), বোম্বেয়ে কালি ৬০ সংখ্যক দীক্ষান্ত সমাৰোহৰ আয়োজন কৰিছিল। এই অনুষ্ঠানত ৪০০ৰো অধিক গৱেষক শিক্ষাৰ্থীক উচ্চ শিক্ষানুষ্ঠানখনে পি এইচ ডি ডিগ্ৰী প্ৰদান কৰিলে। ইয়াৰ জৰিয়তে দেশত এদিনতে সৰ্বাধিক সংখ্যক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা শিক্ষানুষ্ঠানৰ স্বীকৃতি লাভ কৰিলে আই আই টি বোম্বেয়ে। প্ৰথমবাৰৰ বাবে শিক্ষানুষ্ঠানখনে ৪৪৯ গৱেষকক ডিগ্ৰী প্ৰদান কৰিলে। যোৱা বছৰত আই আই টি বোম্বেয়ে ৩৭৮ আৰু ২০১৯ বৰ্ষত ৩০১ শিক্ষাৰ্থীক পি এইচ ডি প্ৰদান কৰিছিল। যোৱা ১০ বছৰত আই আই টি বোম্বেত পি এইচ ডিৰ শিক্ষাৰ্থীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে।





## হঠাৎ আৰক্ষীয়ে জিম্মাত ল'লে কৃষক নেতা ৰাকেশ টিকাইতক

**নিউজ ব্যুৰ' নতুন দিল্লী, ২১ আগষ্ট ঃ** লখিমপুৰ খিৰিৰ পৰা দিল্লী অভিমুখে যাত্ৰা কৰাৰ সময়ত কৃষক নেতা ৰাকেশ টিকাইতক আজি দিল্লী আৰক্ষীয়ে জিম্মাত ল'লে। টিকাইতে আজি টুইট কৰি এই কথা প্ৰকাশ কৰে। টুইটত কৃষক নেতাজনে এইদৰে কয়, 'চৰকাৰৰ নিৰ্দেশত কাম কৰি থকা দিল্লী আৰক্ষীয়ে কৃষকৰ কণ্ঠৰোধ কৰিব নোৱাৰে। এই সংগ্ৰাম অন্তিম উশাহলৈ অব্যাহত থাকিব।' প্ৰকাশিত বাতৰি অনুসৰি একাংশ সমৰ্থকসহ টিকাইটে দিল্লীলৈ গমন কৰাৰ সময়তে দিল্লী আৰক্ষীয়ে প্ৰৱেশ পথত প্ৰথমতে তেওঁলোকক বাধা দিয়ে আৰু লগে লগে টিকাইতৰ সমৰ্থকে ৰাজপথত বহি বিৰোধিতা কৰাত টিকাইতসহ আটাইকেইজনকে মধুবিহাৰ আৰক্ষীয়ে আটক কৰি থানালৈ নিয়ে। টিকাইতে অলপতে এক ভিডিঅ' বাৰ্তাৰ জৰিয়তে কৈছিল যে তেওঁ দিল্লীৰ যন্তৰ-মন্তৰত আয়োজিত আন্দোলনত অংশ ল'বলৈ দেশৰ ৰাজধানীলৈ যাত্ৰা কৰিব। উল্লেখ্য যে যন্তৰ-মন্তৰত নিবনুৱা সমস্যাৰ সমাধানৰ দাবীত আন্দোলন চলিছে।

## আদিত্যনাথৰ শিৰশ্ছেদৰ পুৰস্কাৰ দুই কোটি টকা ঃ উত্তৰ প্ৰদেশত চাঞ্চল্য

**নিউজ ব্যুৰ' লক্ষ্ণৌ, ২১ আগষ্ট ঃ** উত্তৰ প্ৰদেশৰ মুৰাদাবাদত এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হ'ল। ফে'চবুকৰ এটা একাউণ্টৰ পৰা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক শিৰশ্ছেদ কৰাৰ বাবদ দুই কোটি টকা পুৰস্কাৰ প্ৰদানৰ কথা ঘোষণা কৰিলে এজন ব্যক্তিয়ে। মুৰাদাবাদ আৰক্ষীৰ এটা ভুৱা ফে'চবুক একাউণ্টৰ পৰা দুষ্কৃতিকাৰীয়ে এই প'ষ্ট প্ৰকাশ কৰিছিল। আৰ এছ এছৰ স'তে জড়িত মহিলাকৰ্মী আয়ুশী মহেশ্বৰীয়ে টুইটাৰত মুৰাদাবাদ আৰক্ষীক



টেগ কৰি এই কথা অৱগত কৰাৰ লগতে ব্যৱস্থা ল'বলৈ দাবী জনাইছিল। ইতিমধ্যে ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। আত্মপ্ৰকাশ পণ্ডিত নামৰ এজন ব্যক্তিৰ নামত থকা ফে'চবুকৰ আই ডিৰ ক'ভাৰ ফটোও দুষ্কৃতিকাৰীয়ে এই প'ষ্টত ব্যৱহাৰ কৰিছিল। পণ্ডিতেও ঘটনাৰ সন্দৰ্ভত আৰক্ষীক অৱগত কৰি তদন্তৰ দাবী জনাইছিল। উল্লেখ্য যে একাংশ অপৰাধ চক্ৰই ফে'চবুক আদিৰ একাউণ্ট হেক কৰি এনেধৰণৰ চাইবাৰ অপৰাধ সংঘটিত কৰি আহিছে।

## আফগানিস্তানত দৃশ্যগ্ৰহণ কৰিবলৈ আহি তালিবানৰ হাতত বন্দী হ'ল মাৰ্কিন প্ৰযোজক



**নিউজ ব্যুৰ', কাবুল, ২১ আগষ্ট ঃ** আফগানিস্তানৰ শাসক তালিবানে আমেৰিকাৰ এজন চলচ্চিত্ৰ নিৰ্মাতা আৰু এজন আফগানী প্ৰযোজকক গ্ৰেপ্তাৰ কৰিলে। আমেৰিকাৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি অনুসৰি, মাৰ্কিন চলচ্চিত্ৰ নিৰ্মাতা আইভৰ শ্বীয়ৰৰ আৰু আফগান প্ৰযোজক ফৈজুল্লাহ ফৈজবক্সক তালিবানে নিজৰ জিম্মাত ৰাখিছে। যোৱা ১৭ আগষ্টত আইভৰ আৰু ফৈজুল্লাহে আফগানিস্তানৰ ৰাজধানী কাবুলত এখন ছবিৰ দৃশ্যগ্ৰহণ কৰাৰ সময়তে তালিবানে দুয়োকে আটক কৰিছিল। উল্লেখ্য যে যি অঞ্চলত আইভৰ আৰু ফৈজুল্লাহে দৃশ্যগ্ৰহণ কৰিছিল, উক্ত স্থানতে কিছুদিন পূৰ্বে আমেৰিকাৰ ড্ৰ'ন আক্ৰমণত অলকায়দাৰ মুৰব্বী অয়মান অল জৱাহিৰীৰ মৃত্যু হৈছিল। মাৰ্কিন সংবাদ মাধ্যমৰ দাবী অনুসৰি, তালিবানে আইভৰ আৰু ফৈজুল্লাহক গোপন স্থানত বন্দী কৰি ৰাখিছে।

## বিজেপি নেতাৰ কটাক্ষ ঃ 'আপ' নহয়, 'পাপ' হয়, ভ্ৰষ্টাচাৰীৰ 'বাপ' হয়

**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ আগষ্ট ঃ** দিল্লীৰ সুৰা কেলেংকাৰিক লৈ বিজেপি আৰু আম আদমী পাৰ্টি (আপ)ৰ মাজত বাকযুদ্ধ অব্যাহত আছে। আজি বিজেপিয়ে এখন সংবাদমেলত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু উপমুখ্যমন্ত্ৰী মনীষ ছিছ'দিয়াক কঠোৰভাৱে সমালোচনা কৰে। বিজেপিৰ নেতা গৌৰৱ ভাটিয়াই কটাক্ষ কৰি কয়, 'দেশৰ জনতাই ক'বলৈ ধৰিছে যে যদি সবাতোকৈ ভ্ৰষ্টাচাৰী কোনোবা আছে তেন্তে সেয়া হৈছে মনীষ ছিছ'দিয়া আৰু আম আদমী পাৰ্টি। আপৰ আবকাৰী নীতি যদি সঠিক আছিল তেন্তে প্ৰত্যাহাৰ কৰিলে কিয়? ক'ভিড মহামাৰীৰ সময়ত অৰবিন্দ কেজৰিৱালে দৰৱ, অক্সিজেনৰ ব্যৱস্থাৰ পৰিৱৰ্তে আবকাৰী নীতিত ব্যস্ত আছিল। আপৰ দুখন ৰাজ্যত চৰকাৰ আছে আৰু দুজনকৈ স্বাস্থ্য মন্ত্ৰী ভ্ৰষ্টাচাৰৰ অভিযোগত কাৰাগাৰত আছে। অৰবিন্দ কেজৰিৱালৰ চৰকাৰত এশ শতাংশ ভ্ৰষ্টাচাৰ আছে। এয়া 'আপ' নহয়, 'পাপ' হয়। ভ্ৰষ্টাচাৰীৰ 'বাপ' হয়।'



## হিমাচলত বানত মৃত্যু কমেও ২৫ জনৰ, প্ৰবল বৃষ্টিপাতত জনজীৱন বিপৰ্যস্ত ওড়িছাত

**নিউজ ব্যুৰ', ছিমলা, ২১ আগষ্ট ঃ** হিমাচল প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ ফলত হোৱা বান আৰু ভূমিস্খলনৰ ঘটনাত কমেও ২৫ জন লোকৰ মৃত্যু হ'ল। মৃতকৰ মাজত একেটা পৰিয়ালৰ আঠজন সদস্যও আছে। বানৰ কবলত পৰা কে'বাজনো লোক ৰাজ্যখনত সম্প্ৰতি সন্ধানহীন হৈ আছে। বান আৰু ভূমিস্খলনৰ ঘটনা আন ১০ জন লোক আহত হোৱা বুলি প্ৰশাসনৰ সূত্ৰই জানিবলৈ দিয়ে। যোৱা শুকুৰবাৰৰ পৰা পাৰ্বত্য ৰাজ্য হিমাচলত প্ৰবল বৃষ্টিপাত অব্যাহত আছে। চাম্বা জিলাত ভূমিস্খলনত তিনিজন লোক নিহত হয়। ৰাজ্যখনত সাম্প্ৰতিক বানত চাৰি লক্ষাধিক লোক প্ৰভাৱিত হৈছে। ইফালে, ঝাৰখণ্ডত প্ৰবল বৃষ্টিপাত আৰু ধুমুহাত একাধিক অঞ্চলত গছ



আৰু বিদ্যুতৰ খুঁটা বাগৰি পৰাৰ ফলত তিনিজন লোকৰ মৃত্যু হ'ল। দেৱাল বাগৰি পৰাৰ ঘটনাত এগৰাকী মহিলাৰো প্ৰাণ হানি ঘটে। ওড়িছাতো প্ৰবল বৃষ্টিপাতৰ ফলত জনজীৱন ব্যাহত হৈছে।

## কীমে হাঁহি হাঁহি কৰিলে প্ৰশংসা, শুনি আবেগিক হৈ কান্দিবলৈ ধৰিলে চিকিৎসকে

**নিউজ ব্যুৰ', পিয়ংইয়ং, ২১ আগষ্ট ঃ** কিছুদিন পূৰ্বে উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে তেওঁৰ দেশখন সম্পূৰ্ণৰূপে কৰ'নামুক্ত হোৱা বুলি ঘোষণা কৰিছিল। যোৱা শুকুৰবাৰে কীমে উত্তৰ কোৰিয়াৰ ৰাজধানী পিয়ংইয়ঙত কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজত নেতৃত্ব দান কৰা সামৰিক চিকিৎসকক ধন্যবাদ জ্ঞাপনৰ বাবে এক অনুষ্ঠানত অংশ লৈছিল। এই অনুষ্ঠানত উপস্থিত থাকি কীমে দেশৰ চিকিৎসা কৰ্মীক কৃতজ্ঞতা জ্ঞাপনৰ লগতে প্ৰশংসাও কৰিলে। উত্তৰ কোৰিয়াৰ চৰকাৰী সংবাদ মাধ্যমে এই বাতৰি প্ৰকাশ কৰি জনোৱা অনুসৰি,



অনুষ্ঠানত অংশ লোৱাৰ সময়ত কীমে উপস্থিত লোকসকলক সম্বোধন কৰি ভাষণ দিছিল আৰু হাঁহি হাঁহি তেওঁ কিছু কথা কৈছিল। কীমৰ কথা শুনা মাত্ৰকে অনুষ্ঠানত উপস্থিত থকা সামৰিক চিকিৎসকসকলে কান্দিবলৈ ধৰিছিল। আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ থকা মতে, কীমে কৰ'না বিৰোধী যুঁজত উত্তৰ কোৰিয়াৰ চিকিৎসক আৰু চিকিৎসা কৰ্মীয়ে প্ৰদৰ্শন কৰা সফলতাৰ বাবে তেওঁলোকক ধন্যবাদ জ্ঞাপনৰ লগতে হাঁহি হাঁহি প্ৰশংসা কৰিছিল। কীমৰ মুখত এনে ব্যতিক্ৰম প্ৰশংসা শুনি অনুষ্ঠানত উপস্থিত থকা চিকিৎসা কৰ্মীসকলে আবেগিক হৈ চকুলো টুকিছিল। উল্লেখ্য যে কিছুদিন পূৰ্বে স্বয়ং কীমো কৰ'নাত সংক্ৰমিত হৈছিল বুলি তেওঁৰ ভগ্নীয়ে এক ভিডিঅ'ত সদৰী কৰিছিল।

## অবৈধ বিত্তীয় লেনদেনৰ অভিযোগত গ্ৰেপ্তাৰ হ'ব পাৰে ইমৰান



**নিউজ ব্যুৰ', ইছলামাবাদ, ২১ আগষ্ট ঃ** যিকোনো মুহূৰ্ততে গ্ৰেপ্তাৰ হ'ব পাৰে পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খান। বিত্তীয় লেনদেনৰ এক গোচৰত পাকিস্তানৰ শীৰ্ষ তদন্তকাৰী সংস্থা ফেডাৰেল ইনভেষ্টিগেচন এজেন্সী (এফ আই এ)-য়ে জাৰি কৰা দুখনকৈ জাননীৰ কোনো উত্তৰ নিদিলে প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে। এফ আই এৰ সূত্ৰৰ খবৰ অনুসৰি, তৃতীয়খন জাননীৰ কোনো উত্তৰ দিয়াৰ পৰা বিৰত থাকিলে ইমৰানক এই গোচৰত তদন্তকাৰী সংস্থাটোৱে গ্ৰেপ্তাৰ কৰিব পাৰে। এফ আই এয়ে আমেৰিকা, অষ্ট্ৰেলিয়া, কানাডা, ব্ৰিটেইন আৰু বেলজিয়ামত থকা পাঁচটা প্ৰতিষ্ঠানৰ পৰা ইমৰানৰ দল পাকিস্তান তেহৰিক ই ইনছাফলৈ ধন সৰবৰাহ কৰাৰ তথ্য লাভ কৰিছিল আৰু এইদৰে ধন লাভ কৰাৰ কথা ইমৰানে নিৰ্বাচন আয়োগক দাখিল কৰা শপতনামাত উল্লেখ কৰা নাছিল। এই অবৈধ বিত্তীয় লেনদেনৰ গোচৰতে ইমৰানলৈ ইতিমধ্যে দুখনকৈ জাননী জাৰি কৰিছিল এফ আই এয়ে। কিন্তু ইমৰানে এই দুখন জাননীৰ উত্তৰ দিয়াৰ পৰা বিৰত থাকিল।

## পাৰ্থক ব্লেকমেইল কৰি ধনৰ পাহাৰ সাজিছিল অৰ্পিতাই ঃ দাবী ই ডিৰ



**নিউজ ব্যুৰ', কলকাতা, ২১ আগষ্ট ঃ** অভিনেত্ৰী-মডেল অৰ্পিতা মুখাৰ্জী ধোৱা তুলসীৰ পাত নে তেওঁক ভাল হিচাপে ব্যৱহাৰ কৰি বৃহৎ নিযুক্তি কেলেংকাৰি সংঘটিত কৰিছিল পশ্চিমবংগৰ প্ৰাক্তন মন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নিলম্বিত নেতা পাৰ্থ চেটাৰ্জীয়ে? বৰ্তমানে এই প্ৰশ্নৰ উত্তৰ বিচাৰি তদন্ত অব্যাহত ৰাখিছে প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ। এই সন্দৰ্ভত শেহতীয়াভাৱে এক বিস্ফোৰক তথ্য লাভ কৰিলে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে। ই ডিৰ দাবী অনুসৰি পশ্চিমবংগৰ প্ৰাক্তন শিক্ষামন্ত্ৰী পাৰ্থক ৰীতিমতে ব্লেকমেইল কৰিছিল অৰ্পিতাই। ই ডিৰ সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত সদৰী কৰা মতে, সকলো তথ্য পোহৰলৈ আনি পাৰ্থক জালত পেলোৱাৰ ভাবুকি দি অৰ্পিতাই টকাৰ পাহাৰ সাজিছিল। 'মই আপোনাৰ টকা ৰাখিম, কিন্তু ইয়াৰ বাবদ অধিক কমিছন দিব লাগিব।' এইদৰে অৰ্পিতাই পাৰ্থক ব্লেকমেইল কৰাৰ তথ্য নিশ্চিত কৰিলে ই ডিৰ তদন্তকাৰী বিষয়াই। ই ডিৰ সূত্ৰটোৱে লগতে দাবী কৰা মতে, ধৰাৰ পৰাৰ সময়ছোৱাত অৰ্পিতাই তথ্য ফাদিলৰ ভয় দেখুৱাই পাৰ্থৰ পৰা ঘৰত নগদ ধন জমা ৰখাৰ বাবদ ৩০ শতাংশলৈকে কমিছন আদায় কৰিছিল। পাৰ্থৰ পৰা এইদৰে লাভ কৰা কমিছনাৰ ধনৰে নিজৰ নামত অৰ্পিতাই সম্পত্তি ক্ৰয় কৰিছিল আৰু বিলাসী জীৱন যাপন কৰিছিল। উল্লেখ্য যে শিক্ষক নিযুক্তিৰ কেলেংকাৰিত ই ডিয়ে পাৰ্থক গ্ৰেপ্তাৰ কৰাৰ পাছত তেওঁৰ ঘনিষ্ঠ অৰ্পিতাকো গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছত অৰ্পিতাৰ দুটা বাসগৃহত তালাচী চলাই ই ডিয়ে প্ৰায় ৫০ কোটি টকা আৰু ছয় কিলোগ্ৰাম সোণ জব্দ কৰিছিল।

## ১৪ বছৰৰ সৰ্বনিম্ন হ'ল দেশত মজুত শস্যৰ পৰিমাণ, দেখা দিব নেকি খাদ্য সংকটে ?

**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ আগষ্ট ঃ** চাৰি মাহ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰি কৈছিল যে ভাৰত এতিয়া বিশ্বৰ ক্ষুধা নিবাৰণৰ বাবে প্ৰস্তুত। এই ঘোষণাৰ কেইমাহমানৰ পাছতে দেশৰ পৰিস্থিতি যথেষ্ট সলনি হ'ল। বৰ্তমানে ভাৰতত মজুত থকা শস্যৰ পৰিমাণ হৈছে বিগত ১৪ বছৰৰ পাছত সৰ্বনিম্ন। ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ কৰাৰ পাছতে ভাৰতে প্ৰথমে ঘেঁহু ৰপ্তানিত নিষেধাজ্ঞা আৰোপ কৰিছিল। দেশৰ খাদ্য সুৰক্ষা নিশ্চিত কৰিবলৈকে এই সিদ্ধান্ত লৈছিল কেন্দ্ৰৰ চৰকাৰে। সম্প্ৰতি ভাৰতীয় খাদ্য নিগম (এফ চি আই)ৰ প্ৰকাশিত তথ্যত উল্লেখ কৰা অনুসৰি বিগত ১৪ বছৰৰ পাছত ভাৰতৰ মজুত শস্যৰ পৰিমাণ সৰ্বনিম্ন স্তৰত উপনীত হ'ল। ইয়াৰ ফলত দেশৰ বজাৰত ঘেঁহু আৰু আটাৰ মূল্য বৃদ্ধি পাইছে। ঘেঁহুৰ



মুদ্ৰাবৃদ্ধি ১২ শতাংশ হৈছে। এনে পৰিস্থিতিত ভাৰতে ঘেঁহু আমদানি কৰিব লগা হ'ব পাৰে। অৱশ্যে কেন্দ্ৰীয় চৰকাৰে এনে সম্ভাৱনা অস্বীকাৰ কৰি এক বিবৃতিত কয়, 'ভাৰতৰ ঘেঁহু আমদানিৰ কোনো পৰিকল্পনা নাই। আমাৰ দেশৰ চাহিদা পূৰণৰ বাবে দেশত পৰ্যাপ্ত শস্য মজুত আছে। এফ চি আইৰ হাতত ৰাজহুৱা বিতৰণৰ বাবে প্ৰচুৰ শস্য ভাণ্ডাৰ আছে।' স্মৰ্তব্য যে ভাৰত হৈছে বিশ্বৰ দ্বিতীয় বৃহত্তম ঘেঁহু উৎপাদনকাৰী দেশ।

# খুমটাইত কটকটীয়া নিৰাপত্তাৰ মাজত অনুষ্ঠিত তৃতীয়-চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষা



অগ্ৰদূত বাৰ্তা

**খুমটাই, ২১ আগষ্ট ঃ** সকলো উৎকণ্ঠাৰ অন্তত আজি কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষা অনুষ্ঠিত হৈ যায়। গোলাঘাট জিলাৰ খুমটাহত আজি দুটা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হয়। সমগ্ৰ পৰীক্ষা ব্যৱস্থাটো স্বচ্ছ, নিকা আৰু আঁসোৱাহমুক্ত কৰিবলৈ চৰকাৰে দিয়া নিৰ্দেশ অনুসৰি পুৱাৰ পৰা খুমটাই জয়া গগৈ মহাবিদ্যালয়ত অনুষ্ঠিত পৰীক্ষা কেন্দ্ৰৰ বাহিৰত পৰীক্ষাৰ্থীসকলক তন্নতন্নকৈ পৰীক্ষা কৰে আৰক্ষীয়ে। উল্লেখ্য যে আজি এই পৰীক্ষাত খুমটাই জয়া গগৈ মহাবিদ্যালয়ত ৫০০ গৰাকী আৰু ভোলাগুৰি উচ্চ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰত ৩০০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। ইফালে, পোনপ্ৰথমবাৰলৈ চৰকাৰে আয়োজন কৰা বৃহৎ নিযুক্তি পৰীক্ষাত একাংশ পৰীক্ষাৰ্থী উৎফুল্লিত হোৱা পৰিলক্ষিত হয়।

# উৰাবাতৰিৰ প্ৰভাৱত হোজাই-কাৰ্বি আংলঙত ট্ৰাক-ডাম্পাৰ চলাচল বন্ধ

অগ্ৰদূত বাৰ্তা

**হোজাই, ২১ আগষ্ট ঃ** হোজাই আৰু কাৰ্বি আংলং জিলাত আকস্মিকভাৱে আজি সকলো বৈধ-অবৈধ বল্ডাৰ ভৰ্তি ট্ৰাক, ডাম্পাৰ চলাচল বন্ধ হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। বিগত দুদিনৰ পৰা ব্যাপকভাৱে চৰ্চিত হৈছে যে অসমৰ প্ৰধান মুখ্য বন সংৰক্ষক এম কে যাদৱে দুয়োখন জিলাত আকস্মিক পৰিদৰ্শন কৰিব। বহু দিনৰ পৰা জিলা দুখনৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে একাংশ ব্যৱসায়ীয়ে ট্ৰাক-ডাম্পাৰত অধিক শিল, বল্ডাৰ বোজাই কৰি এখন জিলাৰ পৰা আনখন জিলাত সৰবৰাহ কৰি আহিছে, ফলত সাধাৰণ পথচাৰীয়ে যমৰ যাতনা ভুগি আহিছে। ট্ৰাক-ডাম্পাৰৰ সন্ত্ৰাসৰ বাবে সঘনাই দুৰ্ঘটনা হৈ বহুলোক মৃত্যু মুখত পৰাৰ লগতে আঘাত প্ৰাপ্ত হৈছে। শ শ ডাম্পাৰত বৈধ-অবৈধ বল্ডাৰ ভৰ্তি কৰি ৰাষ্ট্ৰীয় পথেৰে যাতায়াত কৰোঁতে তিৰপাল ব্যৱহাৰ নকৰাৰো অভিযোগ উত্থাপন হৈছে। এখন চালান ইচ্ছু কৰি কেতিয়াবা তিনি-চাৰি আনকি পাঁচটাকৈ ট্ৰিপ মাৰি একাংশ কুঁৱেৰিৰ পৰা বল্ডাৰসমূহ সংগ্ৰহ কৰি আন একাংশ ক্ৰেচাৰত পেলায়। বন বিভাগৰ নিয়ম-নীতিক ধোঁৱা চাঙত তুলি কৰ ফাঁকিৰে ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰাখিছে একাংশ শিলৰ কুঁৱেৰী, ক্ৰেচাৰৰ স্বত্বাধিকাৰীয়ে। তেওঁলোকে নিজৰ খেয়াল-খুচি মতে, অবৈধভাৱে ব্যৱসায় চলাই গৈছে যদিও হোজাই আৰু কাৰ্বি আংলং বন বিভাগৰ ৰহস্যজনক ভূমিকাত একাংশ সচেতন লোকৰ লগতে দল-সংগঠনে উদ্বেগ প্ৰকাশ কৰিছে। উল্লেখ্য যে বিগত দুদিনৰ পৰা পিচিচিএফ অহাৰ খবৰ বিয়পি পৰাৰ পাছতে হোজাই আৰু কাৰ্বি আংলঙৰ বন বিভাগ এক প্ৰকাৰ স্তব্ধ হৈ পৰিছে। ফলত ৰাজপথত ট্ৰাক-ডাম্পাৰৰ চলাচল একেবাৰে বন্ধ হৈ পৰা পৰিলক্ষিত হৈছে। কাৰ্বি আংলঙৰ পৰা হোজাইলৈ অহা বল্ডাৰ ভৰ্তি ডাম্পাৰসমূহো সাময়িকভাৱে বন্ধ ৰাখিছে বুলি বন বিভাগৰ এক সূত্ৰত প্ৰকাশ।

# চতুৰ্থ বৰ্গৰ নিযুক্তিৰ লিখিত পৰীক্ষাৰ বাবে লখিমপুৰ জিলাত সকলো ইণ্টাৰনেট সেৱা বন্ধ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২১ আগষ্ট ঃ** জিলা প্ৰশাসনৰ উদ্যোগত আজি লখিমপুৰ জিলাত অনুষ্ঠিত চতুৰ্থ বৰ্গৰ নিযুক্তি লিখিত পৰীক্ষাৰ বাবে জিলাখনত সকলো ধৰণৰ ইণ্টাৰনেট সেৱা পুৱা ন বজাৰ পৰা সন্ধিয়া চাৰি বজালৈ বন্ধ ৰখা হৈছে। উল্লেখযোগ্য যে ৪০ টা কেন্দ্ৰত আগবেলা পুৱা ১০ বজাৰ পৰা ১২ বজালৈ আৰু ছয়টা কেন্দ্ৰত পিছবেলা দুই বজাৰ পৰা চাৰি বজালৈ নিযুক্তিৰ লিখিত পৰীক্ষাসমূহ অনুষ্ঠিত হয়। পৰীক্ষা কেন্দ্ৰত প্ৰৱেশৰ সময়ত পৰীক্ষাৰ্থীসকলক প্ৰৱেশদ্বাৰত তন্ন-তন্ন তালাচী চলোৱা হয়। কলম, পেঞ্চিল, ৰবৰ এডমিট কাৰ্ড, ক্ৰেডিট কাৰ্ড, ডেবিট কাৰ্ডৰ বাদে পৰীক্ষা কেন্দ্ৰলৈ কোনো ধৰণৰ সামগ্ৰী নিবলৈ দিয়া হোৱা নাই বুলি জানিব পৰা গৈছে। তদুপৰি পৰীক্ষা কেন্দ্ৰসমূহ ভিডিঅ'গ্ৰাফীৰ ব্যৱস্থা কৰা হৈছে। বিশেষভাৱে সক্ষম পৰীক্ষাৰ্থীসকলৰ সা-সুবিধাৰ ব্যৱস্থা কৰা হৈছে। লিখিত পৰীক্ষাৰ প্ৰশ্নকাকতসমূহ নিৰ্দিষ্ট সময়ত বিশেষ সুৰক্ষা ব্যৱস্থাৰে জিলা কোষাগাৰৰ পৰা কেন্দ্ৰ তত্ত্বাৱধায়কসকলে পুৱাতে সংগ্ৰহ কৰে। উল্লেখ্য যে পৰৱৰ্তী সময়ত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তিৰ পৰীক্ষাসমূহ অহা ২৮ আগষ্ট আৰু ১১ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব।

# সাংবাদিক মোছলেম উদ্দিনক বগৰীবাৰী প্ৰেছ ক্লাবৰ সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা


**বগৰীবাৰী, ২১ আগষ্ট ঃ** অসম চৰকাৰৰ দ্বাৰা সদ্য ঘোষিত সাংবাদিক পেঞ্চনাৰ তালিকাত ধুবুৰী জিলাৰ বিলাসীপাৰাৰ জ্যেষ্ঠ সাংবাদিক মোছলেমউদ্দিন আহমেদৰ নাম প্ৰকাশ পোৱাত জিলাখনৰ বিভিন্ন দল-সংগঠনে অভিনন্দন জ্ঞাপন কৰিছে। আজি পৰ্বতঝোৰা-বগৰীবাৰী প্ৰেছ ক্লাবৰ তৰফৰ সাংবাদিকজনক সম্বৰ্ধনা জ্ঞাপন কৰে। ক্লাবৰ সঁজাতী দল এটাই তেওঁৰ বাসগৃহত উপস্থিত হৈ ফুলাম গামোচা, জাপি, এখন মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। দলটোত ক্লাবৰ সম্পাদক নজৰুল ইছলাম, সভাপতি গুলজাৰ হুছেইন আৰু সমাজকৰ্মী তথা শিক্ষাবিদ নজৰুল ইছলাম আৰু প্ৰকৃতিষ কুমাৰ সাহা, নুৰ ইছলাম মণ্ডল উপস্থিত থাকি সম্বৰ্ধনা জ্ঞাপন কৰে।

হোজাইত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াৰে বৈঠক মন্ত্ৰী জয়ন্তমল্লৰ

# গুণোৎসৱৰ দৰে অসমত এইবাৰ হ'ব জলোৎসৱ

অগ্ৰদূত বাৰ্তা

**হোজাই, ২১ আগষ্ট ঃ** 'শিক্ষা বিভাগত গুণোৎসৱ হোৱাৰ দৰে অসমত এইবাৰ হ'ব জলোৎসৱ। এজন বিষয়াই অসমৰ জল জীৱন আঁচনিৰ সম্পূৰ্ণ হোৱা আঁচনিত দিনটো থাকি এই আঁচনি নিৰীক্ষণ কৰিব।' এই মন্তব্য মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ। আজি হোজাই জিলা সদৰ শংকৰদেৱ নগৰত জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়াসকলৰ লগত হোৱা বৈঠকৰ পাছত সাংবাদিকৰ লগত হোৱা বাৰ্তালাপত মন্ত্ৰীজনে এই মন্তব্য কৰে। মন্ত্ৰীজনে কয় যে অহা এক ছেপ্টেম্বৰৰ পৰা জল জীৱন আঁচনিৰ অধীনত সম্পূৰ্ণ হোৱা আঁচনিসমূহত আত্মসহায়ক গোটৰ সদস্যসকলে সেই অঞ্চলৰ লোকসকলক এই আঁচনিৰ বিশুদ্ধ জলৰ পৰা কি কি লাভ হ'ব তাক ব্যাখ্যা কৰিব। ইয়াৰ পাছত নৱম-দশম একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক এই আঁচনিসমূহলৈ নি জল পৰীক্ষা কৰাৰ লগতে সাধাৰণ জল আৰু এই বিশুদ্ধ জলৰ মাজৰ পাৰ্থক্যসমূহ নিৰূপণ কৰা হ'ব। ইয়াৰ উপৰি দক্ষতা বিকাশ বিভাগে হোজাই জিলাৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ কথাও প্ৰকাশ কৰে। আজি মন্ত্ৰীজনৰ এই বৈঠকত হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, লামডিঙৰ বিধায়কজনৰ লগতে জিলা উপায়ুক্ত অনুপম চৌধুৰীৰ লগতে জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে।



# ধেমাজি ক্ষীৰদা কাননত স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন

## ■ লক্ষীধৰ নাথৰ নাট্য সংকলন 'চক্ৰবেহু' উন্মোচন



অগ্ৰদূত বাৰ্তা

**ধেমাজি, ২১ আগষ্ট ঃ** প্ৰয়াত নাট্যকাৰ, বিশিষ্ট সমাজকৰ্মী, কৃতী শিক্ষক লক্ষীধৰ নাথৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে বৰদলনি ঘটা মিছামাৰী ক্ষীৰদা কাননত আজি এক স্মৃতিচাৰণ সভা অনুষ্ঠিত হৈ যায়। সংগীত শিল্পী প্ৰিয়া দত্তই আঁতধৰা অনুষ্ঠানত প্ৰয়াত লক্ষীধৰ নাথৰ ৰচিত এক নাট্য সংকলন 'চক্ৰবেহু' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে। মৃণাল কুমাৰ নাথে সম্পাদনা কৰা গ্ৰন্থখন উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক দুলাল দাসে। গ্ৰন্থখনত এখন পূৰ্ণাংগ নাটক, এখন অনাতাঁৰ নাটক, আৰু আঠখন একাংকিকা নাটক সন্নিৱিষ্ট কৰা হৈছে। উল্লেখ্য যে প্ৰয়াত লক্ষীধৰ নাথ নাট্যকাৰ হিচাপে বিশেষকৈ অনাতাঁৰ নাটকত অত্যন্ত জনপ্ৰিয় শিল্পী হিচাপে ৰাজ্যখনত পৰিচিত আছিল। তেওঁৰ কে'বাখনো নাটক আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ জৰিয়তে সম্প্ৰচাৰিত হৈছিল, তাৰ ভিতৰত 'প্ৰস্তৰ ভেদি অংকুৰণ', 'সূৰুয যেতিয়া উদয় হয়', 'কোৱাভাতুৰী' আদি উল্লেখযোগ্য নাটক আজিও জনপ্ৰিয়। সহজ সৰল ব্যক্তিত্ব, সাংস্কৃতিক ভাবাদৰ্শৰে পৰিপূৰ্ণ, সমাজ সংস্কাৰক, সাহিত্যিক, শিল্প সত্ত্বা থকা তেওঁৰ শিল্প চৰ্চাই ধেমাজিবাসী ৰাইজক আপ্লুত কৰিছিল। তেওঁ নিজস্ব উপলব্ধিৰে শিক্ষকসকলৰ দায়িত্ব সম্পৰ্কে আলোকপাত কৰি কৈছিল সমাজৰ শিক্ষক হিচাপে সাহিত্য, সংগীত, কলাৰ জৰিয়তে শিক্ষা দিয়াটো হ'ল সামাজিক দায়বদ্ধতা। তেওঁৰ স্মৃতিচাৰণ অনুষ্ঠানত কে'বাজনো বিশিষ্ট শিক্ষক আৰু সাংবাদিক উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানত নাট্যকাৰজনৰ বাল্যবন্ধু ৰংমন হাজৰিকা, পত্নী ক্ষীৰদা নাথ, শিক্ষক সহকৰ্মী পুতুল চন্দ্ৰ ডেকা, দেৱ খনিকৰ, নাট্য শিল্পী ভাইকণ দত্ত, শিক্ষক বিপুল বৰুৱা, সমাজকৰ্মী পল্লৱ পেগু, সাংবাদিক ৰাজীৱ দেউৰী আদিয়ে অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়।

# লখিমপুৰ জিলা পুথিভঁৰালত হৰেন্দ্ৰ নাথ সোঁৱৰণী নাট্য সন্ধ্যা



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২১ আগষ্ট ঃ** অপেছাদাৰী নাট্যগোষ্ঠী নাবিকৰ উদ্যোগত কালিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে শিশু নাট্যকাৰ হৰেন্দ্ৰ নাথ বৰঠাকুৰ ৰচিত দুখন নাটক লখিমপুৰ জিলা পুথিভঁৰালত অনুষ্ঠিত হয়। হৰেন্দ্ৰ নাথ বৰঠাকুৰ সোঁৱৰণী নাবিকৰ দুটি নাট্য ৰজনী শীৰ্ষক এই নাট্য সন্ধ্যাত কালি প্লেটফৰ্ম নাটখন মঞ্চস্থ কৰা হয়। সমাজ জীৱনৰ পৰা বিচ্ছিন্ন, অৱহেলিত এচাম নিৰাশ্ৰয়ৰ আশ্ৰয়স্থলী পান্থশালা পটভূমিত ৰচিত নাটকখন উদ্বোধন কৰে বিষ্ণু ৰাভাৰ সুযোগ্য পুত্ৰ তথা সাংস্কৃতিক কৰ্মী পৃথ্বিৰাজ ৰাভাই। প্ৰয়াত হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ জী-জোঁৱায়ে বন্তি প্ৰজ্বলন কৰা উদ্বোধনী অনুষ্ঠানটোত ড° অনিল শইকীয়া, শিৱসাগৰ নাট্যপীঠৰ অধ্যক্ষ প্ৰশান্ত শইকীয়া প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি নাট্যকাৰ হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ সৃষ্টি আৰু জীৱন সম্পৰ্কে চমু বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটোত হৰেন্দ্ৰনাথ বৰঠাকুৰ সোঁৱৰণী 'অভিজ্ঞান' শীৰ্ষক এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হয়। কালি মঞ্চস্থ হোৱা প্লেটফৰ্ম নাটকখন পৰিচালনা কৰে প্ৰশান্ত বৰাই। সংগীত ড° অনিল শইকীয়াৰ, কণ্ঠদান কৰিছে ভাস্বতী বৰা, শিৰোমণি গগৈয়ে, পোহৰ দীপাংকৰ বৰাৰ। অভিনয়ত গাৰ্গী গগৈ, মাৰ্চিলীনা দুৱৰা, বনশ্ৰী হাজৰিকা, হীৰকজ্যোতি সন্দিকৈ, প্ৰতীক্ষা প্ৰিয়া বায়ন, ঈশিতা শইকীয়া, ৰাহুল গগৈ, যদুমণি বৰুৱা প্ৰমুখ্যে অন্যান্য শিল্পীসকলে সুন্দৰ অভিনয়ৰে দৰ্শকক আপ্লুত কৰে। একেদৰে আজি মঞ্চস্থ হ'বলগীয়া বালিমাহীৰ কথা শীৰ্ষক নাটখন পৰিচালনা কৰিছে লক্ষ্য তামুলী ফুকনে, সংগীত অনিল শইকীয়া, পৰিকল্পনা প্ৰশান্ত বৰাৰ। লগতে নাবিকৰ কলা কুশলীয়ে নাটখনত অভিনয় কৰিব।

# বৰপেটাৰ প্ৰাক্তন বিধায়ক মধুসূদন দাসৰ শ্ৰদ্ধাৰ্ঘ্য গ্ৰন্থ 'মধুসূদন মাধুৰ্যনাৰায়ণ' উন্মোচন



বিশেষ সংবাদদাতা

**বৰপেটা, ২১ আগষ্ট ঃ** বৰপেটাৰ সিংহ পুৰুষ, প্ৰাক্তন বিধায়ক, আবাহন যুগৰ লেখক মধুসূদন দাসৰ শ্ৰদ্ধাৰ্ঘ্য গ্ৰন্থ 'মধুসূদন দাস মাধুৰ্যনাৰায়ণ' আজি এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উন্মোচন কৰা হয়। মধুসূদন দাসৰ পৰিয়ালবৰ্গৰ উদ্যোগত আৰু বৰপেটা প্ৰেছ ক্লাবৰ সহযোগত বৰপেটা আইন মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট অতিথিৰূপে প্ৰাক্তন বিধায়ক ডাঃ তাৰাপ্ৰসাদ দাস, প্ৰাক্তন বিধায়ক গুণীন্দ্ৰনাথ দাস আৰু প্ৰয়াত মধুসূদন দাসৰ পুত্ৰ কমলাক্ষ্য দাস আদিয়ে মধুসূদন দাসৰ ৰাজনৈতিক দৰ্শনৰ ওপৰত বক্তব্য ৰাখে। বৰপেটা প্ৰেছ ক্লাবৰ সম্পাদক অশোক কুমাৰ দাসে আঁতধৰা গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থ উন্মোচন কৰে অসম চৰকাৰৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। গ্ৰন্থ উন্মোচন কৰি মন্ত্ৰী দাসে কয় যে অসম বিধানসভাত বলিষ্ঠ ভূমিকাৰে সমষ্টিৰ অভাৱ-অভিযোগ সম্পৰ্কত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সেই সময়তে সক্ষম হৈছিল মধুসূদন দাসে। মধুসূদন দাস কেৱল বিধায়কে নাছিল, অসমৰ বিভিন্ন সমস্যাৰ ওপৰত তেওঁৰ আছিল অলেখ জ্ঞান। বিশাল জ্ঞানৰ ভাণ্ডাৰৰ অধিকাৰী প্ৰয়াত বিধায়কজনে বিধানসভাত সন্মোহনী শক্তি প্ৰয়োগ কৰি বিভিন্ন সমস্যা সন্দৰ্ভত চৰকাৰক অৱগত কৰিছিল। এগৰাকী তাৰ্কিক, এশ শতাংশই দেশপ্ৰেমিক, স্বাভিমান থকা ব্যক্তি আছিল মধুসূদন দাস। তেওঁ আছিল জাতীয় চেতনা থকা ব্যক্তি। যি সময়ত অসমত বিদেশী বহিষ্কৰণ আন্দোলন চলিছিল তাৰ বহু পূৰ্বেই মধুসূদন দাসে অসম আৰু পূৰ্বাঞ্চলত বিদেশী সোমোৱা বুলি সেই সময়তে বিধানসভাত কৈছিল। বিভিন্ন বিষয়ত বিশেষ বুৎপত্তি থকা মধুসূদন দাসৰ বিষয়ে বৰ্তমানৰ প্ৰজন্মই বিশেষভাৱে অধ্যয়ন কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। গ্ৰন্থ উন্মোচন কৰি মন্ত্ৰীজনে ১৯৩৭ৰ পৰা বৰ্তমানলৈকে বৰপেটাৰ স্থানীয় বিধায়কসকলৰ বিষয়ে এক গ্ৰন্থ আকাৰে প্ৰকাশ কৰিবলৈ আহ্বান জনায়। সভাৰ পূৰ্বে মধুসূদন দাসৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সুন্দৰীদিয়া সত্ৰৰ ডেকা সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে। ববিতা পাঠকৰ বৰগীতেৰে আৰম্ভ হোৱা গ্ৰন্থ উন্মোচনী সভাত গ্ৰন্থৰ সম্পাদক শুভজ্যোতি দাসে গ্ৰন্থখনৰ সম্পৰ্কত ভাষণ ৰাখে। বিশিষ্ট নাট্যকাৰ প্ৰমোদ দাসে শলাগ জ্ঞাপন কৰা সভাত বৰপেটা প্ৰেছ ক্লাবৰ সভাপতি মনোজ কুমাৰ পাঠকো উপস্থিত থাকে।

# ৰাজ্যৰ চতুৰ্থ বৰ্গৰ পৰীক্ষাত তামুলপুৰ জিলাত ১৫,৭৬৩ জন পৰীক্ষাৰ্থী অৱতীৰ্ণ

**তামুলপুৰ, ২১ আগষ্ট ঃ** আজি ৰাজ্যৰ ২৫ খন জিলাত অনুষ্ঠিত হোৱা ৰাজ্য চৰকাৰৰ চতুৰ্থ বৰ্গৰ নিযুক্তি পৰীক্ষাত নৱগঠিত তামুলপুৰ জিলাৰ ১৯টা পৰীক্ষা কেন্দ্ৰত ১৫,৭৬৩ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। ৰাজ্য চৰকাৰে জাৰি কৰা নীতি-নিৰ্দেশনা পালন কৰি কটকটীয়া নিৰাপত্তাৰ মাজত অনুষ্ঠিত হয় চতুৰ্থ বৰ্গৰ নিযুক্তিৰ পৰীক্ষা। তামুলপুৰ মহকুমা সদৰস্থিত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, তামুলপুৰ ছোৱালী হাইস্কুল, তামুলপুৰ বাণিজ্য মহাবিদ্যালয়, তামুলপুৰ কনিষ্ঠ মহাবিদ্যালয়, কেন্দ্ৰীয় বিদ্যালয় তামুলপুৰ, কুমাৰীকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়, কুমাৰীকাটা কনিষ্ঠ মহাবিদ্যালয়ৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তত মুঠ ১৭ টা কেন্দ্ৰত অনুষ্ঠিত হয় এই পৰীক্ষা । পৰীক্ষাত অৱতীৰ্ণ হোৱা একাংশ প্ৰাৰ্থীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ এই বৃহৎ নিযুক্তিৰ পৰীক্ষা সম্পূৰ্ণ স্বচ্ছ আৰু নিকা হ'ব বুলি আশা প্ৰকাশ কৰিছে।

# ৰংজুলি আঞ্চলিক ট্ৰাইবেল সংঘৰ সাধাৰণ সভা

## ■ পুৰণি সমিতি ভংগ, নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ২১ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ ট্ৰাইবেল সংঘৰ অন্তৰ্গত ৰংজুলি আঞ্চলিক ট্ৰাইবেল সংঘৰ আজি বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত হয়। ৰংজুলি প্ৰগতি সংঘ প্ৰেক্ষাগৃহত কৰেণ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত যোৱা কাৰ্যকালৰ হিচাপ-নিকাচ দাখিল কৰা হয়। ইয়াৰ পাছতে পুৰণি সমিতিখন ভংগ কৰি অৰবিন্দ দৈমাৰীক সভাপতি, ৰিকি ৰাভাক উপ-সভাপতি আৰু কেশৱ ৰাভাক সম্পাদক, মৃদুল ৰাভাক সহকাৰী সম্পাদক হিচাপে লৈ আগন্তুক তিনি বছৰীয়া কাৰ্যকালৰ বাবে নতুন সমিতি গঠন কৰা হয়। ইপিনে নতুন সমিতিৰ হিচাপ পৰীক্ষক হিচাপে বাছনি কৰা হয় বীৰেন ৰাভা আৰু পিনেন ৰাভাক। সভাত গোৱালপাৰা জিলা ট্ৰাইবেল সংঘৰ নৱ নিৰ্বাচিত সভাপতি নজীন বসুমতাৰী উপস্থিত থাকি ট্ৰাইবেল সংঘৰ কৰিবলগীয়া বিভিন্ন কাম-কাজৰ বিষয়ে বিস্তৃতভাৱে বক্তব্য প্ৰদান কৰে।

# হোজাইত ৰেলত গাঞ্জা উদ্ধাৰ

অগ্ৰদূত বাৰ্তা


**হোজাই, ২১ আগষ্ট ঃ** ৰেলত অব্যাহত আছে নিচাজাতীয় সামগ্ৰীৰ বেহা। আজি পুনৰ হোজাই ৰেল ষ্টেছনত গাঞ্জা উদ্ধাৰ কৰে হোজাই ৰেল আৰক্ষীয়ে। কাঞ্চনজংঘা এক্সপ্ৰেছৰ পৰা প্ৰায় আঠ কিলো ৫০০ গ্ৰাম গাঞ্জা জব্দ কৰে। ৰেল আৰক্ষীৰ নিয়মীয়া তালাচীত এক নম্বৰ প্লেটফৰ্মৰ একত এছ-৫ নম্বৰ দবাত উদ্ধাৰ কৰে গাঞ্জাখিনি। দবাটোত পৰিত্যক্ত এটা বেগত উদ্ধাৰ হয় গাঞ্জাখিনি। উল্লেখ্য যে ৰেল যোগেৰে এতিয়া দৈনিক সৰবৰাহ কৰা হৈছে নিষিদ্ধ ড্ৰাগছ গাঞ্জাকে ধৰি নিচা জাতীয় দ্ৰব্য। আৰক্ষীৰ তৎপৰতা বঢ়াৰ পাছতো আৰু অধিক তৎপৰহে যেন হৈছে নিচাজাতীয় সামগ্ৰীৰ ব্যৱসায়ীসকল।

# বিশ্বনাথত ই-ৰিক্সা সন্থাই পৰীক্ষাৰ্থীক ওভতাই দিলে হেওৰুৱা বেগসহ গুৰুত্বপূৰ্ণ নথিপত্ৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২১ আগষ্ট ঃ** বিশ্বনাথ চাৰিআলি ই-ৰিক্সা সন্থাৰ প্ৰশংসনীয় কাৰ্য। হেৰুৱা বেগ ওভতাই দিলে গৰাকীক। আজি ৰাজ্যত অনুষ্ঠিত কৰা হ'ল চতুৰ্থ বৰ্গৰ নিযুক্তি প্ৰক্ৰিয়াৰ পৰীক্ষা। বহু প্ৰতীক্ষিত আসাম ডিৰেক্ট ৰিকুইটমেন্টৰ আজি চতুৰ্থ বৰ্গৰ পৰীক্ষা সমগ্ৰ ৰাজ্যৰ লগতে বিশ্বনাথ জিলাতো অনুষ্ঠিত কৰা হৈছিল। বিশ্বনাথ জিলাত মুঠ ২৫টা কেন্দ্ৰত অনুষ্ঠিত কৰা হৈছিল এই পৰীক্ষা। বিশ্বনাথ জিলাত আন স্থানৰ নিবনুৱা যুৱক-যুৱতীৰ স'তে আজিৰ এই চতুৰ্থ বৰ্গৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল গহপুৰৰ খৰ্গ বাহাদুৰ চেত্ৰী নামৰ যুৱকজন। জ্ঞান ভাৰতী বিদ্যালয়ত এই যুৱকজনে পৰীক্ষা দি এখন ই-ৰিক্সাত উঠি বিশ্বনাথ নগৰস্থিত বাছষ্টেণ্ডলৈ ওভতি আহিল যুৱকজন। কিন্তু যুৱকজনৰ বিভিন্ন গুৰুত্বপূৰ্ণ নথি-পত্ৰ থকা বেগটো ভুলবশতঃ থাকি গল ই-ৰিক্সাখনতে। ই-ৰিক্সা চালকেও সেই স্থানৰ পৰা ওভতি আহিল কিন্তু পৰৱৰ্তী সময়তহে দেখা পালে যে ই-ৰিক্সাত কোনোবা যাত্ৰীৰ এটা বেগ থাকি গ'ল। ইফালে, গহপুৰৰ পৰা বিশ্বনাথত চতুৰ্থ বৰ্গৰ পৰীক্ষা দিবলৈ অহা যুৱকজনৰ বেগটো হেৰাই যোৱাত চিন্তিত হোৱাৰ লগতে হাহাকাৰ কৰে নিজৰ বেগটো বিচাৰি। তাৰ পিছতে বেগৰ গৰাকী খৰ্গ বাহাদুৰ ছেত্ৰীয়ে বিশ্বনাথ চাৰিআলি ই-ৰিক্সা সন্থাৰ লগত যোগাযোগ কৰে। আৰু ই-ৰিক্সাৰ সন্থাৰ সভাপতি নৰেশ্বৰ দাসসহ বিষয়ববীয়াসকলে সকলো ই-ৰিক্সাক যোগাযোগ কৰি অতি তৎপৰতাৰে হেৰুৱা বেগটোৰ সন্ধান বিচাৰি খৰ্গ বাহাদুৰ ছেত্ৰীক বিশ্বনাথ চাৰিআলি ই-ৰিক্সা সন্থাৰ বিশ্বনাথ নগৰস্থিত কাৰ্যালয়লৈ মাতি উভতাই দিলে তেওঁৰ বেগটো। যাৰ বাবে বিশ্বনাথ চাৰিআলি ই-ৰিক্সা সন্থাক এইদৰে ভূয়সী প্ৰশংসা কৰে ভোক্তভোগী যুৱকজনে।

# দলগোমাৰ জ্যেষ্ঠ ব্যক্তি তীৰ্থলোচন দাসৰ পৰলোক




অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২১ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ দলগোমা নিবাসী জ্যেষ্ঠ ধৰ্মপ্ৰাণ তথা সৰবৰহী ব্যক্তি তীৰ্থলোচন দাসে যোৱা ১৬ আগষ্টত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স প্ৰায় ৮০ বছৰ হৈছিল । দলগোমা সত্ৰৰ স'তে সক্ৰিয়ভাৱে জড়িত ব্যক্তিজন যোৱা কিছুদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত দাসে পত্নী, একমাত্ৰ পুত্ৰ, বোৱাৰী, একমাত্ৰ নাতিনীৰ লগতে দুই জীয়ৰী, জোঁৱাইসহ অসংখ্য গুণমুগ্ধক ইহ সংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# বায়'কেমিক চিকিৎসা বিজ্ঞানৰ জনক ছুচলাৰ ঃ ডাঃ ৰমানন্দ পাঠক

## বৰপেটাৰোডৰ বেলগুৰীত শংকৰদেৱ বায়'কেমিক মেডিকেল কলেজ-হাস্পতালৰ উদ্যোগত ডাঃ উইলহেম হেনৰিছ ছুচলাৰৰ ২০১ বছৰীয়া জন্মজয়ন্তী পালন

**বৰপেটাৰোড, ২১ আগষ্ট ঃ** 'আজিৰ বিশ্বত বায়'কেমিকৰ বিশেষ প্ৰভাৱ আছে। এই বায়'কেমিক চিকিৎসা বিজ্ঞানৰ জনকেই আছিল ডাঃ উইলহেম হেনৰিছ ছুচলাৰ। এইগৰাকী মহান বিজ্ঞানীয়ে অলেখ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি কৰা গৱেষণাৰ ফল আজি বিশ্ববাসীয়ে লাভ কৰি আছে।' এই মন্তব্য বৰপেটাৰোডৰ বিশিষ্ট চিকিৎসক ডাঃ ৰমানন্দ পাঠকৰ। বাণিজ্যনগৰী বৰপেটাৰোডৰ সমীপৰ তথা বাক্সা জিলাৰ বেলগুৰীস্থিত শংকৰদেৱ বায়'কেমিক মেডিকেল কলেজ আৰু হস্পিতালৰ উদ্যোগত ডাঃ উইলহেম হেনৰিছ ছুচলাৰৰ ২০১ বছৰীয়া জন্মজয়ন্তী দিনযোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা চাফাই কামৰ পিছতে শংকৰদেৱ বায়'কেমিক মেডিকেল কলেজ আৰু হস্পিতালৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ পাঠকে পতাকা উত্তোলন কৰে। তাৰ পিছতেই ক্ৰমে গছপুলি ৰোপন, ডাঃ উইলহেম হেনৰিছ ছুচলাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰাৰ লগতে এখনি স্মৰণিকা উন্মোচন কৰা হয়। বিশিষ্ট সাংবাদিক, লেখক গণেশ চন্দ্ৰ নাথৰ মুখ্য সম্পাদনাত প্ৰকাশিত স্মৰণিকাখনি উন্মোচন কৰে বিশিষ্ট লেখিকা পাপৰি বৰাই। দিনৰ ১ বজাত অনুষ্ঠিত হয় মুকলি সভা। শংকৰদেৱ বায়'কেমিক মেডিকেল কলেজ আৰু হস্পিতালৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ ৰমানন্দ পাঠকে সভাপতিত্ব কৰা সভাখনত বায়'কেমিক চিকিৎসা বিজ্ঞানী ডাঃ



...তেন প্ৰাধানী, ডাঃ ...াঃ বাবুল সৰকাৰ, ...ৰিয়াৰী, ডাঃ পংকজ ...লসংখ্যক চিকিৎসা ...াৰ সৈতে জড়িত বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। শংকৰদেৱ বায়'কেমিক মেডিকেল কলেজ আৰু হস্পিতালৰ অধ্যক্ষ ডাঃ নৱজ্যোতি বৰ্মন, মুখ্য প্ৰশাসনিক বিষয়া অজয় কুমাৰ চৌধুৰীয়ে আঁত ধৰা অনুষ্ঠানত স্থানীয় ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। উল্লেখ্য যে এই অনুষ্ঠানৰ লগত সংগতি ৰাখি স্থানীয় লোকসকলক বিনামূলীয়াকৈ চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে ঔষধ প্ৰদান কৰা হয়।

# কৃতী শিক্ষক শিশুৰাম সূতৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২১ আগষ্ট ঃ** যোৱা ১৬ আগষ্টত কলাবাৰী গাগল গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক শিশুৰাম সূতৰ মৃত্যুৱে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। ১৯৩২ত জন্মগ্ৰহণ কৰা শিশুৰাম সূতে স্কুলীয়া শিক্ষা সাং কৰি চতিয়া নৰ্মাল স্কুলৰ পৰা সুখ্যাতিৰে তিনি বছৰীয়া শিক্ষক প্ৰশিক্ষণ সমাপ্ত কৰি ৫০ৰ দশকত কামদেবাল প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা জীৱনৰ পাতনি মেলে। পৰৱৰ্তী পৰ্যায়ত দক্ষিণ কলাবাৰী মজলীয়া বিদ্যালয় আৰু দুবিয়া মজলীয়া বিদ্যালয়ত শিক্ষকতা কৰি, শেষত প্ৰধান শিক্ষকৰো কাৰ্যভাৰ গ্ৰহণ কৰে। ১৯৯১ত দুবিয়া মজলীয়া বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষকৰ দায়িত্বৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁ অসম শংকৰদেৱ সংঘৰ সদস্য হিচাপে প্ৰাথমিক গোটৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ কলাবাৰী আঞ্চলিক সাহিত্য সভাৰ সদস্য হিচাপে সাহিত্য চৰ্চাত মনোনিবেশ কৰিছিল। তেওঁৰ ৰচিত কবিতা পুথি 'আজি' ২০১৮ত কলাবাৰী সাহিত্য সভাৰ উদ্যোগত প্ৰকাশ পাইছিল। মৃত্যুৰ সময়ত তেওঁ সহধৰ্মিণীসহ দুই পুত্ৰ, এগৰাকী জীয়ৰী আৰু নাতি-নাতিনী, বোৱাৰী, ভ্ৰাতৃ সমন্বিতে অনেক গুণমুগ্ধক এৰি গৈছে।

# যোৰহাটৰ ঘৰফলীয়া-কমাৰগাঁও সংযোগী অৰ্ধনিৰ্মিত গড়কাপ্তানী পথ

## ■ জীয়াতু ভোগাইছে পথচাৰীক ■ ঠিকাদাৰৰ কাণ্ডজ্ঞানহীন কাৰ্যক গৰিহণা
## ■ আন্দোলনৰ হুংকাৰ ৰাইজৰ ■ উপায়ুক্ত-বিধায়কৰ হস্তক্ষেপৰ দাবী



শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ সমিতিৰ সোণালী জয়ন্তী উপলক্ষে আজাৰাত ভাওনা প্ৰদৰ্শন।

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ২১ আগষ্ট ঃ** যোৰহাট জিলা প্ৰশাসন তথা বিয়াগোম গড়কাপ্তানী বিভাগৰ চূড়ান্ত অমনোযোগিতাৰ ফল ভুগিছে সাধাৰণ জনতাই। গড়কাপ্তানী বিভাগৰ পৃষ্ঠপোষকতাত উঠিৰজা-বহিৰজা ঠিকাদাৰৰ মইমতালিত অতিষ্ঠ হৈ এতিয়া ত্ৰাহিমধুসূদন সুঁৰৰিবলৈ বাধ্য হৈছে পথচাৰীৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। যাৰ ফলত ঠিকাদাৰৰ কাণ্ডজ্ঞানহীন কাৰ্যক কঠোৰ ভাষাৰে গৰিহণা দিছে সকলোৱে। উল্লেখ্য যে যোৰহাট নগৰৰ পৰা নাতিদূৰৈৰ উত্তৰ-পশ্চিম যোৰহাট ঢেঁকৰগড়াৰ ঘৰফলীয়া-কমাৰগাঁও সংযোগী গড়কাপ্তানী পথটোত বিভাগৰ ঠিকাদাৰে পথটোৰ নিৰ্মাণৰ দায়িত্ব লৈ আধাতে কাম সামৰি অন্তৰ্ধান হয়। ফলত পথটোৰ বৰ্তমানৰ দুৰৱস্থাই অঞ্চলবাসীৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বাৰুকৈয়ে জীয়াতু ভোগাই আহিছে। পথটোৰ এনে অৱস্থা পালেগৈ যে ঠিকাদাৰে চেণ্ডগ্ৰেভেল মৰাৰ পাছত বৰষুণত বোকা-পানীটো বাদেই বৰ্তমান প্ৰখৰ ৰ'দত ধূলিৰ ধুমুহাই অতিষ্ঠ কৰি তুলিছে ৰাইজক। পথটোৰে এখন চাৰিচকীয়া বাহন যোৱাৰ পাছত মটৰচাইকেল, চাইকেল অথবা খোজকাঢ়ি যাবলৈ পথটোৰে দহবাৰ চিন্তা কৰিব লাগিব নতুবা পথচাৰী কোনো স্থানত ৰ'ব লাগিব। তদুপৰি পথটো নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা শিলগুটিসমূহ বৰ্তমান ওলাই পৰাত বিদ্যালয়লৈ চাইকেলেৰে যোৱা কে'বাগৰাকী ছাত্ৰ-ছাত্ৰী পথত বাগৰি আঘাতপ্ৰাপ্ত হোৱা বুলি জানিব পৰা গৈছে। কিন্তু ইমানৰ পাছতো জিলা প্ৰশাসন তথা গড়কাপ্তানী বিভাগটোৱে পথটো নিৰ্মাণৰ ক্ষেত্ৰত কিয় বিহিত ব্যৱস্থা গ্ৰহণ কৰা নাই তাকে লৈ সন্দেহ প্ৰকাশ কৰিছে ৰাইজে। উল্লেখ্য যে শ'লমৰাৰ পৰা মালৌআলি সংযোগী জৰাজীৰ্ণ গড়কাপ্তানী পথটোৰ বাবে চৰকাৰে বৃহৎ পুঁজি মুকলি কৰাৰ পাছত অঞ্চলটোৰ ৰজাখাটলৈ চলিল পথটোৰ নিৰ্মাণ। কিন্তু ঘৰফলীয়াৰ আমলখী তলৰ পৰা কমাৰগাঁওলৈকে আজি পৰ্যন্ত পথটো অৰ্ধনিৰ্মিত হোৱাৰ সমান্তৰালকৈ কমাৰগাঁৱৰ পৰা মলৌআলি তিনিআলিলৈ আজিও নিৰ্মাণ নহ'ল উক্ত গড়কাপ্তানী পথ। যাৰ পৰিপ্ৰেক্ষিতত পথটো শীঘ্ৰে নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ কুম্ভকৰ্ণ নিদ্ৰাত থকা জিলা গড়কাপ্তানী বিভাগক অঞ্চলবাসীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে দাবী জনোৱাৰ লগতে এই ক্ষেত্ৰত জিলা উপায়ুক্ত আৰু সমষ্টিৰ বিধায়কৰ হস্তক্ষেপ বিচাৰিছে। অনাগত দিনত পথটো নিৰ্মাণৰ ক্ষেত্ৰত প্ৰশাসনে কি ভূমিকা গ্ৰহণ কৰিব সেয়াহে লক্ষ্যণীয় হ'ব।

## মাজুলীত অৰুণোদয় মাহৰ আৰম্ভণি-বান ক্ষতিগ্ৰস্তক সাহায্য বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২১ আগষ্ট ঃ** অসম চৰকাৰে ঘোষণা কৰা অৰুণোদয় মাহৰ মাজুলী জিলাত কালি আৰম্ভণি কৰা হয় মাজুলী সাংস্কৃতিক কেন্দ্ৰৰ প্ৰেক্ষাগৃহত। অনুষ্ঠানৰ আঁত ধৰে অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ কুমাৰ ফুকনে। মুখ্য অতিথিৰূপে উপস্থিত থাকি অৰুণোদয় মাহৰ আৰম্ভণি কৰে অসম চৰকাৰৰ আবকাৰী বিভাগ আৰু অসম মানৱ অধিকাৰ আয়োগৰ সচিব কমল বৈশ্যই। এই অনুষ্ঠানতে বিগত বানপানীত ক্ষতিগ্ৰস্ত দুটা পৰিয়ালক পুনৰ সংস্থাপনৰ উদ্দেশ্যেৰে অসম চৰকাৰে প্ৰদান কৰা আৰ্থিক সাহায্য বিতৰণৰ কাৰ্যসূচী গ্ৰহণ কৰা কৰা হয়। অৰুণোদয় মাহ উপলক্ষে মাজুলীৰ পাঁচখন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ৰাষ্ট্ৰীয় সমাজসেক গোটে ঘৰে ঘৰে গৈ প্ৰকৃত হিতাধিকাৰী চিনাক্তকৰণ কৰি ইয়াৰ প্ৰতিবেদন দাখিল কৰিব। এই সভাত উপস্থিত থাকে উপায়ুক্ত পুলক মহন্ত, দিতিমণি পেগু, মুখ্য কাৰ্যবাহী বিষয়া মাজুলী জিলা পৰিষদ, পাপু হাজৰিকা, সভানেত্ৰী মাজুলী জিলা পৰিষদ। বিৰেণ শইকীয়া, জিলাখনৰ তিনিখন মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট সমাজকৰ্মী আৰু প্ৰশাসনিক বিষয়াসকল তথা বিভাগীয় মুৰব্বীসকল।

## চিদলীত কোচ ৰাজবংশী জাতীয় পৰিষদৰ শৈক্ষিক সজাগতা সভা

### ■ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠান



**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২১ আগষ্ট ঃ** চিৰাং জিলাৰ চিদলী ৰাজা অজিত নাৰায়ণ দেৱ হাইস্কুলত কোচ ৰাজবংশী জাতীয় পৰিষদৰ দ্বাৰা কালি আয়োজিত এক শৈক্ষিক সজাগতা তথা সম্বৰ্ধনা সভাৰ আয়োজন কৰি বিদ্যালয়খনৰ পৰা ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতি অৰ্জন কৰা তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে শশী বৰ্মন, তৰালি বৰ্মন আৰু দিবাকৰ বৰ্মনক সম্বৰ্ধনা জনায়। কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন আৰু সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে প্ৰকাশ কৰা বিবৃতিত কয় যে কোচ ৰাজবংশী জাতিৰ স্বাভিমানৰ প্ৰতীক এখন হালধীয়া গামোচা, এটা কিতাপৰ টোপোলা আৰু এখন মানপত্ৰ প্ৰদান কৰাৰ কথা সদৰী কৰে। নেতাদ্বয়ে কোচ ৰাজবংশী ছাত্ৰ-ছাত্ৰীৰ বিকাশ আৰু সুস্থ সবল এখন গতিশীল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত সজাগতা সভাৰ এক মহৎ উদ্দেশ্য বুলি উল্লেখ কৰি শিক্ষাৰ ক্ষেত্ৰত অসমৰ ভিতৰতেই অতিকৈ পিছ পৰা চিৰাং জিলাৰ ঐতিহাসিক চিদলীৰ শিক্ষাৰ ক্ষেত্ৰখনৰ উন্নতি আৰু বিকাশ আজিৰ নতুন প্ৰজন্মৰ ওপৰত নিৰ্ভৰ কৰিছে বুলি কয়। শৈক্ষিক সজাগতা সভাত বিশিষ্ট সমাজকৰ্মী কুসুম্বৰ চৌধুৰী, গৱেষক ছাত্ৰ সমুজ্জ্বল ৰায়কে ধৰি বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। শৈক্ষিক সজাগতা আৰু সম্বৰ্ধনা সভাখনৰ আঁত ধৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক দণ্ডধৰে।

## বঙাইগাঁৱত উদ্যমিতা উৎসাহ সন্মিলন



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২১ আগষ্ট ঃ** বঙাইগাঁও চহৰৰ ঔদ্যোগিক প্ৰশিক্ষণ-প্ৰতিষ্ঠান চমুকৈ আইটিআইৰ উদ্যোগত আৰু স্বাৱলম্বী ভাৰত অভিযান বঙাইগাঁও জিলা সমিতিৰ সহযোগত কালি আইটিআইৰ সভা কক্ষত উদ্যমিতা উৎসাহ সন্মিলন কাৰ্যসূচী অনুষ্ঠিত হয়। যুৱক-যুৱতী তথা ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশ তথা কৰ্মদক্ষতা উৎসাহ যোগাই সমাজত নিজে স্বাৱলম্বী হৈ নিজৰ লগতে কেনেকৈ আন ১০গৰাকী যুৱক-যুৱতীক কৰ্মসংস্থাপন প্ৰদান কৰিব পাৰি সেয়া এই সন্মিলনত আলোচনা হোৱাৰ লগতে বিশেষভাৱে আমন্ত্ৰিত সমল ব্যক্তিৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰে উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলক। উদ্যমিতা উৎসাহ সন্মিলনত সমল ব্যক্তি হিচাপে বঙাইগাঁও চহৰৰ বিশিষ্ট শিশু বিশেষজ্ঞ চিকিৎসক, সমাজকৰ্মী ডাঃ ইতিশ বৰদলৈ উপস্থিত থাকি দক্ষতা বিকাশ, কৰ্মসংস্থাপন, উদ্যমিতা, প্ৰশিক্ষণ আদিৰ ওপৰত পৰ্যালোচনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহজনক মন্তব্য ৰাখে। অনুষ্ঠানত আইটিআইৰ অধ্যক্ষ ৰাজু গোপালৰ লগতে প্ৰতিষ্ঠানখনৰ অন্য শিক্ষকসকল উপস্থিত থাকে।

## লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত তিনিদিনীয়া এছআইপি অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ ২১ আগষ্ট ঃ** লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত নৱাগত স্নাতক ছাত্ৰ-ছাত্ৰীৰ বাবে তিনিদিনীয়া ছাত্ৰ প্ৰৱেশ কাৰ্যসূচী (এছআইপি) অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগতমান নিশ্চিতকৰণ কোষৰ উদ্যোগত যোৱা ১৬-১৮ আগষ্টলৈকে অনুষ্ঠিত এছআইপি অধিবেশনখন আৰম্ভ কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° লোহিত হাজৰিকাই। উদ্বোধনী ভাষণ প্ৰদান কৰাৰ লগতে বি কম আৰু বিএ দ্বিতীয় ষাণ্মাসিকৰ নতুনকৈ নামভৰ্তি কৰা সকলো ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ শিক্ষক, পুথিভঁৰালৰ কৰ্মচাৰী আৰু কাৰ্যালয়ৰ কৰ্মচাৰীকে ধৰি মহাবিদ্যালয়ৰ প্ৰতিটো দিশৰ প্ৰতি পৰিচয় কৰাই দিয়ে। তদুপৰি শৈক্ষিক, নতুন শিক্ষানীতি, পাঠ্যক্ৰম শিক্ষা বিজ্ঞান উপস্থিতি, পৰীক্ষা আদিৰ স'তে জড়িত বিষয়সমূহৰ স'তেও চিনাকি কৰাই দিয়ে। এছআইপিৰ তিনিওটা দিনতে মহাবিদ্যালয়খনৰ লক্ষ্য, দৃষ্টিভংগী, মূল মূল্যবোধ আৰু আচৰণ বিধিৰ ওপৰত প্ৰতিটো শৈক্ষিক বিভাগৰ বিষয়ে পুথিভঁৰাল পদ্ধতি, পাঠ্যক্ৰম, চিবিচি ছাত্ৰবৃত্তি আৰু ই-গ্ৰাণ্টৰ তথ্য আদিৰ স'তে পৰিচয় কৰাই দিয়ে। অধিবেশনখনৰ এছআইপিৰ বিভিন্ন সত্ৰ পৰিচালনা কৰে উপাধ্যক্ষ জি কে ছেত্ৰী, আইকিউএচিৰ সমন্বয়ক ড° দাদুল ৰাজকোঁৱৰ, একাউণ্টেন্সি বিভাগৰ ড° দিগন্ত দাস, হিন্দী বিভাগৰ ড° এম ছিল, অৰ্থনীতি বিভাগৰ ড° শিখামণি বৰগোহাঞি, ইংৰাজী বিভাগৰ ড° হৰিণী পাটোৱাৰী দাস প্ৰমুখ্যে অন্যান্য বিভাগ আৰু কৰ্মকৰ্তাসকলে।

## ধুবুৰীৰ জৰুৱাৰ চৰ পাব্লিক হাইস্কুলৰ প্ৰধান শিক্ষকৰ মইমতালি

### ■ পুৱা ১০-১৫ বজাত আৰম্ভ হয় পাঠদান ■ এক বজাত অঘোষিত ছুটী

**অগ্ৰদূত বাৰ্তা**

**গৌৰীপুৰ, ২১ আগষ্ট ঃ** ধুবুৰী জিলাৰ জৰুৱাৰ চৰ পাব্লিক হাইস্কুলৰ প্ৰধান শিক্ষক আয়ুব আলীৰ মইমতালিৰ বাবে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ অভিযোগ উঠিছে। চৰকাৰী নীতি-নিৰ্দেশনাক ভ্ৰূক্ষেপ নকৰি নিজৰ ইচ্ছামতে প্ৰস্তুত কৰিছে বিদ্যালয়ৰ পাঠদানৰ কাৰ্যসূচী। প্ৰধান শিক্ষকজনে প্ৰস্তুত কৰা নিয়ম মতে পুৱা ১০ বজাত প্ৰাৰ্থনা সভা আৰু ১০-১৫ বজাত আৰম্ভ হয় পাঠদান। কিন্তু চৰকাৰী নিয়মমতে, পুৱা ৮-৪৫ বজাত প্ৰাৰ্থনা সভা অনুষ্ঠিত হ'ব লাগে আৰু ন বজাত আৰম্ভ হ'ব লাগে পাঠদান। কিন্তু এইগৰাকী মহাপ্ৰতাপী প্ৰধান শিক্ষকে নিজৰ ইচ্ছামতে ১০-১৫ বজাত আৰম্ভ কৰে পাঠদান। এই কথা সাংবাদিকৰ সাক্ষাৎকাৰত সদৰী কৰে প্ৰধান শিক্ষকজনে। তেওঁৰ মতে, দূৰদূৰণিৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে তেওঁলোকে চৰকাৰী নীতি-নিয়মৰ বিপৰীতে পুৱা ১০-১৫ বজাত পাঠদান আৰম্ভ কৰি আহিছে। বিদ্যালয়খনৰ প্ৰায় ১৪ গৰাকীকৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে পুৱা ১০ বজাৰ পাছতহে বিদ্যালয়ত উপস্থিত হয়। কালি এই ঘটনা প্ৰত্যক্ষ কৰি ক্ষোভিত হৈ পৰে সচেতন মহল। অভিযোগ মতে, দুপৰীয়া এক বজাৰ পাছত বিদ্যালয়খনৰ পাঠদান বন্ধ হৈ পৰে। এই অভিযোগ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজৰ। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে দুপৰীয়া এক বজাৰ পাছতেই ঘৰমুৱা হয় যদিও প্ৰধান শিক্ষকজনে তেনে ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰি শাস্তি প্ৰদান নকৰাৰ বিপৰীতে নীৰৱ ভূমিকা পালন কৰি সেউজ ছুটী হোৱাৰ সংকেত বহন কৰি অহাৰ অভিযোগ উত্থাপন হৈছে। আনহাতে, বিদ্যালয়খনৰ শিক্ষকৰ কোঠালিৰ বাহিৰে ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী কোঠালিত নাই লাইট আৰু ফেনৰ ব্যৱস্থা। উৎকট গৰমত ভীষণ অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে ছাত্ৰ-ছাত্ৰী। প্ৰধান শিক্ষক আয়ুব আলীক অযোগ্য আৰু টেঙৰ মানুহ বুলি নোৱাৰিব। আনহাতে, পৰীক্ষাৰ্থীয়ে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত যিকোনো ধৰণৰ হাতেলিখা বা ছপা সামগ্ৰী লৈ যাব নোৱাৰিব। ইয়াৰ উপৰি এনে ধৰণৰ যিকোনো সামগ্ৰী যাৰ সহায়ত অসৎ পন্থা অৱলম্বন কৰাত সহায়ক হয়, তেনে কোনো সামগ্ৰী পৰীক্ষাৰ্থীয়ে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত লৈ যাব নোৱাৰিব। এই নিষেধাজ্ঞাসমূহ অমান্য কৰা সকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখ্য যে তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদত নিযুক্তিৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে বাছনি কৰা কেন্দ্ৰসমূহ হ'ল- মৰাণ মহাবিদ্যালয়, সোণাৰি মহাবিদ্যালয়, মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়, সাপেখাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, বিপিবিএম উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মৰাণ মহিলা মহাবিদ্যালয়।

## নাৰীবাদী আন্দোলনৰ নেত্ৰী ড° অপৰ্ণা মহন্তৰ জন্ম বাৰ্ষিকী উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২১ আগষ্ট ঃ** নাৰীবাদী আন্দোলনৰ অন্যতম নেত্ৰী, শিক্ষাবিদ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন অধ্যাপক ড° অপৰ্ণা মহন্তৰ জন্ম বাৰ্ষিকী কালি অসম বিজ্ঞান সমিতিৰ ডিব্ৰুগড়ৰ উদ্যোগত কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে প্ৰয়াত শিক্ষাবিদগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে তেওঁৰ স্বামী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° পৰমা মহন্তই। অসম বিজ্ঞান সমিতিৰ ডিব্ৰুগড় শাখাৰ সভাপতি ড° ভাৰতী দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে সম্পাদক নাচিৰ চুলতানে উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত প্ৰয়াত নাৰীবাদী নেত্ৰীগৰাকীৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত এক পৰিচয়মূলক বক্তব্য আগবঢ়ায় সমিতিৰ কাৰ্যকৰী সভাপতি সুদক্ষিণা দাসে। সভাত যোৱা ২৬ জানুৱাৰীত পৰলোকপ্ৰাপ্তি ঘটা শিক্ষাবিদ তথা নাৰীবাদী আন্দোলনৰ অন্যতম আগৰণুৱা ব্যক্তি ড° মহন্তৰ চিন্তা আৰু আদৰ্শৰ ওপৰত বিভিন্ন দৃষ্টিকোণেৰে ভাষণ দিয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ ৱমেন ষ্টাডিজৰ দেৱযানী বৰা, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশী শইকীয়া, ড° ৰঞ্জিত সিনহা, মধুমিতা পুৰকায়স্থ, জিতুমণি বৰদলৈ, দিপালী শইকীয়া, সাংবাদিক শৰৎ চন্দ্ৰ নেওগ, কমলেশ্বৰ তাঁতী, বিৰাজ দত্ত আদিয়ে। সভাত ৰঞ্জু ভট্টাচাৰ্যই এটি ভজন পৰিৱেশন কৰে। উক্ত সভাতেই সদ্যপ্ৰয়াত ড° অপৰ্ণা মহন্তৰ ৰচিত পাঁচখন গ্ৰন্থ ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিকৰ হাতত অৰ্পণ কৰে প্ৰয়াত ড° মহন্তৰ দুই ভতিজাই। ড° মহন্তৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰাৰ পাছত কোনো বক্তব্য প্ৰদান নকৰি অশ্ৰুসিক্ত নয়নেৰে একপ্ৰকাৰ শোকত বাকৰুদ্ধ হৈও সভাৰ শেষলৈকে বহি থাকে স্বামী ড° পৰমা মহন্তই।

## বৰমাত ৩৯২৮ গৰাকী বানাক্ৰান্তলৈ বান সাহায্য প্ৰদান



**বৰমা, ২১ আগষ্ট ঃ** কালি বৰমা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বানসাহায্য প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত অসম চৰকাৰৰ ভূমি ৰাজহ বিভাগৰ মন্ত্ৰী যোগেন মোহন উপস্থিত থাকি এনে পদক্ষেপৰ বাবে বিশেষকৈ অসমৰ মুখ্যমন্ত্ৰীক ধন্যবাদ জনাই সমগ্ৰ ৰাজ্যৰ লগতে বাগ্‌সা জিলাত বানত ক্ষতিগ্ৰস্ত ৩৯২৮ গৰাকী লোকক আৰ্থিক অনুদান প্ৰদান কৰা হ'ব বুলি মন্তব্য কৰে। ইপিনে, তেওঁ মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা অৰুণোদয় মাহৰ বাগ্‌সা জিলাত উদ্বোধন হোৱা বুলি জানিব দিয়ে। ইয়াৰ উপৰি কালিৰে পৰা অৰুণোদয় আঁচনি যোগ্য লোকৰ দ্বাৰাই জৰীপ কাৰ্য চলিব বুলি মন্তব্য কৰি অসম চৰকাৰে এই ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰি বহিঃজিলাৰ লোকক জৰীপ কাৰ্যত নিয়োগ কৰি দুৰ্নীতিমুক্ত কৰাৰ সংকল্প লোৱাৰ কথা ব্যক্ত কৰে মন্ত্ৰী মোহনে। অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে ৰাইজৰ পৰা আৰ্থিক অনুদান বিচৰা বুলি প্ৰচাৰ হোৱা কাৰ্যৰ মন্তব্য প্ৰকাশ কৰি মন্ত্ৰী মোহনে অসম চৰকাৰৰ আৰ্থিক নাটনি হোৱা নাই বুলি কয়। শিক্ষামন্ত্ৰী পেগুৱে আৰ্থিকভাৱে সচ্ছল প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক তেওঁৰ নিজৰ বিদ্যালয়খনত সাধ্যানুসাৰে অনুদান দিয়াৰ কথাহে প্ৰকাশ কৰিছিল বুলি কয়, মন্ত্ৰী মোহনে। ইফালে অৰুণোদয় মাহৰ উদ্বোধন কৰি প্ৰত্যেক ভিচিডিচিতে জৰীপ চলাই উপযুক্ত হিতাধিকাৰীক চিনাক্ত কৰা হ'ব বুলি উল্লেখ কৰে। এই জৰীপ কাৰ্যত স্কুলীয়া ছাত্ৰক নিয়োগ কৰি তথ্য সংগ্ৰহৰ ব্যৱস্থা কৰা হ'ব বুলি কয় মন্ত্ৰীজনে। বাগ্‌সা জিলা অতিৰিক্ত উপায়ুক্ত আশ্ৰাফুল আলমে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিধায়ক ভূপেন বড়ো, বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, ইএম ঘনশ্যাম দাস, ৰাকেশ ব্ৰহ্ম, গৌতম দাস, জিলা প্ৰশাসনৰ কে'বাগৰাকী বিষয়া-কৰ্মচাৰীৰ লগতে বাগ্‌সা জিলাৰ লাটমণ্ডলসকল উপস্থিত থাকে।

## আমগুৰি নগৰ কেন্দ্ৰৰ তিনিজনকৈ অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ২১ আগষ্ট ঃ** আমগুৰি নগৰ কেন্দ্ৰৰ তিনিজনকৈ শিক্ষাগুৰুক কালি বিদায় সম্বৰ্ধনা জনোৱা হয়। নগৰ কেন্দ্ৰৰ কিষ্টু ৰচান্দ আগৰৱালা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক সবিতা গগৈ, আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ দেৱপ্ৰসাদ গগৈ আৰু কছাৰী লাইন প্ৰাথমিক বিদ্যালয়ৰ বাসন্তী ৰাজকোঁৱৰক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উদ্দেশ্যে অনুষ্ঠিত সম্বৰ্ধনা সভাত পৌৰোহিত্য কৰে প্ৰধান শিক্ষক অজিত দুৱৰাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্বৰ্ধনা সমিতিৰ সম্পাদক পৱিত্ৰ দত্তই। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক কুশল ফুকন, কেশৱ ফুকন আৰু সুখপ্ৰভা গগৈয়ে তিনিওজন শিক্ষকৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰাৰ লগতে শিক্ষকতা জীৱনৰ সকলো প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সভাত তিনিওজন শিক্ষকে চমুকৈ বক্তব্য আগবঢ়ায়। প্ৰধান শিক্ষক কৃষ্ণ ভূঞা প্ৰমুখ্যে বিভিন্নজনে সভাত বক্তব্য দাঙি ধৰে। অৱসৰপ্ৰাপ্ত শিক্ষাগুৰুসকলক গামোচা, শৰাই, ধৰ্মগ্ৰন্থ, সম্বৰ্ধনাপত্ৰ, চেলেংচাদৰ আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

## চিনাক্ত হোৱা নাই যমুনামুখত উদ্ধাৰ হোৱা বৃদ্ধাৰ মৃতদেহ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২১ আগষ্ট ঃ** যোৱা ১৭ আগষ্টত যমুনামুখ ৰেল ষ্টেচনৰ সমীপত উদ্ধাৰ হয় এগৰাকী বৃদ্ধাৰ মৃতদেহ। যমুনামুখ ৰেলৱে ষ্টেচনৰ পৰা দুশ মিটাৰ নিলগত তথা কাঠকটিয়া গাঁৱৰ সমীপত প্ৰায় ৭০ বছৰীয়া এগৰাকী বৃদ্ধাক কোনো এখন তীব্ৰবেগী ৰেলে মহটিয়াই নিয়ে। ফলত ক্ষত-বিক্ষত হৈ পৰে মৃতদেহটো। ঘটনাস্থলীত ৰেল আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। কিন্তু তিনিদিন উকলি যোৱাৰ পাছতো মৃতদেহটোৰ পৰিয়ালৰ সন্ধান লাভ কৰা নাই। বাঙালী সম্প্ৰদায়ৰ বৃদ্ধা মহিলাগৰাকীৰ পিন্ধনত ডিঙিত তুলসীৰ মালা আৰু গাত বগা ৰঙৰ শাৰী আছে। ইতিমধ্যে মৃতদেহটোৰ পৰিয়ালৰ সন্ধান বিচাৰি ৰেল আৰক্ষীয়ে এটা ফোন নম্বৰ মুকলি কৰিছে। কোনো সদাশয় ব্যক্তিয়ে মৃত বৃদ্ধাগৰাকীৰ পৰিয়ালৰ সন্ধান লাভ কৰে তেন্তে যমুনামুখ জিআৰপিৰ ৮৮২২৪৪৩৭০১ এই নম্বৰটোত যোগাযোগ কৰিবলৈ অনুৰোধ জনায় আৰক্ষীয়ে।

## তামুলপুৰত ১৩৯০ টা বানাক্ৰান্ত পৰিয়ালক সাহায্য বিতৰণ মন্ত্ৰী কিষাণৰ



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২১ আগষ্ট ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত তামুলপুৰ আৰু গোৰেশ্বৰ ৰাজহ চক্ৰৰ অধীনস্থ বানাক্ৰান্ত পৰিয়ালসমূহৰ মাজত কালি সাহায্য বিতৰণৰ কৰা হয়। তামুলপুৰ জিলাৰ কচুবাৰীস্থিত শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰৰ সভাঘৰত মন্ত্ৰী সঞ্জয় কিষাণে এই কাৰ্যসূচীৰ আৰম্ভণি কৰে। লগতে অৰুণোদয় মাহ উপলক্ষে অৰুণোদয় আঁচনিৰ সামাজিক সমীক্ষা কাৰ্যসূচীৰো আৰম্ভণি কৰা হয়। তামুলপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত ডাঃ বেদাংগ তালুকদাৰে আঁত ধৰা সভাত তামুলপুৰ জিলাৰ উপায়ুক্ত সীমান্ত কুমাৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰে। অসম চৰকাৰে বানপীড়িতসকলক পুনৰ সংস্থাপনৰ লক্ষ্যৰে এই আৰ্থিক অনুদান প্ৰদান কৰা হয়। তামুলপুৰ জিলাৰ ৫১খন ৰাজহ গাঁৱৰ ৬৯৮ টা সম্পূৰ্ণ আৰু ৬৯২ টা আংশিক মুঠ ১৩৯০ টা পৰিয়ালৰ বাসগৃহ শেহতীয়া বানত তচনচ হৈ গৈছিল। বানত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহক পুনৰ সংস্থাপন দিয়াৰ বাবে অসম চৰকাৰৰ পৰা ৯৫,১০০ টকাৰ আৰ্থিক সাহায্য দিয়ে। আংশিকভাৱে ক্ষতি হোৱা পৰিয়ালসমূহক ৩৮০০ টকা ক্ষতিপূৰণ হিচাপে সাহায্য দিয়া হয়। চেক বিতৰণ কাৰ্যসূচীত উপস্থিত থাকে অসম চৰকাৰৰ মন্ত্ৰী সঞ্জয় কিষাণৰ উপৰি তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, বিটিআৰৰ কাৰ্যবাহী সদস্য ৰনেন্দ্ৰ নাৰ্জাৰী, এমচিএলএ পৱিত্ৰ কুমাৰ বড়ো, হেমন্ত কুমাৰ ৰাভা ৰাজহ চক্ৰ বিষয়াসকলৰ উপস্থিতিৰ লগতে জিলা উপায়ুক্ত, তামুলপুৰ জিলা প্ৰশাসনৰ বিষয়ববীয়া আৰু হিতাধিকাৰীসকল উপস্থিত থাকে।

### ■ অৰুণোদয় আঁচনিৰ সামাজিক সমীক্ষাৰ আৰম্ভণি

## এনআৰএলৰ কুঞ্জকাননৰ ছাত্ৰ-ছাত্ৰীয়ে শংকৰদেৱ সাংস্কৃতিক কেন্দ্ৰলৈ আগবঢ়ালে আৰ্থিক অনুদান



**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ২১ আগষ্ট ঃ** নুমলীগড় শোধনাগাৰৰ কুঞ্জকাননৰ আৱাসী একাংশ ছাত্ৰ-ছাত্ৰীয়ে শংকৰী কলা-কৃষ্টিৰ প্ৰতি থকা নৱপ্ৰজন্মৰ দায়বদ্ধতা সম্পৰ্কে নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ দিনটোতেই ক্ৰমে অনুস্কা সন্দিকৈ, অভিষ্ঠ নন্দন বড়া, হেৰজ্যোতি বড়ো, দিব্যজ্যোতি বৰা, কৃষ্টি গোস্বামী, দেৱাংশী সন্দিকৈ, ৰাচিকা দাস, নিদৰ্শনা শৰ্মা, বৰ্ণিল শৰ্মা, ৰহনদ্বীপ বৰা, অভয় কলিতাকে আদি কৰি ছাত্ৰ-ছাত্ৰীসকলে কুঞ্জকাননত ঘৰে ঘৰে বিহুগীত গাই পোৱা টকাৰ ১৮ হেজাৰ টকা শংকৰদেৱ সাংস্কৃতিক কেন্দ্ৰৰ উত্তৰণৰ বাবে ৰাজহুৱাভাৱে অৰ্পণ কৰে। কৃষ্ণ জন্মাষ্টমীৰ এই পৱিত্ৰ দিনটোত অৰ্থভাগ অৰ্পণ কৰাৰ লগতে সেৱা লয়। ছাত্ৰ-ছাত্ৰীসকলে স্বতঃস্ফূৰ্তভাৱে ওলাই আহি এইদৰে মহৎ সিদ্ধান্ত গ্ৰহণ কৰাক লৈ অভিভাৱকসকলৰ লগতে বিভিন্ন মহলে শলাগ লৈছে।

## তামুলপুৰত সমাপ্ত হ'ল কৃষক মেলা

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২১ আগষ্ট ঃ** বিটিআৰৰ কৃষি বিভাগৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত কৃষকমেলাৰ ১৯ আগষ্টত সামৰণি পৰে। তামুলপুৰ মহকুমা কৃষি বিষয়াৰ কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত এই কৃষক মেলাৰ ১৮ আগষ্টত উদ্বোধন কৰে বিটিআৰৰ কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে। পুৱা ১০ বজাত অনুষ্ঠিত হয় উদ্বোধনী আৰু মহিলা আত্মসহায়ক গোটৰ মাজত এককালীন আৰ্থিক সাহায্যৰ চেক বিতৰণ কাৰ্যসূচী। প্ৰথম দিনটোৰ অনুষ্ঠানত তামুলপুৰ জিলাৰ অন্তৰ্গত ১৪টা মহিলা আত্মসহায়ক গোটক ১০ হেজাৰ টকাকৈ এককালীন সাহায্যৰ চেক বিতৰণ কৰা হয়। লগতে প্ৰাকৃতিক খেতিৰ ওপৰত প্ৰগতিশীল কৃষকসকলক প্ৰশিক্ষণ প্ৰদান কৰে উন্নয়ন বিষয়া ধৃতিৰঞ্জন ৰয়ে। বিজ্ঞানসন্মত মৎস্য পালন শীৰ্ষক বিষয়ৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে মীন উন্নয়ন বিষয়া অভিজিৎ চৌধুৰীয়ে। উল্লেখ্য যে এই কৃষক মেলাত তামুলপুৰ জিলাৰ ২৪৩ গৰাকী প্ৰগতিশীল কৃষকে প্ৰশিক্ষণ গ্ৰহণ কৰে। ইয়াৰ উপৰি কৃষি বিভাগৰ লগতে কৃষি বিভাগৰ লগত সংপৃক্ত আন আন বিভাগসমূহে প্ৰদৰ্শনীত ভাগ লয়। ১৯ আগষ্টত পুৱা ১০ বজাৰ পৰা দিনৰ ১২ বজালৈ সুসংহত শস্য ৰক্ষা ব্যৱস্থাপনা শীৰ্ষক বিষয়ৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰে বাগ্‌সা জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ সুনীল ভট্টাচাৰ্যই। ১২ বজাৰ পৰা এক বজালৈ তামুলপুৰ জিলাত উদ্যান শস্যৰ সমস্যা আৰু সম্ভাৱনা সম্পৰ্কে বৌদ্ধিক প্ৰদান কৰে কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ ৰক্তিম বৰুৱাই। দিনৰ দুই বজাৰ পৰা তিনি বজালৈ জৈৱিক খেতিৰ ওপৰত প্ৰশিক্ষণ আগবঢ়ায় কৃষিবিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ কংকু ডেকাই। ইপিনে, সিদিনা দিনৰ ভাগত প্ৰগতিশীল কৃষকসকলৰ লগত মতবিনিময় কৰে বিটিআৰৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাস, ৰনেন্দ্ৰ নাৰ্জাৰী আৰু তামুলপুৰৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মোছাহাৰীয়ে। সিদিনাই তামুলপুৰৰ তিনিজনআদৰ্শ কৃষক ক্ৰমে প্ৰদীপ ব্ৰহ্ম, চন্দ্ৰধৰ ব্ৰহ্ম আৰু বিপিন বড়োক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**ধিং, ২১ আগষ্ট ঃ** বিগত বছৰসমূহৰ দৰে এইবাৰো ধিং আঞ্চলিক ছাত্ৰ সন্থাই হাইস্কুল আৰু হাইমাদ্ৰাছাৰ লগতে উচ্চতৰ মাধ্যমিক (কলা, বাণিজ্য আৰু বিজ্ঞান) চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ধিঙলৈ গৌৰৱ কঢ়িয়াই অনা কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ লগতে এই শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীসকল আৰু অসম যুৱ অলিম্পিক ২০২২ত সোণ আৰু ব্ৰঞ্জৰ পদক অৰ্জন কৰি বৃহত্তৰ ধিং অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনা খেলুৱৈসকলক কালি ধিং কে, বি উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অভিনন্দন আৰু সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে আছুৰ শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱা, নিৰ্দিষ্ট বক্তাৰূপে বিশিষ্ট সাংবাদিক চক্ৰপানী পৰাশৰ উপস্থিত থকাৰ বিপৰীতে বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বিলিভিয়া চৌধুৰী। অনুষ্ঠানত আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰণ্টু শৰ্মা আৰু তথ্য সম্পাদক মৃদুল হাজৰিকা, নিমন্ত্ৰিত অতিথিৰূপে ধিং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিতু দাস, ধিং কে বি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল কালাম, আছুৰ নগাঁও জিলাৰ সভাপতি গৌৰীশংকৰ শইকীয়া, ভাৰপ্ৰাপ্ত সম্পাদক কংকনজ্যোতি বৰুৱা আৰু বটদ্ৰৱা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া দিলীপ সৰকাৰৰ লগতে ধিং আছুৰ দিব্যজ্যোতি দাস, সম্পাদক দেৱজিৎ নাথ, উপদেষ্টা ভাস্কৰজ্যোতি নাথ আৰু হীৰকজ্যোতি বৰা উপস্থিত থাকে। উল্লেখ্য যে কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অসম যুৱ অলিম্পিক-২০২২ত পদক অৰ্জন কৰা অৱন্তিকা তালুকদাৰ, নিয়ৰ নীলম শিৰমে আৰ্টিষ্টিক পেয়াৰত সোণৰ পদক, চায়ন কৰ্মকাৰ আৰু ৰিজাছ হাজৰিকা ৰিদিমিক পেয়াৰত সোণৰ পদক আৰু নিৰাজ দেৱনাথ আৰু ভাৰ্গৱজ্যোতি বৰা ৰিদিমিক পেয়াৰত ব্ৰঞ্জৰ পদক লাভ কৰা সকলক অভিনন্দন আৰু সম্বৰ্ধনা জনোৱা হয়।

■ তামাৰহাটত 'মিত্ৰ সেৱা'ৰ সংবাদমেল


## অসম-বংগ সীমান্তত 'মিত্ৰ সেৱা' বিত্তীয় প্ৰতিষ্ঠানৰ ব্যৱসায় বৃদ্ধিৰ লক্ষ্য



অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ২১ আগষ্ট ঃ** দেশৰ কেইখনমান ৰাজ্যত ব্যৱসায় চলাই অহা 'মিত্ৰ সেৱা' নামৰ বিত্তীয় প্ৰতিষ্ঠানটোৱে ধুবুৰী জিলাৰ অসম-বংগ সীমান্তৱৰ্তী অঞ্চলসমূহত ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিত্তীয় প্ৰতিষ্ঠানটোৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুৰব্বী পিন্টু সৰকাৰে কালি তামাৰহাট প্ৰেছ ক্লাবত সংবাদমেল অনুষ্ঠিত কৰি এই বিষয়ে সাংবাদিকক অৱগত কৰে। সংবাদমেল সম্বোধন কৰি পিন্টু সৰকাৰে কয় যে এলাহাবাদ বেংকৰ প্ৰাক্তন পৰিচালন সঞ্চালক প্ৰেমসিং আজাদৰ প্ৰচেষ্টাত ২০২১ৰ ২০ জানুৱাৰীৰ দিনা 'মিত্ৰ সেৱা' নামৰ বিত্তীয় প্ৰতিষ্ঠানটোৰ জন্ম হয়। তেতিয়াৰ পৰাই মিত্ৰ সেৱাই ভাৰতবৰ্ষৰ কেইখনমান ৰাজ্যৰ লগতে অসমৰ বিভিন্ন ঠাইত ব্যৱসায় চলাই আছে। মিত্ৰ সেৱা বিত্তীয় প্ৰতিষ্ঠানটোৱে ইতিমধ্যে মিত্ৰ সেৱা নিধি বেংক, মিত্ৰ সেৱা মাক্ৰ'ফাইনেন্স, মিত্ৰ সেৱা বীমা কোম্পানীকে ধৰি মুঠ পাঁচটা বিত্তীয় প্ৰতিষ্ঠানৰে ব্যৱসায় চলাই আছে বুলি মিত্ৰ সেৱাৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুৰব্বীগৰাকীয়ে সংবাদমেলখনত উল্লেখ কৰে। ইয়াৰ উপৰি মিত্ৰ সেৱাৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুৰব্বীগৰাকীয়ে কয় যে মিত্ৰ সেৱাৰ অধীনৰ গ্ৰাহক সেৱা কেন্দ্ৰসমূহৰ জৰিয়তে গ্ৰাহকসকলে যিকোনো বেংকৰ লেনদেন, জীৱন বীমা, টিভি আৰু ম'বাইল ৰিচাৰ্জ, চালকৰ অনুজ্ঞাপত্ৰ আৰু যিকোনো চৰকাৰী-বেচৰকাৰী চাকৰিৰ বাবে অনলাইন যোগে আবেদন, বাণিজ্যিক বা যি কোনো ঋণৰ বাবে অনলাইন আবেদন আৰু পানকাৰ্ডৰ বাবে আবেদন কৰিব পাৰিব। উক্ত সংবাদমেলত মিত্ৰ সেৱাৰ উত্তৰ-পূৰ্বাঞ্চলৰ মুৰব্বী পিন্টু সৰকাৰৰ লগতে ধুবুৰীস্থিত প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখ্য যে সংবাদমেল অনুষ্ঠিত কৰাৰ পূৰ্বে মিত্ৰ সেৱাৰ কৰ্মীসকলে তামাৰহাট প্ৰেছ ক্লাব প্ৰাংগণত এখন সজাগতামূলক সভাও অনুষ্ঠিত কৰে।

## মুছলপুৰ ৰেইনবো একাডেমীৰ নৱাগত আদৰণি সভা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২১ আগষ্ট ঃ** মুছলপুৰ অঞ্চলৰ ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ৰেইনবো একাডেমীৰ নৱাগত আদৰণি সভা কালি দিনজোৰাকৈ অনুষ্ঠিত হয়। পুৱাৰ ভাগত প্ৰথমবৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ স'তে দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ চা-চিনাকি অনুষ্ঠান ৰূপায়ণ হয়। ৰেইনবো একাডেমীৰ অধ্যক্ষ চক্ৰপাণি দাসৰ সভাপতিত্বত অনুষ্ঠিত হয় নৱাগত আদৰণি সভাখন। সভাত নিৰ্দিষ্ট বক্তা হিচাপে বাগ্‌সাৰ নিৰ্বাচনী বিষয়া মানবেন্দ্ৰ ভৰালীয়ে অংশ লৈ ছাত্ৰ-ছাত্ৰীসকলক লক্ষ্য স্থিৰ কৰি পঢ়া জীৱনত আগুৱাই যাবলৈ আহ্বান জনায়। কেৱল চিকিৎসক বা অভিযন্তাই শেষ চাকৰি নহয়। কলা শাখাত পঢ়াসকলে অসম অসামৰিক সেৱাৰ বা আৰক্ষী বাহিনীৰ শীৰ্ষ পদবীধাৰী চাকৰি পোৱাৰ বাবে নিজকে যোগ্য বুলি ভাবিবলৈ আহ্বান জনায়। সভাত অংশ লৈ গাৰামদেউ হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী ৰীতা মিশ্ৰই ছাত্ৰ-ছাত্ৰীসকলক অধিক অধ্যয়নশীল হ'বলৈ আহ্বান জনায়। প্ৰতিযোগিতাত তিষ্ঠিব লগা হ'লে কঠোৰ অধ্যয়ন অতি দৰকাৰ বুলি কয়। সভাত নিমন্ত্ৰিত অতিথি হিচাপে বৰবৰী নেহৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ৰামচন্দ্ৰ দাসে অংশ লৈ কয় যে জীৱন যুদ্ধত জয়ী হ'বলৈ হ'লে সৰুৰে পৰা অধ্যয়নত গুৰুত্ব দিব লাগিব। প্ৰতিটো বিষয় খৰচি মাৰি পঢ়িব লাগিব। বোকা খেলা দিলো নহ'ব। সভাত মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ঘনাকান্ত কলিতাৰ লগতে পৰিচালনা সমিতিৰ কৰ্মকৰ্তাসকলে ভাগ লয়। সভাত প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য গীত পৰিৱেশন কৰে। সদ্য সমাপ্ত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিশেষ সফলতা দেখুওৱা বাবে একাডেমীৰ ছাত্ৰ চম্পক ডেকা আৰু দিগন্ত ৰয়ক বঁটা প্ৰদান কৰা হয়।

## দৰঙত গাৰ্হস্থ্য হিংসা প্ৰতিৰোধী আৰু নাৰী সৰবৰাহ আইনৰ সজাগতা সভা

বিশেষ সংবাদদাতা

**মঙলদৈ, ২১ আগষ্ট ঃ** ৰাষ্ট্ৰীয় মহিলা আয়োগৰ সৌজন্যত আৰু অসম ৰাজ্যিক মহিলা আয়োগৰ উদ্যোগত তথা দৰং জিলা প্ৰশাসন আৰু দৰং জিলা সমাজ কল্যাণ বিভাগৰ যুটীয়া সহযোগত যোৱা ১৭ আগষ্টত দলগাঁৱৰ কৌপাতিস্থিত বল্লভ ভাই পেটেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত 'গাৰ্হস্থ্য হিংসা প্ৰতিৰোধী আইন ২০০৫' আৰু 'নাৰী সৰবৰাহ আইন' সম্পৰ্কীয় এখন সজাগতা সভা অনুষ্ঠিত হয়। সমাজ কল্যাণ বিভাগৰ মহিলা সবলীকৰণ কেন্দ্ৰৰ জিলা অভিযান সমন্বয়ক মৌচুমী কলিতাই আঁত ধৰা সভাখনৰ উদ্বোধন কৰে দৰং জিলাৰ অতিৰিক্ত উপায়ুক্ত পল্লবী কছাৰীয়ে। সভাত 'নাৰী সৰবৰাহ আইন' শীৰ্ষক বিষয়বস্তুৰ বাবে সমল ব্যক্তিৰূপে উপস্থিত থাকে দৰঙৰ উপ-আৰক্ষী অধীক্ষক প্ৰাঞ্জল বৰা। একেদৰে 'গাৰ্হস্থ্য হিংসাৰ প্ৰতিৰোধী আইন, ২০০৫' শীৰ্ষক বিষয়ৰ ওপৰত সমল ব্যক্তিদ্বয় ক্ৰমে মঙলদৈ আইন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক লুটফুৰ জামান আৰু দৰং জিলা আইন প্ৰাধিকাৰী সেৱাৰ আব্দুল মালিক উপস্থিত থাকে। ইয়াৰ উপৰি মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা হেমপ্ৰভা বৰঠাকুৰ, উপাধ্যক্ষা নিলীমা দেৱী, সদস্যা ববিতা শৰ্মা আৰু পৰমা দাস, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস আৰু খাৰুপেটীয়া পৌৰসভাৰ পৌৰনেত্ৰী কৃষ্ণা সাহা আদি উপস্থিত থাকি তেওঁলোকৰ বক্তব্য আগবঢ়ায়। ইয়াৰ লগত সংগতি ৰাখি দলগাঁও সংহত শিশু উন্নয়ন প্ৰকল্পৰ মুখ্য সেৱিকা সাগৰিকা খাটনিয়াৰ, অংগনৱাড়ী কৰ্মী কল্পনা স্বৰ্গীয়াৰী আৰু অসম ৰাজ্যিক মহিলা আয়োগৰ সদস্যা তথা জনপ্ৰিয় কণ্ঠশিল্পী ববিতা শৰ্মাই এটিকৈ গীত পৰিৱেশন কৰে। প্ৰায় চাৰি শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাৰ সামৰণি পৰে দৰং জিলা সমাজ কল্যাণ বিষয়া ৰাজলক্ষ্মী দেউৰীয়ে আগবঢ়োৱা শলাগৰ শৰাইৰে।

## আংগাৰকাটাত মৃতদেহ উদ্ধাৰ

বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ২১ আগষ্ট ঃ** পশ্চিম বিলাসীপাৰাৰ বগৰীবাৰী আৰক্ষী থানাৰ অন্তৰ্গত আংগাৰকাটাত আজি পুৱাৰ ভাগত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত ক্ষত-বিক্ষত মৃতদেহটো পৰি থকা প্ৰত্যক্ষ কৰি স্থানীয় লোকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। পাছত ঘটনা সন্দৰ্ভত বগৰীবাৰী আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ দল এটাই ঘটনাস্থলীত উপস্থিত হয়। বগৰীবাৰী আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি তদন্ত অব্যাহত ৰাখিছে যদিও ঘটনা সন্দৰ্ভত কোনো শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই। ইফালে, মৃতদেহটোৰ মূৰত আঘাতৰ চিন স্পষ্ট হৈ থকাত এয়া পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ কৰিছে নিহতৰ পৰিয়ালৰ লোকে।
দুষ্কৃতিকাৰীয়ে যুৱকজনক হত্যা কৰি পথৰ দাঁতিত পেলাই থোৱা বুলি সন্দেহ কৰিছে পৰিয়ালে। মৃত যুৱকজন ধুবুৰী জিলা সদৰ চহৰৰ বিদ্যাপাৰা ষ্টেছন ৰোডৰ নবিউল ইছলাম বুলি চিনাক্ত কৰা হৈছে।

■ চাৰিশ বছৰীয়া জয়ন্তী উপলক্ষে তেজপুৰত বিশেষ সূচী

# জাতীয় বীৰ লাচিত এইবাৰ মঞ্চত

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২১ আগষ্ট ঃ** অহা অক্টোবৰৰ ভিতৰত জাতীয় বীৰ লাচিত বৰফুকনৰ গৌৰৱ গাঁথাৰে তেজপুৰত মঞ্চায়ন কৰা হ'ব এখন নাটক। কালি ঐতিহ্যমণ্ডিত জ্যোতি ভাৰতীত দিনৰ ১০-৩০ বজাত অনুষ্ঠিত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰা হয়। তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, ৰাজ্যৰ মঞ্চ তথা চলচ্চিত্ৰ জগতৰ বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়াই অংশগ্ৰহণ কৰা সংবাদমেলত মহাবীৰ লচিত বৰফুকনৰ চাৰিশ বছৰীয়া জয়ন্তীৰ স'তে সংগতি ৰাখি এই নটকখনৰ লগতে অন্যান্য কাৰ্যসূচী গ্ৰহণ কৰাৰ বিষয়ে সদৰী কৰা হয়। প্ৰণিধানযোগ্য যে তেজপুৰৰ সাংস্কৃতিক সংস্থা অসম ৰেপাৰটৰীৰ সভাপতি ডঃ প্ৰদীপ লহকৰ, ৰাজ্য চৰকাৰৰ শিল্পী পেঞ্চন প্ৰাপক জান তালুকদাৰৰ অংশগ্ৰহণৰে অনুষ্ঠিত এই সংবাদমেলত প্ৰকাশ কৰা হয় যে শোণিতপুৰ প্ৰশাসনৰ সহযোগত ৰেপাৰটৰীয়ে নয়ন ভট্টাচাৰ্যৰ গ্ৰন্থ বুৰঞ্জী লিখা তৰোৱালৰ আধাৰত নাট্যকাৰ পুলক কুমাৰ ডেকাৰ ৰচনা আৰু পৰিচালনাৰে মহাবীৰ লাচিতক মঞ্চত তুলি ধৰা হ'ব। সংবাদমেলত উপস্থিত থাকে অভিনেতা প্ৰাঞ্জল শইকীয়াই নাটকৰ লগতে কবি আৰু কবিতাৰ প্ৰসংগৰে তথা আবৃত্তিৰে এক অনন্য পৰিৱেশ ৰচনা কৰাৰ লগতে এই বিশেষ নাটকখনৰ এটা চৰিত্ৰ ৰূপায়ণ কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয় যে মহাবীৰ লাচিতৰ বিষয়ে চৰ্চা হোৱাটো প্ৰয়োজন। নতুন প্ৰজন্মই ৰাজ্যৰ প্ৰতিজন জাতীয় বীৰৰ বিষয়ে জনাৰ লগতে লাচিতৰ দৰে জাতীয় বীৰক দেশ তথা বিশ্বই জানিব লাগে বুলিও কয়। জাতিৰ ওপৰত সময়ে সময়ে সংকট আহে আৰু সেয়া প্ৰতিহত নকৰিলে ভৱিষ্যতে অসমীয়া জাতিৰ পৰিচয় নাথাকিব বুলি অভিনেতাজনে উল্লেখ কৰি কয় যে 'আমি কবি আৰু যোদ্ধাক সন্মান জনাওঁ'। উল্লেখ্য যে জাতীয় বীৰ লাচিতৰ চৰ্চিত অথবা সেই সময়ৰ অতি গুৰুত্বপূৰ্ণ কিন্তু বিশেষ চৰ্চা নোহোৱা কিছু বিষয়ো তুলি ধৰা হ'ব এই লাচিত বুৰঞ্জী লিখা তৰোৱাল শীৰ্ষক নাটকখনত। প্ৰায় দুঘণ্টা দৈৰ্ঘ্যৰ নাটখনৰ বাবে অভিনেতা-অভিনেত্ৰী নিৰ্বাচনৰ কাম শীঘ্ৰেই সম্পন্ন, আখৰা আৰম্ভ কৰা হ'ব বুলিও প্ৰকাশ কৰিছে নাট্যকাৰ পৰিচালক ডেকাই। ইপিনে এই বিশেষ নাটকখনত বিধায়ক তথা অভিনেতা পৃথ্বিৰাজ ৰাভায়ো অভিনয় কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। সংবাদমেলত গ্ৰন্থখনৰ লেখক নয়ন ভট্টাচাৰ্য উপস্থিত থাকে।

## পাটাছাৰকুছিত মন্টু কুমাৰ শৰ্মা সোঁৱৰণী প্ৰাগজ্যোতি একাংক নাট প্ৰতিযোগিতা

**পাটাছাৰকুছি, ২১ আগষ্ট ঃ** বজালী জিলাৰ অন্যতম সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়া অনুষ্ঠান পাটাছাৰকুছিস্থিত প্ৰাগজ্যোতি ক্লাবৰ উদ্যোগত অহা ২২ অক্টোবৰত মন্টু কুমাৰ শৰ্মা সোঁৱৰণী পঞ্চম সংখ্যক সদৌ অসম প্ৰাগজ্যোতি একাংক নাট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উক্ত প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ দলে ১৫,০০০ টকা, দ্বিতীয় শ্ৰেষ্ঠ দলে ১০,০০০ টকা, তৃতীয় শ্ৰেষ্ঠ দলে ৭,০০০ টকা, প্ৰথম শ্ৰেষ্ঠ অভিনেতাই ৪,০০০ টকা, দ্বিতীয় শ্ৰেষ্ঠ অভিনেতাই ৩,০০০ টকা, তৃতীয় শ্ৰেষ্ঠ অভিনেতাই ২,০০০ টকা, প্ৰথম শ্ৰেষ্ঠ অভিনেত্ৰীয়ে ৪,০০০ টকা, দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰীয়ে ৩,০০০ টকা, তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰীয়ে ২,০০০ টকা, শ্ৰেষ্ঠ শিশু শিল্পীয়ে ২,০০০ টকা, শ্ৰেষ্ঠ কৌতুক অভিনেতাই ২,০০০ টকা, শ্ৰেষ্ঠ নাট্যকাৰে ৩,০০০ টকা, শ্ৰেষ্ঠ পৰিচালকে ৩,০০০ টকা আৰু শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলে ৩,০০০ টকা নগদ ধনৰ লগতে বঁটা আৰু প্ৰমাণপত্ৰ লাভ কৰিব। প্ৰতিযোগিতাত যোগদান কৰিব বিচৰা ইচ্ছুক দলসমূহে অহা ২০ ছেপ্টেম্বৰৰ ভিতৰত যোগাযোগ কৰি পাণ্ডুলিপি জমা দিয়াৰ বাবে একাংক নাট পৰিচালনা সমিতিৰ সভাপতি প্ৰহ্লাদ পাঠক আৰু সম্পাদক সতীশ ডেকাই অনুৰোধ জনাইছে। প্ৰতিযোগিতাৰ যোগদানৰ ভৰ্তি মাচুল ৫০০ টকা। যোগাযোগৰ ঠিকনা-সভাপতি-সম্পাদক, নাট পৰিচালনা সমিতি, প্ৰাগজ্যোতি ক্লাব, পাটাছাৰকুছি, জিলা-বজালী (অসম), পিন-৭৮১৩২৬, ম'বাইল ফোন নম্বৰ-৯৮৫৪৪৯০৬০৮, ৯৯৫৭০৩৯১২৬, ৯৩৬৫৪২৪৯৪১।

## চিৰাঙৰ বাতাগাঁৱত অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্ধনা জ্ঞাপন



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২১ আগষ্ট ঃ** সুদীৰ্ঘ কাল শিক্ষকতাৰ স'তে জড়িত থাকি মানৱ সম্পদ গঢ় দিয়াত বিশেষ ভূমিকা গ্ৰহণ কৰা চিৰাং জিলাৰ নেহালগাঁও নিৱাসী শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী দ্বিজেন চন্দ্ৰ ৰায়ক কালি বিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে অৱসৰপ্ৰাপ্ত শিক্ষক ৰায়ে জিলাখনৰ ৯৫২ নম্বৰ বাতাগাঁও প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষকৰূপে বিগত ১৯৯০ৰ পৰা যোৱা পহিলা জুলাইলৈ ২০২২ৰ লৈ সুদীৰ্ঘ ৩১ বছৰ স'তে মাহ ২৫ দিন শিক্ষকতা কৰি অৱসৰ গ্ৰহণ কৰে। প্ৰাথমিক বিদ্যালয়খনত শিক্ষকৰূপে কৰ্মজীৱন আৰম্ভ কৰি একান্ত নিষ্ঠা আৰু একাগ্ৰতাৰে কণ কণ ল'ৰা-ছোৱালীসকলক জ্ঞানৰ পোহৰ বিলাই মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত তথা দেশবাসীৰ কাৰণে যি অমূল্য অৱদান আগবঢ়ালে তাৰ বাবে বিদ্যালয় পৰিচালনা সমিতিৰ তৰফৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰে। গুৱাবাৰী প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ উদ্যোগত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উপস্থিত থকা শিক্ষক-শিক্ষয়িত্ৰী তথা ৰাইজে একান্ত নিষ্ঠাবান শিক্ষকজনৰ বিদায় সম্বৰ্ধনা অনুষ্ঠানত সুদীৰ্ঘ শিক্ষকতা জীৱনৰ নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে বহুতো কষ্ট স্বীকাৰ কৰি নিস্বাৰ্থভাৱে কাম কৰি আহি নিয়ম অনুসৰি প্ৰবীণ বয়সত শিক্ষকতা জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাত শিক্ষক সমাজৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল বুলি উল্লেখ কৰে। অনুষ্ঠানত ৯৫২ নম্বৰ বাতাগাঁও প্ৰাথমিক বিদ্যালয় আৰু গুৱাবাৰী প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ তৰফৰ পৰা ভাগৱত, গীতা, গামোচা, শৰাই, ছাতি, বস্ত্ৰ আৰু নগদ ধনেৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে।



বঙাইগাঁৱত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সতীৰ্থ সমাৰোহ অনুষ্ঠানৰ দৃশ্য।

## চৰকাৰৰ প্ৰশাসনিক সংস্কাৰ বিপ্লৱৰ ফল ৰাইজে পাইছে

■ ধুবুৰীত বানাক্ৰান্তক অনুদানৰ চেক বিতৰণ



**ধুবুৰী, ২১ আগষ্ট ঃ** 'মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আমাৰ চৰকাৰে প্ৰথমৰে পৰা প্ৰশাসনিক সংস্কাৰৰ যি বিপ্লৱ আৰম্ভ কৰিছিল তাৰ ফল আপোনালোকে পাবলৈ লৈছে। চৰকাৰ আৰু বানাক্ৰান্তৰ মাজত কোনোধৰণৰ ব্যৱধান নোহোৱাকৈ সাহায্য দিয়া হৈছে। ইমান ক্ষিপ্ৰতাৰে আৰু নিকাকৈ বানাক্ৰান্তক চৰকাৰী অনুদান দিয়াৰ ঘটনা অসমৰ ইতিহাসত এয়ে প্ৰথম।' কালি ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত ধুবুৰী জিলাৰ বাবে অৰুণোদয় মাহৰ আৰম্ভ কৰে আৰু ২০২২ৰ বানত বাসগৃহ ধ্বংস বা ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ মাজত প্ৰতীকী চেক বিতৰণ কৰি অসম চৰকাৰৰ জলসিঞ্চন, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংঘালে এইদৰে কয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থকা মন্ত্ৰী সিংঘালে লগতে কয় যে অৰুণোদয় আঁচনিৰ বাবে যোগ্য এগৰাকীও দুখীয়া মহিলা যাতে বাদ নপৰে আৰু এগৰাকীও ধনী হিতাধিকাৰীয়ে এই আঁচনিৰ সুবিধা যাতে পাব নোৱাৰে তাক নিশ্চিত কৰাৰ বাবেই অৰুণোদয় মাহত সমীক্ষা কৰা হ'ব। ধুবুৰী জিলাত ২২১ টা ভেৰিফিকেছন দলত মুঠ ৪৫৯ গৰাকী সদস্যই অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সমীক্ষা চলাব। ১৪২ গৰাকী ছুপাৰভাইজৰ থাকিব।

উল্লেখ্য যে অৰুণোদয় আঁচনিখনৰ কাৰ্যকৰীকৰণ আৰু প্ৰভাৱ নিৰ্ধাৰণ কৰাৰ লগতে অসমৰ আৰ্থিকভাৱে পিছপৰা মহিলাসকল যাতে লাভান্বিত হয় সেই উদ্দেশ্যে অৰুণোদয় মাহৰ আৰম্ভ কৰা হৈছে। পৰিদৰ্শনকাৰী দলে অৰুণোদয় হিতাধিকাৰীৰ ঘৰে ঘৰে গৈ সমীক্ষাৰ যোগে তথ্য সংগ্ৰহ কৰি ম'বাইল এপ্লিকেছনত লিপিবদ্ধ কৰিব। স্বচ্ছ আৰু নিকাভাৱে সকলো হিতাধিকাৰীৰ নাম, ঠিকনা আৰু আনুষংগিক তথ্য অন্তৰ্ভুক্ত কৰা হ'ব। আনহাতে, ২০২২ৰ বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক পুনৰ সংস্থাপনৰ অনুদান হিচাপে তেওঁলোকৰ বেংক একাউন্টত পোনপটীয়াকৈ ধন আদায় দিয়াৰ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। ধুবুৰী জিলাত মুঠ ১,০৩৩ টা পৰিয়ালৰ বাসগৃহ, সম্পূৰ্ণৰূপে বা আংশিকভাৱে নষ্ট হৈছে। তেওঁলোকৰ অধিকাংশই নিজৰ বেংক একাউন্টযোগে ইতিমধ্যে চৰকাৰী অনুদান পাইছে। একাউন্ট নম্বৰ ভুল হৈ থকাসকলেও শুধৰণিৰ পাছতে অনুদান পাব। চৰকাৰী অনুদানৰ বাবে তালিকাভুক্ত পৰিয়ালসমূহৰ মাজৰ পাঁচটা পৰিয়ালৰ মুৰব্বীক আজিৰ অনুষ্ঠানত চেক বিতৰণ কৰে মন্ত্ৰী সিংঘালে। ধুবুৰীৰ উপায়ুক্ত এম পিয়ে আদৰণি ভাষণ দিয়া অনুষ্ঠানত অসম চৰকাৰৰ প্ৰধান সচিব তথা ধুবুৰী জিলাৰ অভিভাৱক সচিব ডাঃ জে বি এক্কা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ভাষণ দিয়ে। অনুষ্ঠানত ধুবুৰী পৌৰসভাৰ সভাপতি ডাঃ দেৱময় সান্যাল, প্ৰাক্তন বিধায়ক অশোক কুমাৰ সিংঘী, অশ্বিনী ৰায় সৰকাৰ প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তি, অৰুণোদয় আঁচনিৰ সমীক্ষাকাৰী দলৰ সদস্যসকল, অনুদান লাভ কৰা কে'বাটাও বানাক্ৰান্ত পৰিয়ালৰ সদস্য উপস্থিত থাকে।

## বগীনদী শংকৰদেৱ শিশু নিকেতনত উত্তৰ লখিমপুৰ সংকুলৰ জ্ঞান-বিজ্ঞান মেলা



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২১ আগষ্ট ঃ** ৰাষ্ট্ৰীয় পৰ্যায়ৰ জ্ঞান-বিজ্ঞান মেলা তথা বগীনদী শংকৰদেৱ শিশু নিকেতনৰ ২০২২-২৩ৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থান শিশু শিক্ষা সমিতি অসম তথা উত্তৰ লখিমপুৰ সংকুলৰ উদ্যোগত বগীনদী শংকৰদেৱ শিশু নিকেতনত কালি এদিনীয়া জ্ঞান- বিজ্ঞান মেলা অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীৰ বিজ্ঞান ধাৰণা বিজ্ঞানৰ প্ৰতি আকৰ্ষিত কৰাৰ লক্ষ্যৰে অনুষ্ঠিত কৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে বগীনদী হাইস্কুলৰ প্ৰধান শিক্ষক ফটিক শৰ্মাই। জ্ঞান-বিজ্ঞান মেলাখন উদ্বোধন কৰে কদম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গোলোক শৰ্মাই। উদ্বোধনী ভাষণ প্ৰসংগত শৰ্মাই কয় যে বৰ্তমান গুণগত শিক্ষা তথা বিজ্ঞান শিক্ষা আহৰণত এনে ধৰণৰ বিজ্ঞান মেলাই ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত আগ্ৰহী কৰি তুলিব। বিজ্ঞান মেলাৰ লক্ষ্য, উদ্দেশ্য সম্পৰ্কে সোধা এক প্ৰশ্নৰ উত্তৰত বগীনদী শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য ঋষিৰাজ ৰিজালে ব্যক্ত কৰে যে এদিনীয়া এই বিজ্ঞান মেলাত বিভিন্ন নিকেতনৰ পৰা অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উৎসাহিত হোৱা দেখি আমাৰ শ্ৰম সাৰ্থক হৈছে বুলি ভাবিছো। উল্লেখ্য যে উক্ত বিজ্ঞান মেলাত ১০ খন বিদ্যালয়ৰ মুঠ দুশ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান আৰ্হি, গণিত আৰ্হি, বিজ্ঞান পত্ৰ বাচন, বৈদিক গণিত পত্ৰ বাচন কাহিনী কথন, বক্তৃতা প্ৰতিযোগিতা, বিজ্ঞান কুইজ বিষয়সমূহৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাসমূহৰ বিচাৰকৰূপে অমৃত শৰ্মা, নিৰঞ্জন দাস, বিপ্লৱ শইকীয়া, ছবিলাল উপাধ্যায়, ৰতনলাল সোণোৱাল আদিকে ধৰি প্ৰায় ২০ গৰাকী বিচাৰকে প্ৰতিযোগিতাসমূহ সুকলমে চলাই নিয়ে। এই বিজ্ঞান মেলাত ১০ খন নিকেতনৰ প্ৰধান আচাৰ্য-আচাৰ্যাৰ লগতে নিকেতনসমূহৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। তদুপৰি অনুষ্ঠানটোত বিজ্ঞান প্ৰমুখ তথা লখিমপুৰ শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য প্ৰদীপ হাজৰিকা, সংকুল প্ৰমুখ তথা নাওবৈচা শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য ঘনকান্ত নাথে বিজ্ঞান মেলাৰ সহযোগিতা আগবঢ়ায়।

## প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ অনুমোদনৰ নামত মৰনৈ গাঁও পঞ্চায়তত অনিয়মৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২১ আগষ্ট ঃ** মাটিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত মৰনৈ গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ অনুমোদনৰ নামত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উঠিছে। এই সন্দৰ্ভত কালি নেপালখুঁটি অঞ্চলৰ মফিদুল ইছলাম, ছহিদা খাতুন আৰু মকৰম আলীকে ধৰি মুঠ সাতজনকৈ লোকে গোৱালপাৰা জিলা উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। গাঁও পঞ্চায়তৰ সভাপতি আৰু স্থানীয় পঞ্চায়ত সদস্যই পকী গৃহ আৰু গাড়ী থকা ধনী পৰিয়ালক পিএমএৱাই আঁচনিৰ গৃহ নিৰ্মাণৰ বাবে পুঁজিৰ আবন্টন দিয়াৰ বিপৰীতে তালিকাত নাম থকা বহু দুখীয়া পৰিয়ালক গৃহৰ পৰা বঞ্চিত কৰা বুলি অভিযোগ পত্ৰত উল্লেখ কৰিছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে অভিযোগকাৰীসকলে। অৱশ্যে এই বাতৰি যুগুতোৱাৰ সময়ত পঞ্চায়ত সভাপতিজনৰ মন্তব্য জানিব পৰা হোৱা নাই।

## মহুৰামুখৰ ভৰালীপাৰত ঐতিহ্য-পৰম্পৰা ৰক্ষা কৰি নন্দোৎসৱ- বোকা ভাওনা উদ্‌যাপন

**খুমটাই, ২১ আগষ্ট ঃ** গোলাঘাট জিলাৰ মহুৰামুখৰ ভৰালীপাৰত কালি ঐতিহ্য-পৰম্পৰা ৰক্ষা কৰি দিনজোৰা কাৰ্যসূচীৰে পালন কৰে নন্দোৎসৱ আৰু বোকা ভাওনা। শ্ৰীকৃষ্ণ জন্মাষ্টমীৰ পাছত একাদশীৰ দিনটোত প্ৰতিবছৰে মহুৰামুখৰ ভৰালীপাৰ নামঘৰত উলহ-মালহেৰে নন্দোৎসৱ পতা হয়। পুৱা খোল প্ৰসংগৰে আৰম্ভ হোৱা দিনজোৰা কাৰ্যসূচীত গাঁৱৰ সকলো ৰাইজে অংশগ্ৰহণ কৰে। বোকাখাত মহকুমাৰ পালনাম সমিতিৰ সভাপতি বিনন্দ বৰুৱাই উদ্বোধন কৰা বোকা ভাওনাত অঞ্চলটোৰ শিশুসকলে অংশগ্ৰহণ কৰে। উল্লেখ্য যে প্ৰায় এশ বছৰ অতিক্ৰম কৰা এই নন্দোৎসৱৰ লগত সংগতি ৰাখি কৰা বোকা ভাওনাত গায়ন-বায়নৰ তালে তালে বোকাত লুতুৰি-পুতুৰি হৈ কণ কণ শিশুৰ লগতে যুৱকসকলে বোকা খেলে আৰু ইজনে সিজনলৈ বোকা ছটিয়াই ধেমালি কৰি মনৰ আনন্দ প্ৰকাশ কৰে। আজি এই অনুষ্ঠানত বোকাখাত মহকুমা পালনাম সমিতিৰ কাৰ্যকৰী সভাপতি পোনা গগৈ, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেশ্বৰ শইকীয়াৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তিক আয়োজক সমিতিয়ে সম্বৰ্ধনা জনায়।

# বানত বিধ্বস্ত বৰলীয়াৰ পূবপাৰৰ বাট-পথ যাতায়াতত দুৰ্ভোগ



## ■ শীঘ্ৰে মেৰামতিৰ দাবী ভুক্তভোগী ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২১ আগষ্ট ঃ** যোৱা ১৬ জুনত কামৰূপ আৰু নলবাৰী জিলাৰ সীমান্তৱৰ্তী বৰলীয়া নৈৰ দুঠাইত মথাউৰি ছিঙি নলবাৰী সমষ্টিৰ পূৰ্ণদৈচপৰা আৰু পূৰ্ণকামদেৱ গাঁৱৰ পূবপ্ৰান্তৰ লগতে হাজো সমষ্টিৰ অন্তৰ্গত পশ্চিম বড়িগোগ মৌজাৰ প্ৰায়বোৰ গাঁৱে জলমগ্ন হৈ পৰিছিল। বহুতৰে ঘৰ-দুৱাৰ উটুৱাই নিয়াৰ লগতে আশ্ৰয়হীন হৈ পৰিছিল কে'বাটাও পৰিয়াল। গৰু-ছাগলীকে ধৰি পোহনীয়া জীৱ-জন্তু আদিৰ বিলাই-বিপত্তিয়ে একপ্ৰকাৰ বিভীষিকাময় অৱস্থা হৈছিল সমগ্ৰ অঞ্চলটোত। আশ্ৰয় শিবিৰত চকুপানী টুকি বিনিদ্ৰ জীৱন কটাইছিল কতজনে। এতিয়া পানী শুকাইছে। কিন্তু দুৰ্ভাগ্যজনক কথা যে বানৰ প্ৰচণ্ড সোঁতে ঠায়ে ঠায়ে পথ আৰু কালভাৰ্ট উটুৱাই নি যোগাযোগ বিচ্ছিন্ন কৰি দিছে। ইয়াৰে একাংশ ৰাইজে ভগ্ন দলং আৰু কালভাৰ্টৰ ওপৰত বাঁহৰ সাঁকো বনাই যাতায়াতৰ উপযোগী কৰিছে। ইপিনে, কামৰূপ আৰু নলবাৰী জিলাৰ সীমামূৰীয়া পূৰ্ণদৈচপৰাত মৰোৱা কমলপুৰ পথৰ কালভাৰ্ট এটা বানে সম্পূৰ্ণৰূপে উটুৱাই নি দুয়ো জিলাৰ সংযোগ বিচ্ছিন্ন কৰি দিছিল। বৰ্তমান উক্ত ঠাইত লোকনিৰ্মাণ বিভাগৰ দ্বাৰা এখন বাঁহৰ দলং বনাইছিল যদিও যাতায়াতৰ নিৰ্ভৰযোগ্য হোৱা নাছিল দলংখন। সেয়েহে একাংশ ৰাইজৰ অভিযোগৰ ভিত্তিত 'দৈনিক অগ্ৰদূত'ত সবিস্তাৰে প্ৰচাৰ কৰা হৈছিল। উক্ত বাতৰিৰ পাছতে হাজো সমষ্টিৰ বিধায়িকাৰ তৎপৰতাত কালভাৰ্ট উটুৱাই নিয়া ঠাইৰ এটা অংশ বালিৰে পুতি যাতায়াতৰ সুবিধা কৰি দিছিল। কিন্তু দুৰ্ভাগ্যজনক কথা যে বালিৰে দুটা কালভাৰ্ট পুতি দিয়া উক্ত পথো ৰাইজৰ যাতায়াতৰ বাবে মসৃণ হোৱা নাই। মনকৰিবলগীয়া যে কামৰূপ আৰু নলবাৰী জিলা সংযোগী উক্ত মৰোৱা-কমলপুৰ পথটো এটা বৃহৎ অঞ্চলৰ একমাত্ৰ যোগাযোগৰ মাধ্যম। সেয়েহে উক্ত ভগ্ন পথছোৱা মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী সঞ্জয় কিষাণ, নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, নলবাৰী জিলাৰ অভিভাৱক মন্ত্ৰী, নন্দিতা গৰ্লোছা আৰু বিভাগীয় বিষয়া কৰ্মচাৰীয়ে প্ৰত্যক্ষ কৰি শীঘ্ৰে যাতায়াতৰ সুচল কৰাৰ আশ্বাস দিছিল। ইয়াৰ উপৰি মৰোৱা কমলপুৰ পথটো প্ৰায়ভাগ ঠাইতে খহনীয়া কৰি মৰণফান্দৰ সৃষ্টি কৰিছে। সেইসমূহো মেৰামতি কাৰৰ বাবে ৰাইজ তথা দল-সংগঠনৰ ১৩ পৃষ্ঠাত চাওক

# সেউজী ধৰণী ধুনীয়া প্ৰকল্পৰ প্ৰতিষ্ঠা দিৱসত অৰণ্য মানৱ যাদৱ পায়েং

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২০ আগষ্ট ঃ** গোলাঘাট জিলাৰ অন্যতম প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সামাজিক সংগঠন 'সেউজী ধৰণী ধুনীয়া প্ৰকল্প'ৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি পদ্মশ্ৰী যাদৱ পায়েঙে প্ৰাথমিক শ্ৰেণীৰ পৰা পৰিৱেশ শিক্ষা প্ৰদানৰ প্ৰয়োজনীয়তা উল্লেখ কৰি কয় যে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ পৰা প্ৰতি বছৰে একোটিকৈ গছপুলি ৰোপণৰ অভ্যাস কৰোৱাব লাগে। অৰণ্য মানৱজনে বিভিন্ন দেশত তেওঁক সন্মান জনোৱাৰ অভিজ্ঞতা ভিত্তিক বৰ্ণনাৰ বিষয়ে উল্লেখ কৰি কয় যে যিজনে প্ৰকৃতিক ভাল পায় সেইজনেহে প্ৰকৃততে পৃথিৱীক ভাল পায়। সেয়ে ছাত্ৰ-ছাত্ৰীসকলক শিশু অৱস্থাৰ পৰাই পৃথিৱীক ভাল পাবলৈ শিকাব লাগে। পৃথিৱীক ভাল পাবলৈ শিকোৱাটোৱেই তেওঁৰ কাম বুলি সভাত পায়েঙে ব্যক্ত কৰে। সেউজী ধৰণী ধুনীয়া প্ৰকল্পৰ সঞ্চালক ড° ৰাতুল চন্দ্ৰ বৰাৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত বৰুৱাবামুণগাঁও অঞ্চললৈ প্ৰথমবাৰৰ অহা পৃথিৱী বিখ্যাত প্ৰকৃতিপ্ৰেমীজনক 'সেউজী ধৰণী ধুনীয়া' প্ৰকল্পৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে বিপুলভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁক লৈ লিখা দুটি কবিতা পাঠ কৰা হয়। স্থানীয় শিশুসকলে পৰিৱেশন কৰা এটি সমবেত সংগীতেৰে শিঙৰাজান সামূহিক চ'ৰাত আৰম্ভ হোৱা সভাখন কুঁহিয়াৰ গৱেষণা কেন্দ্ৰ, বুঢ়ালিকচনৰ মুখ্য বিজ্ঞানী ১৩ পৃষ্ঠাত চাওক

# চতিয়া থানাত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন গৌৰৱোজ্জ্বল 'চতিয়া দিৱস'

## ছয় কিলোমিটাৰ দৈৰ্ঘ্যৰ মানৱ শৃংখলত অংশ ল'লে চতিয়াবাসীয়ে

অগ্ৰদূত বাৰ্তা

**চতিয়া, ২১ আগষ্ট ঃ** ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ স্মৃতি বিজড়িত ঐতিহাসিক চতিয়া থানাত কালি সদৌ চতিয়াবাসীয়ে দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিলে গৌৰৱোজ্জ্বল চতিয়া দিৱস। কাৰ্যসূচী অনুসৰি পুৱা চতিয়া থানাৰ পৰা নাগশংকৰলৈকে জুৰি প্ৰায় ছয় কিলোমিটাৰ দৈৰ্ঘ্যৰে অনুষ্ঠিত মানৱ শৃংখল অনুষ্ঠান মুকলি কৰে বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ আৰু বিশ্বনাথ আৰক্ষী অধীক্ষক নবীন সিঙে। মানৱ শৃংখল কাৰ্যসূচীত যোগদান কৰিলে চতিয়াৰ আত্মসহায়ক গোট জীৱিকা সখী, কৃষি সখী আৰু চতিয়াবাসীয়ে। ইয়াৰ পাছতে পুৱা চতিয়াৰ বিশিষ্ট মুক্তিযোদ্ধা হৰিপ্ৰসাদ মিশ্ৰক উদ্যোক্তা কমিটীৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰাৰ পাছতে



ঐতিহাসিক সাক্ষী চতিয়া থানাত 'চতিয়া দিৱস' উপলক্ষে ত্ৰিৰংগা পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে দেশৰ স্বাধীনতা সংগ্ৰামত মাতৃভূমিৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ ছহিদ আৰু মুক্তিযোদ্ধাসকলক ছহিদ তৰ্পণত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে বিশ্বনাথৰ উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে। পুৱা ১০ বজাত অনুষ্ঠিত স্মৃতি ৰোমন্থন সভাত ১৯৪২ৰ ২০ আগষ্টৰ ঐতিহাসিক ঘটনাৰ ওপৰত বিস্তৃত্ব ব্যাখ্যা প্ৰদান কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন ওজা দেৱে। তেওঁ কয় যে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এক ঐতিহাসিক সাক্ষী হ'ল ১৩ পৃষ্ঠাত চাওক

# ড° ভূপেন হাজৰিকাৰ নামত বঁটা প্ৰদান অনুষ্ঠানৰ সিদ্ধান্ত

## ■ নলবাৰী জিলা সাংস্কৃতিক মহাসভাৰ বিশেষ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২১ আগষ্ট ঃ** নলবাৰী চহৰৰ মমাত নগৰৰ ইউক্লিড একাডেমীত কালি সন্ধিয়া সাংস্কৃতিক মহাসভাৰ জিলা সমিতিৰ এখন বিশেষ সভা অনুষ্ঠিত হয়। জিলা সভাপতি সমীন্দ্ৰ নাথ মহন্তৰ সভাপতিত্বত আৰু সম্পাদক নৱ তালুকদাৰে আঁত ধৰা অনুষ্ঠানত প্ৰচাৰ সম্পাদক প্ৰাঞ্জল শৰ্মা, বিষয়ববীয়া দিলীপ কুমাৰ শৰ্মাসহ বহুসংখ্যক কাৰ্যকৰ্তা উপস্থিত থকা সভাত উমেশ বৰ্মন, প্ৰমোদ তালুকদাৰ, হিতেশ বৈশ্য, অৰ্চনা দেৱী, অখিল শৰ্মা, গৌৰী শংকৰ তালুকদাৰ, নৰেন দাস আদি ভাষণ ৰাখি সাংগঠনিক বিষয়ত আলোকপাত কৰে। সভাত আগন্তুক নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বঁটা প্ৰদান অনুষ্ঠান কেনেদৰে কৰা হব আৰু কোন শিল্পীক নিৰ্বাচিত কৰা হ'ব তাৰ ওপৰত আলোচনা। তদুপৰি অনুষ্ঠানত কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিনিধিসকলক আপ্যায়ন আৰু কাৰ্যসূচীৰ ওপৰত আলোচনা কৰা হয়। তদুপৰি আগন্তুক ২৮ আগষ্টত ওদালগুৰিৰ টংলাত অনুষ্ঠিত হ'ব লগা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত বিষয়টো উত্থাপন কৰাৰ বাবে আজিৰ সভাই নৱ তালুকদাৰ, ডাঃ সমৰ তালুকদাৰ, দিলীপ বৰ্মন, অৰ্চনা দেৱী, বিনু দেৱী, গৌৰীশংকৰ তালুকদাৰক দায়িত্ব অৰ্পণ কৰে। ইফালে, বঁটা প্ৰদান অনুষ্ঠানটোৰ স'তে সংগতি ৰাখি প্ৰকাশিত হ'বলগা স্মাৰক গ্ৰন্থৰ বাবে সভাই সমীন্দ্ৰ নাথ মহন্তক সভাপতি, হিতেশ বৈশ্য, অৰ্চনা দেৱীক উপ-সভাপতি, ডাঃ সমৰ তালুকদাৰক সম্পাদক, দিলীপ বৰ্মন, নৱ তালুকদাৰক সহযোগী সম্পাদকৰূপে লৈ এখন গ্ৰন্থ সম্পাদনা সমিতি গঠন কৰা হয়। সভাত প্ৰকাশৰ দিহা কৰা গ্ৰন্থখনত নলবাৰীৰ থলুৱা সংস্কৃতিৰ ইতিহাসক অগ্ৰাধিকাৰ দিয়াৰ বাবে সম্পাদনা সমিতিক সভাই পৰামৰ্শ দিয়ে।

# বিশ্বনাথতো অৰুণোদয় মাহ-২০২২ আৰম্ভ কৰিলে অভিভাৱক সচিবে

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২১ আগষ্ট ঃ** অৰুণোদয় আঁচনিখনৰ কাৰ্যকৰীকৰণ আৰু প্ৰভাৱ নিৰ্ধাৰণ কৰাৰ লগতে অসমৰ আৰ্থিকভাৱে পিছপৰা মহিলাসকল যাতে লাভান্বিত হয় সেই উদ্দেশ্যে ২০ আগষ্টৰ পৰা ২০ ছেপ্টেম্বৰলৈ ৰূপায়িত হ'ব লগা অৰুণোদয় মাহ-২০২২ বিশ্বনাথ জিলাতো কালি আৰম্ভ কৰা হয়। বিশ্বনাথৰ হিমালয় ভৱনত আজি দুপৰীয়া অনুষ্ঠিত এক আনুষ্ঠানিক সভাত এই অৰুণোদয় মাহৰ আৰম্ভ কৰে বিশ্বনাথৰ অভিভাৱক সচিব, মীন বিভাগৰ আয়ুক্ত সচিব তথা অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ পৰিচালন সঞ্চালক ৰাকেশ কুমাৰে। বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা, বিশ্বনাথৰ উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, বিশ্বনাথ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰদীপ সূত্ৰধৰ, অতিৰিক্ত উপায়ুক্ত কুলেন শৰ্মা, সহকাৰী আয়ুক্ত অনন্যা লহকৰৰ উপৰি জিলা প্ৰশাসনৰ কে'বাগৰাকীও বিষয়া তথা কৰ্মচাৰী আৰু ভালেসংখ্যক অৰুণোদয় হিতাধিকাৰী উপস্থিত থকা এই অনুষ্ঠানতে জিলাখনত বানত ক্ষতিগ্ৰস্ত হোৱা মুঠ ৭৫ টা পৰিয়ালক আৰ্থিক অনুদান বিতৰণৰো আৰম্ভ কৰা হয়।

## ■ বানত ক্ষতিগ্ৰস্ত ৭৫ টা পৰিয়ালক আৰ্থিক অনুদান বিতৰণ

তথ্য অনুসৰি, বিগত বানত সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হোৱা নটা পৰিয়ালক (পকী ঘৰ) ৯৫,১০০ টকাকৈ, আংশিকভাৱে ক্ষতিগ্ৰস্ত হোৱা (পকী ঘৰ) পাঁচটা পৰিয়ালক ৫২০০ টকাকৈ ১৩ পৃষ্ঠাত চাওক

# এনপিএছ কৰ্মচাৰী সন্থাৰ সৰ্বাত্মক কৰ্মবিৰতিলৈ ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সমৰ্থন

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২১ আগষ্ট ঃ** নতুন পেঞ্চন নীতি বাতিল কৰি অৱসৰপ্ৰাপ্ত জীৱনৰ আৰ্থিক সুৰক্ষাৰ হকে পুৰণি পেঞ্চন ব্যৱস্থা পুনৰ প্ৰতিষ্ঠাতাৰ সংগ্ৰাম আৰম্ভণি হিচাপে সদৌ অসম এন পি এছ কৰ্মচাৰী সংস্থাই কাইলৈ সৰ্বাত্মক কৰ্মবিৰতি পালনৰ ঘোষণা কৰিছে। এন পি এছ কৰ্মচাৰী সংস্থাই আহ্বান জনোৱা কৰ্মবিৰতিলৈ অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে সমৰ্থন আগবঢ়োৱা বুলি এক বিবৃতিযোগে জনাইছে। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি অখিল চন্দ্ৰ নাথ আৰু প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে কাকতলৈ প্ৰেৰণ কৰা বিবৃতিটোত উল্লেখ কৰা মতে ২০০৬ ৰে পৰা দেশৰ প্ৰাথমিক শিক্ষকসকলে পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত ভিন্ন সংগ্ৰাম পৰিচালনা কৰি আহিছে। চলিত সময়তো দেশৰ ২৩ লাখ প্ৰাথমিক শিক্ষকৰ স্বাক্ষৰ অভিযান কাৰ্যসূচী চলি থকাৰ সময়তে সদৌ অসম এন পি এছ কৰ্মচাৰী সন্থাই আহ্বান জনোৱা কৰ্মবিৰতি কাৰ্যসূচীও সফল কৰি তুলিবলৈ আহ্বান জনাইছে শিক্ষক সন্মিলনীৰ সভাপতি আৰু প্ৰধান সম্পাদকে। ইপিনে, কাইলৈ বিদ্যালয় যিহেতু খোলা থাকিব, বিদ্যালয়লৈ অহা শিশুসকলৰ সকলো প্ৰকাৰৰ সুৰক্ষা নিশ্চিত কৰি কাৰ্যসূচী সফল কৰাত সহযোগ আগবঢ়াবলৈ অনুৰোধ জনাইছে।

# প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ তালিকাত সংযুক্ত হ'বলৈ জনোৱা আহ্বানত প্ৰতিক্ৰিয়া কৃষকৰ

## গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২১ আগষ্ট ঃ** যোৰহাটত প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ তালিকাত পি এম কিষাণ হিতাধিকাৰীসকলক সংযুক্ত হ'বলৈ কৃষি বিভাগে পুনৰ জনোৱা এক আহ্বানত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে কৃষক ৰাইজে। যোৰহাট জিলাৰ প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ যোগ্য হিতাধিকাৰীসকলক অনতিপলমে তেওঁলোকৰ মাটিৰ তথ্যসমূহ প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ তালিকাত সংযুক্ত কৰিবৰ বাবে নিৰ্দেশ দিছে। হিতাধিকাৰীসকলক তেওঁলোকৰ মাটিৰ শেহতীয়াকৈ উলিওৱা জমাবন্দী, পিএম কিষাণৰ পঞ্জীয়ন নম্বৰ, আধাৰ কাৰ্ডৰ ফটোকপি আৰু বেংক পাছবুকৰ প্ৰথম পৃষ্ঠাৰ ফটোকপি নিজ নিজ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়াৰ হাতত অনতিপলমে জমা দিবলৈ নিৰ্দেশ দিয়া হৈছে যদিও কৃষক ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বিয়াগোম কৃষি বিভাগে কৃষকৰ প্ৰতি যি দায়িত্ব গ্ৰহণ কৰিব লাগিছিল তাৰ বিপৰীতে পিএম কৃষাণৰ নামত কৃষকসকলক ১৩ পৃষ্ঠাত চাওক

# মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নৰ শিৱসাগৰ জিলা সন্মিলনৰ সামৰণি

## ২৫ আগষ্টত সমগ্ৰ অসমৰ শিক্ষা বিষয়া কাৰ্যালয় ঘেৰাও

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ২১ আগষ্ট ঃ** বিগত প্ৰায় দুটা দশক ধৰি সমগ্ৰ অসমৰ চৰকাৰী শিক্ষানুষ্ঠানত অতি কষ্ট আৰু নিষ্ঠা সহকাৰে ন্যূনতম পাৰিতোষিকৰে কৰ্তব্য পালন কৰি অহা মধ্যাহ্ন ভোজন ৰান্ধনী আৰু সহায়িকাসকলে দীৰ্ঘদিন ধৰি মাননি বৃদ্ধিৰ দাবী জনাই আহিছে যদিও চৰকাৰে আজি পৰ্যন্ত কোনো সঁহাৰি জনোৱা নাই। চৰকাৰে এই দাবী কাৰ্যকৰী নকৰা আৰু মধ্যাহ্ন ভোজনৰ ঠিকাদাৰক অৰ্পণ কৰাৰ সিদ্ধান্ত বাতিল কৰাৰ দাবীত অহা ২৫ আগষ্টত সমগ্ৰ অসমৰ শিক্ষা বিষয়া কাৰ্যালয় অনিৰ্দিষ্ট কাললৈ ঘেৰাও প্ৰতিবাদী আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ সিদ্ধান্ত ঘোষণা ১৩ পৃষ্ঠাত চাওক

# বিশিষ্ট সমাজকৰ্মী, বড়ো ভাষা-সংস্কৃতিৰ সংগঠক নবীন চন্দ্ৰ মণ্ডললৈ 'মেন অৱ দ্য ইয়েৰ' বঁটা ঘোষণা

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২১ আগষ্ট ঃ** চিৰাঙৰ বিজনী প্ৰেছ ক্লাবত কালি বিয়লি 'ইংখং ৰেলফেয়াৰ ছ'চাইটি'ৰ সম্পাদক কমলাকান্ত বসুমতাৰীয়ে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত ইংখং ৰেলফেয়াৰ ছ'চাইটিৰ সম্পাদকজনে ২০২২ৰ 'মেন অৱ দ্য ইয়েৰ' বঁটা ঘোষণা কৰে। সেইমৰ্মে ২০২২ৰ চতুৰ্দশ 'মেন অৱ দ্য ইয়েৰ' বঁটাৰ বাবে ইংখং ৰেলফেয়াৰ ছ'চাইটিয়ে উত্তৰ বংগৰ বড়ো মূলীয় বিশিষ্ট সমাজকৰ্মী, বড়ো ভাষা-সংস্কৃতিৰ সংৰক্ষক, বড়ো সাহিত্য সভা আৰু বাথৌ ধৰ্মৰ সংগঠক ৭৫ বছৰীয়া নবীন চন্দ্ৰ মণ্ডলৰ নাম ঘোষণা কৰে। ইংখং ৰেলফেয়াৰ ছ'চাইটিৰ সম্পাদক কমলাকান্ত বসুমতাৰীয়ে সংবাদমেলত সদৰী কৰা অনুযায়ী জুৰি ব'ৰ্ডৰ বাছনি আৰু পৰামৰ্শ অনুসৰি ইংখং ৰেলফেয়াৰ ছ'চাইটিৰ কালি অনুষ্ঠিত সাধাৰণ সভাত গৃহীত প্ৰস্তাৱমৰ্মেই নবীন চন্দ্ৰ মণ্ডলক উক্ত বঁটাৰ বাবে নিৰ্বাচিত কৰা হয়। উল্লেখ্য যে চিৰাঙৰ বিজনীৰ পৰা প্ৰকাশিত প্ৰথমখন বড়ো দৈনিক বাতৰি কাকত 'চানচেয়াৰী বড়োলেণ্ড ইংখং'ৰ উদ্যোগত গঠিত ইংখং ৰেলফেয়াৰ ছ'চাইটিয়ে বিগত ২০০৬ৰ পৰা সাহিত্য, সংস্কৃতি, শিক্ষা, সমাজসেৱা, ৰাজনীতি, অৰ্থনীতি ইত্যাদি সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ উল্লেখনীয় অৱদান আগবঢ়াই অহা বিশিষ্ট ব্যক্তিসকললৈ এই বঁটা প্ৰদান কৰি আহিছে। ২০০৬ত বিশিষ্ট ভাস্কৰ ড° শোভা ব্ৰহ্মলৈ প্ৰথমটো 'মেন অৱ দ্য ইয়েৰ' বঁটা প্ৰদান কৰা হৈছিল। উক্ত বঁটাত আছে নগদ ২৫ হেজাৰ টকা, এটা মমেন্টো আৰু এখন মানপত্ৰ। চানচেয়াৰী বড়োলেণ্ড ইংখং কাকতৰ ১৯ সংখ্যক বৰ্ষপূৰ্তিৰ স'তে সংগতি ৰাখি অহা ১৯ ছেপ্টেম্বৰত বিজনীস্থিত কাকতখনৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত নবীন চন্দ্ৰ মণ্ডললৈ চতুৰ্দশ 'মেন অৱ দ্য ইয়েৰ' বঁটা প্ৰদান কৰা হ'ব বুলি ইংখং ৰেলফেয়াৰ ছ'চাইটিৰ সম্পাদক কমলাকান্ত বসুমতাৰীয়ে সংবাদমেলযোগে সদৰী কৰে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ অৱসৰী উচ্চপদস্থ বিষয়া নবীন চন্দ্ৰ মণ্ডল উত্তৰ বংগৰ বড়ো বা মেচসকলৰ সৰ্বাংগীণ উন্নয়নৰ বাবে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই অহা এগৰাকী বিশিষ্ট অগ্ৰণী সংগঠক।

# গেদাৰবড়ীত শংকৰ-মাধৱ পুথিভঁৰালৰ বাৰ্ষিক অধিৱেশন

## ■ শ্ৰীকৃষ্ণ জন্মাষ্টমী ঃ শিশুলীলা ভাওনাত মোহাচ্ছন্ন দৰ্শক

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২১ আগষ্ট ঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ এক নম্বৰ গেদাৰবড়ী শংকৰ-মাধৱ পুথিভঁৰালৰ তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ৩৭ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু শ্ৰীকৃষ্ণ জন্মাষ্টমী অনুষ্ঠানৰ অন্তিম দিনাখন ঐতিহ্যমণ্ডিত এক নম্বৰ গেদাৰবড়ী বুঢ়া নামঘৰত শিশুলীলা ভাওনাত অভিনেতা-অভিনেত্ৰীসকলৰ সাৱলীল অভিনয় প্ৰদৰ্শনে পুৱতি নিশা পৰ্যন্ত দৰ্শক-ৰাইজক মোহাচ্ছন্ন কৰি ৰাখে। গ্ৰামাঞ্চলটোৰ শিশু, যুৱক-যুৱতীসকলৰ সৰ্বাংগীণ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি সামাজিক-সাংস্কৃতিক দায়বদ্ধতাৰ পৰিচয় বহন কৰা শংকৰ-মাধৱ পুথিভঁৰাল পৰিচালনা সমিতিৰ উদ্যোগত আৰু গাঁওবাসীৰ সহযোগত এই উপলক্ষে যোৱা

১৯ আগষ্টত পুৱা উষা কীৰ্তন হোৱাৰ পাছতে শংকৰ-মাধৱ পুথিভঁৰাল সমিতিৰ সভাপতি দৰ্শন মহন্তই পতাকা উত্তোলন কৰে। ১০ বজাৰ পৰা পাঠ-প্ৰসংগ আৰু নাম-প্ৰসংগৰ পাছতে বিয়লি সম্বৰ্ধনা আৰু কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান হয়। সাংস্কৃতিক কৰ্মী দৰ্শন মহন্ত, অপূৰ্ব কুমাৰ বৰা, বিকুজ্যোতি শইকীয়া আৰু কৌশিক শইকীয়াৰ সামগ্ৰিক পৰিচালনাত বিশিষ্ট সমাজকৰ্মী তথা ৰাষ্ট্ৰীয়



পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক, কবি ৰানাপ্ৰতাপ বৰাৰ উপস্থিতিত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক, শংকৰী সংস্কৃতিৰ একনিষ্ঠ সাধক, বায়ন তথা প্ৰাক্তন ১৩ পৃষ্ঠাত চাওক

# ডিগবৈত প্ৰয়াত কৃষ্ণকান্ত বড়া-নলিনী বড়া সোঁৱৰণী শৈক্ষিক ন্যাস সমিতিৰ বঁটা প্ৰদান

**ডিগবৈ, ২১ আগষ্ট ঃ** অসম সাহিত্য সভা শতদল শাখাৰ অন্তৰ্গত ডিগবৈ সাহিত্য সেৱা সমিতিৰ তৰফৰ পৰা এক শৈক্ষিক ন্যাস বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হৈ যায়। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিগবৈ কেন্দ্ৰৰ ভিতৰত সৰ্বোচ্চ নম্বৰ প্ৰাপক আৰু অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ প্ৰাপক ছাত্ৰী দুগৰাকীক প্ৰিয়দাস তালুকদাৰ স্মৃতি ভৱনত কৃষ্ণকান্ত বড়া আৰু নলিনী প্ৰভা বড়া সোঁৱৰণী শৈক্ষিক ন্যাস বঁটা প্ৰদান কৰা হয়। নিৰুপমা গোস্বামীয়ে আঁতধৰা সভা সভাপতিত্ব কৰে ডিগবৈ সাহিত্য সেৱা সমিতিৰ সভাপতি দীপেন কুমাৰ বড়াই। শৈক্ষিক ন্যাস বঁটা প্ৰদান অনুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি ডিগবৈ সাহিত্য সেৱা সমিতিৰ প্ৰাক্তন সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক দিলীপ ভট্টাচাৰ্য। ভট্টাচাৰ্যই প্ৰয়াত কৃষ্ণকান্ত বড়া আৰু নলিনী প্ৰভা বড়াৰ পৰিচয়মূলক বক্তব্য প্ৰদান কৰি সমাজ জীৱনৰ ১৩ পৃষ্ঠাত চাওক

# বঙাইগাঁৱত মেকানিকেল ট্ৰেন্সপ্লেনটিং পদ্ধতিৰে ধান খেতিৰ নতুন দুৱাৰ মুকলি

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২১ আগষ্ট ঃ** বঙাইগাঁও জিলাত প্ৰতিবছৰে বাঢ়নী পানীয়ে শালিধানৰ কঠীয়া বিধ্বস্ত কৰি খেতিয়কসকলক জুৰুলা কৰি অহাৰ পৰিপ্ৰেক্ষিতত বঙাইগাঁও কৃষি বিজ্ঞান কেন্দ্ৰই জিলাখনৰ বানত ক্ষতিগ্ৰস্ত খেতিয়কক বানত সহনশীল উন্নত জাতৰ কঠীয়া যোগান ধৰে আৰু দলিচা কঠীয়াতলি পদ্ধতিৰ জৰিয়তে খেতিয়কক ধানৰ কঠীয়া সিঁচা পদ্ধতিৰ বিষয়ে অৱগত কৰে। উল্লেখ্য যে বিগত বাঢ়নী পানীত জিলাখনত এহেজাৰ তিনিশ ১৫ হেক্টৰ ভূমিৰ কঠীয়া ৩৪০ হেক্টৰ ভূমিত ৰোৱা শালিধানৰ খেতি বিনষ্ট হয়। এনে পৰিপ্ৰেক্ষিততে বিজ্ঞান কেন্দ্ৰই দলিচা কঠীয়াতলি পদ্ধতিৰ বিষয়ে জনোৱাৰ লগতে কৃষকৰ উন্নয়নৰ বাবে অসম কৃষি বিশ্ববিদ্যালয় আৰু বঙাইগাঁও কৃষি বিজ্ঞান কেন্দ্ৰই অসম কৃষি বাণিজ্য



আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্প চমুকৈ এপাৰ্টৰ জৰিয়তে ধানখেতিৰ বিভিন্ন উন্নত পদ্ধতিৰ ওপৰত দিহা- পৰামৰ্শ আগবঢ়াইছে। তদুপৰি ধানৰ উন্নত জাত, ধান খেতিত ব্যৱহৃত বিভিন্ন ধৰণৰ উন্নত সা-সঁজুলিৰ ওপৰত প্ৰশিক্ষণ তথা ক্ষেত্ৰ প্ৰদৰ্শনীমূলক ব্যৱস্থা গ্ৰহণ কৰে। আনপিনে কৃষি বিজ্ঞানীসকলে দলিচা কঠীয়াতলিৰ পৰা লাভ কৰা কঠীয়াসমূহ আধুনিক কঠীয়া ৰোৱা যন্ত্ৰ ব্যৱহাৰ কৰি মূল পথাৰত অতি কম সময়ৰ ভিতৰত কম অৰ্থ ব্যয় কৰি ৰোপণ কৰাৰ বিষয়ে অৱগত কৰে। ইতিমধ্যে এপাৰ্টৰ সৰহ সংখ্যক হিতাধিকাৰী তথা বঙাইগাঁৱৰ কৃষকে ধানখেতিৰ এই উন্নতমানৰ সা-সঁজুলিসমূহ খেতিপথাৰত প্ৰয়োগ কৰা পৰিলক্ষিত হোৱা বুলি উল্লেখ কৰে। সেই সমূহ ইতিমধ্যে আধুনিক সন্মন হিচাপে স্বীকৃত হৈছে বুলি কৃষি বিভাগে জানিবলৈ দিয়ে।

# পথ দুৰ্ঘটনাত নিহত শোণিতপুৰৰ চিৰাজুলিৰ তিনি যুৱকলৈ শ্ৰদ্ধাঞ্জলি

## ■ আহত যুৱকত্ৰয়ৰ আশু আৰোগ্য কামনাৰে সমূহীয়া বন্তি প্ৰজ্বলন



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২১ আগষ্ট ঃ** সমগ্ৰ দেশে স্বাধীনতা প্ৰাপ্তিৰ ৭৫ বছৰীয়া 'অমৃত মহোৎসৱ' উদ্‌যাপন তথা ৭৬ সংখ্যক স্বাধীনতা দিৱস পালন কৰি থকাৰ মাজতে ১৫ আগষ্টত শোণিতপুৰৰ চিৰাজুলি অঞ্চলৰ তিনিজন যুৱকে পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছিল। লগতে কেবাজনো যুৱক গুৰুতৰভাৱে আহত হৈছিল। নিহত যুৱক তিনিজনৰ সমূহীয়া শ্ৰদ্ধাঞ্জলি পালনৰ লগতে চিৰাজুলিৰ ৰাইজে আহতসকলৰ আশু আৰোগ্য কামনা কৰি ভগৱানক প্ৰাৰ্থনা জনায়।

উল্লেখ্য যে ১৫ আগষ্টত স্বাধীনতা দিৱসৰ আনন্দ উপভোগৰ বাবে সেইদিনা চিৰাজুলিৰ এদল যুৱকে চাৰিচকীয়া বাহন আৰু মটৰ চাইকেলেৰে কাজিৰঙালৈ গৈছিল। পৰৱৰ্তী সময়ত তেওঁলোকে কাজিৰঙাৰ পৰা স্ব-গৃহলৈ উভতি অহা অৱস্থাত জখলাবন্ধাত শোকাৱহ দুৰ্ঘটনাত পতিত হয়। এই দুৰ্ঘটনাত দুজন যুৱক থিতাতে নিহত হোৱাৰ উপৰি পৰৱৰ্তী সময়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত আন এজন যুৱকৰ মৃত্যু হৈছিল। অকালতে মৃত্যুক সাৱটি ল'বলগীয়া হোৱা চিৰাজুলি অঞ্চলৰ এই তিনিজন সম্ভাৱনাপূৰ্ণ যুৱক হৈছে ছাত্ৰ সংগঠন নেমছুৰ কৰ্মীদ্বয় ময়লাআলিৰ ছামচুল হক, ফুলুৰ উদ্দিন আৰু নুৰপুৰজুটৰ আনছাৰুল হক। আনহাতে, গুৰুতৰভাৱে আহত হয় আন তিনিজন যুৱক দিলদাৰ হুছেইন, ইছমাইল হুছেইন আৰু ইছলাম আলী। তেওঁলোক সম্প্ৰতি তেজপুৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। যুৱকত্ৰয়ৰ আকস্মিক বিয়োগত ১৩ পৃষ্ঠাত চাওক

# অসম ৰাজ্যিক মহিলা আয়োগৰ উদ্যোগত ৰংজুলিত আইনী সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ২১ আগষ্ট ঃ** অসম ৰাজ্যিক মহিলা আয়োগৰ উদ্যোগত তথা ৰাষ্ট্ৰীয় মহিলা আয়োগ আৰু গোৱালপাৰা জিলা মহিলা কোষৰ সহযোগত শনিবাৰে ৰংজুলি উন্নয়ন খণ্ডৰ সভা গৃহত অনুষ্ঠিত হয় আইনী সজাগতা সভা। অসম ৰাজ্যিক মহিলা আয়োগৰ সভানেত্ৰী ড° হেমপ্ৰভা বৰঠাকুৰৰ সভানেতৃত্বত অনুষ্ঠিত সজাগতা সভাত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি অধিবক্তা দিলোৱাৰ হুছেইনে তেওঁৰ ভাষণত মহিলা সুৰক্ষা আইন, ডাইনী হত্যা, মহিলাৰ অধিকাৰ, ভাৰতীয় সংবিধানে মহিলাসকলক প্ৰদান কৰা আইন সম্পৰ্কত বিস্তৃতভাৱে ব্যাখ্যা কৰে। ইপিনে, অসম মহিলা সমতা ছ'চাইটীৰ ১৩ পৃষ্ঠাত চাওক

# অসম ৰাজ্যিক মহিলা আয়োগৰ

*১২ পৃষ্ঠাৰ পৰা* জিলা সমন্বয়ক মামণি শইকীয়া আৰু অধিবক্তা চাহজাহান আলীও সমল ব্যক্তিৰূপে উপস্থিত থাকে। চাৰি শতাধিক পুৰুষ-মহিলা অংশগ্ৰহণ কৰা সভাত নিৰ্দিষ্ট বক্তাৰূপে ভাষণ প্ৰদান কৰে অসম ৰাজ্যিক মহিলা আয়োগৰ সদস্যা ববিতা শৰ্মাই। তদুপৰি সভাত সম্পাদিকা ড° প্ৰীতিলেখা ডেকা, ৰংজুলি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া সমৰেন্দ্ৰ শৰ্মা প্ৰমুখ্যে কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# সেউজী ধৰণী ধুনীয়া প্ৰকল্পৰ প্ৰতিষ্ঠা

*১২ পৃষ্ঠাৰ পৰা* ড° তুলসী প্ৰসাদ শইকীয়াই উদ্বোধন কৰে। সভাত গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি পৱিত্ৰ বৰবৰা, পৰিৱেশ বিজ্ঞানী ড° বিপিন খণ্ডীয়া, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ সভাপতি চন্দ্ৰ হাজৰিকা প্ৰমুখ্যে কে'বাজনো বক্তাই ভাষণ দিয়ে। প্ৰকল্পৰ উপ-সভাপতি পুৰঞ্জয় গোস্বামীয়ে আদৰণি ভাষণ আগবঢ়ায়। বহুকেইজন গণ্যমান্য ব্যক্তি আৰু স্থানীয় ৰাইজ তথা ছাত্ৰ-ছাত্ৰী উপস্থিত থকা সভাখনত অঞ্চলটোৰ ভালেসংখ্যক অনুষ্ঠান-প্ৰতিষ্ঠানে সম্বৰ্ধনা জনায়। পুৱা ন বজাত প্ৰকল্পৰ সঞ্চালক ড° ৰাতুল চন্দ্ৰ বৰাই পতাকা উত্তোলন কৰাৰ পাছতে সেউজ বাৰ্তা উন্মোচন কৰে প্ৰাক্তন অধ্যক্ষা বীণা দত্তই। ইয়াৰ পাছত বনৌষধি উদ্যানত গছপুলি ৰোপণ কাৰ্যসূচীৰ আৰম্ভ কৰে অৰণ্য মানৱ পায়েঙে।

# গেদাৰবড়ীত শংকৰ-মাধৱ পুথিভঁৰালৰ

*১২ পৃষ্ঠাৰ পৰা* শৰণাচাৰ্য তাৰিণীকান্ত শইকীয়া, সমাজ সংগঠক সতীন্দ্ৰ নাথ বৰা, ধৰ্মপ্ৰাণা মহিলা সৰুমাই শইকীয়া আৰু লোকেশ্বৰী শইকীয়াক সম্বৰ্ধনাৰ ব্যৱস্থা লোৱাৰ লগতে ১৫ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱা হয়। সন্ধিয়া ৰবিৰাম শইকীয়া, ৰামেশ্বৰ বৰা আৰু ভোগেশ্বৰ শইকীয়াৰ দ্বাৰা সমূহীয়া বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ আৰম্ভণি আৰু জোৰা পৰিৱেশন কৰা হয়। নিশা তৰুণ শইকীয়া আৰু শৰৎ শইকীয়াৰ পৰিচালনাত অনুষ্ঠিত শিশুলীলা ভাওনাখন শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰচাৰক ডিব্ৰুগড়ৰ কবি-লেখক ড° হেমন্ত কুমাৰ দাসে উদ্বোধন কৰে। সাংস্কৃতিক কৰ্মী দীপজ্যোতি শইকীয়া সূত্ৰধাৰৰূপে থাকি নাটকীয় শৈলীৰে আগবঢ়াই নিয়া ভাওনাখনত প্ৰিঞ্চ শইকীয়া, বিশ্বজিত শইকীয়া, প্ৰাণ্টু বৰা, আধ্যাত্ম দৰ্শন মহন্ত (অয়ন), ৰিকি ভূঞা, দিপুমণি শইকীয়া, নয়নজ্যোতি শইকীয়া, কৌশিক শইকীয়া, বিকি শইকীয়া, পিংকী তালুকদাৰ, ভাৰ'লিনা বৰা আদি উদীয়মান যুৱক-যুৱতী, শিশুসকলে বিভিন্ন চৰিত্ৰত কৰা মননশীল অভিনয়ত দৰ্শক-ৰাইজ পুৱতি নিশা পৰ্যন্ত একাত্ম হৈ পৰা পৰিলক্ষিত হয়। উল্লেখ্য যে ভাওনাখনৰ ৰূপসজ্জাৰ দায়িত্বত গৌৰী নাথ আছিল।

# ডিগবৈত প্ৰয়াত কৃষ্ণকান্ত বড়া-নলিনী

*১২ পৃষ্ঠাৰ পৰা* বাবে আগবঢ়াই যোৱা অৱদান আৰু অনুষ্ঠানত উপস্থিত থকা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে প্ৰেৰণাদায়ক বক্তব্য আগবঢ়ায়। শৈক্ষিক ন্যাস বঁটা প্ৰদান কৰা দাতা পৰিয়ালৰ হৈ হিৰণ্য কুমাৰ বড়াই পিতৃৰ স্মৃতি সোঁৱৰি চমু বক্তব্য আগবঢ়োৱাৰ লগতে প্ৰবীণ বৰা, গোপাল চন্দ্ৰ দাস, ৰাধাকান্ত গগৈয়ে চমু বক্তব্য ৰাখে। ডিগবৈ কেন্দ্ৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯৫ শতাংশ নম্বৰ লাভ কৰি কেন্দ্ৰৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ পাবলৈ সক্ষম হোৱা আৰ ডি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী পাল্কী বৰুৱা আৰু অসমীয়া বিষয়ত ৯১ নম্বৰ লাভ কৰি কেন্দ্ৰৰ ভিতৰতে অসমীয়া বিষয়ত সৰ্বোচ্চ নম্বৰ পাবলৈ সক্ষম হোৱা ৰেচমা বৰুৱাক এখনি গামোচা, কিতাপৰ টোপোলা, এটি স্মাৰক, নগদ ধনেৰে শৈক্ষিক ন্যাস বঁটা প্ৰদান কৰে। অনুষ্ঠানত ডিগবৈ মহাবিদ্যালয়ৰ অসমীয়া বিভগাৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক পূৰ্ণানন্দ শইকীয়া, ডিগবৈ সাহিত্য সেৱা সমিতিৰ প্ৰাক্তন সভানেত্ৰী চিত্ৰলেখা শইকীয়া, ডিগবৈ প্ৰেছ ক্লাবৰ সভাপতি ৰাজু হাজৰিকা, ডিগবৈ সৌমাৰ বিদাপীঠ বিদ্যালয়ৰ অধ্যক্ষ মানস জ্যোতি দাস, অৱসৰপ্ৰাপ্ত শিক্ষক পিনাকী শইকীয়াসহ ডিগবৈ সমাজ জীৱনৰ লগত জড়িত বহু সংখ্যক ব্যক্তি উপস্থিত থাকে।

# বিশ্বনাথতো অৰুণোদয় মাহ-২০২২ আৰম্ভ

*১২ পৃষ্ঠাৰ পৰা* আৰু আংশিকভাৱে ক্ষতিগ্ৰস্ত হোৱা (কেঁচা ঘৰ) ৬১ টা পৰিয়ালক ৩২০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হয়। উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটেই আদৰণি ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে প্ৰদান কৰা নাতিদীৰ্ঘ ভাষণত অৰুণোদয় মাহ ৰূপায়ণৰ বাবে দায়িত্ব প্ৰাপ্তসকলক সেই কাম সূচাৰুৰূপে সম্পাদন কৰিবলৈ আহ্বান জনায়। যুৱ সমাজকৰ্মী কন্দৰ্প হাজৰিকাই আঁতধৰা 'অৰুণোদয় মাহ- ২০২২' আৰম্ভণি অনুষ্ঠানত বানত ক্ষতিগ্ৰস্ত পৰিয়ালৰ আৰ্থিক সাহায্য প্ৰদান কৰি আৰম্ভ কৰা হয়। উল্লেখ্য যে অৰুণোদয় মাহ ৰূপায়ণৰ বাবে সমগ্ৰ জিলাখনত অৰুণোদয় হিতাধিকাৰীসকলৰ জৰীপ কৰিবলৈ সৰ্বমুঠ ৮১ গৰাকী ছুপাৰভাইজৰ আৰু ৩২৪ গৰাকী 'টীম মেম্বাৰ'ক ইতিমধ্যে প্ৰশিক্ষণ প্ৰদান কৰি দায়িত্ব ন্যস্ত কৰা হৈছে। উল্লেখ্য যে সমগ্ৰ বিশ্বনাথ জিলাত ৪৭,৫০০ গৰাকী অৰুণোদয় হিতাধিকাৰী আছে আৰু আজিৰে পৰা উদ্‌যাপিত হ'ব লগা অৰুণোদয় মাহত পৰিদৰ্শনকাৰী দলে অৰুণোদয় হিতাধিকাৰীৰ ঘৰে ঘৰে গৈ সমীক্ষাৰ যোগে তথ্য সংগ্ৰহ কৰি ম'বাইল এপ্লিকেছনত লিপিবদ্ধ কৰিব আৰু এই প'ৰ্টেলৰ যোগে স্বচ্ছ আৰু নিকাভাৱে সকলো হিতাধিকাৰীৰ নাম, ঠিকনা আৰু আনুষংগিক তথ্য অন্তৰ্ভুক্ত কৰা হ'ব।

# বানত বিধ্বস্ত বৰলীয়াৰ পূবপাৰৰ বাট-

*১২ পৃষ্ঠাৰ পৰা* প্ৰতিনিধিসকলে দাবী জনাই আহিছে। ইতিমধ্যে হাজো সমষ্টিৰ অন্তৰ্গত বিধ্বস্ত পথৰ কিছু মেৰামতি কৰা পৰিলক্ষিত হৈছিল যদিও সম্প্ৰতি ইয়ো স্তব্ধ হৈ পৰাত ৰাইজৰ মনত সন্দেহ উপজিছে। আনহাতে, নলবাৰী সমষ্টিৰ খণ্ডটোৰ কোনো ধৰণৰ মেৰামতিৰ প্ৰক্ৰিয়া আৰম্ভ কৰা ৰাইজৰ পৰিলক্ষিত হোৱা নাই। ৰাইজ তথা একাংশ দল-সংগঠনে স্থানীয় জনপ্ৰতিনিধিৰ অমনোযোগিতাৰ বাবে লোকনিৰ্মাণ বিভাগে কোনো কাম নকৰাৰ অভিযোগ তুলিছে। আনকি লোকনিৰ্মাণ বিভাগৰ নলবাৰী সংমণ্ডলৰ অন্তৰ্গত মুকালমুৱা উপ-সংমণ্ডল বিষয়া-কৰ্মচাৰীসকলে উক্ত বিধ্বস্ত অংশ পৰ্যবেক্ষণ কৰিছে নে নাই তাতো সন্দেহ উপজিছে সচেতন ৰাইজৰ। উল্লেখ্য যে দুয়োখন জিলাৰ যোগাযোগৰ বিকল্প দুটা পথ আছে যদিও তাক সম্পূৰ্ণ মেৰামতি কৰিলে ৰাইজে কিছু সকাহ পাব পাৰে। এইক্ষেত্ৰতো বৰ্তমানলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা দেখা নাই। ইয়াৰ উপৰি মৌজাখনৰ চাপোনৰ মাজতো এটি পকীপথ কে'বাঠাইতো ছিঙি বিপদগ্ৰস্ত কৰিছে। তদুপৰি দৈচপৰা পথটোৰ অৱস্থা পুতৌজনক, পূৰ্ণখুমদুম পথটো বিধ্বস্ত কৰিছিল যদিও তাক মেৰামতি কৰা দেখা গৈছে। বাকী মেৰামতি কৰিবলৈ থকা অংশ মৰণফান্দৰ নিচিনা হৈছে। এইক্ষেত্ৰত স্থানীয় জনপ্ৰতিনিধিয়ে গুৰুত্ব দি মেৰামতিৰ ব্যৱস্থা নকৰিলে ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হ'ব লাগিব।

# চতিয়া থানাত বৰ্ণাঢ্য কাৰ্যসূচীৰে

*১২ পৃষ্ঠাৰ পৰা* চতিয়া থানা। ব্ৰিটিছে ১৯৩২ত চতিয়া থানা ১৮৩৩ত চতিয়া মহকুমা স্থাপন কৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ নদুৱাৰ অঞ্চলৰ এক বিস্তৃত অঞ্চলৰ আইন-শৃংখলা নিয়ন্ত্ৰণ কৰিছিল বুলি ১৮৭৭ৰ হান্টাৰ কমিচনত উল্লেখ আছে। তেওঁ কয় যে ১৯৪২ৰ ২০ আগষ্ট দিনটো চতিয়াবাসীৰ বাবে এক গৌৰৱোজ্জ্বল আৰু ঐতিহাসিক দিন। যিটো দিনত চতিয়াৰ সংগ্ৰামী সেনানী, ছাত্ৰ, শিক্ষক, প্ৰায় তিনি হেজাৰ মুক্তিকামী জনতাই হাতে হাতে ত্ৰিৰংগা নিচান লৈ সমদলেৰে চতিয়া থানাত প্ৰৱেশ কৰি থানাৰ সন্মুখৰ চোতালতে প্ৰতিবাদী সভা অনুষ্ঠিত কৰি ত্ৰিৰংগা পতাকা উত্তোলন কৰিছিল। সেই সময়ত সমগ্ৰ ভাৰতৰ ভিতৰতে চতিয়াতেই প্ৰথমবাৰৰ বাবে চতিয়া থানাত ত্ৰিৰংগা পতাকা উৰোৱা হৈছিল। দেশে স্বাধীনতা লাভ কৰা ৭৫ বছৰৰ পাছত চতিয়াত প্ৰথমবাৰৰ বাবে চতিয়া দিৱস উদ্‌যাপন কৰা হ'ল। এই দিৱস চতিয়াবাসীৰ বাবে এক স্বাভিমান। দেশৰ স্বাধীনতাৰ বুৰঞ্জীত এক যুগান্তকাৰী সাক্ষী হৈ ৰ'ব। ইয়াৰ পাছতে সভাত উপস্থিত থকা বিধায়ক প্ৰমোদ বৰঠাকুৰ, আৰক্ষী অধীক্ষক, জিলা উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে বক্তব্য প্ৰদান কৰে। শলাগৰ শৰাই আগবঢ়ায় উদয় শংকৰ শইকীয়াই।

# পথ দুৰ্ঘটনাত নিহত শোণিতপুৰৰ

*১২ পৃষ্ঠাৰ পৰা* মৰ্মাহত হৈ পৰা চিৰাজুলিৰ একাংশ ভিন্ন জাতি-ধৰ্মাৱলম্বী তৰুণৰ উদ্যোগত ১৮ আগষ্টৰ সন্ধিয়া চিৰাজুলি চেণ্টাৰত এক স্মৃতি তৰ্পণ অনুষ্ঠান ৰূপায়িত হয়। সেই অনুসৰি মৃত যুৱক তিনিজনৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সাহিত্য সম্পাদক সুজিৎ কটকী আৰু উত্তৰ পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি বদৰুল ইছলামে কাৰ্যসূচী মুকলি কৰে। ইয়াৰ পাছত সমূহীয়াকৈ বন্তি প্ৰজ্বলন আৰু মৃত তিনি যুৱকৰ আত্মাৰ সদ্‌গতি তথা চিৰ প্ৰশান্তিৰ অৰ্থে আৰু দুৰ্ঘটনাগ্ৰস্ত হৈ চিকিৎসাধীন অৱস্থাত থকা যুৱক তিনিজনৰ আশু আৰোগ্য কামনা কৰি সকলোৱে নেদেখাজনৰ ওচৰত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। যুৱ ব্যৱসায়ী গকুল বৰ্মনে আঁত ধৰা এই অনুষ্টুপীয়া স্মৃতিচাৰণ অনুষ্ঠানত মুখ্য বন্তি প্ৰজ্বলক সুজিৎ কটকী, বদৰুল ইছলামৰ উপৰি ঢেকীয়াজুলি আৰক্ষী থানাৰ যানবাহন শাখাৰ আৰক্ষী বিষয়া প্ৰদীপ দাসে শ্ৰদ্ধাঞ্জলিমূলক বক্তব্য দাঙি ধৰি গভীৰ শোক প্ৰকাশৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। ইফালে, নিজৰ চমু ভাষণত নেমছুৰ সভাপতি ইছলামে দেশৰ প্ৰধানমন্ত্ৰীৰ আহ্বানক সন্মান জনাই স্বাধীনতাৰ অমৃত মহোৎসৱ পালন কৰিবলৈ গৈ অকালতে মৃত্যুক সাৱটি ল'বলগা হোৱা যুৱক কেইজনৰ পৰিয়ালক চৰকাৰী চাকৰি আৰু এককালীন ৩০ লাখকৈ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক আহ্বান জনায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত যুৱ সমাজকৰ্মী দিব্যজ্যোতি বৰুৱা, ভাস্কৰজ্যোতি নাথ, চিৰাজুলি যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন সাধাৰণ সম্পাদক পোনাকণ বৰ্মন, শোণিতপুৰ নেমছুৰ সাধাৰণ সম্পাদক আজমল হুছেইনকে ধৰি যথেষ্টসংখ্যক স্থানীয় যুৱক আৰু ভুক্তভোগী পৰিয়ালকেইটাৰ আত্মীয়-স্বজন উপস্থিত থাকে।

# মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নৰ

*১২ পৃষ্ঠাৰ পৰা* কৰিছে। এই সিদ্ধান্তৰ কথা সদৰী কৰি আজি নাজিৰা নাট্য মন্দিৰত অনুষ্ঠিত 'সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়ন'ৰ শিৱসাগৰ জিলা চতুৰ্থ সন্মিলনৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে ৰাজ্যিক সভানেত্ৰী কুঞ্জলতা ভৰালীয়ে লগতে কয় যে সম্প্ৰতি বিদ্যালয়সমূহৰ ৰন্ধনকৰ্মীসকলৰ ঐক্য মঞ্চ 'সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়ন'ৰ মাজত একাংশ দালাল-সুবিধাবাদী লোকে নিজৰ স্বাৰ্থৰ বাবে সংগঠনটোৰ মাজত বিভেদ সৃষ্টি কৰি ধ্বংসৰ দিশলৈ নিয়াৰ চেষ্টা কৰা পৰিলক্ষিত হৈছে। এইসকলক সকলোৱে চিনাক্ত কৰি তেনে লোকৰ প্ৰৰোচনাৰ পৰা বিৰত থাকিবলৈ উপস্থিতসকলক আহ্বান জনায়। ফুলেশ্বৰী গগৈ, শেৱালী সন্দিকৈ আৰু অনিমা গগৈৰ পৰিচালনা আৰু সম্পাদিকা প্ৰণামী গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা আৰু দিহা নামেৰে আৰম্ভ কৰা মুকলি সভাত সংবাদসেৱী ক্ৰমে অনন্ত কলিতা, দিলীপ হাজৰিকা, অশ্বিনী সন্দিকৈ, পংকজ শইকীয়া, দিলীপ শইকীয়া, অংশুমান দত্তকে ধৰি ভালেকেইজনে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। পুৱা ৰাজ্যিক পৰ্যবেক্ষক সঞ্জয় বাড়ীয়ে ইউনিয়নৰ পতাকা উত্তোলন আৰু জিলা সভানেত্ৰী টুটুমণি বৰুৱাই ছহিদ তৰ্পণেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পাছত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাত সৰ্বসন্মতি মৰ্মে আগন্তুক দ্বি-বাৰ্ষিক কাৰ্যকালৰ বাবে চম্পা সন্দিকৈক সভানেত্ৰী, ফুলেশ্বৰী গগৈ আৰু অনিমা গগৈক উপ-সভানেত্ৰী, প্ৰণামী গগৈক সম্পাদিকা, অনিমা কোঁৱৰক কোষাধ্যক্ষ, চাজিনা বেগম আৰু নিহাৰিকা চাংমাইক সহকাৰী সম্পাদিকা হিচাপে লৈ ১৬ জনীয়া ইউনিয়নৰ শিৱসাগৰ জিলা সমিতিখন পুনৰ গঠন কৰা হয়।

# বাহাৰঘাট অঞ্চলৰ দুয়োটা কেন্দ্ৰতে শান্তিপূৰ্ণ নিযুক্তি প্ৰক্ৰিয়াৰ চতুৰ্থ বৰ্গৰ পৰীক্ষা

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২১ আগষ্ট ঃ** ৰাজ্যৰ ২৬ হেজাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ নিযুক্তি প্ৰক্ৰিয়াৰ লিখিত পৰীক্ষা আজি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নলবাৰী আৰু কামৰূপ জিলাৰ সীমান্তৱৰ্তী বাহাৰঘাট অঞ্চলতো দুটা কেন্দ্ৰত শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। ইয়াৰে নলবাৰী জিলাৰ পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ পশ্চিম বড়িগোগ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত পুৱা ১০ বজাৰ পৰা পৰীক্ষা আৰম্ভ হৈছে আৰু ১২ বজাত অন্ত পৰে। অসম চৰকাৰৰ নিৰ্দেশ অনুযায়ী পৰীক্ষা হলত শিক্ষাৰ্থীসকলক কোনো ধৰণৰ ইলেক্ট্ৰ'নিক সামগ্ৰী লগত নিব দিয়া হোৱা নাই। আনহাতে, আৰক্ষী প্ৰশাসনৰ ফালৰ পৰা কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা হৈছে।

# ঘগ্ৰাপাৰত ১৫ বছৰে বিনা বেতনে বিদ্যালয়ত কৰ্মৰত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী

## ■ মুখ্যমন্ত্ৰীৰ ককাদেউতাৰ নামত থকা বিদ্যালয়তো এজন কৰ্মৰত

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২১ আগষ্ট ঃ** বিদ্যালয়ত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে বেতনে ১৫ বছৰে কৰ্মৰত হৈ থকাৰ পাছতো আজি পৰ্যন্ত দৰমহাৰ পৰা বঞ্চিত হৈ আহিছে নলবাৰী জিলাৰ ঘগ্ৰাপাৰত। ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত কে'বাখনো বিদ্যালয়ত বছৰ বছৰ ধৰি বিনা বেতনে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাপে কৰ্মৰত হৈ থকা পৰিলক্ষিত হৈছে। ইয়াৰে খণ্ডটোৰ অন্তৰ্গত লাটিমাস্থিত বিশ্বনাথ শৰ্মা মজলীয়া বিদ্যালয়ত স্থানীয় যুৱক ৰুবুল শৰ্মাই ২০০৫ৰ এক আগষ্টত কামত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। বাহাৰঘাট মজলীয়া বিদ্যালয়ত ২০০৫ৰ এক এপ্ৰিলত স্থানীয় ইজাম আলীয়ে কামত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। ঘোঁহকুছি বিদ্যাপীঠ মধ্য ইংৰাজী বিদ্যালয়ত গকুল দাসে ২০০৭ৰ এক ছেপ্টেম্বৰত কামত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। নানকাৰ ভয়ৰা মজলীয়া বিদ্যালয়ত চম্পক বৰ্মনে ২০০৭ৰ এক মাৰ্চত কামত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। নাহেৰবাৰী মিলন মধ্য ইংৰাজী বিদ্যালয়ত ৰফিকুল ইছলামে আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। বৰাজোল এম ই মাদ্ৰাছাত ফকৰ উদ্দিন আহমেদে ২০১০ৰ এক মাৰ্চত কামত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। আল্লিয়াস্থিত পশ্চিম বনভাগ এম ই মাদ্ৰাছাত ৰফিকুল ইছলামে কামত যোগদান কৰি আজি পৰ্যন্ত কৰ্মৰত হৈ আছে। উল্লেখ্য যে বড়িগোগ বনভাগ শিক্ষা খণ্ডটোৰ অন্তৰ্গত লাটিমাস্থিত বিশ্ব নাথ শৰ্মা মজলীয়া বিদ্যালয়খন মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ককাদেউতাৰ নামত উৎসৰ্গিত বিদ্যালয়। উক্ত বিদ্যালয়খনত স্থানীয় যুৱক এজনে এনেদৰে আজি ১৫ বছৰে বিনা বেতনে কৰ্মৰত হৈ থাকিবলগীয়া হোৱাত বিভিন্ন মহলত বিষয়টো চৰ্চিত হৈ পৰিছে। তদুপৰি বিগত বৰ্ষৰ শেষৰ ফালে আৰু চলিত বৰ্ষৰ প্ৰথম ভাগত তথা নিৰ্বাচনৰ আগমুহূৰ্তত বিভিন্ন বিভাগৰ বিপৰীতে চলি থকা নিয়োগ ব্যৱস্থাৰ মাজতে বিদ্যালয়সমূহৰ বিপৰীতে কৰ্মৰত হৈ থকা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলক দৰমহাৰ ব্যৱস্থা তথা নিযুক্তি প্ৰদান কৰিব লাগে বুলি বিভিন্ন মহলে মত ব্যক্ত কৰিছিল। উল্লেখ্য যে এই সকলৰ মাজৰে বিশ্ব নাথ শৰ্মা মজলীয়া বিদ্যালয়ত কৰ্মৰত ৰুবুল শৰ্মা আৰু বাহাৰঘাট মজলীয়া বিদ্যালয়ত কৰ্মৰত ইজাম আলীয়ে দুই-তিনিমাহ দৰমহা লাভ কৰিছিল। প্ৰণিধানযোগ্য যে শিক্ষা বিভাগে মাজে সময়ে কৰ্মৰত এই সকল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পৰা বিভিন্ন নথিপত্ৰ সংগ্ৰহ কৰি আহিছে। তথ্য মতে তেওঁলোকৰ চাকৰি কেইটা কম দিনৰ ভিতৰত হ'ব বুলি আশ্বাস প্ৰদান কৰি ইয়াৰ মাজতে বিগত অক্টোবৰৰ শেষৰ ফালে এই সকল কৰ্মচাৰীৰ পৰা পুনৰ নথিপত্ৰ সংগ্ৰহ কৰাৰ লগতে তেওঁলোকৰ চাকৰি কেইটা নবেম্বৰৰ শেষৰ ফালে অথবা ডিচেম্বৰৰ আগ ভাগতে হ'ব বুলিও গুণগুণি চলিছিল। সেই সময়ত কোনোধৰণৰ সেউজ সংকেত নোপোৱাত শিক্ষা বিভাগে আকৌ আভুৱা ভাঁৰিলে বুলি এইসকল কৰ্মচাৰীয়ে খেদ প্ৰকাশ কৰিছে। তদুপৰি চতুৰ্থশ্ৰেণীৰ কৰ্মচাৰী সম্পৰ্কীয় বিষয়টো নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অতি আন্তৰিকতাৰে লৈ আজি ইমান বছৰে বিনা বেতনে কৰ্মৰত হৈ থকা এইসকল কৰ্মচাৰীক অতি শীঘ্ৰে দৰমহা তথা নিযুক্তি প্ৰদান কৰি দৰিদ্ৰ পৰিয়ালকেইটাৰ দুবেলা দুমুঠি অন্নৰ দিহা কৰাৰ ব্যৱস্থা কৰিবলৈ স্থানীয় সচেতন লোকে মত ব্যক্ত কৰিছে।

# গোৱালপাৰাত প্ৰাথমিক শিক্ষক সন্মিলনীৰ সজাগতা সভা

## শিক্ষা জ্যোতিৰ তৃতীয় সংস্কৰণ উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ আগষ্ট ঃ** গোৱালপাৰা চহৰৰ খগেন্দ্ৰনাথ ভৱনত (সাহিত্য ভৱনত)ই এফএআইডিএএছ প্ৰজেক্টৰ ডিষ্ট্ৰিক্ট লেভেল অৰিয়েন্টেছনৰ ওপৰত আজি এখন সভা অনুষ্ঠিত হয়। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি অখিল চন্দ্ৰ নাথে সভাপতিত্ব কৰা তথা ৰাজ্যিক সম্পাদক প্ৰধান ৰাতুল চন্দ্ৰ গোস্বামীয়ে আঁতধৰা সভাখনত দিব্যাজ্যোতি হাজৰিকা আৰু দীপান্বিতা বৰুৱাই সমল ব্যক্তি হিচাপে উপস্থিত থাকে। গোৱালপাৰা জিলাৰ চাৰিওটা শিক্ষা খণ্ডৰ পৰা পাঁচজনকৈ প্ৰতিনিধি উপস্থিত থকা সজাগতা সভাত সকলোৰ বাবে শিক্ষা আৰু এইডছৰ ওপৰত আলোচনা কৰা হয়। লগতে এই সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা সভাৰ আয়োজনৰ সিদ্ধান্ত লোৱা হয়। অহা এক ডিচেম্বৰত এইডছৰ ওপৰত আলোচনা সভা অনুষ্ঠিত কৰি শিক্ষাবিদ, এইডছ কণ্ট্ৰোল বিষয়া আদিক আহ্বান কৰিবলৈ সিদ্ধান্ত লোৱা হয়। লগতে এইডছৰ ওপৰত বাটৰ নাট আয়োজন কৰাৰো সিদ্ধান্ত লোৱা হৈছে। উল্লেখ্য যে আজিৰ সভাতেই শিক্ষক সন্মিলনীৰ ই-মেগাজিন শিক্ষা জ্যোতিৰ তৃতীয় সংস্কৰণ উন্মোচন কৰা হয়।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজ

## অসমৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ দ্বাৰ উন্মোচন



**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ আগষ্ট ঃ** কলিয়াবৰৰ কুঁৱৰীটোল বগাজন গাঁৱত আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজ অসমৰ প্ৰধান সম্পাদকৰ কাৰ্যালয়ৰ দ্বাৰ উন্মোচন কৰে সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দীনেশ মহন্তই। প্ৰধান সম্পাদকৰ অস্থায়ী কাৰ্যালয়ৰ এই উন্মোচন সমাজৰ ধৰ্মীয় ৰীতি-নীতিৰে সমাপন কৰা হয়। পুৱা নাম-প্ৰসংগৰে কাৰ্যালয় চৌহদ মুখৰিত হৈ পৰে। বিয়লি এক বজাত অনুষ্ঠিত এই কাৰ্যালয় মুকলি অনুষ্ঠানত প্ৰধান সম্পাদক শ্ৰীমন্ত ভূঞা, উপদেষ্টা ধৰণী পাঠক, বিপুল কুমাৰ ভূঞা, উপ-সভাপতি টংকেশ্বৰ বৰা, জীৱেশ্বৰ দাস, সহকাৰী সম্পাদক ৰাজু দত্ত, থানেশ্বৰ দাস, দুলু কোঁৱৰ, কাৰ্যালয় সম্পাদক প্ৰদীপ হাজৰিকা, নিৰ্মল বৰা, সাংগঠনিক সম্পাদক প্ৰমোদ দাস, বিশিষ্ট অতিথি হেমোধৰ হাজৰিকা, কৃষ্ণ মূৰ্তি পাঠক, পবিত্ৰ শইকীয়া, সুশান্ত শইকীয়া, আইমাতৃ সমাজৰ নিজৰা বৰাকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ইয়াৰ পাছতে বিয়লি দুই বজাৰ পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজৰ ৰাজ্যিক পৰ্যায়ৰ পৰ্যালোচনা সভা অনুষ্ঠিত হয়।

# প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ

*১২ পৃষ্ঠাৰ পৰা* হাৰাশস্তি কৰি বিভিন্ন সমস্যাৰ মাজলৈ ঠেলি দিছে। উল্লেখ্য যে পিএম কিষাণৰ হিতাধিকাৰীসকলে নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ কিছুদিন পূৰ্বে ভোকে-লঘোনে কোনো ইণ্টাৰনেট সেৱাৰ নামত দীঘলীয়া শাৰী পাতি নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হয়। কিন্তু ইয়াৰ পাছতো নাম অন্তৰ্ভুক্ত কৰিবলৈ পুনৰ এক নিৰ্দেশনা জাৰি কৰাত কৃষক ৰাইজ জাণ্ডুৰ খাই উঠিছে। ৰাইজে প্ৰকাশ কৰা অনুসৰি পিএম কিষাণৰ হিতাধিকাৰী হোৱাৰ পূৰ্বে চৰকাৰী গাঁওবুঢ়া আৰু গ্ৰামসেৱকে প্ৰকৃত কৃষক হয় নে নহয় প্ৰমাণ কৰি কৃষকৰ নাম ঠিকনা কৃষি বিভাগলৈ প্ৰেৰণ কৰে। তাৰ পাছতহে একোজন কৃষকক পিএম কিষাণৰ হিতাধিকাৰী তালিকাত অন্তৰ্ভুক্ত কৰা। কিন্তু ইমানৰ পাছতো কৃষি বিভাগে নতু নতুন নিৰ্দেশনা জাৰি কৰি থকাত কৃষক ৰাইজ বহু সমস্যাৰ সন্মুখীন হৈছে। যাক লৈ এতিয়া কৃষকসকল প্ৰতিবাদমুখৰ হৈ পৰাৰ সমান্তৰালকৈ কৃষি বিভাগৰ এনে নিৰ্দেশনাৰ বিৰোধিতা কৰি গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিছে কৃষক ৰাইজে। এইক্ষেত্ৰত কৃষি বিভাগে কৃষকৰ প্ৰতি কি ধৰণে সহযোগিতা আগবঢ়াব সেয়াহে অনাগত দিনত লক্ষ্যণীয় হ'ব।

# আমি ৰাষ্ট্ৰবাদী-হিন্দুত্ববাদী হিচাপে জীয়াই থাকিব বিচাৰো ঃ পঢ়োৱাল

## ■ ঢেকিয়াজুলিত দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উৎসৱ বিশ্ব হিন্দু পৰিষদৰ

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ২১ আগষ্ট ঃ** বিশ্ব হিন্দু পৰিষদৰ ঢেকিয়াজুলি আঞ্চলিক সমিতিৰ উদ্যোগত ঢেকিয়াজুলি চহৰৰ ছহিদ ময়দানত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উৎসৱৰ কালি সামৰণি পৰে। প্ৰথম দিনাৰ কাৰ্যসূচীত পুৱা ভাগৱত পাঠ, ধৰ্মধ্বজা উত্তোলন, চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পাছত বিয়লি শ্ৰীকৃষ্ণৰ ৰূপ সজ্জা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। আনহাতে, দ্বিতীয় দিনাৰ কাৰ্যসূচীত ঢেকিয়াজুলি চহৰত ধৰ্মীয় শোভাযাত্ৰা উলিওৱা হয়। জন্মাষ্টমী উদ্‌যাপন সমিতিৰ সভাপতি দ্বীপেন নাথ, উপ-সভাপতি গোপাল মিশ্ৰ আৰু সম্পাদক সন্তোষ কুমাৰ ঠাকুৰৰ নেতৃত্বত উলিওৱা শোভাযাত্ৰাত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰে। ইয়াৰ পাছত বিয়লি মুকলি সভা অনুষ্ঠিত হয়। জন্মাষ্টমী উদ্‌যাপন সমিতিৰ সভাপতি দ্বীপেন নাথৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিশ্ব হিন্দু পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক উমেশ পঢ়োৱাল মুখ্য অতিথি আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ধৰ্ম জাগৰণ প্ৰমুখ যোগেশ শাস্ত্ৰী বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। মুখ্য অতিথিৰ ভাষণত উমেশ পঢ়োৱালে কয়, ভাৰতবৰ্ষ হিন্দুসকলৰ সেৱাৰ থলী। ভাৰতবৰ্ষ হ'ল হিন্দুসকলৰ পবিত্ৰ ভূমি। এই পবিত্ৰ ভূমি হ'ল প্ৰভু শ্ৰীকৃষ্ণ আৰু প্ৰভু ৰামচন্দ্ৰৰ জন্মভূমি। ইয়াত হিন্দুত্ববাদ জীয়াই ৰাখিব লাগিব।' তেওঁ পুনৰ কয় যে আমি কেতিয়াও ধৰ্মনিৰপেক্ষবাদী হিচাপে নহয়, আমি ৰাষ্ট্ৰবাদী আৰু হিন্দুত্ববাদী হিচাপে জীয়াই থাকিব বিচাৰো। বিশ্ব হিন্দু পৰিষদে হিন্দু সমাজক একত্ৰিত কৰিবলৈ আৰু শক্তিশালী কৰিবলৈ কাম কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ পুনৰ কয় যে ভাৰতবৰ্ষৰ মানুহে গো-পালন কৰে আৰু গো-মাতাৰ পূজন কৰে। যিসকলে গো-মাতাৰ পূজন কৰে তেওঁলোক ধন্য হয়। তেওঁলোকে সদায় সুখী অনুভৱ কৰে। তৃষ্ণা দূৰ কৰিবলৈ পানী বিচৰা লোকক ভাৰতবৰ্ষৰ মানুহে পানীৰ সলনি গাখীৰ খুৱাব বিচাৰে। গতিকে ভাৰতবৰ্ষৰ মানুহৰ উদাৰতা সকলোৱে প্ৰশংসা কৰে বুলি পঢ়োৱালে ভাষণ প্ৰসংগত উল্লেখ কৰে। গাইক ৰাষ্ট্ৰীয় জন্তু হিচাপে ঘোষণা কৰিবলৈ তেওঁ চৰকাৰৰ ওচৰত দাবী জনায়। শিক্ষক মিলন দত্তই আঁতধৰা সভাত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ ধৰ্ম জাগৰণ প্ৰমুখ যোগেশ শাস্ত্ৰী, সংস্কৃত ভাৰতী অসমৰ অধ্যক্ষ কুমুদ বৰঠাকুৰ, ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ তেজপুৰ বিভাগৰ প্ৰচাৰক সুভাষ যোশী, বিশিষ্ট সাহিত্যিক ছবিলাল উপাধ্যায়, অৱসৰপ্ৰাপ্ত শিক্ষক বিধুভূষণ ৰয়, সমাজকৰ্মী খগেন ভূঞা, উদ্‌যাপন সমিতিৰ উপ-সভাপতি গোপাল মিশ্ৰ, সম্পাদক সন্তোষ কুমাৰ ঠাকুৰৰ লগতে তিনি শতাধিক লোক উপস্থিত থাকে।

# চিৰাঙৰ ৪৩ টা কেন্দ্ৰত সাক্ষাৎকাৰত বহিল ২৫ হেজাৰ প্ৰাৰ্থীয়ে

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২১ আগষ্ট ঃ** অসমৰ ২৫ খন জিলাৰ লগতে চিৰাং জিলাতো আজি অনুষ্ঠিত হয় অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ লিখিত পৰীক্ষা। প্ৰতিটো পৰীক্ষা কেন্দ্ৰত এজন উপ-পৰিদৰ্শকসহ পুৰুষ-মহিলা মিলি ১০-১১ জনকৈ আৰক্ষী জোৱান নিয়োগ কৰে জিলা আৰক্ষী প্ৰশাসনে। চিৰাঙত আগবেলা ৩৪ টা কেন্দ্ৰত ২১ হেজাৰ পৰীক্ষাৰ্থী আৰু পিছবেলা নটা কেন্দ্ৰত চাৰি হেজাৰ পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হয়। জিলা আৰক্ষী অধীক্ষক প্ৰাঞ্জিত বৰাই নিজে পৰীক্ষা কেন্দ্ৰসমূহ পৰ্যবেক্ষণ কৰে। কাজলগাঁও হাইস্কুল পৰীক্ষা কেন্দ্ৰত জিলা আৰক্ষী অধীক্ষক বৰাৰ লগতে অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিও উপস্থিত থাকে। পৰীক্ষা কেন্দ্ৰত যাতে কোনো ধৰণৰ নিষিদ্ধ সামগ্ৰী ল'ব নোৱাৰে পৰীক্ষাৰ্থীয়ে তাৰ বাবে কটকটীয়া তালাচীৰ অন্তত পৰীক্ষাৰ্থীক পৰীক্ষা কেন্দ্ৰলৈ যাব দিয়ে আৰক্ষীয়ে। ইপিনে, ১০ বজাৰ লগে লগে কৰ্তন হয় ইণ্টাৰনেট সেৱা, বিয়লিও একেদৰে পৰীক্ষাৰ সময়ত বন্ধ থাকে ইণ্টাৰনেট সেৱা। শৃঙ্খলাবদ্ধ তথা শান্তিপূৰ্ণভাৱেই চিৰাঙত অনুষ্ঠিত হয় লিখিত পৰীক্ষা।

# গোসাঁইগাঁৱৰ ছেৰফাংগুৰীত অগ্নিকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ২১ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও থানাৰ অন্তৰ্গত দুই নম্বৰ ছেৰফাংগুৰীত কালি নিশা এক ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। প্ৰাপ্ত বাতৰি মতে দুই নম্বৰ ছেৰফাংগুৰী গাঁৱৰ স্বামীহাৰা মহিলা ছামিৰন বেওৱাৰ জীয়েকে নিশাৰ আহাৰ ঘৰত ৰান্ধি আছিল। ৰান্ধি থকাৰ সময়তে আকস্মিকভাৱে ৰান্ধনি গৃহৰ বেৰত জুই লাগে। জুই লগাৰ তৎমুহূৰ্ততে জুইৰ লেলিহান শিখাই প্ৰচণ্ড ৰূপ ধাৰণ কৰে। জুইৰ লেলিহান শিখাই গোহালি ঘৰত স্পৰ্শ কৰাত ৰান্ধনি গৃহ আৰু গোহালি ঘৰ জুইত সম্পূৰ্ণৰূপে জাহ যায়। ৰাইজ আৰু অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতাত জুই নিৰ্বাপিত কৰি বিধৱা মহিলাগৰাকীৰ গৃহৰ অন্য গৃহসমূহ ৰক্ষা কৰিবলৈ সক্ষম হোৱাৰ লগতে পাৰ্শ্বৱৰ্তী লোকৰ গৃহসমূহ জুইৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ সক্ষম হয়। উল্লেখনীয় বিষয় যে গোহালি ঘৰত জুই লগাৰ লগে লগে গোহালি ঘৰত বান্ধি থোৱা গৰুসমূহ ৰাইজে অতি ক্ষিপ্ৰতাৰে গোহালিৰ পৰা এৰি দি পশুধনসমূহ নিশ্চিত মৃত্যু মুখৰ পৰা বচাবলৈ সক্ষম হয়। জুই নিৰ্বাপিত কৰাৰ সময়ত বিধৱা মহিলাগৰাকীৰ পুত্ৰ গফুৰ আলীৰ হাতত জুই লাগে। দৰিদ্ৰতাৰ স'তে সংগ্ৰাম কৰি আংশিকভাৱে মানসিক বিকাৰগ্ৰস্ত সন্তানসকলক লালন-পালন কৰি সংসাৰ চলোৱা বিধৱা মহিলাগৰাকীয়ে চৰকাৰক ক্ষতিপূৰণ দিয়াৰ বাবে অনুৰোধ জনাইছে।

# আদৰ্শ মাতৃ কুঞ্জ হাজৰিকাৰ স্মৃতিচাৰণ সভা-স্মৃতিপত্ৰিকা উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২১ আগষ্ট ঃ** ছিপাঝাৰৰ এগৰাকী বিশিষ্টা মহিলা তথা আদৰ্শ মাতৃ কুঞ্জ হাজৰিকাৰ স্মৃতিত প্ৰকাশিত 'কুঞ্জলতা- সান্নিধ্যৰ সুবাস' শীৰ্ষক গ্ৰন্থখন আজি এক পৰিৱেশত উন্মোচন কৰা হয়। ছিপাঝাৰ শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ড° মোহিনী গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিত হোৱা কুঞ্জ হাজৰিকা সোঁৱৰণী অনুষ্ঠানত শ্ৰদ্ধাৰ্ঘ গ্ৰন্থ 'কুঞ্জলতা-সান্নিধ্যৰ সুবাস' উন্মোচন কৰি সাংবাদিক ৰঞ্জিত কুমাৰ নাথে কুঞ্জ হাজৰিকাৰ বহুমুখী চিন্তাৰ মাজেৰে জীৱন সন্দৰ্ভত আলোকপাত কৰে। বিশেষকৈ কে'বাটাও উদাহৰণেৰে ইতিবাচক দৃষ্টিভংগীৰে আগবাঢ়ি যাবলৈও আহ্বান জনায়। কেৱল বেয়াখিনিহে বিশ্লেষণ কৰি থকাটো একাংশ লোকৰ কাম বুলি উল্লেখ কৰি আনৰ জীৱনৰ ভালখিনি আহৰণ কৰি অনুপ্ৰেৰণা লাভেৰে এক ইতিবাচক দৃষ্টিভংগী গ্ৰহণৰো পোষকতা কৰে গ্ৰন্থ উন্মোচনী বক্তব্যত। আনহাতে, বিশিষ্ট শিক্ষাবিদ ৰজনীকান্ত নাথে জীৱন সন্দৰ্ভত আলোচনা আগবঢ়াই মানুহৰ জীৱনটো এখন কিতাপৰ দৰে বুলি উল্লেখ কৰে। শ্ৰদ্ধাৰ্ঘ গ্ৰন্থৰ সম্পাদক দিলীপ কলিতাই আঁতধৰা অনুষ্ঠানত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক লোহিত চন্দ্ৰ কলিতা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিদ্যাৰাম নাথ, অলকা বৰুৱা চহৰীয়া, হংশেশ্বৰী শইকীয়া, বীণা বালা দেৱী, বিভাৰাণী বণিয়া, নলিনী কুমাৰ শৰ্মা আদিয়ে কুঞ্জ হাজৰিকাৰ জীৱন-দৰ্শন সন্দৰ্ভত বক্তৃতা ৰাখে। বিশেষকৈ এগৰাকী সু-গৃহিণী হিচাপে সমাদৃত কুঞ্জ হাজৰিকাই তিনিওগৰাকী পুত্ৰ-কন্যাক উপযুক্তভাৱে গঢ়ি তোলাৰ উপৰি সামাজিকভাৱেও প্ৰভূত বৰঙণি আগবঢ়াইছিল। জ্ঞান-বিজ্ঞান সমিতিৰ জৰিয়তে স্বাক্ষৰ অভিযান আৰু লেখিকা সমাৰোহ সমিতিৰ জৰিয়তে আগভাগ লোৱা পদক্ষেপ বিশেষভাৱে আলোচিত হয়। ব্ৰাহ্মণ সমাজৰ সহকাৰী সম্পাদক নলিনী কুমাৰ শৰ্মাৰ মংগলাচৰণেৰে আৰম্ভ হোৱা অনুষ্ঠানত ছিপাঝাৰ শাখা লেখিকা সমাৰোহ সমিতিৰ সদস্যাসকলে পৰিৱেশন কৰে এটি বৰগীত। উল্লেখ্য যে ছিপাঝাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা কুঞ্জ হাজৰিকাৰ স্বামী পদ্ম হাজৰিকাই পৰিয়ালবৰ্গৰ হৈ বক্তব্য ৰখা অনুষ্ঠানত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে কুঞ্জ হাজৰিকাৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি অৰ্পণ কৰে।





### ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবলত জয়ৰে অভিযান আৰ্মি গ্ৰীণ দলৰ

# ক্ৰমাগত দ্বিতীয় পৰাজয় নৰ্থ ইষ্টৰ

**গুৱাহাটী, ২১ আগষ্ট ঃ** নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত নিজৰ ব্যৰ্থতা অব্যাহত ৰাখি ক্ৰমাগত দ্বিতীয় মেচতো পৰাজয়ৰ সন্মুখীন হৈছে। আজি গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'ডি'ৰ মেচত বাংগালুৰুৰ আৰ্মি গ্ৰীণ দলে ৩-১ গ'লত পৰাস্ত কৰে নৰ্থ ইষ্ট ইউনাইটেডক। খেলৰ প্ৰথমাৰ্ধতে দুটাকৈ গ'ল দি মেচ নিজৰ আয়ত্বত ৰাখিবলৈ সক্ষম হয় আৰ্মি গ্ৰীণ দলে। ন মিনিটত আৰ্মি দলৰ অধিনায়ক লালাৰমকিমাই প্ৰথমটো গ'ল কৰি দলক ১-০ ৰ অগ্ৰগতি দিয়াৰ পাছত ২৪ মিনিটত নৰ্থ ইষ্ট ইউনাইটেডক দ্বিতীয়টো আঘাত দিয়ে আৰ্মি দলৰ সোমেশ কোঠাৰিয়ে গ'ল কৰি। বিৰতিলৈ ২-০ ত আগুৱাই থাকে বাংগালুৰুৰ দলটো। দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাত ঘৰুৱা দলৰ পৰা শক্তিশালী প্ৰত্যাৱৰ্তন তথা সফল ৰণনীতি আশা কৰা গৈছিল যদিও অনুৰাগীক নিৰাশ কৰে নৰ্থ ইষ্ট ইউনাইটেডে। বিপৰীতে খেলৰ ৫৫ মিনিটত অধিনায়ক লালাৰমকিমাই দ্বিতীয় গ'ল কৰি আৰ্মি গ্ৰীনৰ অগ্ৰগতি ৩-০ কৰে। বিপৰীতে ইঞ্জুৰী টাইমত নৰ্থ ইষ্ট ইউনাইটেডৰ দিপু মিৰ্ধাই গ'ল কৰি ব্যৱধান ৩-১ কৰে। উল্লেখ্য যে চলিত ডুৰাণ্ড কাপত নৰ্থ ইষ্ট ইউনাইটেডে ১৮০ মিনিটত খেলাৰ পাছত প্ৰথমটো গ'ল কৰিলে। বিপৰীতে দলে ঘৰুৱা খেলপথাৰত হজম কৰিছে নটাকৈ গ'ল। উল্লেখ্য যে ক্ৰমাগত দুখন মেচত পৰাস্ত হোৱাৰ পাছত নৰ্থ ইষ্ট ইউনাইটেডৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ পথ কঠিন হৈ পৰিল। বাকী থকা দুয়োখন গ্ৰুপ মেচতে দলে জয়লাভ কৰিব লাগিব। তদুপৰি অংকৰ সমীকৰণো থাকিব। ইয়াৰপূৰ্বে নৰ্থ ইষ্ট ইউনাইটেড প্ৰথম মেচত ওড়িছা এফ চিৰ বিৰুদ্ধে ৬-০ গ'লত পৰাস্ত হৈছিল। বিপৰীতে আৰ্মি গ্ৰীণে জয়ৰে প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিলে। নৰ্থ ইষ্ট ইউনাইটেডে অহা ২৭ আগষ্টত কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ বিৰুদ্ধে মৰণ পণ তৃতীয় গ্ৰুপ মেচখন খেলিব। উল্লেখ্য যে কেৰালা দলে প্ৰথম মেচত দিল্লী এফ চিৰ লগত ড্ৰ খেলিছিল। ইফালে, আৰ্মি গ্ৰীণ দলে অহা ২৫ আগষ্টত সুদেবা দিল্লীৰ বিৰুদ্ধে দ্বিতীয় মেচখন খেলিব। এই দুয়োখন মেচেই সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত হ'ব।



## থাইলেণ্ড অপেন কাৰাটেত হেম্ফুৰ সোণৰ পদক লাভ

**গুৱাহাটী, ২১ আগষ্ট ঃ** থাইলেণ্ডৰ ফুকেটত আজিৰে পৰা আৰম্ভ হোৱা থাইলেণ্ড অ'পেন কাৰাটে চেম্পিয়নশ্বিপত অসমৰ হেম্ফু বংজাঙে জুনিয়ৰ একককৰ কাটাত সোণৰ পদক লাভ কৰিছে। ফাইনেলত হেম্ফুৱে ভাৰতীয় খেলুৱৈ বেদন্ত দাসক পৰাস্ত কৰিছে। কাটা ইভেণ্টত মুঠ ২২ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। প্ৰতিযোগিতাত ২৫ খন দেশৰ প্ৰায় এহেজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। ইয়াৰপৰ্বে জুনত পুনেত অনুষ্ঠিত হোৱা যোৱা নেচনেল কাৰাটে চেম্পিয়নশ্বিপত কুমিটে আৰু কাটা ইভেণ্টত ব্ৰঞ্জ আৰু সোণৰ পদক লাভ কৰিছিল হেম্ফুই। আনহাতে, ইংলেণ্ডৰ বাৰ্মিংহামত অনুষ্ঠিত হ'বলগীয়া দশম কমনৱেলথ কাৰাটে চেম্পিয়নশ্বিপ আৰু কেনিয়া তথা তুৰ্কীত অনুষ্ঠিত হ'বলগীয়া বিশ্ব কেডেট, জুনিয়ৰ আৰু ২১ অনুৰ্ধ কাৰাটে চেম্পিয়নশ্বিপত অংশগ্ৰহণৰ বাবে ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ সাজু হেম্ফু।

## আসাম টাইকোৱান-ড' একাডেমীৰ টীয়ক শাখাৰ সফলতা লাভ


**অগ্ৰদূত বাৰ্তা , লাহদৈগড়, ২১ আগষ্ট ঃ** অসম টাইকোৱান-ড' সংস্থাৰ উদ্যোগত বঙাইগাঁওত অনুস্থিত অসম ৰাজ্যিক টাইকোৱান-ড' প্ৰতিযোগিতাত আসাম টাইকোৱান-ড' একাডেমী ইণ্ডিয়াৰ টীয়ক শাখাৰ ছয়জনকৈ উদিয়মান খেলুৱৈয়ে সুনাম অৰ্জন কৰি গৌৰৱ কঢ়িয়াই আনিছে। টীয়ক শাখাৰ হৈ উক্ত প্ৰতিযোগিতাৰ বিভিন্ন শাখাত মুঠ নজন খেলুৱৈয়ে অংশগ্ৰহণ কৰি নিজ পাৰদৰ্শিতাৰে ১১ বছৰ অনূৰ্ধ্বত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ ৰাজকিশোৰ দুৱৰাই সোণ, তৃতীয় শ্ৰেণীৰ ছাত্ৰ অংশুমান দুৱৰাই সোণ, আঠ বছৰ অনুৰ্ধ শাখাত দ্বিতীয় শ্ৰণীৰ ছাত্ৰ তন্ময় জোনাক গগৈয়ে সোণ, দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ ক্ৰমে শাণ্ডিল্য কাশ্যপ শইকীয়া আৰু জ্যোতিষ্মান বৰদলৈয়ে সোণ আৰু ৬১ কেজিৰ শাখাত পৃথিৰীৰাজ বুঢ়াগোহাঁয়ে ব্ৰঞ্জৰ প্ৰদক লাভ কৰিবলৈ সক্ষম হৈছে।

### কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ দিশে অগ্ৰসৰ

## জামছেদপুৰক হৰুৱাই দ্বিতীয় জয় মহমেদান স্প'ৰ্টিং ক্লাবৰ



**কলকাতা, ২১ আগষ্ট ঃ** মহমেদান স্প'ৰ্টিং ক্লাবে চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত সাফল্যৰ ধাৰাবাহিকতা অব্যাহত ৰাখি ক্ৰমাগত দ্বিতীয় মেচতো জয়লাভ কৰিছে। আজি কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত হোৱা গ্ৰুপ 'এ'ৰ মেচত মহমেদান স্প'ৰ্টিং ক্লাবে ৩-০ গ'লত পৰাস্ত কৰে আই এছ এলৰ দল জামছেদপুৰ এফ চিক। এই জয়ৰে দলে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ দিশে আগবাঢ়িছে। প্ৰথম মেচৰ সফলতাই আত্মবিশ্বাসী কৰা মহমেদান স্প'ৰ্টিং ক্লাবে আজিও দৃঢ়তাৰে আৰম্ভণি কৰে। খেলৰ ৩৮ মিনিটত ফাছলু ৰহমানে দিয়া গ'লেৰে প্ৰথমে অগ্ৰগতি লোৱা ঘৰুৱা দলটোৱে বিৰতিলৈ ১-০ ত আগবাঢ়ি থাকে। দ্বিতীয়াৰ্ধত মহমেদানৰ অগ্ৰগতি ২-০ কৰে হালদাৰে খেলৰ ৭১ মিনিটত গ'ল কৰি। আনহাতে, ৭৪ মিনিটত ফাইজে দিয়া গ'লেৰে মহমেদানৰ বিজয় নিশ্চিত হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ উদ্বোধনী মেচত বিগত বৰ্ষৰ চেম্পিয়ন এফ চি গোৱাক ৩-১ গ'লত পৰাস্ত কৰি চমকপ্ৰদ আৰম্ভণি কৰিছিল মহমেদান স্প'ৰ্টিং ক্লাবে। মহমেদান স্প'ৰ্টিং ক্লাবে পৰবৰ্তী মেচত মুখামুখি হ'ব ভাৰতীয় বায়ু সেনাৰ। অহা ২৭ আগষ্টত এই মেচখন অনুষ্ঠিত হ'ব কলকতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত। আনহাতে, জামছেদপুৰ এফ চিয়ে দ্বিতীয় মেচখন অহা ২৬ আগষ্টত খেলিব এফ চি গোৱাৰ বিৰুদ্ধে। কলকতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত এই মেচখন অনুষ্ঠিত হ'ব।



পুনেত চলি থকা খো-খো লীগ।

## আজি অভিযান আৰম্ভ কৰিব ইষ্ট বেংগল-হায়দৰাবাদ দলে

**কলকাতা, ২১ আগষ্ট ঃ** চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত প্ৰতিযোগিতাৰ কাইলৈ হ'ব লগা প্ৰথম মেচত হায়দৰাবাদ এফ চি মুখামুখি হ'ব টিডিম ৰ'ড এথলেটিক ইউনিয়ন এফ চিৰ। গ্ৰুপ 'চি'ৰ এই মেচখন দিনৰ তিনি বজাত ইম্ফলৰ খুমান লাম্পাক ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰুপৰ প্ৰথম মেচত নেৰ'কা এফ চিৰ বিৰুদ্ধে পৰাস্ত হৈছে টিডিম ৰ'ড এথলেটিক ইউনিয়ন। বিপৰীতে কাইলৈ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব হায়দৰাবাদে। ইফালে, কাইলৈ নিশা ছয় বজাত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হ'ব লগা মেচত ইষ্ট বেংগল ক্লাবে খেলিব ভাৰতীয় নৌ সেনাৰ বিৰুদ্ধে। নৌ সেনাৰ দলটো প্ৰথম মেচত মুম্বাই চিটীৰ বিৰুদ্ধে পৰাস্ত হৈছিল। আনহাতে, ইষ্ট বেংগলৰ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কাইলৈ প্ৰথম মেচ।

## আজি ভাৰত-জিম্বাব'ৱেৰ তৃতীয় এদিনীয়া

**হাৰাৰে, ২১ আগষ্ট ঃ** ভাৰতে জিম্বাব'ৱেৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথম দুখন মেচত জয়লাভ কৰি ২-০ ৰ অগ্ৰগতিৰে শৃংখলা জয় নিশ্চিত কৰিছে। কাইলৈ অনুষ্ঠিত হ'ব শৃংখলাৰ তৃতীয় তথা অন্তিমখন মেচ। ভাৰতৰ লক্ষ্য জয়ৰ ধাৰা অব্যাহত ৰখা। বিপৰীতে জিম্বাব'ৱে ফলাফল আশা নকৰি সন্মানজনক প্ৰদৰ্শন কৰাৰ লক্ষ্যৰে অন্তিম মেচখন খেলিব। উল্লেখ্য যে তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত ভাৰতে ১০ উইকেটত জয়লাভ কৰিছিল। মেচখনত পোনতে বেটিং কৰা ঘৰুৱা দলে ৪০.৩ অভাৰতে মাত্ৰ ১৮৯ ৰাণত ইনিংছ সামৰে। ভাৰতৰ হৈ দীপক চাহাৰ, কৃষ্ণা আৰু অক্ষৰ পেটেলে তিনিটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত ভাৰতৰ দুই অপেনিং বেটছমেনৰ অপৰাজিত দৰ্শনীয় বেটিঙৰে ৩০.৫ অভাৰতে ১৯২ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। শিখৰ ধৱনে ৮১ ৰাণত আৰু শুভমন গিলে ৮২ ৰাণ কৰি অপৰাজিত থাকে। আনহাতে, দ্বিতীয়খন মেচত ভাৰতে পাঁচ উইকেটত পৰাস্ত কৰে ঘৰুৱা দলটোক। প্ৰথমে বেটিং কৰি জিম্বাব'ৱে পূৰ্বৰ দৰেই বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈ ৩৮.১ অভাৰতে মাত্ৰ ১৬১ ৰাণত ইনিংছ সামৰে। ভাৰতৰ হৈ শ্বাৰ্দুল ঠাকুৰে তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত ভাৰতে ২৫.৪ অভাৰতে ১৬৭ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়।





পাকিস্তান আৰু নেদাৰলেণ্ডছৰ মাজত অনুষ্ঠিত এদিনীয়া মেচ।

## যুৱ খেলুৱৈক তেজপুৰ ক্ৰীড়া সন্থাৰ আৰ্থিক পুৰস্কাৰ প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ২১ আগষ্ট ঃ** তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা এ ডিভিজন ফুটবল লীগৰ আজি সামৰণিৰ দিনা কেবাজনো খেলুৱৈক আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা হয়। উল্লেখ্য যে,এসময়ত ডুগৰ শ্বিল্ড ফুটবল প্ৰতিযোগিতাৰ বাবে বিখ্যাত তেজপুৰত ফুটবলৰ লগতে আন ক্ৰীড়াৰ মানদণ্ড তথা প্ৰতিভাশালী খেলুৱৈ সকলৰ উন্নয়নৰ বাবে তেজপুৰ জিলা ক্ৰীড়া সন্থাই উদ্যোগ লোৱাৰ বিষয়ে প্ৰকাশ কৰি ফুটবল সম্পাদক অশ্বিনী বৰাই কয় যে লীগ আয়োজনৰ লগতে এগৰাকী সুদক্ষ খেলুৱৈ প্ৰয়াত ডাঃ আনন্দ চন্দ্ৰ শৰ্মাৰ পৰিয়ালে গঠন কৰা এক ব্যক্তিগত ট্ৰাষ্টৰ জৰিয়তে ক্ৰীড়া উদগনি বঁটাৰ ব্যৱস্থা কৰা হৈছে। এই ট্ৰাষ্টৰ জৰিয়তে তেজপুৰ জিলা ক্ৰীড়া সন্থাই প্ৰতিবছৰে এজন বা ততোধিক ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত পদক প্ৰাপ্ত তথা অলিম্পিকৰ আৰ্থিক সহায়ৰ প্ৰয়োজন থকা খেলুৱৈ নিৰ্বাচন কৰি ধন আগবঢ়োৱা হ'ব। আজি প্ৰথমবাৰলৈ এই বঁটা আৰু নগদ ২৫ হেজাৰ টকাকৈ প্ৰদান কৰা হয় ২০২২ ৰ যুৱ অলিম্পিকত ৪৮ কিলোগ্ৰাম শাখাৰ বক্সিঙত সোণৰ পদক অৰ্জন কৰা চিত্ৰ ৰাজ লিম্বু আৰু এইখন প্ৰতিযোগিতাতে এশ মিটাৰ আৰু দুশ মিটাৰ দৌৰত সোণৰ পদক লাভ কৰা তথা ২০২০ত ৰাষ্ট্ৰীয় এথেলেটিকছত ব্ৰঞ্জৰ পদক অৰ্জন কৰা ৰিমজিম শইকীয়াক। উল্লেখ্য যে এই বঁটা প্ৰদান কৰে প্ৰয়াত ক্ৰীড়াবিদ ডাঃ শৰ্মাৰ বৌৱেক তথা ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত বিজয় চন্দ্ৰ শৰ্মাৰ পত্নী গৌৰী দেৱী আৰু পৰিবাৰ তথা দৰং মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপিকা মিনু দেৱীয়ে। তদুপৰি আজি তেজপুৰ জিলা ক্ৰীড়া সন্থাই ছিৰাজুল ইছলাম আৰু বিশিষ্ট ফুটবল প্ৰশিক্ষক শান্তনু বসুক সম্বৰ্ধনা জনায়।

## হাফ মাৰাথন প্ৰীতি ফুটবল

**অগ্ৰদূত বাৰ্তা, গোৰেশ্বৰ, ২১ আগষ্ট ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হয় হাফ মাৰাথন দৌৰ। স্বাধীনতাৰ ৭৫ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে পালন কৰা আজাদী কী অমৃত মহোৎসৱৰ স'তে সংগতি ৰাখি আয়োজন কৰা এই হাফ মাৰথন গোৰেশ্বৰৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় প্ৰাংগনৰ পৰা আৰম্ভ হৈ গোৰেশ্বৰৰ কেৰ্পাভিঠা চ'কত সমাপ্ত হয়। প্ৰতিযোগিতাৰ ফ্লেগ অফ কৰে বিটিআৰৰ গোৰেশ্বৰ সমষ্টিৰ এমচিএলএল তথা গোৰেশ্বৰ পৌৰ সভাৰ পৌৰপতি পবিত্ৰ কুমাৰ বড়োৱে। অনুষ্ঠানত ৰাজহ চক্ৰ বিষয়া মানসজ্যোতি বৰা , গোৰেশ্বৰ থানাৰ ভৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকা,পৌৰসভাৰ ৱাৰ্ড কমিচনাৰ মন্টুৰাম ডেকা,সমাজকৰ্মী সুৰেন চন্দ্ৰ বড়োকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইফালে, গোৰেশ্বৰ থানাৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত ১৬ আগষ্টত এখনি প্ৰদৰ্শনীমূলক ফুটবল খেলৰ লগতে বিশেষ সম্বৰ্ধনা অনুষ্ঠান আয়োজিত হৈ যায়। গোৰেশ্বৰৰ জ্যেষ্ঠ নাগৰিক আৰু গাওঁৰক্ষী বাহিনীৰ মাজত আয়োজিত ফুটবল খেলখন ২-২ গলত ড্ৰ হোৱাৰ পিছত টাইব্ৰেকাৰত ৩-২ গ'লত জ্যেষ্ঠ নাগৰিকৰ দলে জয়লাভ কৰে। ইপিনে অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয় তামুলপুৰ জিলাৰ আৰক্ষী অধীক্ষক পংকজ যাদৱ, অতিৰিক্ত আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতীম শইকীয়া, মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতা, গোৰেশ্বৰ থানা ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাক।

### এ ডিভিজন ফুটবল লীগৰ সফল সামৰণি

## অসম ৰাইফলছ দলৰ খিতাপ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২১ আগষ্ট ঃ** তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত তেজপুৰৰ পল'ফিল্ডত অনুষ্ঠিত হোৱা অৰুণ চন্দ্ৰ শৰ্মা আৰু গোলাপ লতা দেৱী সোঁৱৰণী এ ডিভিজন ফুটবল লীগত সৰ্বোচ্চ পইন্টৰে লীগৰ খিতাপ দখল কৰিছে অসম ৰাইফলছে। আজি হোৱা লীগৰ অন্তিমখন মেচত অসম ৰাইফলছে লখৰাৰ ৰাইন এফ চিক পৰাভূত কৰি খিতাপ দখল কৰাৰ বিপৰীতে তেজপুৰৰ এন ই স্পৰ্টছ লীগৰ ৰাণাৰ্চআপ হয়। আনহাতে, অন্তিমখন খেলত পৰাজিত হোৱাত লখৰাৰ ৰাইন' এফ চি তৃতীয় স্থানতে সন্তুষ্ট থাকিবলগীয়া হয়। উল্লেখ্য যে শোণিতপুৰৰ মুঠ আঠটা দলে অংশ লোৱা এই লীগৰ অন্তিমখন খেলত আজি অসম ৰাইফলছে ৰাইন' এফ চিক ৫-০ গ'লৰ বৃহৎ ব্যৱধানত পৰাভূত কৰে। অসম ৰাইফলছৰ হৈ সমুজ্জল ৰাভাই দুটা, ৰজাৰ সিং, জন লালৰিণ পুয়া আৰু এছ নাৰ্জীনাৰীয়ে এটাকৈ গল দিয়ে। আজি লীগৰ অন্তিমখন খেলৰ আৰম্ভণিতে অসম ৰাইফলছৰ বেণ্ড প্ৰদৰ্শন কৰাৰ লগতে কৰ্ণেল নীতিশ সিঙে মুখ্য অতিথি হিচাপে অংশ লৈ জিলাখনৰ ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়নৰ বাবে তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সহযোগত কৰিব বুলি কয়। তেওঁ ক্ৰীড়া সন্থাৰ সভাপতি জিতেন বৰঠাকুৰৰ হাতত এক স্মাৰকো প্ৰদান কৰে। বিধায়ক পৃথ্বীৰাজ ৰাভা, শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰ, তেজপুৰ জিলা ক্ৰিকেট সন্থাৰ উপসভাপতি ৰূপ কমল কাকতি, বিশিষ্ট ক্ৰীড়াবিদ পংকজ বৰা, গৌতম শৰ্মা,আশা শৰ্মা,অশোক শৰ্মা আদি ট্ৰাষ্টৰ সদস্যসকল উপস্থিত থাকে। আজিৰ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয় ৰাইন' এফ চিৰ কৰণ চেত্ৰী। আনহাতে অসম ৰাইফলছৰ কে খংচিত লীগৰ শ্ৰেষ্ঠ খেলুৱৈ আৰু অসম ৰাইফলচৰে সমুজ্বল ৰাভা শ্ৰেষ্ঠ স্ক'ৰাৰ নিৰ্বাচিত হয়। আজিৰ খেলখন মুজাহিদ ৰাজাই পৰিচালনা কৰাৰ লগতে তেওঁক সহযোগ কৰে স্বপন স্বৰ্গীয়াৰী,পলদ্বীপ শইকীয়া আৰু ৰবীন গোৱলাই।

## ৰাষ্ট্ৰীয় শিবিৰত অসমৰ দৃষ্টিহীন মহিলা ক্ৰিকেটাৰ

**গুৱাহাটী, ২১ আগষ্ট ঃ** অসমৰ দৃষ্টিহীন মহিলা ক্ৰিকেট দলৰ অংশগ্ৰহণেৰে জামচেদপুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ চাৰিদিনীয়া প্ৰশিক্ষণ শিবিৰৰ সফল সামৰণি পৰিছে। উল্লেখ্য যে অহা বৰ্ষৰ জানুৱাৰীত ভাৰতত অনুষ্ঠিত হ'বলগীয়া দৃষ্টিহীন ছোৱালীৰ বাবে নাগেশ ট্ৰফী ৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰস্তুতি হিচাপে ক্ৰিকেট এছ'চিয়েচন ফৰ দ্য ব্লাইণ্ড ইন ইণ্ডিয়া চমুকৈ চি এ বি আইৰ তত্বাৱধানত ১৪ ৰ পৰা ১৭ আগষ্টলৈ জামচেদপুৰত এই প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছিল। প্ৰশিক্ষণ শিবিৰত ঝাৰখণ্ডৰ লগত প্ৰথমখন অনুশীলন মেচত অসমে সাত উইকেটত জয়লাভ কৰাৰ পাছত দ্বিতীয়খন খেলত অসম ১০ ৰাণত পৰাজয় বৰণ কৰে । ঝাৰখণ্ডই দিয়া ৭২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি অসমে ১০ উইকেটত ৬১ ৰাণহে কৰিবলৈ সক্ষম হয় । এই শিবিৰত দৃষ্টিহীন ক্ৰিকেটৰ উপৰি যোগ, আত্মৰক্ষা, কাৰাটে, ধ্যান আদিৰো প্ৰশিক্ষণ দিয়া হয়। তদুপৰি ষ্টিক লৈ কেনেকৈ চলা ফুৰা কৰিব লাগে এই বিষয়েও জ্ঞান দিয়া হয়। চি এ বি আইৰ স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষক তনুময় ভৌমিকৰ দৰে কেইবাগৰাকীও অভিজ্ঞ প্ৰশিক্ষকে খেলুৱৈসকলক প্ৰশিক্ষণ প্ৰদান কৰে । এই ৰাষ্ট্ৰীয় প্ৰশিক্ষণ শিবিৰত অসমৰ দৃষ্টিহীন ক্ৰিকেটৰ দলৰ ১৩ গৰাকী ছোৱালী খেলুৱৈয়ে অংশগ্ৰহণ কৰে । উল্লেখ্য যে অসম দলটোৰ প্ৰশিক্ষক হিচাপে গৈছে ৰাজদ্বীপ ডাকুৱা, টীম মেনেজাৰৰ দায়িত্বত আছে দিবন বৰা আৰু ৱাৰ্ডেনৰ দায়িত্বত আছে প্ৰিয়ংকা কাকতি । আনহাতে, অসম দলটোৰ টীম লিডাৰ হিচাপে আছে সত্যজিৎ শৰ্মা আৰু সহযোগী হিচাপে আছে হেমন্ত কলিতা।



### নিলোফাৰ আহমেদ-ঈশ্বাৰানী বৈশ্য চেম্পিয়ন অৱ দ্যা চেম্পিয়ন

## ৰাষ্ট্ৰীয় পাঞ্জাত অসমৰ সফলতা

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ আগষ্ট ঃ** জম্মু -কাশ্মীৰত অনুষ্ঠিত সৰ্বভাৰতীয় আৰ্মৰেষ্টলিং চেম্পিয়নশ্বিপত অসম দলৰ হৈ অংশগ্ৰহণ কৰা খেলুৱৈসকলৰ সফলতাই ৰাজ্যখনৰ ক্ৰীড়া ক্ষেত্ৰখনলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। হীৰু ডেকাৰ নেতৃত্বত যোৱা অসম দলটোৰ ঈশ্বাৰানী বৈশ্যই ছোৱালী শাখাত আৰু নিলোফাৰ আহমেদে মহিলা শাখাত চেম্পিয়ন অৱ দ্যা চেম্পিয়নৰ খিতাপ দখল কৰি ৰাজ্য খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। চেম্পিয়নশ্বিপখনত অসম দলৰ খেলুৱৈ সকলে নটা সোণ,১১ ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। তদুপৰি অসমৰ পুৰুষ-মহিলা দলে দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে পুৰস্কাৰ লাভ কৰে। অসম দলৰ হৈ চেম্পিয়নশ্বিপ খনত পদক লাভ কৰা খেলুৱৈ সকল ক্ৰমে ঈশ্বাৰানী বৈশ্য, ৰঞ্জিতা বৰুৱা, অমিত বৈশ্য, হিতেশ ডেকা, ৰিমলি ডেকা,ৰঞ্জু বৰুৱা, দিপাংকৰ দাস,আফৰুজ আহমেদ, নিলোফাৰ আহমেদ, দেৱী দৈমাৰী, সৌৰভ হাজৰিকা, ৰিয়া হাজাৰী, জ্যোতিস্মান শইকীয়া, সঞ্জু বৰুৱা , মৃন্ময় নাথ,



ৰিয়া হাজাৰী, ৰছিদুল আলি, অভিনাথ হাজৰিকা, অম্বৰ উপাধ্যায় , জ্যোতিস্মান শইকীয়া, বিদ্যুৎ বড়ো, হৃদয় নাথ, মৃদুল বৰুৱা, অভয় দাস আৰু পংকজ চেত্ৰী।

# পত্নীক শীঘ্ৰেই আহিম বুলি কৈ যোৱা লেন্সনায়ক চাৰি দশকৰ পাছত আহিল কফিনবন্দী হৈ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২১ আগষ্ট ঃ** 'দেউতা কেতিয়া আহিব, মা?' বিগত প্ৰায় চাৰিটা দশকত কবিতা আৰু ববিতাৰ এই প্ৰশ্নৰ উত্তৰ অসংখ্যবাৰ দিবলগীয়া হৈছে তেওঁলোকৰ মাতৃয়ে। এই প্ৰায় চাৰিটা দশকত মাতৃ শান্তি দেৱীৰ এটাই উত্তৰ আছিল, কামৰ বাবে তোমালোকৰ দেউতা বাহিৰত আছে। সোনকালেই উভতি আহিব। বছৰৰ পাছত বছৰ পাৰ হৈ গ'লেও সলনি হোৱা নাছিল কন্যা-মাতৃৰ প্ৰশ্ন আৰু উত্তৰত। অৱশেষত কবিতা আৰু ববিতাৰ পিতৃ উভতি আহিল। অৱশ্যে সোঁশৰীৰে নহয়, কফিনত সোমাই সুদীৰ্ঘ ৩৮ বছৰৰ পাছত স্বগৃহলৈ উভতি আহিল ভাৰতীয় সেনাৰ লেন্সনায়ক চন্দ্ৰশেখৰ হৰবোলাৰ নিথৰ শৰীৰ। বিগত ৩৮টা বছৰত লেন্সনায়ক চন্দ্ৰশেখৰৰ নিথৰ দেহ ঢাক খাই আছিল ছিয়াচেনৰ হিমবাহৰ তুষাৰত। সেয়ে ইমান বছৰৰ পূৰ্বে মৃত্যু হ'লেও তেওঁৰ শৰীৰ কিন্তু অক্ষত অৱস্থাতে দেখাৰ সৌভাগ্য হ'ল পত্নী আৰু দুই কন্যাৰ। যোৱা সপ্তাহত বিশ্বৰ সবাতোকৈ ওখ যুদ্ধক্ষেত্ৰৰূপে পৰিচিত ভাৰত-পাকিস্তান সীমান্তৰ ছিয়াচেনৰ বৰফৰ মাজৰ পৰা লেন্সনায়ক চন্দ্ৰশেখৰৰ মৃতদেহ উদ্ধাৰ কৰে ভাৰতীয় সেনা জোৱানে।

১৯৮৪ৰ ২৯ মে'ত 'অপাৰেছন মেঘদূত'ৰ অংগৰূপে ছিয়াচেনত নিয়মীয়া টহলদাৰী দল এটাত আছিল চন্দ্ৰশেখৰ। সেই সময়তে এক হিম-ধুমুহাৰ কবলত পৰে সেনাৰ ২০জনীয়া টহলদাৰী দলটো। হিমবাহ ভাঙি বৰফে ঢাকি পেলায় তেওঁলোকক। তেওঁলোকৰ ভিতৰত ১৫জনৰ শৰীৰ উদ্ধাৰ হ'লেও পাঁচজনৰ সন্ধান ওলোৱা নাছিল। সেই নিৰুদ্দিষ্ট পাঁচ সেনাৰ ভিতৰতে আছিল চন্দ্ৰশেখৰ। উল্লেখ্য যে ছিয়াচেনত সেই অভিযানক ভাৰতীয় সেনা বাহিনীৰ ইতিহাসত অন্যতম গুৰুত্বপূৰ্ণ আখ্যা দিয়া হয়। পাক সেনাৰ দখলৰ পৰা হিমবাহৰ 'পইণ্ট ৫৯৬৫' অঞ্চলক উদ্ধাৰ কৰাই আছিল লেন্সনায়ক চন্দ্ৰশেখৰৰ দলটোৰ দায়িত্ব। সেই অভিযানৰ সাফল্যৰ বাবেই ছিয়াচেন শত্ৰুপক্ষৰ হাতত নপৰিল। যদিও বিশ্বৰ সবাতোকৈ উচ্চ যুদ্ধক্ষেত্ৰই দুই দেশৰে বহু সেনাৰ প্ৰাণ লৈছিল। ভাৰতীয় সেনাৰ সূত্ৰই জনাইছে যে যোৱা সপ্তাহত ছিয়াচেনত নিয়মিত টহলৰ সময়ত এক দুৰ্গম অঞ্চলত থকা এটা পৰিত্যক্ত বাংকাৰৰ ভিতৰত সেনা জোৱানে এটা মৃতদেহ প্ৰত্যক্ষ কৰে। তাত পৰি থকা এখন ধাতৰ পাতত খোদিত আছিল লেন্সনায়কৰ আইডি নম্বৰ। সকলো নথি-পত্ৰ চালিজাৰি চাই মৃতদেহটো চন্দ্ৰশেখৰৰ বুলি নিশ্চিত হয় সেনা কৰ্তৃপক্ষ। লেন্সনায়ক চন্দ্ৰশেখৰক সেনাবাহিনীয়ে 'নিখোঁজ' বুলি ঘোষণা কৰাৰ সময়ত তেওঁৰ জ্যেষ্ঠা কন্যা কবিতাৰ বয়স আছিল আঠ বছৰ। কবিতা আছিল সেই সময়ত প্ৰায় চাৰি বছৰীয়া। প্ৰায় চাৰি দশকৰ পাছত যোৱা ১৩ আগষ্টত তেওঁলোকে দেউতাক উভতি অহাৰ খবৰ পায়। অৱশ্যে পিতৃ যে সেইদৰে উভতি আহিব, সেয়া তেওঁলোকে কল্পনাই কৰা নাছিল। চন্দ্ৰশেখৰ জীৱিত আছে বুলিয়ে দুই কন্যাই আশা কৰিছিল। হয়তো পাক সেনাই পিতৃক বন্দী কৰি ৰাখিছে আৰু এদিন এৰি দিব বুলিয়ে তেওঁলোকে আশা





# ৩৮ বছৰ ছিয়াচেনৰ বৰফত পৰি ৰ'ল ভাৰতীয় জোৱানৰ দেহ

কৰিছিল। যদিও উত্তৰাখণ্ডৰ বাঘেশ্বৰ জিলাৰ এখন ভিতৰুৱা গাঁৱত থকা তেওঁলোকৰ ঘৰখনলৈ কোনোদিনেই তেনে কোনো খবৰ অহা নাছিল। বৰঞ্চ প্ৰায় চাৰি দশকৰ পাছত দেউতাক আহিল কফিনৰ ভিতৰত সোমায়। নিজৰ গাঁৱতে লেন্সনায়ক চন্দ্ৰশেখৰৰ শেষকৃত্য সামৰিক মৰ্যাদাৰে সম্পন্ন হয়। ৩৮ বছৰৰ আগৰ দুই শিশু কন্যা এতিয়া মধ্যবয়সী মহিলা। কবিতাৰ বয়স এতিয়া ৪৬ আৰু ববিতাৰ ৪২ বছৰ। তেওঁলোকৰ স'তে শেষকৃত্যত উপস্থিত আছিল ৬৩ বছৰীয়া মাতৃও। উল্লেখ্য যে সেনা বাহিনীয়ে চন্দ্ৰশেখৰৰ নশ্বৰ দেহ পৰিয়ালক অৰ্পণ কৰাৰ সময়ত পত্নী আৰু দুই কন্যাৰ লগতে ক্ৰন্দনত ভাঙি পৰিছিল সমগ্ৰ গাঁওবাসী। অন্তিম শ্ৰদ্ধা নিবেদনৰ সময়ত সকলোৱে সমস্বৰে চিঞৰি উঠিছিল, 'লেন্সনায়ক অমৰ ৰহে'। বিগত ৩৮টা বছৰত স্বামীৰ অপেক্ষাত থকা শান্তি দেৱীৰ এটাই লক্ষ্য আছিল, দুই কন্যাক সঠিক শিক্ষা প্ৰদান কৰা। এখন হাস্পতালৰ নাৰ্ছ শান্তি দেৱীয়ে কয় যে দেউতাক উভতি আহিব বুলিয়ে তেওঁ ইমানদিনে দুই কন্যাক হৈ আহিছিল। তেওঁৰ নিজৰ মনতো এটা আশা আছিল। হয়তো পাক সেনাই তেওঁক বন্দী কৰি ৰাখিছে। অৱশ্যে ১৩ আগষ্টত স্বামীৰ নশ্বৰ দেহ উভতি অহাৰ পাছত তেওঁৰ সকলো আশা শেষ হৈ গ'ল। চন্দ্ৰশেখৰৰ ভতিজাক হৰিশচন্দ্ৰ হাৰবোলে কয় যে খুড়াকৰ মৃত্যুৰ খবৰ সেনাৰ পৰা লাভ কৰাত তেওঁলোক হতবাক হৈ পৰিছিল। অৱশ্যে শোকৰ মাজতো দেশৰ হকে প্ৰাণ দিয়া চন্দ্ৰশেখৰৰ বাবে গৰ্ব অনুভৱ কৰিছে পৰিয়ালৰ সকলোৱে।

# হাজোৰ বৰলীয়া নদীত হোলোং নাওখেল প্ৰতিযোগিতাত পাৰ ভঙা উছাহ



অগ্ৰদূত বাৰ্তা

**হাজো, ২১ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত উত্তৰ একাদি দক্ষিণ শিংৰাস্থিত বৰলীয়া নদীত উত্তৰ একাদি দক্ষিণ শিংৰা নয়নমনি ক্লাবৰ সৌজন্যত আজি এখন হোলোং নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ক'ভিড মহামাৰীৰ অন্তত প্ৰায় দুটা বছৰৰ বিৰতিৰ পাছত জনমানসৰ পৰা ক্ৰমাৎ হেৰাই যাবলৈ উপক্ৰম হোৱা হোলোং নাওখেলৰ জনপ্ৰিয়তাক আজিৰ নৱপ্ৰজন্মৰ মাজত চিনাকি কৰাই দিয়াৰ লক্ষ্যৰে হোলোং নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে বুলি উল্লেখ কৰে উদ্যোক্তা কমিটীয়ে। প্ৰায় ১০ টাকৈ নাওখেলৰ দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ চূড়ান্ত খেলত মা ৰূপহী নাওখনে শ্ৰেষ্ঠতাৰ খিতাপ ১০,০০১ টকা লগতে বঁটা অৰ্জন কৰে। আনহাতে, 'মা'ৰ আশীৰ্বাদ নাওখনে দ্বিতীয় পুৰস্কাৰ ৭,০০১ টকা লগতে বঁটা অৰ্জন কৰে। উক্ত খেলত অজাপ নেতা দুলু আহমেদ, নাজিম আহমেদ, খেল পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল ক্ৰমে বাচেৰ আলী, ইউচুব আলী, আবেদ আৰিফ, তৈইমুদ্দিন আহমেদকে প্ৰমুখ্যে প্ৰায় শতাধিক ৰাইজ উপস্থিত থাকে।



# মানাহ জীপ ছাফাৰী সন্থাৰ জীপ ছাফাৰী বন্ধৰ সিদ্ধান্ত প্ৰত্যাহাৰ



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২১ আগষ্ট ঃ** বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত জীপ ছাফাৰী সন্থাৰ অনিৰ্দিষ্টকালীন জীপ ছাফাৰী বন্ধৰ সিদ্ধান্ত সাময়িকভাৱে প্ৰত্যাহাৰ কৰা হৈছে । গ্ৰেটাৰ মানাহ কনজাৰ্ভেছ্যন এণ্ড টুৰিজ্যিম ডেভেলপমেন্ট ছ'চাইটিয়ে আজি মানাহৰ স্মাইলিং টাস্কাৰ ৰিজৰ্টত আয়োজন কৰা এক সংবাদমেলযোগে সদৰী কৰিছে এই কথা। উল্লেখ্য যে মানাহৰ পৰ্যটনক্ষেত্ৰত অধিক হাৰত মাচুল বৃদ্ধিৰ প্ৰতিবাদত তথা মানাহৰ ক্ষেত্ৰ সঞ্চালকক বদলিৰ দাবীত সংগঠনটোৱে ন জুলাইৰ পৰা গ্ৰহণ কৰিছিল আন্দোলনৰ কাৰ্যসূচী। আন্দোলনৰ কাৰ্যসূচী মৰ্মেই সংগঠনটোৱে অনিৰ্দিষ্টকাললৈ বন্ধ ৰাখিছিল জীপ ছাফাৰী। কিন্তু ইতিমধ্যে সংগঠনটোৰ নেতৃবৃন্দই ৰাজ্যৰ বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ স'তে জনতা ভৱনত এক আলোচনাত মিলিত হয় আৰু আলোচনাকালত মন্ত্ৰীজনে পৰ্যায়ক্ৰমে সংগঠনটোৰ দাবীসমূহ বিবেচনামৰ্মে পূৰণৰ আশ্বাস প্ৰদান কৰাত সংগঠনটোৱে সাময়িকভাৱে স্থগিত ৰাখিছে আন্দোলনৰ সকলো কাৰ্যসূচী । সেই অনুসৰিয়েই মানাহত অনিৰ্দিষ্টকাললৈ জীপ ছাফাৰী বন্ধ ৰখাৰ সিদ্ধান্ত সাময়িকভাৱে প্ৰত্যাহাৰ কৰা বুলি জনাইছে সংবাদমেলযোগে । উল্লেখ্য যে সংগঠনটোৰ বিভিন্ন দাবীসমূহ পূৰণৰ ক্ষেত্ৰত চৰকাৰে যথোচিত ব্যৱস্থা গ্ৰহণ নকৰিলে পুনৰ আন্দোলনৰ কাৰ্যসূচী হাতত লোৱা হ'ব বুলিও জানিব দিয়ে সংগঠনটোৰ নেতৃবৃন্দই।



# নৰহত্যা-স্বজাতিৰে বিবাদ, যাৱজ্জীৱন 'কাৰাদণ্ড' বনৰজাৰ

■ নিউজ ব্যুৰ'

**জয়পুৰ, ২১ আগষ্ট ঃ** একাধিক নৰহত্যা আৰু স্বজাতিৰ স'তে বিবাদৰ বাবে যাৱজ্জীৱন 'কাৰাদণ্ড' হ'ল ৰাজস্থানৰ ৰণথাম্ভোৰ ৰাষ্ট্ৰীয় উদ্যানৰ এটা বাঘৰ। উদ্যান কৰ্তৃপক্ষই জনাইছে যে এতিয়াৰ পৰা 'টি-০১৪' নামৰ ঢেকিয়াপতীয়া বাঘটোৱে আজীৱন গড়ালতে কটাব লাগিব।

ৰাষ্ট্ৰীয় উদ্যানখনৰ একাংশ বন কৰ্মীয়ে জনাইছে যে 'টি-১০৪' নামৰ বাঘটো স্বভাৱতেই কিছু উগ্ৰ। সেই বাবেই 'টি-১০৪'য়ে বাস কৰা অঞ্চলটোৰ আন বাঘবোৰৰ স'তে সঘনাই যুঁজ হৈছিল। আনকি 'টি-১০৪'ৰ ভয়ত কে'বাটাও বাঘে নিজৰ অঞ্চল ত্যাগ কৰি অগভীৰ জংঘলত জনবসতিৰ সমীপৰ অঞ্চলত আশ্ৰয় ল'বলৈ বাধ্য হৈছিল। 'টি-১০৪' নামৰ বাঘটোক কোনোপধ্যেই শান্ত কৰিব নোৱৰাৰ বাবেই তাক শাস্তি প্ৰদানৰ সিদ্ধান্ত লয় অৰণ্যখনৰ মুখ্য ৱাৰ্ডেনে। বাঘটোক আজীৱন গড়ালত ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। অৰ্থাৎ জংঘলত থাকিলেও বাঘটোৱে কটাব লাগিব চিয়িাখানাৰ দৰে বন্দী জীৱন। লগতে তাক নিজৰ পৰিচিত অঞ্চলৰ পৰা আঁতৰাই নি আন ঠাইত নিৰ্বাসন দিয়াৰো অনুমতি বিচৰা হৈছে ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ কৰ্তৃপক্ষৰ পৰা।

উল্লেখ্য যে ৰণথাম্ভোৰ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বাঘটোক আঁতৰাই নিবলৈ দীৰ্ঘদিনৰ পৰাই দাবী উঠি আহিছিল। দুটা কাৰণত এই

## 'টি-১০৪'ৰ সন্ত্ৰাসত জংঘল এৰিছিল অন্যান্য বাঘে

দাবী উঠিছিল। প্ৰথমে, বাঘটোৰ পৰ্যটকক আক্ৰমণ কৰা স্বভাৱৰ বাবে আৰু দ্বিতীয়তে, আন বাঘক ভয় খুওৱা অভ্যাসৰ বাবে। ৰাজ্যখনৰ বন মন্ত্ৰণালয়ৰ এজন বিষয়াই জনাইছে যে বিগত ২০১৯তে 'টি-১০৪'ক বন্দী কৰা হৈছিল। তাৰ আগতেই বাঘটোৱে পৰ্যটকসহ তিনিজন লোকক হত্যা কৰিছিল। অৱশ্যে বন্দী হোৱাৰ পাছতো তাৰ স্বভাৱ সলনি হোৱা নাছিল। ৰণথাম্ভোৰ ৰাষ্ট্ৰীয় উদ্যানৰ বহু বাঘৰ স'তেই তাৰ সততে যুঁজ লাগিছিল। বহু বাঘক সি অঞ্চলটোৰ পৰা খেদিও পঠাইছে। ইয়াৰ পাছতে তাক ৰণথাম্ভোৰৰ পৰা আঁতৰাই নিয়াৰ সিদ্ধান্ত লোৱা হয়। সম্প্ৰতি 'টি-১০৪'ক কম পৰ্যটক যোৱা মুকুন্দ্ৰ হিল্‌ছ ব্যাঘ্ৰ সংৰক্ষণ কেন্দ্ৰৰ দাৰা পাহাৰীয়া অঞ্চলত গড়ালবন্দী কৰি ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। তাত বাঘটোৱে বিশেষ ক্ষতি কৰিব নোৱাৰিব বুলিয়ে অনুমান কৰিছে মুখ্য ৱাৰ্ডেনে। এই সন্দৰ্ভত তেওঁ ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষণ কৰ্তৃপক্ষলৈ ইতিমধ্যে পত্ৰও প্ৰেৰণ কৰিছে। উল্লেখ্য যে ২০১৯ৰ ছেপ্টেম্বৰত বন্দী হোৱাৰ পাছৰে পৰা 'টি-১০৪'য়ে ৰণথাম্ভোৰৰ ভিড় নামৰ জংঘলতে আছিল। তাক যদি যাৱজ্জীৱন গড়ালবন্দী কৰি নিৰ্বাসনত পঠোৱা হয়, তেন্তে নিজৰ স্বভাৱৰ বাবে নিজ অঞ্চলৰ পৰা দূৰলৈ প্ৰেৰণ কৰি গড়ালত আজীৱন বন্দী কৰি ৰখাৰ সিদ্ধান্ত লোৱা ৰাজ্যখনৰ দ্বিতীয়টো মতা বাঘত পৰিগণিত হ'ব 'টি-১০৪'।

# মাজুলীৰ ভাস্কৰ মইনা পাৰিজাতৰ চিৰসেউজ গীতৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২১ আগষ্ট ঃ** মাজুলী মহকিনা গাঁৱৰ পৰিচালনা সমিতিৰ উদ্যোগত ভাস্কৰ মইনা পাৰিজাতৰ অৰ্ধ শতাধিক কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত পষেকীয়া কাৰ্যসূচীৰে অসমীয়া চিৰসেউজ গীতসমূহৰ কৰ্মশালাৰ অন্তত গাঁৱৰ নামঘৰত আজি সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। গাঁৱৰ মহিলাসকলৰ কণ্ঠৰ ৰঞ্জিৎ ভূএগ্ৰা ৰচিত সমবেত সংগীতেৰে আৰম্ভ হোৱা সামৰণি অনুষ্ঠানত সভাপতিত্ব কৰে গড়মূৰ পীতাম্বৰ দেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা গাঁও উন্নয়ন সমিতিৰ সভাপতি নিৰণ শইকীয়াই। কৰ্মশালাত প্ৰশিক্ষাৰ্থীসকলৰ গীতে-মাতে এক নান্দনিক পৰিৱেশৰ সৃষ্টি কৰে। সভাত সদৌ অসম মইনা পাৰিজাতৰ 'শিশুবন্ধু' উপাধিৰে বিভূষিত দুৰৰীয়াই ভাস্কৰ মইনা পাৰিজাতৰ এনে কাৰ্যসূচী শলাগ লৈ অব্যাহত ৰখাৰ আহ্বান জনায়। তদুপৰি সদৌ অসম মইনা পাৰিজাতৰ ইতিহাসৰ খেওধৰি মইনা পাৰিজাতৰ গৌৰৱময় অতীত সোঁৱৰণ কৰে। মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি লোহিত বৰাই মইনাসকলৰ প্ৰতিভা বিকশিত হোৱাৰ ক্ষেত্ৰত উদ্যোক্তা আৰু প্ৰশিক্ষকক ধন্যবাদ জ্ঞাপন কৰি ভাস্কৰ মইনা পাৰিজাতৰ আদৰ্শ প্ৰতিখন মইনা পাৰিজাতে গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সভাত বিশিষ্ট অতিথিৰ আসনৰ পৰা মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূএগ্ৰাই শিশুসকলৰ চৰিত্ৰ গঠনত সংগীতে কেনেধৰণৰ প্ৰভাৱ পেলায় সেই বিষয়ে বক্তব্য ৰাখি চৰকাৰে মাজুলীত সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপন কৰাৰ পাছতো একাংশ প্ৰধান শিক্ষকে সংগীতৰ বিষয়টো গুৰুত্ব নিদিয়াৰ কাৰণে মাজুলীৰ বহু প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়ে এটা বিষয়ৰূপে সংগীত অধ্যয়ন কৰাৰ পৰা বঞ্চিত হৈছে বুলি অভিযোগ আনে। মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সভাপতি মিনতি শইকীয়া, ৰামধেনু শাখা সাহিত্য সভাৰ সভাপতি জগন্নাথ দুৱৰীয়া, মাজুলী জিলা মইনা পাৰিজাতৰ সম্পাদক প্ৰবীণ ভূএগ্ৰা, কৰ্মশালাৰ প্ৰশিক্ষক মালতী শইকীয়া, লক্ষ্য গায়ন আদি বহু কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাস্কৰ মইনা পাৰিজাতৰ পদক্ষেপৰ শলাগ লয়। এই সভাতে প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়।

# তেজপুৰৰ 'ডেকাৰগাঁও আঞ্চলিক শান্তিধাম'ৰ আটকধুনীয়া ৰূপ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২১ আগষ্ট ঃ** মানৱ জীৱনৰ অন্তিম সত্য মৃত্যু আৰু এই মৃত্যুৰ পাছত পুণ্যস্থান হিচাপে পৰিগণিত হয় শ্মশান। এই শ্মশানসমূহকে বৰ্তমান ৰাজহুৱাভাৱে আটকধুনীয়াকৈ গঢ়ি তোলাৰ প্ৰয়াস চলিছে। বৰ্তমানে এই পুণ্য ক্ষেত্ৰ হিচাপে পৰিগণিত হোৱা শ্মশানসমূহ সুন্দৰকৈ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত চৰকাৰ-প্ৰশাসনেও তৎপৰতা গ্ৰহণ কৰিছে যদিও এতিয়াও অধিকাংশ গ্ৰামাঞ্চলত আটকধুনীয়া শ্মশানৰ অভাৱৰ মাজেৰেই ৰাইজে শেষকৃত্য সম্পন্ন কৰিব লগা হৈ আহিছে। কিন্তু ইয়াৰ মাজতেই আজি তেজপুৰৰ নিকটৱৰ্তী ডেকাৰগাঁও অঞ্চলৰ ৰাইজৰ দীৰ্ঘদিনীয়া এক অভাৱ দূৰ কৰি কেৱল ৰাইজৰ উদ্যোগতে ৰাজহুৱা এখন শ্মশানে সুন্দৰ ৰূপ লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ১৯৭০ তেই স্থানীয় ডেকাৰগাঁও অঞ্চলৰ ৰাইজে পুথিখাতি নামৰ গাঁওখনৰ এডোখৰ চৰকাৰী মাটি নিৰ্বাচিত কৰি ৰাজহুৱাভাৱে স্থানীয় লোকৰ শেষকৃত্যৰ ব্যৱস্থা কৰি আহিছিল। ইয়াৰ মাজতেই অগপ চৰকাৰৰ সময়ছোৱাত স্থানীয় ৰাজনীতিক তথা সমাজকৰ্মী প্ৰয়াত অতুল শইকীয়াৰ বিশেষ তৎপৰতাত ১৯৮৫ত 'পুথিখাতি শ্মশান নিৰ্মাণ সমিতি' নামৰ এখন সমিতি গঠন হোৱাৰ পাছত ৰাইজৰ বিশেষ সহযোগিতাৰে এখোপ-দুখোপকৈ আগবাঢ়ি আহি আহি আজি সেই শ্মশানে আঞ্চলিক স্বীকৃতি লৈ আটকধুনীয়া ৰূপ লাভ কৰা পৰিলক্ষিত হয়। আজিৰ দিনটোত শ্মশানখনৰ মূল তোৰণ, পকী বেৰৰ সম্পূৰ্ণ ৰূপ এক বিশেষ অনুষ্ঠানৰ জৰিয়তে উদ্বোধন হয়। উল্লেখ্য যে ২০২০ৰ ১৪ জুনত পৰলোকপ্ৰাপ্তি ঘটা তেজপুৰৰ নিকটৱৰ্তী ডেকাৰ গাঁও অঞ্চলৰ সৰ্বৰহী সমাজকৰ্মী তথা তেজপুৰৰ গান্ধী মেম'ৰিয়েল মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বুলেন শইকীয়াৰ পৰিয়ালৰ অৰ্থ সাহায্যত আজি এক মাংগলিক পৰিৱেশত স্থানীয় ডেকাৰগাঁও পুথিখাতি অঞ্চলৰ ৰাজহুৱা আঞ্চলিক শান্তিধামৰ মূল তোৰণখন উদ্বোধন কৰে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই। স্থানীয় শ্মশান উন্নয়ন সমিতিৰ উদ্যোগত এই উপলক্ষে আজি অনুষ্ঠিত এই তোৰণ উদ্বোধনী



## প্ৰয়াত শিক্ষক বুলেন শইকীয়াৰ সোঁৱৰণত মূল তোৰণ উদ্বোধন বিধায়ক পৃথ্বিৰাজ ৰাভাৰ

অনুষ্ঠানতে স্থানীয় আয়তীসকলে নাম প্ৰসংগৰে শান্তিধাম চৌহদত ভক্তি ৰসৰে এক অমিয়া পৰিৱেশৰো সূচনা কৰে। আনহাতে, এই অনুষ্ঠানতে ৰাইজৰ মংগলৰ কাৰণে অতি আটকধুনীয়াকৈ নিৰ্মাণ কৰি তোলা শ্মশান অৰ্থাৎ শান্তিধামখন যাৰ প্ৰযত্নত গঢ় লৈ উঠিছিল সেই পৰিয়ালৰ ব্যক্তিসকলক শ্মশান উন্নয়ন সমিতিৰ হৈ বিধায়ক পৃথ্বিৰাজ ৰাভাই একোখনকৈ সম্বৰ্ধনা পত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। শ্মশান উন্নয়ন সমিতিৰ সভাপতি সোমেশ্বৰ কেউট, সম্পাদক বীৰেণ দাস, প্ৰাক্তন ছাত্ৰ নেতা তথা শিক্ষক লন্টু শইকীয়াকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত এই অনুষ্ঠানতে মূল তোৰণখনৰ শিল্পী স্থানীয় শিক্ষক দশ মুকুট কেউট আৰু দাতা তথা প্ৰয়াত বুলেন শইকীয়াৰ সহধৰ্মিণী জোনালী শইকীয়াকো সম্বৰ্ধনা জ্ঞাপন কৰাৰ পাছত উদ্বোধনী ভাষণত বিধায়ক পৃথ্বিৰাজ ৰাভাই এখন ৰাজহুৱা শ্মশান ৰাইজৰ বিশেষ তৎপৰতাত আটকধুনীয়া ৰূপ লাভ কৰাত সন্তুষ্টি প্ৰকাশ কৰি যিসকল বিশেষ ব্যক্তিৰ প্ৰচেষ্টাত এই শ্মশানখনে আজি এক উন্নত ৰূপ লাভ কৰিলে সেইসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, বিধায়কজনে ভাষণ প্ৰসংগত তোৰণৰ দাতা পৰিয়াল আৰু উছৰ্গিত বুলেন শইকীয়াৰ বিদেহ আত্মাৰ সদগতি কামনা কৰে।

# নগাঁও-ধিং পথত নৰক যন্ত্ৰণা ভুগিছে ৰাইজে

বিশেষ সংবাদদাতা

**নগাঁও, ২১ আগষ্ট ঃ** নগাঁও জিলাৰ নগাঁও সদৰ, বটদ্ৰৱা আৰু ধিং সমষ্টিৰ সংযোগী লোকনিৰ্মাণ বিভাগৰ গুৰুত্বপূৰ্ণ পথ হৈছে নগাঁও-ধিং-ভূৰাগাঁও পড়কাপ্টানী পথ। এই পথৰেই যাব লাগে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাৰ শ্ৰীশ্ৰীবটদ্ৰৱা থানলৈ। বিগত বৰ্ষত উক্ত পথটোৰ নগাঁও চহৰৰ ধিং গেটৰ পৰা বটদ্ৰৱা হৈ ধিং নগৰলৈকে ২৩.৮৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ অসম মালা আঁচনিৰ অধীনত চাৰিলেনযুক্ত পথৰ আৰ্হিত উন্নীতকৰণ কৰি পুনৰ নিৰ্মাণ কৰিবলৈ চৰকাৰীভাৱে পদক্ষেপ গ্ৰহণ কৰা হয়। এই পথটোৰ বাবে চৰকাৰৰ লোকনিৰ্মাণ বিভাগে প্ৰাক্কলন পুঁজি নিৰ্ধাৰণ কৰিছিল ১৯৪.৫৫ কোটি টকা। অৱশ্যে কামটোৰ নিবিদা মূল্য হয়গৈ ১৪৪.৯৪ কোটি টকা। পথ নিৰ্মাণৰ কামৰ ঠিকা আবণ্টন দিয়া হৈছিল এছ কে খেটাৰট আৰু এমএছএনএছকে-পিইচিচি নামৰ দুই ঠিকাদাৰ প্ৰতিষ্ঠানক। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ আবণ্টিত ১৪৪.৯৪ কোটি টকা পুঁজিৰে নগাঁও চহৰৰ ধিং গেটৰ পৰা ধিং নগৰলৈকে ২৩.৮৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ বহল আৰু পুনৰ নিৰ্মাণৰ কাম বিগত ২০২১ৰ ২৩ ফেব্ৰুৱাৰীত আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হৈছিল। এই কামৰ তদাৰকৰ দায়িত্বত আছিল লোকনিৰ্মাণ বিভাগৰ নগাঁও ডিভিজনৰ উপৰি বটদ্ৰৱা, ধিং আৰু ৰহা টেৰিটৰিয়েল ডিভিজন। কিন্তু অতি গুৰুত্বপূৰ্ণ এই পথটোৰ পুনৰ নিৰ্মাণৰ নামত হোৱা চৰম ভেঁকোভাওনাই ৰাইজক জীয়াতু ভোগাইছে। পথ নিৰ্মাণৰ প্ৰাৰম্ভিক কাম হিচাপে নগাঁও চহৰৰ পৰা ৰাইদঙীয়ালৈকে সামান্য এটা অংশত পথৰ দাঁতিত থকা গছ-গছনি কটাৰ লগতে ঠায়ে ঠায়ে পথ সম্প্ৰসাৰণৰ বাবে মাটিও পেলোৱা হয়। তাৰ উপৰি ধিং গেটৰ পৰা সোণাই নদী পৰ্যন্ত নগাঁও-ধিং পথৰ দুয়ো দাঁতিত নলা নিৰ্মাণ কৰা হয়। লগতে ৰাইদঙীয়া, বটদ্ৰৱা, কদমণিত পথৰ কাষত চুটি চুটি নলা নিৰ্মাণ কৰা হয়। ধিং গেটৰ উৰণীয়া সেতুৰ পৰা সোণাইঘাট পৰ্যন্ত পথ সম্প্ৰসাৰণৰ কাম খৰতকীয়াকৈ আৰম্ভ কৰা হৈছিল যদিও অতি ৰহস্যজনকভাৱে সেই কাম বন্ধ হৈ আছে। ফলত অৰ্ধনিৰ্মিত এই পথছোৱা এতিয়া অতিশয় বিধ্বস্ত হৈ পৰিছে। ফলত যাতায়াতৰ ক্ষেত্ৰত ৰাইজে জীয়াতু ভুগিব লগা হৈছে।

## অসম মালা আঁচনিৰ অধীনত পথ নিৰ্মাণৰ নামত চৰম প্ৰহসন



ইপিনে, অসম মালা আঁচনিৰ অধীনত নিৰ্মাণ কাৰ্য কাহানিবাই আৰম্ভ হোৱা ২৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটোৰ ৰাইদঙীয়াৰ পৰা ধিং পৰ্যন্ত পথৰ দাঁতিত থকা গছসমূহেই কটাৰ কাম আৰম্ভ হোৱা নাই। আনকি পথ সম্প্ৰসাৰণৰ নামত পথৰ দাঁতিত মাটিও পেলোৱা হোৱা নাই।

অসম মালা আঁচনিৰ অধীনত পথটোৰ উন্নতিকৰণৰ কাম আৰম্ভ কৰা হেতুকে পথটোৰ নিয়মীয়া মেৰামতিৰ কামো বন্ধ কৰি দিয়া হৈছে। ফলত সুদীৰ্ঘ দিন মেৰামতিৰ অভাৱত পথটোৰ নগাঁৱৰ ধিং গেটৰ পৰা ধিং নগৰ পৰ্যন্ত গোটেই পথছোৱা অতিশয় জৰাজীৰ্ণ হৈ পৰিছে। পথৰ মাজে মাজে সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ। এজাক বৰষুণতে পথৰ মাজৰ প্ৰকাণ্ড প্ৰকাণ্ড গাঁতসমূহ পুখুৰীসদৃশ হৈ পৰি ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰে। পথটোৰ বিধ্বস্ততাৰ বাবে সঘনাই দুৰ্ঘটনা সংঘটিত হোৱা পৰিলক্ষিত হৈছে। এই পথটো ভালে থকা অৱস্থাত নগাঁৱৰ পৰা ধিঙলৈ যাওঁতে মাত্ৰ ৩৫-৪০ মিনিট সময় লাগিছিল। কিন্তু এতিয়া পথৰ অতিশয় শোচনীয় অৱস্থাৰ বাবে এই ২৪ কিলোমিটাৰ দূৰত্বত সময় লাগে ডেৰ ঘণ্টা। পথছোৱাৰ অতিশয় শোচনীয় অৱস্থাৰ সুযোগ লৈ একাংশ দুৰ্বৃত্তই সঘনাই পথ ডকাইতিও সংঘটিত কৰি আহিছে। অসম মালা আঁচনিৰ অধীনত এই পথটো পুনৰ নিৰ্মাণৰ অন্যতম প্ৰধান উদ্দেশ্য আছিল শ্ৰীশ্ৰীবটদ্ৰৱা থানলৈ যাতায়াতৰ ব্যৱস্থা সুচল কৰা। কিয়নো এই পথৰেই দেশ-বিদেশৰ বিভিন্ন পৰ্যটক, গৱেষক, ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ তীৰ্থযাত্ৰী, দৰ্শনাৰ্থী বটদ্ৰৱালৈ আহিব লাগে। তাৰ উপৰি বটদ্ৰৱাৰ আকাশীগংগাৰ পাৰত চৰকাৰে বটদ্ৰৱা প্ৰকল্প নামেৰে ১৮৮ কোটিটকীয়া এক বৃহৎ প্ৰকল্পৰ কামো চলাই আছে। সেই প্ৰকল্প নিৰ্মাণ কাৰ্যৰ বিগত বৰ্ষৰ ২২ ফেব্ৰুৱাৰীত আৰম্ভ কৰিছিল দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহে। এই প্ৰকল্পৰ লগত সংগতি ৰাখিয়েই নগাঁও-ধিং গড়কাপ্টানী পথৰ কাম আৰম্ভ কৰা হৈছিল। যাতে বটদ্ৰৱালৈ অহা পৰ্যটন, তীৰ্থযাত্ৰী আৰু দৰ্শনাৰ্থীয়ে যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিব লগা নহয়। কিন্তু পথটো অতিশয় জৰাজীৰ্ণ হৈ পৰাত বিগত কিছুদিনৰ পৰা ইতিহাস প্ৰসিদ্ধ থানখনলৈ অহা তীৰ্থযাত্ৰীৰ সংখ্যাও হ্ৰাস পাইছে বুলি জানিব পৰা গৈছে। পৱিত্ৰ ভাদৰ প্ৰতিটো দিনতেই বটদ্ৰৱা থানলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অজস্ৰ লোক আহে। কিন্তু এইবাৰ নগাঁও, ধিং পথৰ শোচনীয় অৱস্থাৰ পৰিপ্ৰেক্ষিতত চিন্তিত হৈ পৰিছে বটদ্ৰৱা থান পৰিচালনা সমিতিও। আনহাতে, এই পথটোৰেই ধিং-মৈৰাবাৰী অঞ্চলৰ পৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তলৈ দূৰণিবটীয়া বাছৰ উপৰি কেৱল নগাঁও চহৰলৈ শ শ বিভিন্ন যান-বাহন দৈনিক চলাচল কৰে। আনহাতে, ৰাজ্যখনৰ বিভিন্ন ঠাইলৈ এই পথৰেই লাহৰিঘাট, মৈৰাবাৰী, ধিং, ডুমডুমীয়া, শান্তিজান, বেছামাৰী আদি বিভিন্ন কৃষি বজাৰৰ পৰা দৈনিক ট্ৰাকে ট্ৰাকে শাক-পাচলি ৰপ্তানি হয়। কিন্তু এতিয়া পথৰ দুৰৱস্থাই শাক-পাচলি ৰপ্তানিত বিৰূপ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। জানিব পৰা মতে, অসম মালা আঁচনিৰ অধীনত নগাঁও, ধিং গড়কাপ্টানী পথৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিবলৈ লোকনিৰ্মাণ বিভাগে ঠিকাদাৰ প্ৰতিষ্ঠানক চৰম সময়সীমা নিৰ্ধাৰণ কৰি দিছে। সেই অনুসৰি তেওঁলোকে ২০২৩ৰ ফেব্ৰুৱাৰীৰ আগতেই পথটোৰ কাম সম্পূৰ্ণ কৰিব লাগে। কিন্তু পথটো সম্প্ৰসাৰণৰ বাবে অধিগ্ৰহণ কৰা ভূমিৰ পট্টাদাৰক ক্ষতিপূৰণ আদায় নিদিয়া, পথৰ দাঁতিত থকা বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰসহ বৈদ্যুতিক লাইন আঁতৰোৱাৰ কামত অতি ৰহস্যজনকভাৱে বিলম্ব হোৱাত পথ নিৰ্মাণৰ কামেই আৰম্ভ কৰিও বন্ধ ৰাখিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত এই পথৰ নিৰ্মাণ কাৰ্য ২০২৩ৰ ফেব্ৰুৱাৰীত কোনো কাৰণেই যে সম্পূৰ্ণ হৈ নুঠে সেইটো নিশ্চিত। ইয়াৰ লগে লগে কাম সম্পূৰ্ণ কৰাৰ অন্তিম তাৰিখো স্বাভাৱিকতে পিছুৱাই দিবলৈ বাধ্য হ'ব সংশ্লিষ্ট বিভাগ। তেতিয়ালৈকে এই পথৰে আহ-যাহ কৰা ৰাইজে নৰক যন্ত্ৰণা ভোগ কৰি থাকিব লাগিব।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com